# অ্যামেরিকায়
# দুর্দিন

DIRECTORATE OF LIBRARY SERVICES

# আমেৰিকাত দহদিন

[illegible]

ষ্টুডেন্টছ এম্প'ৰিয়াম
ডিব্ৰুগড়

AMERIKAT DAHDIN : Ten Days in America—A travellogue by Dr Nagen Saikia. Published by Shri Mrinal Kanti Bhattacharyya, Students' Emporium, Dibrugarh, Assam. Price Rupees Twenty only.
First published : Guwahati Book Fair—1988

পিতৃ আৰু মাতৃৰ
পদ-প্ৰান্তত

# ॥ বাট চ'ৰাত ॥

‘অগ্ৰদূত’ কাকতত যেতিয়া ‘আমেৰিকাত দহদিন’ ছোৱা ছোৱাকৈ ওলায়, অনেক পাঠক-পাঠিকাই পঢ়ি সোৱাদ পোৱা বুলি লিখিছিল বা কৈছিল। যেতিয়া কোনোবাজনে কয় “আপোনাৰ লেখা পঢ়ি আপোনাৰ লগে লগে ফুৰা যেন লাগিছে” তেতিয়া মোৰ এই দহদিনীয়া ভ্ৰমণৰ দিনপঞ্জী লেখা সাৰ্থক হোৱা যেন অনুভৱ কৰোঁ। কিন্তু দহদিনত আমেৰিকাৰ দৰে বিশাল দেশ এখন চোৱা সম্ভৱনে? সম্ভৱ নহয়। পিছে, সিজিছেনে নাই সিজা চাবলৈ গোটেই চৰু ভাত পিটিকি চোৱাৰো প্ৰয়োজন নাই। যিখিনি দেখিছোঁ আৰু দেখি-শুনি মনত যেনে ভাব-অনুভৱ হৈছে তাৰে ভাগ পাঠকক অন্তৰংগভাৱে আৰু কোনো পাণ্ডিত্যৰ ধাৰ নধৰাকৈ দিয়াটোৱেই মোৰ উদ্দেশ্য। সেইবাবে, কিতাপত পোৱা তথ্য-পাতিবোৰ যথাসম্ভৱ আঁতৰত থাকি কেৱল অভিজ্ঞতাৰ পোহৰত দেখা আৰু অনুভৱ কৰাখিনি ধৰি ৰাখিবলৈ আৰু পাঠক-পাঠিকাক মোৰ ভ্ৰমণৰ মানসিক সংগী কৰি ল'বলৈ যত্ন কৰিছোঁ।

অপিচ, এজন পাঠকে সুধিলে, “দহদিনত ইমানখিনি কথা আপুনি কেনেকৈ জানিলে?” মই ক'লোঁ যে সেই কেইদিন প্ৰায় চৌবিছ ঘণ্টা মই চকু-কাণ খুলি ৰাখিবলৈ যত্ন ক'ৰিছিলোঁ।

আমাৰ কথা-বতৰা শুনি থকা এগৰাকী ভদ্ৰমহিলাই অবাক হৈ মোলৈ চাই প্ৰশ্ন কৰিলে “সেই কেইদিন আপুনি শোৱা নাছিলনে কি ছাৰ?”

মই হাঁহি মাৰি সুধিলোঁ—টোপনি খতিৰ চিন মোৰ চকুত এতিয়াও লাগি আছেনে কি বাৰু?

মই লিখাৰ পিছত সালসলনি ঘটা কেইটামান তথ্যপাতি এনেকুৱা: যেনে—আমেৰিকাৰ প্ৰেছিডেণ্ট হিচাপে ৰিপাব্লিকান দলৰ জৰ্জ বুশ্ব যোৱা ৮ নৱেম্বৰত নিৰ্বাচিত হ'ল; দিল্লীত গৱেষণা কৰি থকা শ্ৰীমান যোগেন কলিতা যোৱা ৪ আগষ্টত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণীতত্ত্ব বিভাগৰ অধ্যাপক হ'ল; বহু দেশতো এইড্‌ছ ৰোগ সংক্ৰমিত হোৱাৰ সংবাদ পোৱা গ'ল—ইত্যাদি। আশাকৰোঁ এনেবিলাক সাল-সলনিয়ে বা তথ্য-পাতিৰ কিবা ইফাল-সিফালে লেখাখিনিৰ মেজাজ নষ্ট কৰিব নোৱাৰিব। সেইহে কৈ থওঁ—যদিও লেখেৰে

প্ৰায় তেৰদিন হ'ল, দহদিন বুলিলে শুনিবলৈ ভাল লাগে বাবে নামটো "আমেৰিকাত দহদিন" কৰি থলোঁ।

ষ্টুডেণ্টছ্ এম্পোৰিয়ামৰ শ্ৰীমৃণালকান্তি ভট্টাচাৰ্যই "আমেৰিকাত দহদিন" গ্ৰন্থাকাৰে প্ৰকাশ কৰাৰ দায়িত্ব লোৱাৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

দীপান্বিতা ১৯৮৮
১৭৭ ছাউথ এভিনিউ
নতুন দিল্লী





*Two roads diversed in a wood, and I*
*Took the less travelled by*
*And that has made all the difference*

*—Frost*

॥ প্ৰথম দিনটো ॥

সৰুতে, প্ৰাইমেৰিৰ স্কুলত পঢ়ি থাকোঁতেই শুনিছিলোঁ—আমাৰ দেশত যেতিয়া দিন হয়, আমেৰিকাত ৰাতি হয়। শিক্ষকে গ্লোবটো ঘূৰাই বুজাই থাকোঁতে কথাটো ঠিক বুজিবই পৰা নাছিলোঁ—কাণ্ডটো কেনেকৈ ঘটে। লগতে আন এটা আনুষংগিক প্ৰশ্নই আহি আহুকাল কৰি আছিলহি—সিফালৰ মানুহবোৰ পৰি নোযোৱাকৈ কেনেকৈ ৰৈ থাকে? তেতিয়া আইজাক নিউটনৰ কথা হাইস্কুলীয়া লৰাই জানিলেও আমাৰ জানিবৰে হোৱা নাছিল।

সেই আমেৰিকালৈকে যাবলৈ ওলাই নিজৰ মনটোক সুধি চাইছোঁ—কেনে লাগিছে? বাহিৰত ফুৰ্তি আৰু ভিতৰত অকণ-অকণ অহংবোধ? নতুন ঠাইলৈ যোৱাৰ শংকা?

সচেতন মনটোৱে উত্তৰ দিছে—ফুৰ্তি আৰু শংকাৰ কথা বাৰু বুজিলোঁ; কিন্তু অকণ-অকণ হ'লেও অহংবোধৰ ঠাই ক'ত? দিল্লী-বোম্বে-কলিকতাৰ পৰা হাজাৰ-হাজাৰ মানুহ দৈনিক পৃথিৱীৰ ইমুৰ-সিমুৰলৈ গৈ আছে; লগতে দেখোন অনেকে

আজি ইউৰোপ, কাইলৈ আমেৰিকা, পৰাহিলৈ ৰাছিয়া কৰি বনাই কৰিছে। ভিতৰৰ মনটোৱে কৈছে—বেজবৰুৱাৰ থহটা ডিমৰু সত্ৰৰ সত্ৰাধিকাৰৰ লগত যোৱা পাঁচনিৰ কথা মনত পৰা নাইনে—সেই যে কলিকতাত ঘোঁৰাগাড়ীত উঠি মনতে মিচিক-মাচাক কৈ হাঁহি খিড়কীৰে মাজে মাজে চাই গৈছিল—কেনেবাকৈ লগৰ ভকত কোনোবা কোনোবাই দেখা হ'লে কেনে হ'লহেঁতেন বুলি ভাবি ? মোৰ মনটো খন্তেকৰ বাবে ঢেকীয়াল হাইস্কুলত ক্লাছ ছেভেনত পঢ়ি থকা সময়লৈ ঘূৰি গৈছিল : সেই সময়ত তিতাবৰত অখিল ভাৰত বুনিয়াদী শিক্ষা-সন্মিলন বহিছিল আৰু আমাৰ হিন্দী শিক্ষক শ্ৰীযুত পদ্মধৰ চাংমায়ে ( তেখেতক বহুবছৰ লগ পোৱা নাই ) আমাক বৰুৱা বামুণ গাওঁ ষ্টেচনত ৰেলগাড়ীত তুলি তালৈ লৈ গৈছিল। প্ৰথম ৰেলত উঠা, প্ৰথম ঘৰৰ পৰা এনেকৈ বাহিৰলৈ গৈ থকা—এইবোৰ অভিজ্ঞতাই কিশোৰ প্ৰাণত এক অনিৰ্বচনীয় আনন্দৰ সৃষ্টি কৰিছিল। বিদেশলৈ ওলাই এবাৰ সেই মনটো ঘূৰাই পাওঁনে কি চাই দেখিছোঁ—সৰুকালৰ মোৰ সেই ছবিখনৰ লগতে সেই মনটোও মই হেৰুৱাই পেলাইছোঁ। এতিয়াৰ মন দায়িত্ব-সচেতন, আত্ম-সচেতন আৰু সাৰল্য-হীন। বহুসময়ত স্বাৰ্থপৰ। তদুপৰি, নতুন ঠাইলৈ যোৱাৰ আৰু চোৱাৰ প্ৰৱণতাও স্তিমিত। সৰু হলেও কিবা এটা কাম নাথাকিলে মই কোনো-ফালে যোৱাৰ আগ্ৰহ অনুভৱ নকৰোঁ। আমেৰিকাৰ অসমীয়া-সকলৰ অন্যতম অনুষ্ঠান 'উত্তৰ আমেৰিকা অসম সংঘই' নিমন্ত্ৰণ কৰাৰ বাবেই এই যাত্ৰাৰ আয়োজন। উত্তৰ আমেৰিকাৰ উত্তৰ-পশ্চিম চুকৰ ছিয়াটলত ( য'ত বোয়িং কম্পেনি আছে আৰু তিনিজন অসমীয়া ইঞ্জিনীয়াৰে য'ত কাম কৰে ) আয়োজিত অনুষ্ঠানত—'অসমীয়া ভাষা সাহিত্যলৈ আমেৰিকান মিছনেৰি-সকলৰ অৱদান' সম্পৰ্কে বক্তৃতা দিবলৈ নিমন্ত্ৰণ পাইছিলোঁ যোৱা মে' মাহৰ প্ৰথম সপ্তাহতে। লগতে ড' কৃপানাথ বৰাৰ ব্যক্তিগত

চিঠি। ড° বৰা হ'ল অসমীয়া বৈয়াকৰণ আৰু অসমীয়া 'বেকন' স্বৰ্গীয় সত্যনাথ বৰাৰ নাতি আৰু স্বৰ্গীয় অম্বিকানাথ বৰাৰ পুত্ৰ। আমেৰিকাৰ অৰগেনন নামৰ প্ৰসিদ্ধ এটা দাচচ্ ঔষধৰ কোম্পানীৰ তেওঁ উচ্চ খাপৰ বিষয়া। ড° বৰাৰ যত্নতে আমেৰিকাত অসম সাহিত্য সভাৰ শাখা এটিও প্ৰতিষ্ঠিত হৈছে। মই সভাৰ প্ৰধান সম্পাদক হৈ থকা সময়তে এই শাখাৰ জন্ম। সেই সূত্ৰে ড° বৰাৰ লগত যোগাযোগ কেইবা বছৰৰো। মানুহ-জনৰ লগত সাক্ষাৎ অৱশ্যে ১৯৮৭ চনৰ ফেব্ৰুৱাৰীত পাঠশালাত বহা সভাৰ অধিবেশনতহে। তেখেতে আমেৰিকাৰ উইলিয়ামছ্ কলেজৰ পুথি ভঁৰালত থকা কাশীনাথ তামুলী ফুকনৰ বুৰঞ্জী-খনৰ ফটোকপি কৰি আনি এই অধিবেশনত সভাপতি ড° মহেন্দ্ৰ বৰাৰ হাতত আনুষ্ঠানিক ভাৱে অৰ্পণ কৰাৰ কথা সভালৈ যোৱা-সকলৰ মনত থাকিব পায়। ৰঙা-বগা বৰণৰ, জোঙা নাকৰ, ওখ-পাখ, সেইদিনা মুগাৰ পাঞ্জাবী চোলা পিন্ধি জিলিকি থকা মানুহ-জন চকুত নপৰিবৰ কথা নাই।···

যাত্ৰাৰ ১২ ঘণ্টাৰ আগতহে, অৰ্থাৎ কালি ২৮ জুনৰ দিনা আবেলি ৪ বজাত, আমেৰিকা আৰু লণ্ডনলৈ যোৱাৰ ভিছাসহ মোৰ পাছপোৰ্ট, এয়াৰ-ইণ্ডিয়াৰ টিকেট আৰু ছহেজাৰ টকাৰ আমেৰিকান ডলাৰ লব পৰাকৈ ট্ৰেভেলাৰ্ছ চেক্ মোৰ হাতত পৰিলহি। তেতিয়াহে আহিবৰ বাবে যেন শেষ ক্লিয়েৰেন্স্ পালোঁ! এটা বাকচ আৰু এটা কান্ধত ওলোমাই লব পৰা চামৰাৰ মোনাত কাপোৰ-কানি, কিতাপ-পত্ৰ, সভাত পাঠ কৰিবলগীয়া প্ৰবন্ধ—এই আটাইবোৰ ভৰাই ললোঁ। চিঠি ভৰোৱা ডাঙৰ খাম এটাৰ সমান চামৰাৰ ফল্ডাৰ বেগ এটা, সংসদীয় সমিতিৰ কামত যোৱা এপ্ৰিলত বোম্বেলৈ যাওঁতে কিনি দিছিল—ফাৰুক ন'ছিৰ কটেলিয়ে। সেই বেগ্টোত ভৰাই ললোঁ—মোৰ ভিছাসহ, পাছপোৰ্ট, টিকেট, ট্ৰেভেলাৰ্ছ্ চেক্ আৰু মোৰ নামৰ কাৰ্ড কেইখনমান।

অহাৰ আগমুহূৰ্তত কালি শুভেচ্ছা-বাহক কেইবাখনো চিঠি, তাঁৰ আৰু টেলিফোন পাইছোঁ। ডিব্ৰুগড়ৰ শ্ৰীযুত বিপিনকুমাৰ বৰগোহাই, নগাঁৱৰ বন্ধুবৰ যোগেন ভুঞা, নগাঁৱৰ চিকিৎসক ডঃ বিৰিঞ্চি বৰা, যোৰহাটৰ পূৰ্বশ্ৰীৰ শ্ৰীশিৱ বৰুৱাৰ পৰিয়াল— এই সকলৰ তাঁৰ, ডঃ মহেশ্বৰ নেওগ ছাৰৰ চিঠি, ডঃ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য আৰু যোৰহাটৰ শান্তনুৰ টেলিফোন। সকলোৱে শুভেচ্ছা জনাইছে। ঘৰৰ পৰা লাৱণ্যই টেলিফোন কৰি শুভেচ্ছা জনোৱাৰ লগতে কৈছে "আপোনাৰ কামখিনি ভালে ভালে কৰি আহকগৈ—বজাৰ কৰিব নালাগে ; যদি পাৰে আপোনালৈ ঘড়ী এটাকে লব"। মই যে বজাৰ কৰি টান পাওঁ সেই কথা তেওঁ ভালকৈ জানে। সেইবাবে বজাৰ কৰাৰ চিন্তাত যাতে বিদেশত গৈ বিৰক্ত নহওঁ—তাৰ বাবেই এই সকিয়নি বোধকৰোঁ!

আজি পুৱা ছাউথ এভিনিউৰ ১৭৭ নম্বৰ বহাৰ পৰা যোগেন (অল ইণ্ডিয়া ইন্‌ষ্টিটিউট্ অব মেডিকেল ছায়েন্সত ৰি-প্ৰডাক্টিভ্ বায়োলজি বিভাগত ডক্টৰেটৰ বাবে গবেষণা কৰি থকা শ্ৰীমান যোগেন কলিতা যোৱা এবছৰমান মোৰ বহাতে আছিল) আৰু দিবাকৰো (অসম হাউছৰ হাউছ-ছুপাৰভাইজাৰ হিচাপে কাম কৰি থকা, বয়সত আমাৰ ডাঙৰ ল'ৰা গৌতমৰ যুৰীয়া, শ্ৰীমান দিবাকৰ বড়োৱেও মাজে-মাজে মোক সহায়-সাৰথি কৰি দিয়েহি সদিচ্ছাবশতঃ) মোৰ লগত ওলাল এয়াৰপোৰ্টলৈ। আমগুৰি সমষ্টিৰ বিধায়ক শ্ৰীপ্ৰদীপ হাজৰিকাও তেওঁৰ মাকৰ চিকিৎসাৰ বাবে আহি দিল্লীত আছেহি। মোৰ পাছপোৰ্ট, ভিছা, টিকেট সংগ্ৰহত হাজৰিকায়ো মোক লগ দি আছিল। কালিয়েই হাজৰিকাই কৈ থৈছে যে তেৰোঁ এয়াৰপোৰ্টলৈ যাব। এতেকে পুৱা (আচলতে ৰাতি হৈয়েই আছে) ৩.৩০ বজাত হাজৰিকাকো লৈ এয়াৰপোৰ্ট পাওঁতে ৪ বাজিবৰ হ'ল। দিল্লীৰ ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমান বন্দৰৰ টাৰ্মিনেল হাউছৰ মুখত

তেওঁবিলাকে মোক শুভেচ্ছা জনাই এৰি যাওঁতে ঘড়ীত চাৰি বাজিছে।

আন্তৰ্জাতিক বিমানত মোৰ প্ৰথম যাত্ৰা।

বোডিং কাৰ্ড লবলৈ গৈ গম পালোঁ যে এয়াৰপোৰ্ট টেক্স এশ টকা দি লব লাগে। আহিবৰ সময়ত মই ভাৰতীয় টকা আনিম নে নানিম আৰু আনিলে আকৌ কিবা আহুকাল হ'ব পাৰেনেকি— ইত্যাদি সন্দেহ কৰি দুশ টকা বেগত ভৰাই লৈছিলোঁ। কাৰণ ঘূৰি আহোঁতে এয়াৰপোৰ্টৰ পৰা বহালৈ টেক্সী ভাড়া কৰিবলৈওতো ধন লাগিব! ভাগ্য ভাল যে টকা দুশ আনিছিলোঁ। নহলে টালিয়ে-টোপোলাই আকৌ টেক্সী লৈ ছাউথ এভিনিউৰ বহা পাবগৈ লাগিলহেতেন ধন আনিবলৈ।

এয়াৰ ইণ্ডিয়া ১০৫ পুৰা ৬'৩৫ বজাত এৰিব লাগে। এৰিলে ৭'৩৫ বজাত। আমাৰ ঘৰুৱা বিমানবোৰৰ সময়ৰ হেৰ-ফেৰ হ'লৈই খং উঠে। আন্তৰ্জাতিক বিমান সেৱাত সময় ৰক্ষা কৰিব নোৱাৰিলে নিষ্ফল খংটো বাঢ়ি যোৱাটোৱে স্বাভাৱিক।

এয়াৰ ইণ্ডিয়াৰ বিমানত আগতে উঠা নাছিলোঁ। এইখন জেট ইঞ্জিনেৰে চালিত বোয়িং ৭৪৭। চেঙা মাছৰ দৰে মুৰটো ডাঙৰ। প্ৰায় পাঁচশ যাত্ৰী যাব পৰা এয়াৰ বাছ। ভিতৰখনো সুদৃশ্য। বেৰত কৃষ্ণৰ বাঁহী বজোৱা আৰু বস্ত্ৰহৰণৰ—মৃদু পাতল ৰঙৰ ছবি। মোৰ ৩৮ নম্বৰ শাৰীৰ খিড়িকী কাষৰ আসন।

মোৰ সোঁহাতে বহিলহি ইংৰাজ ডেকা-গাভৰু। পিছতহে গম পালোঁ স্বামী-স্ত্ৰী। তেওঁবিলাক লণ্ডনলৈ যাব। আমাৰ বিমান কেৱল লণ্ডনত এঘণ্টাৰ বাবে ৰ'ব। লণ্ডনৰ পৰা আটলাণ্টিক মহাসাগৰৰ ওপৰে ওপৰে গৈ নিউয়ৰ্ক।

বিমানখনে এটাও জোঁকাৰণি নমৰাকৈ ওপৰলৈ লাহেকৈ বগাই যোৱাৰ দৰে যেন উঠি গ'ল। কেইমিনিটমানৰ পিছত কক্‌পিটৰ

পৰা ঘোষণা কৰিলে যে আমি ৩৩ হেজাৰ ফুট ওপৰত ৮৯০ কিলোমিটাৰ (প্ৰতি ঘণ্টাত) বেগত লণ্ডন অভিমুখে আহি আছোঁ; দিল্লীৰ পৰা লণ্ডনৰ দূৰত্ব ৭৪৩৮ কিলোমিটাৰ চাবে আঠ ঘণ্টাত আমাৰ বিমানে সামৰিব। আমি উৰাৰ দুঘণ্টামানৰ পিছত, অৰ্থাৎ ৯'৩০ মান বজাত ক'লে যে সেই সময়ত লণ্ডনত পুৱা পাঁচ বাজিছে—অৰ্থাৎ লণ্ডনত ৰাতি পুওৱাই নাই। আমাৰ বিমানৰ বাট হ'ল—পাকিস্তান, আফগানিস্তান, ৰাছিয়া আৰু জাৰ্মেনীৰ ওপৰেদি।

হিন্দুকোষৰ বৰফ চিক্‌মিকাই থকা শৃংগ আৰু ওখ-চাপৰ শিলৰ ঢউ, সৰু ৰছী এডালৰ দৰে পকাই বৈ থকা নৈ, তলৰ সমতলৰ ক'ৰবাত সেউজীয়া ঢাকনি—ক'ৰবাত সৰলৰৈখিক মাটিৰ সীমা আৰু শস্যৰ পথাৰ—মাজে মাজে ছবিৰ দৰে লগা জনপদ—এই আটাইবোৰৰ ওপৰেদি আহি আছোঁ। ক'ৰবাত ডাঠ ডাৱৰৰ জাপ, ক'ৰবাত অকলশৰীয়া একোচপৰা ডাৱৰ—দেখিলেই হাত মেলি চুই চাবলৈ মন যায়।

বিমানত উঠিলেই মোৰ তললৈ চাবৰ মন যায়। ডিব্ৰুগড়ৰ পৰা আহোঁতে সদায় যত্ন কৰোঁ আমাৰ পঁজাটি বা কোনোখিনিত আছে আন্দাজ কৰিবলৈ। আৰু এটা ভাৱ মোৰ সদায় হয়—তলৰ পৃথিৱীখন দেখি: এই যে, গছ-গছনি, নৈ-নলা, পৰ্বত-পাহাৰেৰে ভৰা তলৰ পৃথিৱীখনত ক্ষুদ্ৰাতিক্ষুদ্ৰ মানুহবোৰ ঘূৰি ফুৰিছে, যুঁজ-বাগৰ কৰিছে, বিভিন্ন বিভেদ-বিভাজনৰ সৃষ্টি কৰি লৈ কাজিয়া-পেচাল কৰিছে—এইবোৰৰ কি অৰ্থ আছে? কি মূল্য আছে?

আজিও হৈছে একে ধৰণৰ ভাৱ: কিমান সীমা আমি তৈয়াৰ কৰি লৈছোঁ—মহাদেশ-দেশ-প্ৰদেশৰ সীমা, জাতি-বৰ্ণ-ধৰ্ম-ভাষাৰ সীমা। কিন্তু 'হিউমেন্ স্পেচিছ'তো এটাই! দুখনকৈ বিশ্বযুদ্ধ আৰু এতিয়াও চলি থকা যুদ্ধ-বিগ্ৰহ—ইৰাক-ইৰানৰ,

শ্ৰীলংকান-তামিলৰ, আমাৰ নিজৰ দেশৰ ভিতৰতে পঞ্জাৱত, দাৰ্জিলিঙত…।

ইংৰাজ গাভৰুৱে ভাৰিৰ তলত থোৱা বেগটো মোৰ ফালে হুঁহকি অহাত, "ছৰি" বুলি ক্ষমা খুজি সুধিলে—মই লণ্ডনলৈ যামনে কি ?

মই ক'লোঁ,—যদি সম্ভৱ হয়, ঘুৰি আহোঁতেহে লণ্ডন ; সম্প্ৰতি পোনে পোনে নিউয়ৰ্ক্। এইবাৰ মই সুধিলোঁ—তোমালোক ভাৰতলৈ কিবা সকামত গৈছিলা ?

ডেকাই ক'লে,—হয়, আমি কামৰ পৰা এমাহৰ ছুটি লৈ ফুৰিবলৈ আহিছিলোঁ।

ঃ পিছে, কেনে লাগিল ?

গাভৰুৱে হাঁহি ক'লে,—ভীষণ গৰম আৰু ধুলি পালোঁ ; দুদিন-মান আমি নিজকে খাপখুৱাই লবই পৰা নাছিলোঁ।

ডেকাই যোগ দিলে—আমি সেইবাবে চিম্‌লা আৰু কুলু উপত্যকালৈ গ'লোঁ।

ঃ তাত কেনেকুৱা লাগিল ?

ঃ ভাল লাগিল। কিন্তু টেক্সী ড্ৰাইভাৰ আৰু ফেৰীৱালাবিলাকে টুৰিষ্টৰ পৰা বেছি ধন লয়। আমাৰ দেশত সেইটো কৰিব নোৱাৰে।

মই ভিতৰি সেই অনামী টেক্সীৱালা আৰু ফেৰীৱালাৰ প্ৰতি বিৰক্ত হ'লোঁ। এই টুৰিষ্টসকলক নকলোঁ যে বম্বেৰ জুহুবীচত ঘোঁৰা গাড়ীত উঠোৱাৰ বাবে য'ত আঠ টকা লয়, মোৰ চকুৰ আগতে নিগ্ৰো যুৱক এজনৰ পৰা ষাঠি টকা লৈছিল। গাভৰুৱে হাঁহি ক'লে,—ষ্টীল, য়ৰ কাণ্ট্ৰি ইজ এ' গ্ৰেট্ কাণ্ট্ৰি। বহুতো ঐতিহাসিক সম্পত্তি তোমালোকৰ আছে।

ডেকাই ক'লে—তোমালোকৰ ৰেল আৰু বাছবিলাকত মানুহৰ ভিৰ দেখি মই আচৰিত।

গাভৰুৱেই উত্তৰ দিলে—এইটো জনসংখ্যা বৃদ্ধিৰ কাৰণে।
মই প্ৰসংগ সলাবলৈ সুধিলোঁ—তোমালোকৰ পৰিয়ালত জনসংখ্যা বাঢ়িছেনে নাই? দুয়ো হাঁহিলে।
ডেকাই ক'লে,—নাই—নাই। এতিয়াই মোৰ গৃহিণীয়ে বিচৰা নাই।
ইতিমধ্যে আমাৰ সন্মুখৰ পৰা দুপৰীয়া আহাৰ খাওঁতে ব্যৱহাৰ কৰা পিৰিচ-পিয়লা নিবলৈ এয়াৰ হোষ্টেছ আহিল।
মই খিড়িকীৰে বাহিৰলৈ চালোঁ।
আমি সূৰ্যৰ লগে লগে পোহৰৰ পিছে পিছে উৰি আছোঁ।
পশ্চিমলৈ সূৰ্য যোৱাৰ লগে লগে (আচলতে যদিও সূৰ্য নাযায়!) আমাৰ উৰাজাহাজো গৈ আছে। সেইবাবে, একেটা পোহৰৰ ঢৌৰ মাজত একে ঠাইতে বৈ থকা যেন লাগে। অৱশ্যে ঘড়ীৰ কাটা বৈ থকা নাই। মোৰ ঘড়ীত ৪ বাজিবৰ হ'ল।
বিমানত ঘোষণা কৰিলে যে আমি লণ্ডনৰ হিথ্ৰ' (Heathrow) বিমান বন্দৰত অৱতৰণ কৰিম।
খিড়িকীৰে দেখিলোঁ—আমাৰ অসম টাইপৰ ঘৰৰ ছালৰ দৰে ছালৰ ৰঙছুৱা বৰণৰ শাৰী শাৰী পৰিকল্পিতভাৱে সজাই থোৱা ঘৰ—চকুৰে মনিব পৰালৈকে ঘৰ, আহল-বহল বাটত গাড়ীৰ অহাযোৱা, দূৰত কংক্ৰিটৰ ওখ ওখ ঘৰ, মাজেদি বৈ যোৱা এখন নৈ।
এইখন কি নৈ?
ইংৰাজ গাভৰুৱে ক'লে—থেম্‌ছ—
অৰ্থাৎ টেম্‌ছ—সেই যে মধ্যযুগৰ পৃথিৱীৰ সাতোটা আচৰিত বস্তুৰ ভিতৰত ধৰা সুৰংগ থকা নৈ, ইংৰাজ কবিৰ কবিতাত বহুবাৰ উচ্চাৰিত টেম্‌চ্?
আমাৰ বিমান নামি আহিল। সামান্য জোকাৰণি এটাও নমৰাকৈ বিশাল বিমানখনে মাটি স্পৰ্শ কৰিলে। ঘড়ীত ৪·১০ বাজিছে আবেলি। লণ্ডনত এতিয়া পুৱা ১১·৩০ বাজিছে। অৰ্থাৎ প্ৰায় ৫ ঘণ্টা সময় আকাশতে লাভ কৰিলোঁ। পুৱা ৭·৩০ বজাৰ পৰা ৮·৩০

ঘণ্টা ক'তো নোৰোৱাকৈ উৰি আহি পুনৰ ১১'৩০ বজাত লণ্ডন পালোঁহি। যাদৱ-পাটীগণিতত এনেকুৱা অংক পোৱাৰ কথা মনত নপৰে দেখোন! Eliot-এ কবৰ দৰে—Only through time time is conquered.

বিমানৰ পৰা লাউঞ্জলৈ নামি গ'লোঁ। পৰিষ্কাৰ পৰিচ্ছন্ন। কাচৰ বেৰৰ মাজেদি হিথ্ৰ' বিমান-বন্দৰৰ চাৰিওফালে চকু ফুৰালোঁ—দূৰত সেউজীয়া গছ-গছনি। আমাৰ দেশতো ডাঙৰ ঘৰ হৈছে, আধুনিক যন্ত্ৰপাতি হৈছে; কিন্তু পৰিচ্ছন্নতা নাই।

লাউঞ্জৰ এদাঁতিত ৰেষ্টুৰাঁ—আপুনি কিবা খালে নিজে লৈ আগ-বাঢ়ি গৈ থাকি কাউণ্টাৰত দাম দি টেবুল এখন যোগাৰ কৰি বহি লওক। এদাঁতিত শ্বপিং চেণ্টাৰ—পানীয়ৰ পৰা ইলেকট্ৰনিকছৰ বয়বস্তুলৈকে সকলো পায়। চকু ফুৰাই ঘূৰি আহিলোঁ। দিল্লী এৰাৰ এঘণ্টা মানৰ পিছত ব্ৰেকফাষ্ট, চাৰিঘণ্টা মানৰ পিছত লাঞ্চ আৰু লণ্ডন পোৱাৰ আগতে একাপ কফি খাইছোঁ। ইয়াত ৰেষ্টুৰাঁত খোৱাৰ প্ৰশ্ন নাই। তাতে মোৰ হাতত আছে ওঠৰ ডলাৰ; বাকীখিনি চেক্ হৈ আছে। ইফালে ইয়াত ডলাৰ ললেও ডলাৰতকৈ পাউণ্ডৰ দাম দুগুণ। সাতে-সোতৰই ঘূৰি আহিলোঁ।

যদিও এঘণ্টা ৰোৱাৰ কথা আছিল, আমি লণ্ডনত দুঘণ্টা ৰলোঁ আৰু মোৰ ঘড়ীত যেতিয়া ৬'১০ মিনিট গৈছে (যদিও সকলোৱেই লণ্ডনৰ সময়ৰ লগত ঘড়ী মিলাই ল'লে, মই লোৱা নাই) অৰ্থাৎ লণ্ডনৰ সময়মতে দুপৰীয়া ১'৩০ বাজিছে,—আমাৰ বিমানে লণ্ডন এৰিলে।

মোৰ ঘড়ীত সন্ধ্যা ৭ বাজোঁতে লণ্ডনৰ দুপৰীয়াৰ আহাৰৰ সময়। আজি দিনটোত দুবাৰ দুপৰীয়াৰ আহাৰ—এবাৰ দিল্লী এৰাৰ পিছত; এতিয়া লণ্ডন এৰাৰ পিছত।

—লণ্ডনৰ পৰা নিউয়ৰ্কলৈ আকাশী পথেৰে দূৰত্ব হ'ল ৫৭৫০

কিলোমিটাৰ। উৰিবলৈ সময় লাগিব ৬ ঘণ্টা। অৰ্থাৎ মোৰ ঘড়ীত যেতিয়া ২৯ তাৰিখে ৰাতি ১ বাজি যাব, তেতিয়া গৈ নিউয়ৰ্ক পামগৈ। কিন্তু নিউয়ৰ্কত তেতিয়া ২৯ তাৰিখে আবেলি ৩টহে বাজিব ; অৰ্থাৎ দহ ঘণ্টা সময় মোৰ লাভ হ'ব !

ইংলেণ্ডৰ সাগৰৰ উপকূল এৰাৰ পিছত আমি এতিয়া আটলাণ্টিক মহাসাগৰৰ ওপৰত। আয়াৰলেণ্ডলৈকে তলত মাটি দেখিছিলোঁ —তাৰ পিছত কেৱল নীলিম সলিল ৰাশি বাধাহীন উৰ্মিমালা আছে দূৰ দিগন্ত বিয়পি। কিন্তু বেছি সময় নীলিম সলিল ৰাশিও দেখা নাই—ডাৱৰৰ আৱৰণে সাগৰক আবৰি ধৰিছে—বাহিৰলৈ যাবলৈ এতিয়া একো নাই কেৱল কপাহৰ দৰে ওপঙি থকা ডাৱৰ আৰু ডাৱৰ আৰু ডাৱৰ। বাহিৰত সূৰ্যৰ ফটফটীয়া পোহৰ। আজি সূৰ্যৰ লগে লগে আমাৰো পৃথিৱী প্ৰদক্ষিণ হৈছে —আজি এটা ২৪ ঘণ্টীয়া দিন পাইছোঁ—সন্ধ্যা নলগা আৰু ৰাতি নোহোৱা সময়।

মোৰ কাষৰ আসনত এইবাৰ এজন নিগ্ৰো যুৱক—সৰহসংখ্যক নিগ্ৰোৰদৰে শকত আৱত, ওখ-পাখ নহয় ; ক্ষীণ। তেওঁ বেগৰপৰা বাইবেল এখন লৈ পঢ়ি গৈছে। সিদাঁতিত এগৰাকী ভাৰতীয় ভদ্ৰমহিলা—বয়স ষাঠিৰ ওচৰা-ওচৰি।

আন্তৰ্জাতিক বিমানত আপুনি পানীয়, চিগাৰেট, কচ্চদ্ৰিংকছ আদি 'ডিউটি ফ্ৰি' দামত কিনি ল'ব পাৰে—খাবতো পাৰেই। ভদ্ৰমহিলাই দুবটল বিদেশী পানীয় ল'লে। মোৰ চকুৱে চকুৱে পৰাত সুধিলে—ল'বা নেকি ?

মই নলওঁ বুলি কৈ সুধিলোঁ—তুমি নিয়মীয়াকৈ সেৱন কৰা নেকি ? তেওঁ ক'লে—নাই নকৰোঁ। মাজে-সময়ে খাওঁ। এইখিনি মোৰ ল'ৰা দুটাৰ বাবে লৈছোঁ।

মাকে পুতেকলৈ মদ কিনি নিয়া কাৰবাৰটো অসমীয়া-চকুত বিসদৃশ যেন লাগিল। ভিতৰৰ মনটোৱে ক'লে—'হুৰেচিঅ', এই পৃথিৱীত

অনেক ঘটনাই ঘটি আছে'। বিমানত চিনেমা চলি আছে—আগৰফালে এখন, পিছৰফালে এখন আৰু শেহৰ ফালে এখন। শুনিবৰ মন গ'লে আগফালে বেগত থকা হিয়েৰিং কৰ্ড ডাল উলিয়াই এফালে হেণ্ডেলত লগাই কাণত লগাই ল'লেই হ'ল।

মই আজিৰ কাগজ উলিয়াই ললোঁ পঢ়িবলৈ—The Times কাগজ। শিৰোনামাৰ বাৰ্তাৰ হ'ল—গৰ্বাচভে ঘোষণা কৰা নতুন বৈপ্লৱিক ধাৰা। ৰুছ কমিউনিষ্ট দলৰ ৰাষ্ট্ৰীয় অধিবেশনত গৰ্বাচভে গণতান্ত্ৰিক পদ্ধতিৰে মুকলি ৰাজনৈতিক ধাৰা প্ৰতিষ্ঠাৰ বাবে, গোপন বেলটৰ যোগে ভোট গ্ৰহণ পদ্ধতি প্ৰয়োগৰ হকে আৰু আমেৰিকাৰ দৰে ৰাষ্ট্ৰপতীয় শাসন প্ৰৱৰ্তনৰ হকে দিয়া ভাষণ কমিউনিষ্ট জগতৰ বাবে আৰু বিশ্বৰ বাবেও অতিশয় গুৰুত্বপূৰ্ণ। ছোভিয়েট ৰুছিয়াই সম্মুখীন হোৱা অৰ্থনৈতিক সংকটৰ বিষয়ে আৰু ৰুবলৰ মূল্য হ্ৰাস হোৱাৰ সম্পৰ্কেও তেওঁ তেওঁৰ চাৰে তিনি ঘণ্টীয়া বক্তৃতাত উল্লেখ কৰে। তদুপৰি, ধৰ্মীয় বিশ্বাসৰ ক্ষেত্ৰতো নতুন কথা তেওঁ কয়। Times এ লিখিছে—Religions believers are given separate undertakings that their freedom of conscience would be respected and soon be enshrined in a new law. আলেকজেণ্ডাৰ য়কোলভে গৰ্বাচভৰ এই ঘোষণাক গণ-তান্ত্ৰিক পদ্ধতি প্ৰয়োগৰ বাবে লোৱা এটা ডাঙৰ পদক্ষেপ বুলি ঘোষণা কৰি কৈছে যে এই ব্যৱস্থাই ছোভিয়েত ৰাছিয়াৰ সমাজক মুক্ত আৰু স্বাধীন সমাজলৈ পৰিৱৰ্তন কৰিব।

কমিউনিষ্ট বিশ্বৰ বাবে ই পদ্ধতিৰ আমূল পৰিৱৰ্তন সূচনা কৰিছে। আজিৰ পৰা প্ৰায় দুমাহৰ আগত, এপ্ৰিলৰ দ্বিতীয় সপ্তাহত চীনৰ নেচনেল পীপলছ্ কংগ্ৰেছত, অৰ্থাৎ চীনৰ সংসদত চীনৰ সংবিধান সংশোধন কৰি ব্যক্তিগত খণ্ডক বিধিসম্মত কৰা আৰু মাটি বিক্ৰী কৰিব পৰাকৈ অধিকাৰ দিয়া ঘটনাৰ লগতে ৰুছ

দেশৰ এই ঘটনা বিশেষ তাৎপৰ্য্যপূৰ্ণ। আগতে জনা নাছিলোঁ যে যোৱা এটা দশকত চীন দেশত দুইলাখ পাঁচহ হেজাৰ ব্যক্তিগত খণ্ডৰ ব্যৱসায় প্ৰতিষ্ঠান গঢ় লৈ উঠিছিল। (চীনৰ প্ৰথমবাৰৰ বাবে সৌন্দৰ্য প্ৰতিযোগিতাৰ আয়োজন কৰাটোও এটা উল্লেখযোগ্য ঘটনা।) যদিও দুয়োখন দেশেই কৈছে যে সমাজবাদী অৰ্থনীতিক শক্তিশালী কৰি তুলিবলৈকে এনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হৈছে, তথাপি এটা ডাঙৰ প্ৰশ্নবোধক চিন মানুহৰ সমুখত থিয় হৈছেহি। যি সকলে মাৰ্ক্সবাদ-লেনিনবাদৰ প্ৰতিটো শব্দ ধৰ্মান্ধ লোকৰদৰে ধ্ৰুৱসত্য বুলি ভাবে, তেওঁবিলাকে দুয়োখন দেশত নতুন সমস্যাৰ সৃষ্টি কৰিব পাৰে। যদিও মাৰ্ক্সে নিজেই Dogma স্বৰূপে নহয় guide to action স্বৰূপে তেওঁৰ সূত্ৰ লোৱাৰ কথা কৈছে, যদিও চীনত মাও চে-তুঙে (মাও-জে-দং?) কৃষকক লৈয়েই বিপ্লৱ সফল কৰি মাৰ্ক্সবাদক নতুন আয়তন দি গ'ল, তথাপি মোৰ সন্দেহ হৈছে ৰুছ আৰু চীনে প্ৰয়োজনত গ্ৰহণ কৰা এই সিদ্ধান্তৰ বিৰুদ্ধেও এটা দল নিশ্চয় ওলাব।

বাহিৰলৈ চালোঁ—দিনৰ ফটফটীয়া পোহৰ। আমি ৮৫০ কিলোমিটাৰ বেগত গৈ আছোঁ। আমেৰিকাৰ কবি ৱাল্ট হুইটমেনে তেওঁৰ এটা কবিতাত কবৰ দৰে—

Speeding through the space
Speeding through heaven and the stars

দিনত তৰা দেখা নাই কিন্তু তীব্ৰ গতিত যে গৈ আছোঁ—সন্দেহ নাই।

এইবাৰ ডাৱৰ আৰু নাই। 'ডাৱৰ আৰু নাই' বুলিলেই শ্ৰীযোগেশ দাসৰ বাখৰহঁতলৈ মনত পৰে।

তলত আটলাণ্টিকৰ নীলা পানী—বিশাল অসীম ব্যাপক। সৰু সৰু যেন লগা ঢৌবোৰে চকুৰে মনিব পৰাকৈ উৰাজাহাজ নামি আহিছে। ৰবাৰ্ট ফ্ৰষ্টৰ পৰা আনি কবৰ মন গৈছে—

Look, look it's waving to us with a wave
To let us know it hears me.

ওপৰৰ পৰা এইবাৰ নিউয়র্কৰ একাংশ দেখিছোঁ—পৃথিৱীৰ ব্যস্ত মহানগৰ সমূহৰ অন্যতম, পৃথিৱীৰ আটাইতকৈ ওখ ওখ ঘৰ থকা ঠাই—ৱাল্ট্ হুইট্মেনৰ নগৰ। □



*The Prologues are over*
*It is a question now*
*of final belief*
*—Wallace Stevens*

॥ দ্বিতীয় দিন ॥

ৱালেছ ষ্টিভেন্‌ছো আমেৰিকাৰ কবি। মোৰ দিনপঞ্জীত ব্যৱহাৰ কৰিবলৈ নিশ্চয় তেওঁ কবিতা ফাঁকি লিখি থৈ যোৱা নাছিল; কিন্তু কালি আমেৰিকাৰ আবেলি ৩'৪৫ বজাত আমেৰিকাত' ভৰি দিয়াৰ লগে লগেই মোৰ চমু ভ্ৰমণ সূচীৰ প্ৰস্তাৱনা-পৰ্বৰ সামৰণি পৰিল বাবেই প্ৰসংগক্ৰমে ষ্টিভেন্‌ছলৈও মনত পৰিল। কালি বিমানৰপৰা ওলাই এছকেলেটৰেৰে তললৈ নামি আহি Immigration form, পাছপোৰ্টসহ ভিছা এইবোৰ দেখুৱাই, টলি টোপোলা লৈ ওলাই অহালৈ প্ৰায় চাৰে চাৰি বাজিল। বাহিৰত ড° কৃপানাথ বৰা, ড° শোণিত দাস, শ্ৰীবৃজেন বৰদলৈ, শ্ৰীৰাজবংশী, শ্ৰীনোমল দত্ত আৰু শ্ৰীপ্ৰশান্ত বৰদলৈ ৰৈ আছিল। বিদেশত ভৰি দিয়েই চিনাকি মুখবোৰ দেখি ভাল লাগি গ'ল। ড° বৰাই দাস আৰু ৰাজবংশীৰ লগত পৰিচয় কৰাই দিলে। বাকী তিনিজন মোৰ 'নিচেই চিনাকি'। মোৰ এই ভ্ৰমণসূচীৰ লগত প্ৰশান্তও জড়িত। প্ৰশান্তৰ ঘৰ যোৰহাটৰ তৰাজান সোণাৰি গাঁৱত। যোৰহাট ইঞ্জিনীয়াৰিং কলেজৰ পৰা গ্ৰেজুৱেচন

লৈ দিল্লীত তেওঁ ব্ৰহ্মপুত্ৰ বোৰ্ডত এক্সিকিউটিভ ইঞ্জিনীয়াৰ হৈ আছিল। তেওঁ নিজৰ প্ৰতিভাৰে বৃত্তি লৈ নৰৱেত ছমাহৰ এটা কোৰ্ছ কৰি আহিল ; তাৰ পিছত ১৯৮৭ চনত আন এটা প্ৰতিভামূলক বৃত্তি লৈ আমেৰিকাৰ ৰাটগাৰ্ছ বিশ্ববিদ্যালয়ত এম. এছ. কৰিবলৈ আহিছে। তেওঁ ৰাটগাৰ্ছ বিশ্ববিদ্যালয়ৰ কুক্ কলেজৰ অসমীয়া ইঞ্জিনীয়াৰ অধ্যাপক ড° দেৱকুমাৰ বৰাৰ তত্ত্বাৱধানত কাম কৰিছেহি। হাঁহিমুখীয়া আৰু কথাই কথাই বিভিন্ন অসমীয়া কবিৰ আৰু গীতিকাৰৰ কবিতা আৰু গীতৰ শাৰী থাপ থোৱাকৈ তুলি দিয়া প্ৰশান্তৰ মাজত শিল্পীমন এটি সদায় সক্ৰিয় হৈ আছে। আন কেইজনৰ ভিতৰত নোমল দত্ত মোৰ পূৰ্ব-পৰিচিত। আমি একেখন স্কুলৰে ছাত্ৰ আছিলোঁ, আৰু যোৰহাটত দেৱীচৰণ বৰুৱা কলেজত মই অধ্যাপনা কৰি থকাৰ সময়ত দত্তয়ো যোৰহাটৰ বি. টি. কলেজত গণিতৰ অধ্যাপনা কৰি আছিল। তদুপৰি দত্তৰ স্ত্ৰী শ্ৰীমতী প্ৰণতিও দেৱীচৰণ বৰুৱা কলেজৰে মোৰ প্ৰাক্তন ছাত্ৰী। পাইৰিছিলোঁৱেই—শ্ৰীমতী প্ৰণতিও মোক স্বাগত জনাবলৈ এয়াৰপোৰ্টলৈ আহিছিল। শ্ৰীব্ৰজেন বৰদলৈ যোৰহাটৰ কবি-ডাক্তৰ নবীন বৰদলৈৰ ভাতৃ।

আটায়ে সম্ভাষণ জনালে। ময়ো প্ৰতি-সম্ভাষণ জনালোঁ।

তাৰ পিছত ড° বৰাৰ গাড়ীত মই আৰু প্ৰশান্ত আমি দুয়ো উঠিলোঁ।

আমেৰিকাত নামিয়েই অনুভৱ কৰা প্ৰথম বিষয়টো হ'ল পাৰিপাট্য আৰু শৃংখলা। জন এফ কেনেডীৰ নামৰ এই আন্তৰ্জাতিক বিমান বন্দৰটোত দিনে কিমান বিমান উঠা-নমা কৰে তাৰ হিচাপ লবলৈ নহ'ল, কিন্তু প্ৰতি মিনিটত কেইবাটাও ৰানৱেত বিমান উঠিবলৈ শাৰী পাতি আছে আৰু উৰি আছে। উৰিবলৈ দহ-বাৰখন বিমান শাৰী পাতি থকাৰ দৃশ্যটো মোৰ বাবে নতুন। কিন্তু, ইমান ব্যস্ততাৰ মাজতো ক'তো হাই উৰুমি নাই। সকলোৱেই

ব্যস্ত কিন্তু শৃংখলাবদ্ধ। কর্মী-কর্মচাৰীবিলাক ভদ্ৰ, হাঁহিমুখীয়া। মহিলা কৰ্মীৰ সংখ্যাই বেছি।

একোটা টাৰ্মিনেল হাউছ বিশাল। সকলো ঠাইতে সুন্দৰকৈ কাৰ্পেট পৰা। ঠায়ে ঠায়ে তাৰ ভিতৰত ৰেষ্টুৰাঁ, শ্বপিং চেণ্টাৰ, টয়লেট, টেলিফোন।

ইয়াত নামিয়েই প্ৰতিটো বিষয়ত আমাৰ দেশলৈ মনত পৰিছে।

আলিবাটলৈ ওলায়েই চকুত পৰা দ্বিতীয়টো বস্তু হ'ল গাড়ী। হাজাৰ-হাজাৰ গাড়ী পাৰ্ক কৰি থোৱা আছে। ড° বৰাই মোক তেখেতৰ গাড়ীলৈ লৈ আহিল। ইয়াত সকলো গাড়ীৰ ষ্টীয়াৰিং বাওঁহাতে আৰু আলিবাটত গাড়ী চলে সোঁহাতে। গাড়ীত আগ-ফালৰ দুজনে দুডাল বেল্ট মাৰি লব লাগে—নহ'লে বাটত পুলিচে দেখিলে জৰিমনা ভৰিব লাগিব।

ওলাই আহিয়েই দুৱাৰ মুখত পাৰ্কিংটেক্স দিয়াৰ লগে লগে আগফালৰ লোহাৰ নঙলাদাল দাং খাই গ'ল আৰু আমি ৰাজবাটত উঠিলোঁ।

বিমান বন্দৰৰ পৰা নিউজাৰ্ছিলৈ প্ৰায় ষাঠি মাইল দূৰ। ড° বৰাৰ ঘৰ নিউজাৰ্ছি ৰাজ্যৰ মৰিছ প্লেইন্ছৰ অভাৰলুক ট্ৰেইল ৰোডত। ইয়াত প্ৰত্যেক ৰাজ্যৰ একোটাকৈ উপৰুৱা নাম আছে আৰু প্ৰত্যেক ৰাজ্যৰ নিজা প্ৰতীক আছে। নিউয়ৰ্ক ষ্টেটক বোলে এম্পায়াৰ ষ্টেট্; নিউজাৰ্ছিক—গাৰ্ডেন ষ্টেট।

ড° বৰাক সুধিলোঁ—গাৰ্ডেন ষ্টেট কিয় বোলে?

তাৰ আগতে প্ৰশান্তয়ে উত্তৰ দিলে—নিউজাৰ্ছি সেউজীয়া গছ-গছনিৰে ভৰা বৰ মনোৰম। আমেৰিকাৰ পঞ্চাছখন ৰাজ্যৰ পঞ্চাছটা এনেকুৱা নাম আৰু নিজৰ প্ৰতীক আছে।

ৰাজবাট ইমান প্ৰশান্ত, মসৃণ আৰু পৰিষ্কাৰ যে মোৰ বাৰে বাৰে আমাৰ অসমৰ নেচনেল হাইৱে কেইটালৈ মনত পৰিছে। আমাৰ নেচনেল হাইৱে নহয়, নেচনেল 'কেনেল' একোটা—সৰু সৰু

পুখুৰী একোটাৰে ভৰা, দাঁতিৰ এছফাল্ট খহি গৈছে—ক'ৰবাত হাইৱেতে দেখিব খান ৰ'দাইছে। নহ'ব কিয়? আলিবাট বন্ধা বা মেৰামতিৰ বাবে আমাৰ ধাৰ্য ধনৰ পঞ্চাছভাগতকৈও অধিক যায় ঠিকাদাৰ আৰু বা বিষয়াৰ পেটলৈ ; ইফালে বৰষুণে বানপানীয়ে আমাৰ মাটি হ'ল পানী দিয়া কোমল চাউল যেন। এতেকে আমাৰ আলিবাটত গাঁত নহৈ আমেৰিকাত হ'বনে ?

ইয়াৰ হাইৱেত দুয়োফালে চাৰিটাকৈ ৱেষ্ট ;—তদুপৰি আপদে-বিপদে গাড়ী ৰাখিব পৰাকৈ আৰু একোটা ৱেষ্ট দাঁতিত। বহুতো আলি কংক্ৰিটেৰে কৰা। আলিবাট ইমান মিহি যে গাড়ীত সামান্য জোঁকাৰণিও নাই—আপুনি ইচ্ছা কৰিলে আঁঠুৰ ওপৰত কাগজ-কলম লৈ লেখা-মেলা কৰি যাব পাৰে।

আলিবাটত সকলো ঠাইতে ছাইন আছে। আপুনি যি কোনো ঠাইৰ আলিৰ মানচিত্ৰ এখন লৈ ছাইন চাই গৈ থাকক। আমাৰ সভা-সমিতি হ'লে আৰু ভি. আই. পি আহিলে তোৰণ দিয়াৰ দৰে ইয়াৰ আলিত লোহাৰ ফ্ৰেমৰ তোৰণত আলিবাটৰ ছাইন। এবাৰ ছাইন পাহৰিলে পৰুৱাই পোৱাৰ সম্ভাৱনা। সকলো ছাইনৰ ৰং সেউজীয়া। চকুত পৰাকৈ আখৰ আৰু নম্বৰ ; ৰাতি জিলিকি থকাকৈ প্ৰতিটো আখৰ আৰু নম্বৰত ৰিফ্লেক্টৰ। ৰিফ্লেক্টৰ কেৱল ছাইন বোৰ্ডতে নাই, আলিতো আছে—যাতে ৱেষ্টবিলাক ৰাতিও জিলিকি থাকে।

ড° বৰাই পচপন্ন মাইল বেগত গাড়ী চলাইছে। ইয়াত কিলোমিটাৰ নাই, মাইল। তাৰ কাৰণ দুটা : প্ৰথমটো হ'ল এটা পদ্ধতিৰ পৰা আন এটালৈ নিয়ামানে হাজাৰ হাজাৰ বিলিয়ন ডলাৰ খৰচ কৰা ; দ্বিতীয়টো হ'ল—আনে যিটো কৰে আমেৰিকাই তাতকৈ বেলেগ এটা কৰাৰ প্ৰৱণতা।

আলিত কিমান বেগত গাড়ী চলাব তাকো ছাইনত লিখা আছে। যদি ৫৫-ৰ ঠাইত ৬৫ কৰিলে আৰু ঘূৰি ফুৰা পুলিচৰ গাড়ীত

থকা বাদাবত ধৰা পৰিল, আপোনাৰ জৰিমনা নিশ্চিত। দুশ ডলাৰ পৰ্যন্ত হ'ব পাৰে ফাইন। তদুপৰি, ইয়াত নম্বৰৰ টিকট দিয়াৰ প্ৰথা এটা আছে। আপোনাক আলিবাটৰ আইন নমনাৰ বাবে ২ নম্বৰৰ টিকট এটা দিব পাৰে। এনেকৈ যদি আপুনি চাৰিবাৰ টিকট পালে, আপুনি নিৰ্ঘাত লাইচেন্স হেৰুৱালে। আৰু আমেৰিকাত লাইচেন্স্ হেৰুওৱা মানে খোজ কাঢ়ি ফুৰা ভৰি দুটা হেৰুওৱা। ইয়াত নগৰৰ মাজৰ দোকান-পোহাৰ, অফিচ-কাছাৰীৰ সমুখ আৰু চৌহদৰ বাহিৰে আলিত খোজকাঢ়ি ফুৰা মানুহ নাই। বৰং খোজকাঢ়ি হাইৱে পাৰ হ'লে জৰিমনা ভৰাটো নিশ্চিত। এতেকে আমেৰিকাৰ গাড়ী আমাৰ তাত বাই-চাইকেলৰ দৰে ব্যৱহাৰ্যমান। ইয়াত সেইবাবে দেউতাক-মাক, পুতেক-বোৱাৰীয়েক, জী-জোৱাঁই, শিক্ষক-ছাত্ৰ, বিষয়া-শ্ৰমিক সকলোৰে একোখন গাড়ী।

আমি মৰিছ্ প্লেইনছলৈ আহি আছোঁ। দুয়ো দাঁতিয়ে গছ-গছনি। সেউজীয়া মনোৰম। গছ-গছনিবোৰো ঠাইতে ওখ ঠাইতে ·চাপৰ নহয়; এটা জোখৰ উচ্চতাৰ। আলিবাটত হাজাৰ-বিজাৰ গাড়ী অহা-যোৱা কৰি আছে। কোনো গাড়ীয়ে কতো হৰ্ণ বজোৱাটো নাই। ইয়াত হৰ্ণ বজোৱাটো একপ্ৰকাৰ হয় অশিষ্টতাৰ পৰিচায়ক নহয় ইমাৰ্জেন্সীৰ সংকেত। আমাৰ দেশত হৰ্ণ নেবাজিলে কিহৰ গাড়ী? ট্ৰাক্ বিলাকেতো আজিকালি মিউজিকেল্ হৰ্ণ লগাই পেঁ-পেঁ, পোঁ-পোঁ কৈ চিঞৰ-বাখৰ কৰি যায়। ইয়াত আপোনাৰ কাষেদি পিঁহঁতকৈ হৰ্ণ এটি মৃদুভাৱে কোনোবাই বজাই যাব পাৰে —যদি সিজনৰ চকুত পৰে যে আপুনি কিবা এটা ভুল কৰিছে বা আলিবাটৰ নিয়ম ভংগ কৰিছে।

ড° বৰাই সুধিলে—আমেৰিকাত ভৰি দি আপোনাৰ কেনে লাগিছে?

: এখন পৰিপাটী, পৰিষ্কাৰ ঠাইলৈ অহা যেন লাগিছে।

তদুপৰি মই যে এতিয়া দেশ এৰি বিদেশত—সেই ভাবো হোৱা নাই।

গছ-গছনি, দূৰৰ পাহাৰ আৰু কাষৰ সাগৰ এইবোৰৰ মাজেদি পাৰহৈ নিউজাৰ্ছিত সোমালোঁ।

অভাৰলুক ট্ৰেইলৰ ড° বৰাৰ ঘৰ পোৱালৈ আমেৰিকাত ৬ বাজিল।

পোহৰ তেতিয়াও আছে। ৭·৩০ বজা মানত সন্ধ্যা লাগিল।

কালি ড° বৰা, শ্ৰীমতী বৰা (যোৰহাটৰ স্বৰ্গীয় ডা° জ্ঞীৰকান্ত শইকীয়াৰ কন্যা। ডা° শইকীয়া সাহিত্য সভাৰ লগতো ঘনিষ্ঠ ভাৱে জড়িত আছিল আৰু ১৯৬৮ চনত যোৰহাটত আয়োজন কৰা সাহিত্যৰথী বেজবৰুৱা জন্ম শতবাৰ্ষিকী অনুষ্ঠানৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। সেই বছৰ সভাৰ সভাপতি আছিল ড° কৃপানাথ বৰাৰ দদাইদেৱেক শ্ৰীযুত (এতিয়া স্বৰ্গীয়) জ্ঞাননাথ বৰা আৰু প্ৰশান্তৰ লগত কথা-বতৰা হৈ ৰাতি ১১·৩০ মান বজাত. বিছনাত পৰাৰ পিছত আজি পুৱা ৭ বজাতহে সাৰ পাইছোঁ।

সাৰ পাই খিড়িকীৰে দেখিছোঁ সেউজীয়া গছ-গছনিৰে ভৰা নিৰিবিলি মৰিছ প্লেইনছ। ওখ-চাপৰ পাহাৰীয়া ঠাই।

বতৰ বৰ জুৰ। দিল্লীৰ চল্লিছ ডিগ্ৰীৰ পৰা আহি ইয়াত ত্ৰিছ ডিগ্ৰীত সোমাই শীত পৰি যোৱাৰ দৰে লাগিছে। কিন্তু, ইয়াৰ মানুহে এই বতৰক গৰম বুলি কৈছে। প্ৰত্যেকেই গৰমৰ পাতল পোচাক পিন্ধিছে।

উত্তৰ আমেৰিকা অসম সংঘলৈ যাব লাগিব ২ জুলাইৰ দিনা। এতেকে ড° বৰাই প্ৰস্তাৱ কৰিলে যে আজি মোক নিউয়ৰ্ক দেখুৱাব আৰু ছিয়াটলৰ পৰা কানাদাৰ ভেংকুভাৰলৈ যাব পৰাকৈ কানাদিয়ান এম্বেছীৰ পৰা মোৰ বাবে ভিছা সংগ্ৰহ কৰিব।

কালি অহা পথেৰে নহয়, আজি আন এটা পথেৰে যাত্ৰা আৰম্ভ হ'ল।

নিউয়ৰ্ক যে পাঁচোটা দ্বীপৰ সমষ্টি সেই ভৌগোলিক জ্ঞান মোৰ নাছিল।

মানহাট্টান, ব্ৰংক্স, ব্ৰুকলীন, ষ্টেটেন আইলেণ্ড আৰু লং আইলেণ্ড—আটলাণ্টিকৰ দাঁতিৰ এই পাঁচোটা দ্বীপ। মানহাট্টানতে নিউয়ৰ্কৰ স্কাইস্ক্ৰেপাৰৰ হাবি। এই মানহাট্টানৰ কথাকেতো হুইটমেনে লিখিছিল ঃ

**Walt Whitman, a Kosmos, of Manhattan the son,**
**Turbulent, fleshy, eating, drinking and breeding.**

কবিতা ফাকিৰ অৰ্থটো এতিয়াহে বুজিলোঁ।

নিউয়ৰ্কৰ এই পাঁচোটো দ্বীপ ৭৯খন বিশালাকৃতিৰ দলঙে লগ-লগাই এখন নিউয়ৰ্ক কৰি পেলাইছে। মানহাট্টান দ্বীপৰ পূবেত East river আৰু পশ্চিমত? পশ্চিমত সেই বিখ্যাত হাড্ছন নৈ—আৰভিঙৰ গল্পই বিখ্যাত কৰা হাড্ছন্। হাড্ছনৰ নাম শুনি গাড়ীৰ পৰাই ভুমুকিয়াই চালোঁ—কৰবাত ৰিপ্ভান্ উইংকলক দেখা পাওঁনে কি! তেওঁৰ সেই মামৰে ধৰা বন্দুকটো আৰু উল্ফ্ নামৰ কুকুৰটো লৈ, ঘৈনীয়েক ডেম্ ভান্ উইংকলৰ চোকা জিভাৰ গালি-শপনি শুনিব নোৱাৰি কাট্স্কিল পাহাৰলৈ চিকাৰ কৰিবলৈ ওলাই যোৱা ৰিপ্!

ড° বৰাক সুধিলোঁ—কাট্স্কিল পৰ্বত কিমান দূৰত?

বৰাই ক'লে—দূৰ হ'ব কিছু। ইয়াৰ পৰা দক্ষিণলৈ।

নুসুধিলোঁ—যদিও সুধিবৰ মন গৈছিল—তাৰ ওপৰত নাইন্পিন্ খেলা সেই এম্পিথিয়েটাৰ টুকুৰা আছেনে? ··

গাড়ী ৰখাই বাটত বাটৰ টেক্স দি যাব লাগে। যিমানটো ষ্ট্ৰেট্ থাকে, সিমানটা কাউণ্টাৰ থাকে। আপুনি হাইৱেত সোমোৱাৰ লগে লগে কাউণ্টাৰত গাড়ী ৰখাই টিকট এখন সংগ্ৰহ কৰি ল'ব লাগিব। য'ত হাইৱে এৰিব সেই ঠাইত থকা কাউণ্টাৰত গাড়ী ৰখাই দূৰত্ব অনুসৰি ধনখিনি দিব লাগিব।

আমেৰিকাৰ লাখ লাখ গাড়ীয়ে দৈনিক এনেকৈ হাজাৰ হাজাৰ বিলিয়ান ডলাৰ টেক্স দিছে। এই টেক্সেৰেই আমেৰিকাৰ আলি-পদুলি, দলঙৰ মেৰামতি আৰু প্ৰতিপালন চলে। আমাৰ দৰে গড়কাপ্তানি বিভাগে বাজেটত ধৰিব নালাগে।

আপুনি যদি গাড়ী চলাব পাৰে, আলিৰ টেক্সো দিব পাৰিব লাগিব।

নোৱাৰিবই বা কিয়? আপুনি এক ডলাৰত ৩.৪০ লিটাৰ আটাইতকৈ ভাল পেট্ৰল পায়। এক ডলাৰ আমাৰ প্ৰায় চৈধ্য টকাৰ সমান। আমাৰ দেশত চৈধ্য টকাত দুই লিটাৰ পেট্ৰলো নাপায়।

ইয়াত পেট্ৰলক গেছ'লিন বুলি কয় আৰু তাকো চুটিকৈ গেছ বুলি কয়।

আমি লিঙ্কন টানেলৰ মাজেদি আগবাঢ়িলোঁ। তাৰ বাবে চাৰি ডলাৰ দিব লাগে। এই টানেলটো এমাইলতকৈ বেছি। দুটা দুটাকৈ চাৰিটা ট্ৰেক্টত গাড়ী অহা যোৱা কৰিব লাগিছে। ভিতৰ-খন টাইল লগোৱা যিহি, দিন যেন পোহৰ। টানেল ব্যৱহাৰ কৰাৰ বাবে লোৱা টেক্সেৰেই টানেলটোৰ প্ৰতিপালন চলে।

আমি টানেল পাৰ হৈয়েই মানহাট্টান দ্বীপত সোমালোঁ।

ইয়াত আমাৰ দেশৰ দৰে আলিবাটৰ ক্ৰছিং সঘনে নাই। ক্ৰছিং নকৰাকৈ ফ্লাইঅভাৰ সাজি বা সুৰংগ কৰি বা সোঁহাতে-বাওঁহাতে আলি বান্ধি অহাযোৱাৰ সুচল কৰি দিছে। প্ৰত্যেক ঠাইতে সোঁহাতে গৈহে আকৌ প্ৰধান বাট পাৰ হ'ব পৰাকৈ আলি।

মানুহৰ গাত যিমান সিৰা উপসিৰা আছে আমেৰিকাৰ একোখন ঠাইত তাতকৈয়ো বেছি বাট পথ আছে। আমাৰ দেশত ফ্লাইঅভাৰ এখন সজাই আমি মন্ত্ৰীৰ হতুৱাই মুকলি কৰাওঁ। আমেৰিকাত ফ্লাইঅভাৰৰ সংখ্যা দেখি কথাটো নিজৰ বাবেই হাঁহি উঠাকৈ ক্ষুদ্ৰ যেন লাগি গৈছে।

আমি কানাদা এক্সেছী ১১ বজাৰ আগতে পাবগৈ লাগিছিল। কিন্তু ঘড়ীৰ কাঁইট এঘাৰ বাজি পাৰ হ'ল। এতেকে ঠিক হ'ল যে ড° বৰাৰ গাড়ীখন পাৰ্কিং প্লেচত ৰাখি আমি ট্ৰেইছ বাছত উঠি নিউয়ৰ্ক যাম।

পাৰ্কিং প্লেচো যে দহ-বাৰ মহলৰ থাকিব পাৰে—সেই ধাৰণা মোৰ নাছিল। গাড়ী গৈ দুৱাৰৰ মুখ পোৱাৰ লগে লগে এখন টিকট স্বয়ংক্ৰিয় কাউণ্টাৰেদি ওলাই আহিল; লগে লগে সম্মুখৰ নঙলা দাং খালে। তলত ঠাই নাই। ড° বৰাই গাড়ী ওপৰলৈ তুলি নিলে। এনেভাৱে মহলবোৰ সাজিছে যে চাৰিমহললৈয়ে আমি উঠিলোঁ ভাবেই নহল।

গাড়ী থৈ খোজ কাঢ়ি আহিলোঁ।

বহল আলিৰ দুয়ো পাৰে থকা আকাশলংঘা প্ৰাসাদে ওপৰৰ আকাশখনক তেনেই ঠেক কৰি পেলাইছে। নৱকান্ত বৰুৱাৰ 'অকণি আকাশ দিয়া' গীতৰ শাৰীটো ইয়াৰ এই নিউয়ৰ্কৰ আকাশে মনত পেলাই দিলে। ইয়াত ভূপেন হাজৰিকাৰ 'সৰ্বাকাশ সত্তা' লাভৰ সম্ভাৱনা নাই—সেই সম্ভাৱনা আটলাণ্টিকৰ পাৰতহে আছে।

গাড়ী থৈ ১১'১৫ মানত আমি আহিলোঁ।

ওচৰত থকা 'গ্ৰে লাইন ট্ৰেছ' নামৰ প্ৰতিষ্ঠানটোলৈ গলোঁ। তেতিয়ালৈকে জনা নাছিলোঁ—ততালিকে কি ভবিতব্যতাৰ লগত মুখামুখি হ'ব লাগিব।

ড° বৰাই টিকট কৰি ক'লে যে গাড়ী যিহেতু ১২ বজাত এৰিব, তাৰ আগতে ওচৰৰ ৰেষ্টুৰাঁত আমি কিবা এটা খাই ল'ব পাৰোঁ।

আমাক 'পিজা' গৰম কৰি দিওঁতে ১১'৪৫ হৈ গ'ল।

গতিকে "অলপ এতিয়া খাওঁ অলপ লুকাই থওঁ / সজ বস্তু নিমিলে সদায়"। আপ্তবাক্য সাৰোগত কৰি আমি তিনিও এটুকুৰাকৈ

থাই বাকীখিনি কাগজৰ মোনাত লৈ আলিৰ ইপাৰৰ গ্ৰে লাইন টুৰ্ছলৈ আহিলোঁ।
তেতিয়াও গাড়ী যাবলৈ সময় থকাত তাতেই আমাৰ খোৱাৰ দ্বিতীয় পৰ্ব আৰম্ভ কৰা হ'ল।
এদাঁতিত থকা কুশ্বন দিয়া বেঞ্চত বহি মোৰ সৰু হাতমোনাটো য'ত মোৰ পাছপোৰ্ট, ভিছা, ধন আৰু ঘূৰি যোৱা টিকট আছিল, তাক মোৰ বহা ঠাইতে শৰীৰেৰে হেঁচা মাৰি থ'ব পৰা ঠাইত থৈ খাবলৈ আৰু কথা পাতিবলৈ আৰম্ভ কৰিলোঁ। দুজন ভদ্ৰলোকে আমাক আহি টুৰিষ্ট বাছৰ বিষয়ে সুধিলে।
আমি বহিলোৱাৰ পৰা মানুহ দুজনে কথা পতালৈ দুই-তিনি মিনিটৰ বেছি সময় হোৱা নাই।
মানুহ দুজন যোৱাৰ পিছতে হঠাত মই আবিষ্কাৰ কৰিলোঁ যে মোৰ মোনাটো নাই। বিদেশলৈ অহাৰ সকলো সম্পত্তিৰে সৈতে বেগটো অন্তৰ্ধান!
ড° বৰা আৰু প্ৰশান্তক ক'লোঁ যে—মোৰ বেগটোতো নাই!
তিনিও চাৰিওফালে চালোঁ।
তেতিয়ালৈ বোধকৰোঁ আমাক বাছৰ খবৰ সোধা হিস্পানী তস্কৰৰ লগত বেগ গৈ কোনোবাখিনি পালেগৈ!
বিদেশত, বিশেষকৈ নিউয়ৰ্কৰ ব্যস্ত দুপৰীয়া কপাল চপৰিয়াই হিয়া ঢাকুৰিয়াই চিঞৰি থাকিলেও খবৰ লওঁতা কোন ওলাব? মুহূৰ্ততে মোৰ মনত বিজুলীৰ দৰে অনেক কথাই খেলাই গ'ল: আমাৰ বৈদেশিক দপ্তৰৰ লগত যোগাযোগ কৰিব লাগিব, পুলিচত খবৰ এটা দিব লাগিব—কিন্তু ডাঙৰ কথা হ'ল টিকটটো! যি সকলে মোক নিমন্ত্ৰণ কৰি আনিছে তেওঁবিলাকক এটা বোজা জাপি দিয়া হ'ব—ইত্যাদি। কথা হ'ল—মইতো দেশলৈ ঘূৰিবই লাগিব। কেৱল মাজতে মোৰো আৰু মোৰ গিৰিহঁত সকলৰো অবাঞ্ছনীয় আহুকাল হ'ব।

ড° বৰা আৰু প্ৰশান্তও হতভম্ব।
বিদেশলৈ আহিয়েই প্ৰথম অভিজ্ঞতানো এইটোৱেই হ'ব লাগেনে?
ড° বৰাক কলোঁ—পুলিচত কেনেকৈ খবৰ দিব পাৰি?
তেখেতে, আলিৰ দাঁতিলৈ গৈ টেলিফোন বুথত কেইচেণ্টমান ভৰাই Midtown Precinet North থানালৈ ফোন কৰিলে।
পুলিচ অহালৈকে দহ মিনিট সময়ো নালাগিল।
ফ্লিকাৰিং লাইট লগোৱা কাৰ এখন হাজিৰ হ'লহি।
আমি আগবাঢ়ি গৈ আমিয়েই যে খবৰ দিছিলোঁ কোৱাত পিচ-ফালৰ আসনত বহিবলৈ দি ঘটনাটোৰ বিষয়ে সুধি-পুছি থানালৈ লৈ গ'ল। তাত কেছটো এণ্ট্ৰি কৰি মোক কেছটো এণ্ট্ৰি কৰাৰ কথা লিখি এখন কাগজ দিলে।
পুলিচৰ এই গোটেই কামটোত আধাঘণ্টাতকৈ বেছি সময় নালাগিল।
এই বিপদৰ মাজতো মোৰ মনত পৰিছে আমাৰ পুলিচ বিভাগলৈ। খবৰ দিলে পুলিচ একেদিনাই অহাৰ সম্ভাৱনাতো নায়েই; নিজে গৈ জনালেও কাগজখন উলিয়াবলৈ এদিন লাগিলহেতেন—তাকো যদি বিষয়াৰ মৰ্জি হয়। লগতে চাহ-তামোলৰ খৰচা বুলি দিবলগীয়া 'মাননি'ৰ কথা আছেই।
ওলাই আহি বৰাই সুধিলে—এতিয়া?
ঃ আমাৰ এম্বেছী ইয়াত আছে জানো? এম্বেছী নাথাকিলেও কনছুলেট জেনেৰেল থাকিব পায়।
ঃ হয় কনছুলেট জেনেৰেল আছে।
টেক্সী লৈ এইবাৰ কনছুলেট জেনেৰেলৰ অফিচ।
ৰিচেপচনত মোৰ পৰিচয় দিয়াৰ লগে লগে ওচৰৰ লাইব্ৰেৰী কোঠাত বহিবলৈ দিলে আৰু খন্তেক পিছতে এজনে আহি মোক ডেপুটি কনছুলেটৰৰ অফিচলৈ লৈ গ'লহি। কনছুলেট জেনেৰেল নাই। ডেপুটি গৰাকী শিখ ভদ্ৰলোক।

তেওঁ মোৰ পৰা কথাখিনি শুনি ভাইচ কনছুলাৰ মৈত্ৰক মাতি আনি মোৰ নামত এখন পাছপোৰ্ট উলিয়াই দিবলৈ কৈ তেওঁ আন কামত যাবলৈ আমাৰ পৰা বিদায় ল'লে। মৈত্ৰই মোক দুখন ফৰ্ম দিলে।

পূৰাই দিলোঁ।

তেওঁ ক'লে—দুখন পাছপোৰ্ট আকাৰৰ ছবি লাগিব।

মোৰ মানিবেগটো খুলি চাই দেখোঁ দুবাৰ দুটা সময়ত তোলা ছবিৰ দুখন আছে। তাকেই দিলোঁ।

পোন্ধৰ মিনিটৰ পিছত ডিপ্লোমেটিক পাছপোৰ্ট এখন আহি হাজিৰ।

মই কেৱল আমেৰিকাৰ পুলিচকে প্ৰশংসা কৰিছিলোঁ। আমাৰ বিষয়া আৰু কৰ্মচাৰী সকলৰ এনে তৎপৰতাও নিশ্চয় প্ৰশংসনীয়। ভাবিছোঁ, ঘূৰি গৈ বৈদেশিক মন্ত্ৰীদপ্তৰলৈ এখন চিঠি দিব লাগিব।

ধন্যবাদ জনাই ওলাই আহি এইবাৰ ঠিক কৰিলোঁ—এয়াৰ ইণ্ডিয়াৰ অফিচলৈ যাওঁ।

ঘাই বস্তু এতিয়া টিকটটো।

চাৰিশ নম্বৰ পাৰ্ক এভিনিউ অতিশয় ব্যস্ত ঠাই। দুৰত পান এমৰ বিশাল প্ৰাসাদ। দুয়োফালে সদৃশ স্কাইস্ক্ৰেপাৰ।

গৈয়ে লগ পালোঁ চিনিয়ৰ টিকেট এজেণ্ট শ্ৰীমতী কান্তা সুন্দৰমক। তামিল গাভৰু। মিঠাবৰণীয়া, ওখকৈ। গাভৰু বোলাতকৈ মহিলা বোলাই ভাল হ'ব।

মোৰ কথা খিনি শুনাৰ পিছত তেওঁ লিখিলৈ ক'লে যে তেওঁ আজিয়েই এয়াৰইণ্ডিয়াৰ দিল্লী-কাৰ্যালয়লৈ খবৰ পঠাব আৰু খবৰ পালেই মোক ডঃ বৰাৰ ঘৰৰ টেলিফোনত জনাব। লগতে ক'লে যে—ময়ো যদি কোনোবা পথেৰে মই যি এজেণ্টৰ পৰা টিকট লৈছিলোঁ তেওঁবিলাকক জনাব পাৰোঁ ভাল হয়।

তেওঁ মোৰ নামত টিকট আৰু আসন সংৰক্ষণ কৰিলে ; এতিয়া বাকী থাকিল দিল্লীৰ পৰা পাবলগীয়া খবৰ পোৱাৰ পিছত সংৰক্ষণ নিশ্চিত কৰা।

দুপৰীয়া ১২ বজাৰ পৰা আবেলি ৩ বজালৈকে এই তিনিঘণ্টাৰ ভিতৰত এই গোটেই কামখিনি কৰি কিছু আশ্বস্ত হলোঁ।

প্ৰাইমেৰি স্কুলত পঢ়োঁতেই পাইছিলোঁ ঃ

আপদত ধীৰ হ'বা নহ'বা বিহ্বল।
ঈশ্বৰৰ প্ৰতি ৰাখা বিশ্বাস অটল ॥

এতিয়া বাকী থাকিল হেৰোৱা ধনখিনি। ভাৰতীয় ধনেৰে ছহেজাৰ সাতশ ; আমেৰিকান ডলাৰ চাৰিশ।

সেইখিনিৰ সৈতে বেগটোৰ আশা এৰি দিলোঁ।

ৰবাই কলে যে যদি মুদ্ৰা বিনিময়ৰ ৰচিদ বিলাক আছে, পোৱা যাব প্ৰাৰে।

ৰচিদবোৰ মোৰ ফাইলটোত থাকিব লাগে।

ধন নহলেও এতিয়া অন্ততঃ ঘূৰি যাব পাৰিম দেশলৈ।

জেপত ৪৮ ডলাৰ আছে।

প্ৰস্তাৱ কৰিলোঁ যে দহ ডলাৰ মানৰ সৰু-সুৰা দুটামান বস্তু যেনে কলম দুডালমান, ছবিৰ কাৰ্ড কিছু, ছাবিৰ ৰিং দুটামানকে স্মাৰক হিচাপে কিনি নিওঁ। এতিয়া ওমৰ খায়ামৰ দৰে—

'লোৱা ততালিকে যি পোৱা হাতত
নোপোৱা যিখিনি থাকক বাকী'—বুলি ৪৮

ডলাৰত ভৰসা কৰাই ভাল। আৰু আমেৰিকাত চোৰ আৰু জেপলুৰুকাৰ যি প্ৰকোপ দেখিলোঁ কাইলৈ বা জেপত সেই ৪৮ ডলাৰ থাকেনে নাথাকে! আমেৰিকাৰ জেপলুৰুকাৰ কথা অসমত গৈ কবগৈ লাগিব। তেতিয়া অন্ততঃ বিদেশ বুলিলেই স্বৰ্গ বুলি ভবা সকলৰ সাঁচতীয়া ভুলটো ভাগিব আৰু আমাৰ কোনোবা ধনাই-মনায়ে জেপলুৰুৱাক ধৰা পাঁৰ চৰ-ঢকা খালেও ঘৰৰ

গিৰিহ'তনীৰ আগত ক'বগৈ পাৰিব যে আমেৰিকাৰ দৰে দেশতো এই ধৰ্মমতে চলা লোক আছে !

আমেৰিকাত স্পেনিছমূলৰ মানুহ (যাক ইয়াত হিস্পানী বুলি কয়) আৰু নিগ্ৰোসকলৰ এটা চামৰ মাজত এনে অসৎ প্ৰবৃত্তিৰ লোক আছে। বগা সকলযে দেৱতা এনে নহয়; কিন্তু তেওঁবিলাকৰ মাজত এনেকুৱা সৰু-সুৰা অপৰাধীৰ সংখ্যা কম। মোৰ আফচোচ হ'ল—বেগটোত হাত দিওঁতেই যদি দেখিলোঁহেতেন! এনেকুৱাকৈ দুবাৰ আগতে অসমৰ জেপলুৰুকাই মোক লুৰুকি যি পাইছে নিছিল; এবাৰ ১৯৬৮ চনত শিলঙৰ বাছ ষ্টেচনত, এবাৰ ১৯৭৬ চনত যোৰহাটৰ বাছ ষ্টেচনত।

বৰাই ক'লে যে—ধৰা নপৰি কিজানি ভালেই হ'ল: কাৰণ ধৰা পৰিলে চোৰে প্ৰতি আক্ৰমণো কৰিব পাৰে। তদুপৰি, কেতিয়াবা এনে বদমাচে এক ডলাৰৰ বাবে চুৰিকাঘাত কৰাৰ উদাহৰণো আছে।

আমি পাঁচ বজামানত নিউয়ৰ্কৰ পৰা উলটিলোঁ।

দুপৰীয়া ১২ বজাৰ পৰা আবেলি ৩ বজালৈ—এই তিনিঘণ্টা সময়ত ঘটা ঘটনাবোৰ মোৰ সপোন যেন লাগিছে। এই তিনি ঘণ্টাত প্ৰথমতে মই সৰ্বস্বান্ত হলোঁ আৰু তাৰ পিছতে হেৰোৱা বস্তুৰ ডুপ্লিকেট ঘুৰাই পালোঁ। যি ভাব হৈছে, হেৰোৱা ধনো পাম। যদি নাপাওঁ নাপাম কেৱল বেগটো।

আমাৰ দেশত সম্ভৱপৰ হ'লহেতেন নে ?

পুলিচে লগালেহেতেন কেইদিনমান। ইণ্ডিয়ান এয়াৰলাইনছে কি কৰিলেহেতেন নাজানো। আমেৰিকালৈ আহি প্ৰথম দিনাই সকলোৰে নোহোৱা এটা বিৰল অভিজ্ঞতা হ'ল। ঘূৰি আহোঁতে হাডছনৰ দলঙৰ পৰা সাগৰৰ সিটো পাৰত থিয় হৈ থকা এম্পায়াৰ বিল্ডিং, পৃথিৱীৰ সৰ্বোচ্চ প্ৰাসাদ আন্তৰ্জাতিক বাণিজ্যকেন্দ্ৰ আৰু অন্যান্য আকাশলংঘী ঘৰবোৰলৈ এবাৰ চাইছোঁ। তাতে

ক'ৰবাত মোৰ মোনা-চোৰ দুটা (?) ও আছে। কিন্তু, সিহঁতেও তাত একো নাপাব। মোৰ পাছপোর্ট আৰু ভিছাৰে তাৰ কাম নহ'ব ; মোৰ ঘূৰিযোৱা এয়াৰ ইণ্ডিয়াৰ টিকটটোৰেও সি কোনো ফল নাপাব ; মই তলত চহী নকৰা ট্রেভেলার্ছ চেক কেইখনেৰেনো সি বেংকৰ পৰা ধন উলিয়াব কেনেকৈ ?

চোৰৰ চিন্তা চোৰলৈ এৰি আমি ঘূৰি আহিলো—গল্প-গুজৱ কৰিব।

হাইৱেৰ এঠাইত একেবাৰে দাঁতিৰ ষ্ট্রেইটত গাড়ী কেইখনমান থৈ দিয়া আছে। আমেৰিকাত পুৰণি গাড়ী এনেকৈ ক'ৰবাত এৰি থৈ যায় বুলি কোনোবাই কৈছিল।

বৰাই কলে—নহয়, এইবিলাক গাড়ী সেইযে সিফালৰ আলিত কাম কৰি আছে, সেই মজদুৰ কেইজনৰহে।

আমাৰ গড়কাপ্তানি বিভাগৰ আলিত মজদুৰী কৰা অসমীয়া গাঁৱলীয়া মজদুৰ কেইজনলৈ মনত পৰিল ঃ ভগা চাইকেলত চাহ-ধপাতৰ সৰঞ্জাম লৈ ৯ বজাতে ঘৰত এমুঠি খাই ওলাই যায় আৰু দুপৰীয়া য'তে গছৰ ছাঁ তাতে বহি চাহ তপতাই খাই-বই কটাই দিয়ে। এই দৃশ্যটো অসমৰ আন ঠাইত দেখিবলৈ পায়নে নাপায় নাজানো ; কিন্তু গোলাঘাটৰ গাঁৱৰ মাজত দেখিবলৈ যে পাব সেই বিষয়ে সন্দেহ নাই।

ইয়াত পুৰণি গাড়ীবোৰ আজিকালি পেলাই নিদিয়ে। সাধাৰণতে দহ-বাৰ বছৰৰ পিছত গাড়ী সলায়। পুৰণি গাড়ীৰ বজাৰো আছে। তিনি-চাৰি হেজাৰ ডলাৰত ভাল অৱস্থাৰ পুৰণি গাড়ী পায়। তাতকৈ বেয়া বিলাক কিছুমান কোম্পানীয়ে লৈ যায়—গোটেই গাড়ীখন মেশ্বিনত ভৰাই চেপেটা কৰি লোহালৈ ৰূপান্তৰ কৰে আৰু তাৰ পৰা আকৌ গাড়ীৰ অংশ তৈয়াৰৰ ব্যৱস্থা হয়।

ইয়াত পুৰণি বাতৰি কাকত, বিভিন্ন ৰেষ্ট পেপাৰ সকলোবোৰ

এনেকৈ ৰি-ছাইক্লিং হয়; আমাৰ দৰে গাঁতত পেলাই দিবগৈ নোৱাৰে।

মই কালি আহি পোৱাৰ পৰা দেখিছোঁ—ইয়াত ৰেণ্ট পেপাৰৰ সমস্যা এটা হ'ব লাগে। বজাৰ কৰিবলৈ গৈছে—কাগজৰ ডাঙৰ মোনা; বস্তু কিনিছে—কাগজৰ মোনা; ৰেষ্টুৰাঁত খাইছে—কাগজৰ কাপ-প্লেট-'গ্লাছ'; টয়লেটলৈ গৈছে—কাগজ; হাত মচিছে—সিও কাগজ।

আমেৰিকাত স্হায়ী বস্তুতকৈ দেখিছোঁ ডিছপ'জেবোল বস্তুৰহে পয়োভৰ বেছি। প্ৰশান্তই কলে যে ইয়াত গাৰ্বেজ এটা সমস্যা হৈছে। সেইবাবে ৰি-ছাইক্লিং কৰিব পৰা বস্তুৰে বিভিন্ন নিত্য-ব্যবহাৰ্য সঁজুলি তৈয়াৰ কৰিছে।

তদুপৰি দূৰত য'ত আবৰ্জনাৰ পাহাৰ হৈছে তাৰ ওপৰত মাটি দি বননিৰে ঢাকি দিছে। তদুপৰি, এই আবৰ্জনাৰ পৰা ব্যৱহাৰ কৰিব পৰা গেছ উলিয়াব পাৰিবনে কি তাৰো গৱেষণা চলিছে।

শুনিলোঁ—নিউয়ৰ্কৰ গাৰ্বেজ সাগৰৰ মাজত পেলাবলৈ নিয়া এখন জাহাজ কেইবামাহো সাগৰতে আছিল। কাৰণ, নিউজাৰ্ছিয়ে কয় যে সেইটো ফাল সেই ৰাজ্যৰ ওচৰত; গতিকে তাত পেলাব নোৱাৰে।

লিংকন টানেলৰ ওচৰত নিগ্ৰো এজনে আমাৰ গাড়ীৰ ফালে হাত মেলি কিবা বিচাৰিলে।

প্ৰশান্তই কলে,—এয়া আমেৰিকাৰ ভিখাৰী।

ইয়াত চাকৰি নোহোৱা সকলক একোখন কাৰ্ড দিয়ে। সেই কাৰ্ড দেখুৱাই বিনামূল্যে খাব পৰা ঠাইত দুপৰীয়া আৰু ৰাতিৰ সাজ খাব পাৰে। এতেকে, আমেৰিকাত খাবলৈ নোপোৱা ভিখাৰী নাই। কিন্তু বিয়েৰ বা মদ খাবলৈতো চৰকাৰে ধন নিদিয়ে। গতিকে হাত মেলি কেইচেণ্টমান পালেই গৈ ওচৰৰ বিয়েৰৰ দোকানত ভিখাৰী হাজিৰ হ'বগৈ।

এতিয়া এনেকৈ বিনামূল্যে খোৱাৰ সুবিধা ছ'মাহ দিয়াৰ কথা ভাবিছে চৰকাৰে। এই ছ'মাহত বেকাৰজনে চাকৰি এটা যোগাৰ কৰি ল'ব লাগিব। ৬২ বছৰ হ'লে ইয়াত Golden age বুলি ধৰে। চাকৰি কৰিলে কোনোবাই ৬৫ লৈও কৰিব পাৰে।

এই বয়স পালে—বজাৰত বয়বস্তু হ্রাসমূল্যত পাব, ৰাজহুৱা ঠাইত অগ্রাধিকাৰ পাব—ইত্যাদি। এতিয়া আৰু এটা নিয়ম ৰিগান চৰকাৰে ঘোষণা কৰিছে যে বৃদ্ধসকলে বেমাৰ-আজাৰতো সম্পূৰ্ণ বিনামূলীয়া চিকিৎসা সেৱা পাব।

মোৰ ঘপকৈ মনত পৰিল—মালিকছাৰৰ 'ঋণমুক্তি' আৰু 'হৰি-মাষ্টৰৰ দোকান'লৈ। প্রথম দিনৰ আমেৰিকাৰ অভিজ্ঞতা লৈ ঘূৰি আহি অভাৰলুক হ্ৰেইল পোৱালৈ ৬ বাজি গ'ল। হেৰোৱা মোনা, ঘূৰাই পোৱা পাছপোৰ্ট আৰু আধাখোৱা পিজাৰ জুটিৰ কথা পাহৰিব নোৱৰা হৈ ৰ'ব। ৰবীন্দ্রনাথৰ ভাষাত—"জীবনেৰ ধন কিছুই যাবে না ফেলা।" □



।। তৃতীয় দিন ।।

পুৰা চকু দুটা মেলিয়েই ভাল লাগি গ'ল।

কোমল পোহৰ খিড়িকীৰ কাঁচৰ মাজেদি আহি কোঠাটোত বিয়পি পৰিছে। এটা কোমল প্ৰশান্তি যেন বিয়পি আছে।

আকৌ হুইট্‌মেনলৈ মনত পৰিছে ঃ

*A morning glory at my window*
*Satisfies me more than the metaphysics of books*
• *To behold the day break.*

এতিয়াও "সোণালী ৰথত আলোকি বিমান" সুৰুযে সোণৰ কাঁড় মৰা নাই ; এতিয়াও ৰাজকাৰেঙক আহি পোহৰে চুমা খোৱা নাই। কিন্তু আন্ধাৰ হৰিণী আঁতৰি যাবলৈ যেন সন্ত্ৰস্ত হৈ চাইছে চাৰিওফালে।

হুইটমেনৰ কথাই সঁচা—

*We fouud our Own O'my soul*
*in the calm and cool of the*
*day-break.*

বিছনাত পৰি থাকি কালিৰ ঘটনাবোৰ সুঁৱৰিছোঁ। ঘৰত গৃহিনীয়ে গম পালে উদ্বিগ্ন হৈ উঠিব ; বন্ধু-বান্ধৱে গম পালে কোনোবা কোনোবাই মোক 'অসতৰ্ক' বুলিও ক'ব। হঠাৎ বন্ধু যোগেন ভূঞালৈ মনত পৰি হাঁহি উঠি গ'ল ঃ এই ঘটনা যদি মোৰ

নহৈ ভূঞাব হ'লহেতেন, মানুহজনৰ মুখখনৰ বৰণ কেনেকুৱা হ'লহেতেন! বিবর্ণ, উৎকণ্ঠিত, নিস্তেজ? ভীত, সন্ত্রস্ত? তেওঁলৈ লিখিব লাগিব যে মই ইয়াত সকলো হেৰুৱাই 'দায়িত্বহীন' আৰু নিশ্চিন্ত হৈ ঘূৰি ফুৰিছোঁ! খিড়কীৰে সেউজীয়া গছ-গছনি আৰু নীৰৱ আলিবাটটো দেখিছোঁ। ইয়াত বেলেগে গাঁও বুলি ঠাই নাই। এই মৰিছ প্লেইন্‌ছ্‌ৰ নিচিনা ঠায়েই গাঁও-সদৃশ। দূৰত ফাৰ্ম হাউছ আছে। কেতিয়াবা চাবলৈ যাব লাগিব।

ইয়াত সকলো ঠাইত সমান সুবিধা।

কাৰো ঘৰত বেলেগ কাম কৰা মানুহ নাই। নিজেই কৰি লয় সকলোবোৰ। আচলতে নিজে কৰি লয় মানে, নিজে যন্ত্রচালক হয়। বিজুলী শক্তি আৰু পেট্রলত গোটেই দেশখন চলি আছে। ইয়াত ঘৰ কৰোঁতেও সকলোবিলাক নির্দিষ্ট নিৰিখ অনুসৰি হ'ব লাগিব। ঘৰত থাকিবলগীয়া বয়বস্তু, যেনে—ফ্রিজ, কুৎকিং গেছ বা ইলেক্‌ট্রিক কুকাৰ, আৱশ্যকীয় ঠাইত পানী, কোঠা গৰম কৰি ৰখা আৰু চেঁচা কৰি ৰখাৰ ব্যৱস্থা, বাচন-বর্তন ধোৱা যন্ত্র, কাপোৰ-কানি ধোৱা যন্ত্র, মজিয়া পৰিষ্কাৰ কৰা যন্ত্র, ঘাঁহ কটা যন্ত্র—মুঠতে যন্ত্র, যন্ত্র আৰু যন্ত্র।

আপুনি খোৱাবস্তু ৰান্ধি বা দোকানৰ পৰা প্রস্তুত হৈ থকা খাদ্যৰ পেকেট আনি ফ্রিজত থৈ দিলে; সময়ত উলিয়াই মাইক্র'ৱেভত (আমাৰ টেলিকমিউনিকেচনৰ বাবে ব্যৱহৃত মাইক্র'ৱেভ নহয়, ই একপ্রকাৰ হিটাৰ) বস্তুখিনি ভৰাই দিলে দুইমিনিটত সম্পূর্ণ গৰম হৈ উঠিবলৈ; খাই-বই বাচন-বর্তন কাষৰ আলমাৰিটোত ভৰাই পাউদাৰ চতিয়াই বন্ধ কৰি দিলে—মুহূর্ততে ধুই পৰিষ্কাৰ কৰিবলৈ; আৰু পেকেটৰ কাগজ আদি ৱেষ্ট পেপাৰ বাস্কেটত থকা পলিথিনৰ কলা মোনাটোত ভৰাই মোনাটো বন্ধ কৰি বাহিৰৰ থ'বলগীয়া ঠাইত থৈ দিলে—আৱর্জনা নিয়া গাড়ীৰে—নিবলৈ।

ঘৰ পৰিষ্কাৰ কৰিবলৈ আপুনি বেৰত লগাই ৰাখিব পৰা ভেকুৰাম'টো খুলি দিলে, নাইবা হাতেৰে চলাব পৰা ভেকুৰাম-যন্ত্রটো চলাই দিলে ; সি মজিয়াত থকা ধূলি-মাকতি সকলো শুহি লৈ তাৰ পেটৰ ভিতৰত থকা কাগজৰ মোনাটোত ভৰাই ল'ব ; আপুনি তাক খুলি মোনাটো থ'বলগীয়া ঠাইত থৈ দিলেই হ'ল। আমাৰ দৰে গৰমৰ আৰু ধূলিৰ দেশত এই বিলাক কিমান কামত লাগিব ক'ব পৰা নাই। আৰু এনে যন্ত্রপাতি দৈনিক জীৱনত ভাৰতৰ সত্তৰ কোটি মানুহৰ ভিতৰত কেইজনে কৰিব পাৰিব ?

পৰ্বাহি আহি পোৱাৰে পৰা ইয়াৰ জীৱন-যাত্রাৰ পদ্ধতিটো জানিবৰ বাবেই আগ্রহ হৈছে। আমাৰ দেশৰ মানুহ বহু কাৰণত ভাগ্যবাদী, জীৱনত যদি কাৰোবাৰ কিবা হৈছে—ভাগ্য আৰু সুযোগবশতঃ। পৰিশ্রম কৰিও দুবেলা-দুমুঠি খাবলৈ নাপায় ; বেকাৰ হৈ থাকিলে বিনামূলীয়াকৈ খাবলৈ পোৱাৰ প্রশ্নই নুঠে। যন্ত্র-নির্ভৰ জীৱন আৰু স্বাচ্ছন্দ্য লাভ কৰাটো এটা দুৰ্বাণৰ স্বপ্ন। ঘৰৰ ভিতৰৰ সকলো অংশ ঢাকি ডাঠ নোমৰ কাৰ্পেট পৰা ঘৰ দেখিবলৈ পোৱাটোও সাধাৰণ ভাৰতীয়ৰ বাবে সম্ভৱ নহয়।

এওঁবিলাকৰ স্বাচ্ছন্দ্য দেখি সঁচাকৈ ভিতৰত ক'ববাত যন্ত্রণা অনুভৱ কৰিছোঁ।

ইয়াৰ জন-বসতিৰ ঘৰবোৰ কাঠৰ। প্রায়বোৰ ঘৰ দুমহলীয়া। তলৰ মহলত এফালে মটৰ গেৰেজ, এফালে কাৰোবাৰ ষ্ট'ৰ ৰুম ; আগফালে বহা কোঠা। যি যেনেকৈ সুবিধা পায় কৰি লৈছে। ওক গছ আৰু পাইন গছৰ কাঠেৰে নিৰ্মিত ঘৰ। বেৰ আৰু ছালো কাঠৰ। ছাল আমাৰ ঘৰবোৰৰ দৰেই চাৰিচলীয়া। কিন্তু মুধটো থিয়—যাতে পানী বৈ নাথাকে। কাঠৰ ছালৰ ওপৰত লগায়—টাইল ঃ মাটিৰ তৈয়াৰী টাইলো আছে যদিও সৰহখিনি ছিনথেটিক টাইলহে। কোনো কোনো ঘৰত কাঠৰ টাইলো আছে। কথা হ'ল—আপুনি ইচ্ছা কৰি যি কোনো বস্তু আৰু ৰং ব্যৱহাৰ

কৰিব নোৱাৰে। সেই অঞ্চলৰ অন্যান্য সকলে যেনে টাইল, যেৰ ব্যৱহাৰ কৰিছে, আপুনিও কৰিব লাগিব। নহলে ওচৰচুবুৰীয়াই কে'ছ দিব যে আপুনি সেই ঠাইৰ সৌন্দৰ্য আৰু নিয়ম ভংগ কৰিছে।

কাঠৰ বেৰৰ বাহিৰত এলুমিনিয়মৰ প্লেট ব্যৱহাৰ কৰে। ঘৰৰ মাটিৰ মহলৰ মজিয়াহে পকা ঃ ওপৰৰ মহলৰ মজিয়াও কাঠৰ। সমস্ত ঘৰটোহ'ত ইমান নিমজ আৰু সুন্দৰ হয় যে ছবিৰ ঘৰ যেন লাগে।

ইয়াত আকৌ আমাৰ দেশৰ দৰে মাটিৰ মহলক গ্ৰাউণ্ড ফ্ল'ৰ নোবোলে, ফাষ্ট ফ্ল'ৰ, অৰ্থাৎ প্ৰথম মহল বোলে। আনতকৈ কিবা এটাত নিজকে বেলেগকৈ দেখুৱাব লাগিবতো! যিহেতু ইংৰাজে 'গ্ৰাউণ্ড ফ্ল'ৰ' বোলে, এওঁবিলাকে একেটা শব্দকে কিয় ব্যৱহাৰ কৰিব? আনে নকৰাটো কৰাটোহে গৌৰৱৰ কথা! সেইবাবে লাইটৰ ছুইচ্‌বোৰ ওপৰলৈ দিলেহে জ্বলে, তললৈ দিলে নুমায়। মোৰতো প্ৰথম দিনা বাথৰুমত সোমাই লাইটৰ ছুইচ টিপাৰ আৰু দুৱাৰ বন্ধ কৰাৰ কৌশল আয়ত্ত কৰোঁতেই বহুত সময় গ'ল!

ঘৰ-সম্পৰ্কে আটাইতকৈ গুৰুত্বপূৰ্ণ কথাষাৰকে ক'বলৈ পাহৰিছোঁ। কথাটো হ'ল এছ্‌বেছটছ্‌-সম্পৰ্কে। আমেৰিকাত আৰু ইউ-ৰোপতো এছ্‌বেছ্‌টছেৰে ঘৰৰ চিলিং বা ছাল কৰা আইনমতে নিষিদ্ধ কৰি দিছে। গৱেষণাই প্ৰমাণ কৰিছে যে এছ্‌বেছটছে কৰ্কট ৰোগ কৰে। শতকৰা এশভাগ এই গবেষণাৰ ফল প্ৰমাণিত হোৱাৰ পিছত আমেৰিকাত য'ত য'ত এছবেছটছৰ ব্যৱহাৰ আছিল সেই সেই ঠাইৰ পৰা এছ্‌বেছটছ আঁতৰাই পেলালে। ক'ৰবাত যদি এছবেছটছৰ ভগা টুকুৰা এটা ওলাল, তাক দূৰ কৰিবলৈ অহা মানুহেও চকু মুখ ঢাকি লৈহে তাক আঁতৰায়। ইয়াত এছ্‌বেছটছৰ উৎপাদনতো বন্ধ হ'লেই, আগৰ উৎপাদক সকলকো নানা প্ৰশ্নৰে

মাজে সময়ে এতিয়াও চৰকাৰীভাৱে ব্যতিব্যস্ত কৰাৰ উদাহৰণো বোলে আছে।

এছ্বেছটছ কৰ্কটৰোগৰ কাৰণ—এই কথাষাৰ আমাৰ তাততো কোনেও গুৰুত্বসহকাৰে কোৱা নাই! বৰং টিনপাতেৰে ঘৰ ছালে গৰম বেছি হয় বাবে আজিকালি আমাৰ দেশত, বিশেষকৈ অসমততো এছ্বেছটছৰ ব্যৱহাৰেই বেছি। মই নিজৰ পঁজাটোতো এছবেছটছকে লগাইছোঁ: ছালো এছবেছটছৰ, চিলিঙো এছবেছটছৰ; আনকি বেৰত কৰা কাপোৰ থোৱা আলমিৰা কেইটাৰো বেৰৰ ফালটোত এছবেছটছ কাটি লগাই দিছোঁ যাতে কাপোৰ কানি নেসেমেকে। মোৰ কথা বাদেই দিলোঁ—আমাৰ ৰাজধানী দিচপুৰৰ ঘৰ-দুৱাৰ?

এই বিষয়ে জনসাধাৰণ আৰু চৰকাৰে ততালিকে অনুসন্ধান কৰি বিষয়টো চাব লাগে। অসমত যে ভাৰতবৰ্ষৰ ভিতৰতে কৰ্কটৰোগীৰ সংখ্যা বেছি, তাৰ ইও এটা কাৰণ হ'ব পাৰে।

লগতে, আমাৰ তাত ছিন্থেটিক্ টাইল কৰিলে কিমান ব্যয় হ'ব, কিমান কম খৰচত টাইল কৰাব পাৰি—এই বিষয়েও ততালিকে আৱশ্যকীয় ব্যৱস্থা ল'ব লাগে। কাৰণ, অসমত আমাৰ গাঁৱৰ মানুহে কিনিব পৰা দৰত এনে বস্তু উৎপাদন কৰিব পাৰিলেহে উদ্দেশ্য সফল হ'ব।

আমাৰ কোনো উদ্যোগী যুৱক আগবাঢ়ি আহি এই বিষয়ে অধ্যয়ন কৰিব লাগে; আৰু আঞ্চলিক গৱেষণাগাৰৰ দৰে অনুষ্ঠানে, অসমত পোৱা সামগ্ৰীৰে কেনেভাৱে ছিন্থেটিক্ টাইল বা ছিট্ উলিয়াব পাৰি তাৰ বাবে 'ফৰমুলা' উলিওৱাৰ ব্যৱস্থা কৰিব লাগে।

আজি অকমাণ ডাৱৰ ডাৱৰ ভাব।

পুৱা টেলিভিছনত কৈছেই যে বাহিৰলৈ যোৱা সকলে ছত্ৰিটোৰ এটা লৈ যোৱা ভাল। ইয়াত ৰেডিঅ' আৰু টেলিভিছন চৰকাৰ-

নিয়ন্ত্রিত নহয় ; ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানহে। ৰেডিঅ' আৰু টেলিভিছনৰ কেইবাটাও কোম্পানী আছে আৰু সেইবাবে কোম্পানীবোৰৰ মাজত তীব্ৰ প্ৰতিযোগিতা চলে। চৰকাৰেও ৰেডিঅ', টি. ভি. আৰু বাৰ্তাৰিকাকতবোৰৰ মন যোগাই চলিবলৈ যত্ন কৰে। এই তিনিশক্তিক অসন্তুষ্ট কৰি কোনো ৰাজনৈতিক নেতা তিষ্ঠি থাকিব নোৱাৰে। তদুপৰি, চৰকাৰে বা বেচৰকাৰী লোক বা প্ৰতিষ্ঠানেও দোষ কৰি সাৰিব নোৱাৰে ; এই তিনিশক্তিয়ে ত্ৰিনয়ন হৈ চাই থাকে। নহলেনো নিক্সনৰ দৰে লোক ৱাটাৰগে'ট কেলেংকাৰীৰ বলি হব লাগেনে? আৰু এটা ডাঙৰ কথা যে—এই ত্ৰিশক্তি প্ৰধানকৈ ইহুদী সকলৰ দ্বাৰা নিয়ন্ত্ৰিত। গতিকে আমেৰিকাই ইজৰাইলক অসন্তুষ্ট কৰিব নোৱৰাৰ ইও এটা কাৰণ হ'ব পাৰে। আমেৰিকাত ইহুদীৰ সংখ্যা বেছ ডাঙৰেই। তদুপৰি, এই ত্ৰিশক্তিৰ বাহিৰেও বেংক, শিক্ষকৰ চাকৰি, কোম্পানীৰ উচ্চ বিষয়াৰ চাকৰি এনেবোৰ ক্ষেত্ৰতো ইহুদী সকলৰ প্ৰাধান্য মন কৰিবলগীয়া। প্ৰায় বিলাক ইহুদীয়েই মূৰৰ চুলিৰ ওপৰত তালুখন ঢাকখোৱাকৈ সৰু অকমাণ টুপী এটা পিন্ধি থাকে। পিন্ধি থাকে বোলাতকৈ লগায় লয় বুলিলেহে শুদ্ধ হ'ব। মই তেনে টুপী পিন্ধা মানুহ দেখি প্ৰথমতে মুছলমান বুলি ভাবিছিলোঁ ; পিছতহে জানিছোঁ এওঁবিলাক ইহুদী।

ইয়াত চৰকাৰী প্ৰতিষ্ঠান বৰ কম ; ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানেই বেছি। টেলিফোন, বিজুলীশক্তি, বেংক, বিমানসেৱা—এইবিলাকো ব্যক্তিগত খণ্ডৰ দ্বাৰা পৰিচালিত। আটাইবোৰৰ প্ৰতিযোগিতা—কোনে কিমান ভাল সেৱা দিব পাৰে। কাগজত সেই বিষয়ৰ বিস্তৃত বিজ্ঞাপন : আমাৰ বেংকে অমুক সুবিধা দিয়ে, তমুক ঋণ দিয়ে—ইত্যাদি।

আমিও আজি সামান্য গৰম কাপোৰ লগত লৈ যোৱাতিয়া অভাৱলুক

থ্ৰৈইল এৰো, তেতিয়া ঘড়ীত দহ বাজি গ'ল। নিউজাৰ্ছি নিউয়ৰ্কৰ ওচৰত বাবে এইফালে মানুহে ঘৰ-দুৱাৰ ল'বলৈ বেছি ভাল পায়। ইয়াৰ পৰা ৫০-৬০ মাইল গ'লেই নিউয়ৰ্ক! ইয়াততো পঞ্চাছ-ষাঠি কিয় এশ-দেড়শ মাইলৰ দূৰত্বকো মানুহে দূৰ বুলি নাভাবে। দূৰত্বৰ কথা সেই বাবে সময়ৰ হিচাপত কয়ঃ আধাঘণ্টাৰ ড্ৰাইভ্ বা এঘণ্টাৰ ড্ৰাইভ্।

সকলোৰে গাড়ী আছে বাবে ইয়াত বাছসেৱা বৰ কম; চিঠি-বাছৰতো প্ৰশ্নই নুঠে। কেৱল দূৰৰ ঠাইৰ পৰা বাছ আছে।

এই দুদিন অহা-যোৱা কৰা বাটেৰেই আকৌ নিউয়ৰ্কলৈ গলো। হাডছন দলঙৰ পৰা নগৰখন চাই ভাল লাগে ঃ প্ৰাসাদৰ হাবি। আমাৰ দেশৰ বম্বেও একে আহি'ত গঢ়লৈ উঠিল।

আজি মোৰ লগত মুদ্ৰা বিনিময়ৰ আদি কেইখন লৈ আহিছো। অশোক হোটেলত থকা চেণ্ট্ৰেল বেংক অব ইণ্ডিয়াই আমেৰিকাৰ চিটি কৰ্প বৈংকৰ চেক দিছিল। আমি পোনে পোনে গৈ পাৰ্কিং প্লেচত গাড়ী থৈ পাৰ্ক-এভিনিউতে থকা চিটি কৰ্পৰ এটা শাখালৈ গলো।

দুৱাৰ পাৰ হৈয়েই সোণালী চুলিৰ ছোৱালী এজনীক পাই কথাবাৰ কোৱাৰ লগে লগে তাই গ্ৰাহকক সহায় কৰা ঠাইলৈ আগবঢ়াই দিলে। তাত থকা নিগ্ৰো গাভৰু গৰাকীক মোৰ সমস্যাৰ কথা কোৱাত তেওঁ এখন ফৰ্ম পূৰাবলৈ দিলে। মোৰ নাম-ঠিকনা, উচ্চতা, বৰণ, পেশা, কিমান ডলাৰৰ বেক হেৰাল, কত কেতিয়া-কেনেকৈ হেৰাল, চেকৰ নম্বৰ ইত্যাদি ভৰাই চহী কৰাৰ পিছত তেওঁ আন কোঠাত থকা এগৰাকী মহিলাৰ লগত মোক কথা পাতিবলৈ টেলিফোন সংযোগ কৰিও দিলে।

প্ৰায় একেধৰণৰ প্ৰশ্ন—নাম, ঠিকনা, বৰণ, উচ্চতা ইত্যাদি সুধি আছে। মাজে মাজে আমেৰিকান ইংৰাজীৰ উচ্চাৰণ ধৰিব নোৱাৰি দুবাৰ সোধো। প্ৰায় পাঁচ মিনিটমান প্ৰশ্ন কৰাৰ পিছত ড° কৃপা

বৰাই মোৰ পৰা টেলিফোনটো লৈ বেছ কড়াকৈ সুধিলে কিয় তেওঁ ইমানকৈ প্ৰশ্ন কৰি জুলুম দিব বুলি।

মইতো অবাক। জুলুম? এই পাঁচমিনিট অনুসন্ধান নকৰাকৈ চাৰিশ ডলাৰ মোক দি দিবনে?

সিফালৰ পৰা ক্ষমা খুজিলে।

এইবাৰ সিকাষৰ ভদ্ৰলোকে মাৰ্তিন দুখন কাগজত মোৰ চহী লৈ তেওঁ নিজে মোক কাউণ্টাৰলৈ লৈ গ'ল। তেৰোঁ মোৰ লগতে 'কিউত' থিয় হ'ল (আমাৰ তাত বিষয়া নিজৰ কাৰ্যালয়ত শাৰীত থিয় হৈ কাম কৰোৱাৰ কথা ভাবিবই নোৱাৰি)। যেতিয়া মোৰ পাল পালে—কাউণ্টাৰত থকা ছোৱালীজনীলৈ তেওঁ মোৰ কাগজখন আগবঢ়াই দিলে।

ছোৱালীজনীয়ে মোৰ পাছপোৰ্টখন চালে আৰু চাৰিশ ডলাৰৰ চেক্-উলিয়াই দিলে। গোটেই কামখিনিত ত্ৰিছ্‌মিনিট সময়ো নালাগিল। আমাৰ তাত ত্ৰিছ দিনতো বোধকৰোঁ নহ'লহেঁতেন।

হেৰোৱা ধন উদ্ধাৰ কৰি এইবাৰ আমি আহি য'ত মোৰ 'বেগ' হেৰাইছিল সেই গ্ৰে লাইন টুৰ্‌ছ্‌ পালোঁহি। আমি আজি আৰু 'নিজা' খোৱাৰ যত্ন নকৰিলোঁ।

টুৰ্‌ছৰ মানুহে জনালে যে কালি লোৱা টিকট কেইটা যদি আছে আমি তাৰেই আজি যাব পাৰিম।

টুৰিষ্ট বাছত উঠিলোঁ: বাছৰ ওপৰৰ অংশৰ মাজৰ দীঘলে তিনিফুট মান ঠাইৰ বাহিৰে গোটেই প্লাছেৰে বেৰা—যাতে ওপৰ ফালেদিও স্কাই-স্ক্ৰেপাৰবোৰ চাই যাব পাৰি। বাছৰ গাইড্‌জন হিস্পানী। হিস্পানীলৈ কালিৰ পৰা খং উঠি আছে।

আমাক নিউয়ৰ্কৰ এম্পায়াৰ বিল্ডিং, ৰকফেলাৰ, পাৰ্ক এভিনিউ আদি দেখুৱাই নি Greenish village of the Artists-ৰ মাজেদি নিলে। গ্ৰীনিছ ভিলেজ বুলিলত মই গাওঁ বুলি ভাবিছিলোঁ। কিন্তু কত গাওঁ? নিউয়ৰ্কৰ বুকুৰ একাংশ। নামটোহে

গাঁও দি থৈছে—আমাৰ নগাঁৱৰ দৰে। তাৰ পৰা ৰাষ্ট্ৰসংঘৰ কাৰ্যালয় আৰু পৃথিবীৰ সৰ্বোচ্চ প্ৰাসাদ এশ দহমহলীয়া World Trade Centre ( চিকাগোত এশ বাৰ মহলীয়া এটা ঘৰ সাজি আছে ; সেইটো সম্পূৰ্ণ হ'লে এই দুটা প্ৰাসাদকো উচ্চতাত চেৰ পেলাব ) আদি চাই চিতি আমি এলিচ দ্বীপত থকা Statue of Liberty চাবলৈ গলোঁ।

বেটাৰী পাৰ্ক—য'ত East আৰু Hudson দুয়োখন আহি আটলাণ্টিক মহাসাগৰত পৰিছেহি, সেই ঠাইত বাছ ৰ'লহি। সাগৰৰ দাঁতিত এলিচ আইলেণ্ডলৈ যাবলৈ জাহাজ সাজু। তাতো 'কিউ'। এইবাৰ আটলাণ্টিকৰ বুকুত জাহাজত। গভীৰ নীলা-পানীৰ মহাসাগৰ—আছে দূৰ দিগন্ত বিয়াপি। হুইটমেনৰ কবিতাৰেই কবৰ মন গৈছে ঃ

*You sea! I resign myself to you also*
*—I guess what you mean*
*I behold from the beach.*

পোন্ধৰ মিনিট সাগৰ-যাত্ৰাৰ পিছত আমি এলিচ দ্বীপত ভৰি দিলোঁ। সৰু দ্বীপ। তাতেই আছে চাৰি লাখ পঞ্চাছ হেজাৰ পাউণ্ড ওজনৰ, তামেৰে গঢ়া ১৫১ ফুট ওখ নাৰীমূৰ্তি—Statue of Liberty—যাৰ বাওঁহাতে আছে চনদ আৰু সোঁহাতে ওপৰলৈ দাঙি ধৰি থকা অৱস্থাত আছে একুৰা জোৰ। গ্ৰেনাইট শিলেৰে কৰা মূৰ্তিটোৰ পাদস্থানৰ উচ্চতাই হ'ল ১৪২ ফুট। আমেৰিকাৰ স্বাধীনতা লাভৰ এশ বছৰ পূৰ্ণ হওঁতে ১৮৮৬ খ্ৰীষ্টাব্দত ফ্ৰান্সৰ ভাস্কৰ ফ্ৰেডেৰিক্ বাৰ্থোলদিয়ে কৰা এই মূৰ্তি ফ্ৰান্সৰ জনসাধাৰণৰ বন্ধুত্বৰ প্ৰতীক স্বৰূপে আমেৰিকাক দান কৰে। হাজাৰ হাজাৰ মানুহৰ সমাগম ঘটি থাকে দৈনিক এই এলিচ দ্বীপলৈ।

পৃথিৱীৰ বিভিন্ন দেশৰ বিভিন্ন ভাষাৰ হাজাৰ-বিজাৰ মানুহ।

আবাল-বৃদ্ধ বনিতা।

আমেৰিকাৰ সকলো ৰাজহুৱা স্থানত থকাৰ দৰে ইয়াতো ৰেষ্টুৰাঁ আছে। আপুনি আৱশ্যকীয় খাদ্য লৈ কাউণ্টাৰত ধন দি বাহিৰত সাগৰৰ পাৰৰ চোতালত টেবুল এখন লৈ বহি ভোজন পৰ্ব সম্পন্ন কৰিব পাৰে। আমিও কুকুৰাৰ মঙহ, আলু ভাজি আৰু কোকা-কোলাৰে আমাৰ দুপৰীয়াৰ আহাৰ আবেলি ৩.৩০ মানত সম্পন্ন কৰিলোঁ। পুনৰ ঘূৰি-পাকি আহি গ্ৰে লাইন টুৰ্‌ছ পোৱাঁলৈ ৫.৩০ বাজিল।

ইয়াৰ নিউয়ৰ্ক পাব্লিক লাইব্ৰেৰীত অসমীয়া কিতাপো কিছু আছে।

লাইব্ৰেৰী আৰু মিউজিয়ামেৰে আমেৰিকা পৰিপূৰ্ণ।

প্ৰতিটো বিষয়ৰ তথ্য-পাতি নিখুঁত আৰু বিস্তৃতকৈ সংৰক্ষিত। আজিকালি কম্পিউটাৰত সংৰক্ষিত।

গ্ৰে লাইন টুৰ্‌ছৰ পৰা কেইখোজমান গৈয়েই পাৰ্কিং প্লেচ।

ইয়াত পাৰ্কিং প্লেচৰ যোগাৰটো প্ৰথম কথা। হোটেল, ৰেষ্টুৰাঁ, দোকান, পোহাৰ, অফিচ—যি ধৰণৰ অনুষ্ঠান প্ৰতিষ্ঠানেই নহওক খোলাৰ আগতে গাড়ী ৰখা ঠাইৰ ব্যৱস্থা কৰিব লবই লাগিব। একোখন পাৰ্কিং প্লেচত কেইবা হাজাৰো গাড়ী থ'ব পৰাৰ ব্যৱস্থাও আছে। নিউয়ৰ্কৰ তলত আণ্ডাৰগ্ৰাউণ্ড টেক্সী ষ্টেণ্ডত বাৰ হেজাৰ টেক্সী থাকে। নিউয়ৰ্কৰ ওপৰত স্কাইস্ক্ৰেপাৰ আৰু তলখন পাৰ্কিং প্লেচ, টানেল, মেট্ৰ', ষ্ট'ৰ হাউছ, নলা আদিৰে তেনেই ফোপোলা। আমেৰিকাৰ মানুহৰ জীৱনো এনেকুৱাইনেকি—বাহিৰত প্ৰাচুৰ্য আৰু স্বাচ্ছন্দ্য আৰু ভিতৰখন শূন্য গহ্বৰ সদৃশ প্ৰাচুৰ্যৰ অৰণ্যত ভিতৰৰ মানুহটো হেৰাই গৈছেনেকি? সেই ভিতৰৰ মানুহটোৰ সন্ধানতে আমেৰিকাৰ মানুহ দৰিদ্ৰ ভাৰতবৰ্ষ পাইছেগৈনে কি? হয়তো হয়। কাৰণ, ইয়াত 'মানুহ আটাইবোৰ দ্বীপ'। □

## ।। চতুৰ্থ দিন ।।

এমিলি ডিকিনছনে লিখিছিল ঃ

*I have no time to hate*

*…Nor I have to love.*

আমেৰিকাৰ মানুহৰ ব্যস্ততাই প্ৰতি মুহূৰ্ততে যেন তাকে সোঁৱৰাই আছে। প্ৰত্যেকেই পুৱাৰ পৰা গধূলিলৈকে ব্যস্ত। কাৰণ, ইয়াত মানুহৰ সামাজিক নিৰাপত্তা আছে, কিন্তু চাকৰিৰ নিৰাপত্তা নাই। ব্যৱসায়-বাণিজ্য, উদ্যোগ আদি যিহেতু সকলো ব্যক্তিগত খণ্ডৰ আৰু যিহেতু ইয়াতো তুমুল প্ৰতিযোগিতা, এতেকে কামৰ গুণ আৰু নিৰ্ভৰযোগ্যতাৰ ভিত্তিতে প্ৰতিটো খণ্ড তিষ্ঠি থাকিব লাগিব। গতিকে, চাকৰিয়াল সকলৰ চাকৰি নিৰ্ভৰ কৰিব নিজৰ যোগ্যতাৰ ওপৰত। প্ৰতিজন কৰ্মচাৰীয়েই সেইবাবে যোগ্যতা বঢ়োৱাত তৎপৰ। নহলে কোম্পানীয়ে এখন সুন্দৰ মিঠা ভাষাৰ চিঠিৰে কাইলৈৰ পৰা আপোনাক কামলৈ আহিব নালাগে বুলি জনাই দিয়াৰ শংকা প্ৰতিমুহূৰ্ততে আছে। কোম্পানী বিলাকে নিজৰ উৎপাদনৰ গুণ বঢ়াবলৈ সংশ্লিষ্ট বিষয়ৰ গৱেষণাৰ বাবে বৃত্তিও দিয়ে। আমাৰ ভাৰতৰো অনেক ছাত্ৰ-ছাত্ৰীয়ে এনে বৃত্তি লৈ বিভিন্ন বিষয়ত গৱেষণা কৰিছে।

একো একোটা কোম্পানী একো একোজন অধ্যাপকৰ যোগে এনে বৃত্তি প্ৰদানৰ ব্যৱস্থা কৰে। অনুসন্ধিৎসু ছাত্ৰই গৱেষণা-

পত্ৰিকাত প্ৰকাশিত অধ্যাপক সকলৰ প্ৰবন্ধাদি চাই যোগাযোগ কৰিব পাৰে। কিন্তু যোগাযোগ কৰিলেই নহ'ব, বাছনি পৰীক্ষাত কৃতকাৰ্যতাও লাভ কৰিব লাগিব।

আমেৰিকাত গৱেষণাৰ বাবে লোৱা কোনো কোনো বিষয় দেখিলে অনেকে প্ৰথমে উপলুঙা কৰিব পাৰে; কিন্তু অকমাণ দ-কৈ চালেহে দেখিব—সৰু বুলি ভবা বিষয় এটাৰ কিমান ডাঙৰ উপযোগিতা আছে। ড° বিৰিঞ্চিকুমাৰ বৰুৱাই ১৯৬৪ চনত লিখা কথাষাৰৰ সত্যতা দিনে দিনে উজ্বলহে হৈছে।

আমাৰ দেশত কামৰ এই প্ৰতিযোগিতা নাই বুলিব পাৰি। ৰাজহুৱা খণ্ডৰ প্ৰতিষ্টানবোৰে বছৰি কোটি কোটি টকা লোকচান ভৰাৰ ইও অন্যতম কাৰণ। কাৰণ, কাম কৰিলেও চাকৰি নাযায়, নকৰিলেও যাব নোৱাৰে! এতেকে, তাহানি অসমৰ ৰাজধানী শিলঙৰ সচিবালয়ৰ চকীত কোটটো থাকে, মানুহটো নাথাকে। এতিয়াও একেই গতিত দিচপুৰ চলি আছে।

আমেৰিকাত থকা অসমীয়া পুৰুষ-মহিলা সকলকো দেখিছোঁ—ভীষণ কৰ্মতৎপৰ। পুৱা ৬.১৫ বজাত ঘৰৰ পৰা ওলাবই; ৮ বজাত নিজৰ কৰ্মস্থান পাবগৈয়ে।

নিৰ্দিষ্ট সময়ৰ পিছতো যোগ্যতা বৃদ্ধিৰ বাবে কাম কৰে। তাৰ বাবে বেলেগ পাৰিতোষিক পায়।

আমাৰ দেশৰ লগত এটা প্ৰধান পাৰ্থক্য হ'ল—এওঁবিলাকৰ সামাজিক গাঁথনিৰ চৰিত্ৰত। আমাৰ দেশত প্ৰতিজন ব্যক্তি পৰিয়াল তথা সমাজৰ একোটা অংশ; এতেকে পৰিয়াল আৰু সমাজৰ প্ৰতি তেওঁৰ কৰণীয় আছে। কিন্তু, আমেৰিকাত প্ৰতিজন ব্যক্তিয়েই একক। সেইবাবে কাৰো ওপৰত পৰিয়াল বা সমাজৰ অনুশাসন নচলে; অনুশাসন চলে কেৱল আইনৰ আৰু সামাজিক আচৰণ-বিধিৰ।

আমাৰ শাস্ত্ৰ-বাক্যও আছিল যে 'প্ৰাপ্তেষু ষোড়ষো বৰ্ষে পুত্ৰম্-

মিত্ৰম্ বদাচৰেৎ।' ইয়াত এই বাক্য কঠোৰভাৱে পালনীয়। এতেকে, ওঠৰ বছৰ হ'লে ল'ৰাহ'ত দেউতাক-মাকৰ ছায়াৰ পৰা আঁতৰি স্বতন্ত্ৰভাৱে থাকিবলৈ লয়। স্কুলীয়া জীৱনৰে পৰা অনেক ল'ৰা-ছোৱালীয়ে বন্ধৰ সময়ত সৰু-সুৰা দোকান দি বা কোনো ঠাইত কাম কৰি নিজে উপাৰ্জন কৰিবলৈ লয়।

ইয়াত এনেভাৱে অংশকালীন চাকৰি পোৱাটো সহজ। প্ৰতিঘণ্টাত ৫ ডলাৰৰ পৰা চাৰে ছয় ডলাৰ মান পায়। চাকৰি মানে আমাৰ দেশৰ দৰে চকীত বহি কৰা চাকৰি নহয়, হাতে-কামে কৰা চাকৰি, কোনো ফাৰ্মত তেওঁবিলাকৰ পণ্যবস্তু 'পেক' কৰা হ'ব পাৰে, ছেলছমেনৰ চাকৰি হ'ব পাৰে, হিচাবপত্ৰ ৰখাৰ চাকৰি হ'ব পাৰে, ৰেষ্টুৰাঁৰ কাম হ'ব পাৰে—কত ধৰণৰ চাকৰি হ'ব পাৰে!

ইয়াত জীৱন যিহেতু যন্ত্ৰ-নিৰ্ভৰ, গতিকে যন্ত্ৰৰ উৎপাদন আৰু ব্যৱহাৰৰ কত ধৰণৰ চাকৰি আছে!

স্বামীয়ে স্ত্ৰীৰ উপাৰ্জনৰ ওপৰত বা স্ত্ৰীয়েও স্বামীৰ উপাৰ্জনৰ ওপৰত বহুসময়ত নিৰ্ভৰ নকৰে বা কৰিবলগীয়া নহয়।

ব্যক্তি স্বতন্ত্ৰতাৰ এই অৱস্থাই প্ৰত্যেক মানুহক অকলশৰীয়া কৰি তুলিছে। ডেকা গাভৰুহ'ত সৰুৰেপৰা এনেভাৱে স্বতন্ত্ৰ মনোভাৱেৰে ডাঙৰ-দীঘল হয় যে তেওঁবিলাকক দেউতাক—মাকে আমাৰ ল'ৰা-ছোৱালীক শাসন কৰাৰ দৰে শাসন কৰিব নোৱাৰে। তেওঁবিলাকক শাসন কৰিবলৈ 'জুভেনাইল্ কোৰ্ট্' আছে। অৱশ্যে 'জুভেনাইল্ কোৰ্ট'ৰ অনুশাসনৰ বেয়া ফলো নোহোৱা নহয়।

আমাৰ সৰু ল'ৰা-ছোৱালীয়ে কান্দিলে বাঘ ঢকা দিয়া মাক সকলৰ বাবেও আমেৰিকা উপযুক্ত ঠাই নহব যেন পাইছোঁ। কাৰণ 'চাইল্ড্ এবিউজ্' অৰ্থাৎ ল'ৰা-ছোৱালীক বেয়া ব্যৱহাৰ কৰাটো ইয়াত এটা সামাজিক অপৰাধ। আপুনি আপোনাৰ সৰু ল'ৰাটোক দিলে—দাবি বা দিলে—এছাট, সিও দিয়ক—ভেঁকৈ মুখ মেলি;

আৰু তাকে শুনি ওচৰ চুবুৰীয়াই টেলিফোন দাঙি পুলিচ থানাক দিয়ক খবৰ—যে অমুকৰ ঘৰত চিঞৰ-বাখৰ হৈছে—'চাইল্ড এবিউজ্' হৈছে। গতিকে, অনেক মা-কে মানুহে শুনাকৈ 'সোণটো' বুলি মাতি চকুপকাই শাসন কৰাৰ কৌশল আয়ত্ত নকৰিলে আমাৰ গৃহিনীসকলৰ ইয়াত জবিমনা নিৰ্ঘাত। কিন্তু ১৮ বছৰ হোৱালৈকে লৰা-ছোৱালীক আৱশ্যকীয় সা-সুবিধা দিয়াটো হ'ল একপ্ৰকাৰ বাধ্যতামূলক।

আমেৰিকাৰ লৰা-ছোৱালীৰ অবাধ মিলা-মিছাৰ কথা তাহানি হেম বৰুৱাই লিখি গৈছিল। এইবাৰ নিজ চকুৰে দেখিলোঁ। পাৰ্কত লৰা-ছোৱালীয়ে ঘনিষ্ঠ হৈ বহি থকা, পৰস্পৰে পৰস্পৰক চুমা খোৱাটো সাধাৰণ কথা। ইয়াত আশী বছৰীয়া বুঢ়ায়ো বুঢ়ীৰ গালত টপৰকৈ চুমা খোৱা দেখিলে আমাৰ তাৰ মানুহৰ চকুত বিসদৃশ যেন লাগিব পাৰে; কিন্তু ইয়াত ই হ'ল আন্তৰিক প্ৰীতি-সম্ভাষণৰ পৰিচায়ক! অৱশ্যে, ৰাজহুৱা ঠাইত ডেকা ককালত সাৱটি ডেকাৰ 'বেকপকেট'ত হাত ভৰাই থোৱা যুৱতী বা চুলিত কেইবাটাও ৰংসনা যুৱক, এফালে কাণত এপাত ইয়েৰিং ওলোমাই ঘুৰিফুৰা ডেকা ল'ৰা—এইবোৰ চৰিত্ৰও আপুনি মাজে-সময়ে লগ পাব। সিদিনা এয়াৰপোৰ্টতে দেখিছোঁ ওঠৰ বিছ বছৰীয়া যুৱতীয়ে জিনৰ পেণ্টটো দুই আঁঠুৰ ওচৰতে ফালি লৈছে—বহি দিলেই আঠুৰ ওপৰৰ একাংশ ওলাই পৰে। কাণ্ডটো মই বুজা নাছিলোঁ। পিছতহে জানিলোঁ—ই এটা ফেশ্বন! নতুন পেণ্টটো চিলাই আনি আঁঠুত ফালি লোৱা বা কলাফুলত ফালি লোৱাটোৱে এটা ফেশ্বন হ'ব পাৰে—সেই ধাৰণা মোৰ হয় ক'ৰ পৰা? যি হওক, ফলাটো সিমানতে ৰ'লেই মংগল!

আমেৰিকান ল'ৰা-ছোৱালীৰ এই চামৰ পোচাক-পৰিচ্ছদৰ বিষয়ে

অধিক জ্ঞান নহলেও আমাৰ ল'ৰা-ছোৱালীৰ চলিব। আন্দাৰ-ওৱেৰৰ আকাৰৰ হাফপেণ্ট আৰু হাতকটা গেঞ্জি পিন্ধি ঘূৰি ফুৰা পুৰুষ আৰু মহিলা যত্ৰ-তত্ৰ দেখা পাব। কিন্তু সেইবুলিয়েই যে তেওঁবিলাক নষ্ট-চৰিত্ৰৰ লোক এনেও নহয়। নষ্ট-চৰিত্ৰৰ লোকৰ বাবে বা ভালমানুহে নিজৰ চৰিত্ৰ নষ্ট কৰিব খুজিলে—ন্যুড ক্লাব বা নগ্ন সংঘলৈও যাব পাৰে ; আনকি সমকামী সংঘলৈও। ইয়াত ভাল যিদৰে আছে, বেয়াও তেনেদৰেই আছে।

আমেৰিকাত শৰীৰৰ শুচিতা বা সতীত্ব বুলি কোনো কথা নাই। ল'ৰা-ছোৱালীৰ মাজত অবাধ-মিলামিছা। এতেকে শৰীৰে শৰীৰৰ ধৰ্ম পালন কৰিবই ; তাক স্বীকাৰ কৰি লোৱাটোৱেই এওঁবিলাকৰ অভ্যাস। সেইবাবে মাকে জীয়েকৰ বয়সপ্ৰাপ্ত হ'লেই জন্ম-নিৰোধৰ ব্যৱহাৰৰ কথা মুকলিভাবেই শিকাই দিয়ে যাতে ছোৱালীজনী অকালতে সন্তান-সম্ভৱা নহয়।

এওঁবিলাকৰ লগত আমাৰ এই সামাজিক-সাংস্কৃতিক আৰু নৈতিক মূল্যবোধৰ ক্ষেত্ৰত গুৰুতৰ পাৰ্থক্য আছে। এগৰাকী মাকে যেতিয়া আন এগৰাকী মাকক সোধে—'তোমাৰ ল'ৰাই কোনোবা ছোৱালীৰ লগত ডেটিং ( অৰ্থাৎ দিন ঠিক কৰি লগ ধৰা ) আৰম্ভ কৰিছেনে নাই'—আমাৰ ভাৰতীয় কৰ্ণকুহৰে তাক সহ্য কৰিবলৈ টান পায়। কিন্তু ইয়াত আহি থকা অসমীয়া মাকেও একে প্ৰশ্ন সোধা শুনিছোঁ!

আমি ভাৰতীয় মানুহে 'যদিদং হৃদয়ং তব তদিদং হৃদয়ং মম' বুলি অগ্নিক সাক্ষী কৰি গ্ৰহণ কৰা পত্নীক নিজৰ শৰীৰৰ একাংশ বুলি গ্ৰহণ কৰোঁ ( অৱশ্যে 'কটাৰী ধৰাবা শিলে। তিৰোতা ধৰাবা কিলে' আপ্তবাক্যৰো প্ৰয়োগ কোনো কোনোৱে নকৰাকৈ নাথাকে!); কিন্তু ইয়াত একেলগে জীৱন-যাপন কৰাৰ এক চুক্তি হিচাপেই বিবাহ-উৎসৱ স্বীকৃত। এতেকে যদি স্বামী-স্ত্ৰীয়ে পৰস্পৰে পৰস্পৰক গ্ৰহণীয় বুলি ভবা নাই বা আন কোনো স্ত্ৰী বা পুৰুষৰ

প্ৰতি তেওঁবিলাক অনুৰক্ত বা অনুৰক্তা হৈছে, বিবাহ বিচ্ছেদ কৰি নতুনকৈ সংসাৰ কৰে। ইয়াত সেইবাবে পৰস্ত্ৰীও বিধিমতে নিজৰ স্ত্ৰী হবগৈ পাৰে। কিন্তু দক্ষিণৰ কৃষি প্ৰধান অঞ্চলত বিবাহ-বিচ্ছেদৰ সংখ্যা আনুপাতিক ভাৱে কম। সকলো কৃষিজীৱী সমাজেই সমাজপ্ৰিয় আৰু কিছু পৰিমাণে পৰম্পৰাগত সংস্কাৰৰ প্ৰতি অনুগত।

আজি পুৱা চাহৰ টেবুলত আৰম্ভ কৰা কথা-বতৰাৰ সোঁতটো দহ বজামানতহে থমকি ৰ'লহি। কাৰণ, আমি আজি ছিয়াটল পাবহি লাগে। কাইলৈ ছিয়াটলত উত্তৰ আমেৰিকা অসম সংঘৰ নৱম বাৰ্ষিক অধিবেশন বহিব। পিচবেলা মোৰ বক্তৃতা আছে। কাপোৰ-কানি, কাগজ-পত্ৰ সকলো সামৰি ড° বৰা আৰু শ্ৰীমতী বৰাৰ সৈতে নিউজাৰ্ছিৰ নেৱাৰ্ক (Newark) বিমান ঘাটি পাওঁমানে এক বাজিবৰ হ'ল। নেৱৰ্াক বিমান বন্দৰো আমাৰ দিল্লীৰ দৰে ডাঙৰ আন্তৰ্জাতিক বিমান বন্দৰ ঃ প্ৰশস্ত, পৰিষ্কাৰ, শৃংখলাবদ্ধ, সুদৃশ্য। ইয়াৰ সকলো বাজহুৱা ঠাইত থকাৰ দৰে ৰেষ্টুৰাঁ, শ্বপিং চেন্টাৰ, কিতাপ-পত্ৰৰ দোকান, টেলিফোন আদিৰ মনোৰম ব্যৱস্থা ইয়াতো আছে।
ইয়াৰ বাজহুৱা ঠাই কোনেও লেতেৰা নকৰে।
আমাৰ ৰাজহুৱা ঠাই হ'ল—বিভিন্ন ৰং আৰু নক্সাৰ পোষ্টাৰ, ক'ৰবাত বা লেতেৰা আখৰেৰে লিখা শ্লোগান, তামোলৰ পিক, চুৰুটৰ টুকুৰা, বাদামৰ বাকলি, ফটা কাগজ, চিগাৰেটৰ বাঁহ ;—মুঠতে সকলো অদৰকাৰী আৰু লেতেৰা বস্তু নিৰ্বিবাদে পেলাই থৈ যোৱাৰ ঠাই!
নিউয়ৰ্কত ক'তো মই পোষ্টাৰ আৰু শ্লʼগান দেখা নাই। আলিৰ দাঁতিৰ বেৰবোৰ কোনেও ক'তো লেতেৰা কৰা নাই। লেতেৰা কৰিব কোনে? হয় পঢ়া-শুনাত, নহয় কামত, নহয় খেলা-ধুলাত

সকলো ব্যস্ত। আলিৰ দাঁতিৰ ফুটপাথত পানৰ দোকান নাই যে কোনোবাই ৰোমিঅ'ৰ ভূমিকা ল'ব। কাৰো অবাবত কটাবলৈ সময় নাই। সপ্তাহৰ শেষত গাড়ী লৈ দূৰলৈ ওলাই গৈছে—কোনোবা মটেলত আছে, ৰেষ্টুৰাঁত খাইছে। বন্ধু বা বান্ধৱীৰ লগত অৱসৰ বিনোদন কৰিছে; আকৌ সোমবাৰৰ পৰা শুক্ৰবাৰলৈ কামত ব্যস্ত হৈছে।

তুলনামূলক ভাৱে চীনা বজাৰ অঞ্চলটো কিছু লেতেৰা। ভাৰতীয় মানুহৰ ঠাইবোৰো কম-বেছি পৰিমাণে লেতেৰা বুলি শুনিছোঁ। ছয় লাখ ভাৰতীয় আহি যিথন দেশত গোট খাইছে তাত আমাৰ স্বভাৱ আৰু অভ্যাসবোৰে ঠাই নাপাবনে? আলিৰ কাষৰ বেৰ বা ছাইনবোৰ্ডত দুই এটা আঁক-বাক আৰু লেখা য'ত দেখিছোঁ—সেই ঠাই কৃষ্ণবৰ্ণ সকলৰ। নিউয়ৰ্কৰ ১১ নিযুত মানুহৰ শতকৰা পঁচিছ ভাগেই কৃষ্ণবৰ্ণৰ। চাকৰি-বাকৰি, অফিচ-কাছাৰী সকলোতে নিগ্ৰো সকল আছেই। তাৰো আকৌ সৰহ সংখ্যক মহিলা।

ড° বৰাই তেখেতৰ গাড়ী এয়াৰপোৰ্টৰ পাৰ্কিং-প্লেচত থৈ আহিল গৈ। ঘণ্টাত দুই ডলাৰকৈ পাৰ্কিঙৰ ভাড়া: এদিনত ওঠৰ ডলাৰকৈ। বৰাই গাড়ী থৈ পাৰ্কিঙৰ টিকেট সংগ্ৰহ কৰি লৈ আহিল। যিমান দিন লাগে গাড়ী তাত থ'ব পাৰে। অৱশ্যে এমাহ বা ততোধিক সময়ৰ বাবে থ'লে তাৰ পৰা অকমাণ দূৰত থ'ব লাগে; ভাড়াও কম।

আমি এলিভেটৰেৰে ওপৰলৈ উঠি গলোঁ। দিল্লী আন্তৰ্জাতিক বিমানকোঠৰ এঠাইত এলিভেটৰ লগাইছে উঠা নমা কৰিবলৈ: তাৰ বাহিৰে আন ক'ৰবাত লগাইছে যদিও দেখা নাই। ইয়াত এলিভেটৰ যত্ৰ-তত্ৰ। বজাৰলৈ যাওক তাতো পাব, বিমানকোঠলৈ যাওক তাতো পাব। আপুনি চলি থকা ষ্টেপ্ এটাত ভৰি দি থিয় হৈ দিয়ক—সি নিজেই নি থাকিব।

২ বজালৈ সময় আছে।
আমি একাপ একাপ কফি ললোঁ। লগত দিবলৈ গাখীৰৰ সৰু কাগজৰ পেকেট এটি আৰু চেনিৰ পেকেট !
আমাৰ বিমান হ'ল 'ইউনাইটেড' এয়াৰলাইনছৰ।
আজিকালি জাম্বো জেট বা এয়াৰ বাছত উঠিবলৈ জখলা নালাগে ; টাৰ্মিনেল হাউছৰ ওপৰৰ ফ্ল'ৰৰ পৰা বিমানৰ দুৱাৰ মুখলৈকে এটা কৰিডৰ ঃ টিউব। বিমান বিলাক আজি ঠিক দুৱাৰ মুখত লগাই দিয়েহি। দিল্লীৰ আন্তৰ্জাতিক বিমানকোঠতো এনে ব্যৱস্থা আছে। আমি দুই বজাৰ আগতে বিমানলৈ গলোঁ। আমাৰ দেশৰ দৰে নিৰাপত্তাবাহিনীয়ে মাত্ৰাধিক একো নকৰে।
ডাঙৰ বিমান। প্ৰায় তিনিশ মানুহ যাব পৰা।
নিউয়ৰ্কৰ পৰা ছিয়াটললৈ তিনিহেজাৰ পাঁচশ মাইল। নিউয়ৰ্ক আটলাণ্টিকৰ পাৰত : ছিয়াটল প্ৰশান্তৰ পাৰত। দেশখনৰ পুবা-পশ্চিমাকৈ ইমূৰ সিমূৰ।

উৰাজাহাজেৰে ছঘণ্টা লাগে। তাৰে এঘণ্টা বাটত ডেনভাৰ বিমানকোঠত ৰব। গতিকে উৰাৰ সময় পাঁচঘণ্টা। আমাৰ গুৱাহাটীৰ পৰা দিল্লীৰ দূৰত্বৰ দুগুণতকৈও বেছি। নিউয়ৰ্কৰ লগত সময়ৰ ব্যৱধান হ'ল ৩ ঘণ্টাৰ। অৰ্থাৎ আমি যেতিয়া ২ বজাত নিউয়ৰ্কত উৰাগাড়ীত উঠিছোঁ, ছিয়াটলত তেতিয়া ১১ হে বাজিছে।
খিড়িকী কাষৰ আসনত বহি নেৱাৰ্কৰ পৰা উৰি আহোঁতে চাই আহিছোঁ শ-শ মাইল যোৰা পথাৰ আৰু পাহাৰ, অৰণ্য আৰু জনপদ। আমি পাৰ হৈ আহিছোঁ—নিউজাৰ্ছি, পেনছিলভেনিয়া, অহিও, ইণ্ডিয়ানা, ইলিনইছ, মিছৌৰী, কেনছাছ আৰু আমাৰ ঘড়ীত ৬.১০ বজাত পালোঁহি কলৰাডো ৰাজ্যৰ ডেনভাৰ বিমানকোঠ।
প্লেনৰ পৰা নামি লাউঞ্জলৈ গলোঁ। এইটোও এটা বিশাল বিমান

কোঠ। ওলোমাই থোৱা ইলেকট্রনিক শ্বার্টত দেখিলোঁ—ইয়াৰ পৰা দৈনিক এশতকৈ অধিক উৰা জাহাজ যায় আৰু এশতকৈ অধিক ইয়ালৈ আহে। কিন্তু ক'তো অকনো বিশৃংখলা নাই, হুলস্থুল নাই। আমাৰ অসমৰ প্ৰায় কেইটা বিমানকোঠত এখন কি দুখন বিমান আহি পৰে আৰু এখন কি দুখন যায়। তাতেই চৌকিদাৰৰ পৰা মেনেজাৰলৈকে এনে এটা 'এয়াৰ'ত থাকে যে কেতিয়াবা হাঁহি উঠে আৰু কেতিয়াবা খং উঠে। যোৱা মোকি জুন মাহত আমাৰ গুৱাহাটীৰ পল্টন বজাৰত থকা এয়াৰলাইন্সৰ অফিচত মোৰ দিল্লীলৈ যোৱা টিকটটো 'অ'কে' কৰাবলৈ গৈ অনাহক ব্যস্ততাত থকা কৰ্মচাৰিণী এগৰাকীক ক'লোঁ ; তেওঁ ক'লে (ইংৰাজীতে) টকোন এটা লৈ থিয় হওক। তেতিয়া মানুহ চাৰি-পাঁচজনহে আছিল। মই উপায়ান্তৰ হৈ আন এজনক গৈ ক'লোঁ যে মই সংসদৰ সদস্য : মোৰ জৰুৰী কাম আছে ; তাৰ মাজতে টিকটটো নিশ্চিত কৰি লবলৈ আহিছোঁ। তেওঁ যেনিবা তেতিয়াই লগে লগে কামটো কৰি দিলে।

বেছেৰীৰ নিৰ্দেশে 'হাক্‌লবেৰি ফিন'ৰ গল্পলৈ মনত পেলাই দিলে —সেই যে কিতাপত যেনেকৈ লিখা আছে তেনেকৈ কৰাৰ কাহিনী! আমেৰিকাত অৱশ্যে সকলোতে শাৰীপাতি থিয় হবই লাগিব ; নহলেহে পলম হ'ব। পাৰ হৈ আহিলোঁ সেউজীয়া পাহাৰ আৰু শস্যৰ সেউজীয়া পথাৰ। আমেৰিকাত সকলো বস্তুৰ সৰলৰৈখিক চৰিত্ৰ পথাৰবোৰতো বিদ্যমান। এওঁবিলাকৰ ঘৰ দুৱাৰ সৰল-ৰৈখিক, আনকি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাজ্যবোৰৰ সীমাও সৰল ৰৈখিক। চাৰিকোণীয়াকৈ ভাগ ভাগ কৰা আৰু এচলীয়া ঠাইত মাটি খহি নাযাবৰ বাবে ঘুৰণীয়াকৈ ভাগ ভাগ কৰা সেউজীয়া পথাৰবোৰ যেন মেলি যোৱা একোখন সেউজীয়া বিছনা চাদৰ। ইয়াৰ প্ৰকৃতি দেখি বাৰে বাৰে আমাৰ অসমৰ প্ৰকৃতিলৈ মনত পৰিছে।

দেনভাৰৰ পৰা উৰোঁতে নেৱাৰ্কৰ দৰে আমাৰ উৰাজাহাজে কিউ কৰি থাকিবলগীয়া হ'ল প্ৰায় বিশ মিনিট। আমাৰ খনৰ পিছতো দহ-এঘাৰখন মান শাৰী পাতি বৈ আছে। আমি আমাৰ ঘড়ীমতে ৫.৩৫ বজাত আৰু দেনভাৰৰ সময়মতে ৭.৩৫ বজাত উৰা মাৰিলোঁ, ছিয়াটলৰ টেকোমা বিমানকোঠ বুলি।

আমি এইবাৰ ওৱায়'মিং, ইদাহো আৰু অৰেগন ৰাজ্য পাৰ হৈ ৱাশ্বিংটন ৰাজ্যৰ (ৰাজধানী ৱাশ্বিংটন হ'ল নিউয়ৰ্কৰ দক্ষিণত ভাৰ্জিনিয়া ৰাজ্যৰ কলম্বিয়া জিলাত) ছিয়াটললৈ আহিলোঁ। আমাৰ ঘড়ীমতে ৰাতি ১০.২০ হব লাগে ; কিন্তু ছিয়াটলত সন্ধ্যা ৭'২০ হৈছে আৰু সূৰ্য দিল্লীৰ ৫ বজামান আৰু অসমৰ ৪ বজা মান পোৱা যেনহে লাগিছে।

প্লেনৰ পৰাই দেখিলোঁ—ছিয়াটল পাহাৰীয়া ঠাই—ডাঙৰ চহৰ আৰু নিউয়ৰ্কৰ দৰেই দ্বীপময় চহৰ। চাৰিওফালে সেউজীয়া গছগছনি, নীলা পানীৰ হ্ৰদ আৰু সাগৰ আৰু ছবিৰ দৰে থাকে থাকে সজোৱা ঘৰ।

ৱাশ্বিংটন ৰাজ্যৰ অনেক অংশ সাগৰৰ মাজলৈ সোমাই গৈছে।

আমাক আগবঢ়াই নিবলৈ বৈ আছিল উত্তৰ আমেৰিকা অসম সংঘৰ সভাপতি হবিবুৰ ৰহমান বৰুৱা আৰু সম্পাদক পান্না হাজৰিকা। বৰুৱা থাকে কেলিফোৰ্নিয়াত আৰু হাজৰিকা থাকে চান ডিয়াগোত। দুয়ো নিজৰ নিজৰ ঠাইৰ পৰা গাড়ী চলাই আহি পাইছিল ছিয়াটল। বৰুৱাৰ দূৰত্ব ১২০০ মাইল আৰু হাজৰিকাৰ প্ৰায় ১৫০০ মাইল। পৰহিয়েই দুয়ো ঘৰৰ পৰা ওলাইছে পৰিয়াল লৈ।

অটোমেটিক লেদাৰত ভৰি দি তল পালোঁহি ; লগে লগে সন্মুখৰ এখন দুৱাৰ খোল খালে।

বৰুৱাই কলে—উঠক। অটোমেটিক ট্ৰেইন।

ট্ৰেইন আঢ়ৈ মিনিট মান গৈ ৰ'ল আৰু স্বয়ংক্ৰিয়ভাৱে দুৱাৰ খোল

থালে। তাতে যাত্ৰীৰ টালি-টোপোলা আহি আছে—স্বয়ংক্ৰিয় কেৰিয়াৰত।

বয়বস্তু লৈ ড° বৰাই ছিয়াটলত থকা কেইদিনৰ বাবে ব্যৱহাৰ কৰিবলৈ এখন গাড়ী বন্দোৱস্ত কৰিলে। দিনে ২৩ ডলাৰ ভাড়া দিব লাগিব।

গাড়ীও যে এনেকৈ পায় জনা নাছিলোঁ।

এনেকৈ গাড়ী ভাড়ালৈ দিয়া কেইবাটাও কোম্পানী আছে। ড° বৰাই হাৰ্টজ্ কোম্পানীৰ পৰা জাপানী কাৰ এখন লোৱাৰ ব্যৱস্থা কৰিলে। গাড়ীহে পায়, ড্ৰাইভাৰ কিন্তু নাপায়। নিজে চলাব লাগিব।

ইয়াত ড্ৰাইভাৰ কাৰো নাই। আনকি, এইবাৰ আমেৰিকাৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী ডুকাকিজে নিজে গাড়ী চলায়। তেওঁতো মাচাচুৱেটছ ৰাজ্যৰ গভৰ্ণৰ!

আমাৰ দৰে গভৰ্ণৰৰ চৰকাৰী বাসভৱনো বহুত ৰাজ্যত নাপায়। গভৰ্ণৰে নিজৰ ঘৰত থাকি নিজে গাড়ী চলাই ৰাজ্য চলায় বোলা কথাষাৰ আমাৰ দেশত মানি লবলৈকে টান পাব।

আমি যেতিয়া দুই দাঁতিৰ সেউজীয়া গছগছনি, পাহাৰ আৰু হাজাৰ-বিজাৰ গাড়ীৰ গতি চাই চাই আহি 'বেল্টন'ৰ 'ট্ৰেভেলাৰ্ছ ইন' পালোঁহি তেতিয়া মোৰ হাতৰ ঘড়ীত নিউয়ৰ্কৰ মতে ১১ বাজিছে; কিন্তু ছিয়াটলত তেতিয়া ৮ হে বাজিছে। ৮ বাজিছে বুলিলতো সন্দেহ হ'ল; কাৰণ, বেলিৰ পোহৰ তেতিয়াও আছে। বেলিৰ পোহৰ নিস্তেজ। নিউয়ৰ্কৰ পৰা আহি ইয়াত বেছ জাৰ লাগিছে। আকাশত ডাৱৰো আছে।

ট্ৰেভেলাৰ্ছ ইনৰ চোতাল পায়েই দেখিলো দ্বিতীয় মহলাত ৰিহা মেখেলা পিন্ধা মানুহৰ সমাৱেশ। বিভিন্ন ঠাইৰ পৰা অসমীয়া সকল আহিযে ইতিমধ্যে সমবেত হ'লহি তাৰ নিচান পোচাকেই দিলে।

ট্ৰেভেলাৰ্ছ্ ইন এথন মটেল।
আমেৰিকাৰ বাটৰ কাষে কাষে মটেল আৰু ৰেষ্টুৰাঁ।
সপ্তাহৰ শেষত অৰ্থাৎ শনিবাৰে গাড়ীৰে মানুহ এনেবোৰ ঠাইলে গুছি আহে।
মটেলত থাকে আৰু ৰেষ্টুৰাঁত খায়।
মোৰ কোঠালী ( ২১৬ নম্বৰ ) ত সোমাই দেখিলোঁ ভিতৰৰ ব্যৱস্থা বম্বেৰ তাজ বা প্ৰেছিডেণ্টৰ দৰে ঃ বেৰৰ পৰা বেৰলৈ উলৰ ডাঠ কাৰ্পেট, টি. ভি, টেলিফোন, ৱাৰ্ডৰব, সৰ্বাধুনিক গা-ধোৱা ঘৰ, চোফাছেট—ইত্যাদি। ভাড়া দিনে ৩১ ডলাৰ ; অৰ্থাৎ আমাৰ ধনেৰে ৪৩০ টকামান হ'ব ; তুলনামূলক ভাৱে বেছ কম।
মুখ হাত ধুই উঠাৰ পিছত সকলো গোট খাই থকা কোঠাকেইটালৈ লৈ গ'ল ঃ লগ পালোঁ ড° দিলীপ দত্ত, শ্ৰীমতী দত্ত আৰু তেখেত সকলৰ লৰা ছোৱালী হালক, বোৰহাটৰ ডা° নবীন বৰদলৈৰ পুত্ৰ আৰু পুত্ৰবধু বিনয় বৰদলৈ আৰু বানী বৰদলৈক, আলাস্কাৰ পৰা অহা ড° অৰবিন্দ তামুলীকুফন আৰু শ্ৰীমতী ফুকনক, ডেট্ৰইটৰ পৰা অহা ড° প্ৰসন্ন দত্ত আৰু শ্ৰীমতী দত্তক, শ্ৰীলীলা দত্ত আৰু শ্ৰীমতী দত্তক, শ্ৰীবৰদা শৰ্মা আৰু শ্ৰীমতী শৰ্মাক, আৰু অনেকক। কোনোবা আহিছে ছান ফ্ৰান্সিছকোৰ পৰা, কোনোবা লছ এঞ্জেলিছ ( ইয়াৰ মানুহে এঞ্জেল্‌ছ্ বোলা শুনা নাই ) ৰ পৰা কোনোবা ডেট্ৰইট, কোনোবা কেৰোলিনা, কোনোবা টেক্সাছ, কোনোবা আলাবামা, কোনোবা কলৰাডো, কোনোবা কালিফোৰ্নিয়া, কোনোবা চিকাগো, কোনোবা আইওৱা, নৰ্থ কেৰোলিনা, কোনোবা ৰোড আইলেণ্ড, কোনোবা নিউয়ৰ্ক, কোনোবা নিউজাৰ্ছি—এনেকৈ এই বিশাল দেশখনৰ উত্তৰ-দক্ষিণ, পুব-পশ্চিমৰ বিভিন্ন ঠাইৰ পৰা অসমীয়া মানুহ আহি গোট খাইছেহি—দেশখনৰ একেবাৰে উত্তৰ-পশ্চিম চুকৰ এই নগৰত।
ইমানখিনি অসমীয়া মানুহে এনেকৈ একেলগ হৈ এটা সংঘ গঢ়ি

তুলিছে, একেলগে অসমৰ কথা ভাবিছে, কিবা সহায় কৰিব পাৰি নেকি চিন্তা কৰিছে—এই কথা অনুভৱ কৰি প্ৰতিজন মানুহকে বৰ আপোন যেন লাগি গ'ল—যেন একেটা পৰিয়ালৰ নিচেই আপোন মানুহবোৰ এটা উপলক্ষ্য লৈ লগ লাগিছোঁহি। তাতে ময়ো যোগ দিছোঁহি।

ৰহমান বৰুৱাই ক'লে—আমাৰ প্ৰায় দুশ পঞ্চাছঘৰ মান মানুহ আছে।

ঃ সংখ্যা হিচাপে কিমান হ'ব ?—মই সুধিলোঁ।

গিৰিন দাসে কলে ঃ প্ৰায় এহেজাৰ মানেই হ'ব।

গিৰিন দাস ইঞ্জিনীয়াৰ আৰু ইঞ্জিনীয়াৰিঙৰ ডক্টৰেট। খড়্গপুৰ আই-আই-টিৰ পৰা কৃতিত্বৰে পাছ কৰি আমেৰিকাত ডক্টৰেট কৰিলে। তাৰপৰা সোমাল বোয়িং কোম্পানীত। লগতে আৰম্ভ কৰিলে এখন ৰেষ্টুৰাঁ ঃ ইণ্ডিয়া হাউছ। দুয়োটা সমানে চলাই আছে।

মানুহজনলৈ চালোঁ ঃ মিঠা বৰণীয়া, থুতৰিৰ ঢকা দাড়ি আৰু চুলিত মাজে মাজে ৰূপালী ৰং, মুখখনত বিয়পি আছে এক নীৰৱ নম্ৰতাৰ আঁৰত কাম কৰি যোৱাৰ সংকল্প।

গিৰিন দাস আমাৰ অসমৰ আয়ুক্ত শ্ৰীহৰেন দাস (আই. এ. এছ)-ৰ সম্পৰ্কীয়।

আমেৰিকাৰ ছিয়াটলত অসমীয়া মানুহৰ ৰেষ্টুৰাঁ!

কোনে কয় অসমীয়া মানুহ এলেহুৱা, ধোদৰ পচলা বুলি ?

বৰুৱাই ক'লে,—আপুনি গ'লে দেখিব—কি সুন্দৰ ৰেষ্টুৰাঁ।

দাসে নম্ৰভাৱে হাঁহিলে। ক'লে,—মইযে ৰান্ধিব পাৰোঁ সেই কথা অসমত থকা মোৰ পৰিয়ালৰ মানুহে ক'লেও বিশ্বাসেই নকৰে। আজৰি সময়ত মই ৰন্ধাৰ তদাৰক কৰোঁ।

তেখেতে বিয়া কৰাইছে লিজাক। আমেৰিকাৰ ছোৱালী। ৰিহা মেখেলা পিন্ধি আহিছে।

তেৰো সহায় কৰে।

দাসে কলে,—কিছুদিনৰ আগতে মালয়েছিয়াৰ ৰজা আৰু ৰাণী আহিল ভাৰতীয় খোৱা বিচাৰি। তেওঁৰ মানুহ আহি কলেহি যে এঘণ্টাৰ বাবে ওপৰৰ মহলৰ গোটেই ফ্ল'ৰ লাগে। মই কলোঁ—দুহেজাৰ ডলাৰ লাগিব। কোনো কথা নাই! আহি, খোৱাৰ খৰছৰ বাহিৰেও দুহেজাৰ ডলাৰ দি খাই গ'ল।

ঃ আৰু তেনে কোনোবা ভি. আই. পি. আহিছেনে ?

ঃ ৰবিশংকৰ আহিলেই মোৰ ইয়ালৈ আহে আৰু 'গিৰিন মাছ-ভাত খুউৰা' বুলি কয়হি।

তাৰ পৰা ক'লে—কাইলৈ গধূলি লৈ যাম মোৰ ৰেষ্টুৰাঁলৈ।

আমি ট্ৰেভেলাৰ্ছ ইনৰ দুমহলাৰ বাৰান্দাৰ ৰেলিঙত ধৰি কথা পাতি আছিলোঁ। লাহে লাহে বেলিৰ পোহৰ নিস্তেজ হৈ আহিছে। শেঁতা হালধীয়া যেন লগা পোহৰ বিয়পি পৰিছে। টি. এছ এলিয়টলৈ মনত পৰিছে—

When the evening is spread out
against the sky
Like a patient etheised on a table.

সম্মুখত বিশাল ৱাশিংটন হ্ৰদ। সিপাৰে ওখচাপৰ পাহাৰত বিয়পি আছে সুদৃশ্য ছিয়াটল নগৰ। হ্ৰদৰ নীলাপানীত ইতিমধ্যে জ্বলি উঠা বিজুলী বাতিৰ পোহৰৰ দেখ-নেদেখ চিক্মিকনি। ওপৰত মেঘে ভৰা আকাশ ঃ

অসীম সে চাহে সীমাৰ নিবিড় সংগ
সীমা চায় হতে অসীমেৰ মাঝে হাৰা। ( ৰবীন্দ্ৰনাথ )

ঘড়ীলৈ চাই দেখোঁ নিউয়ৰ্কৰ মতে চাৰে বাৰ বাজিল ৰাতি। ছিয়াটলত চাৰে-ন বাজিছে।

চাৰে-ন বজাত সন্ধ্যা লগা দেখাৰ এই অভিজ্ঞতা সদায় সোঁৱৰণিত থাকিব। অৱশ্যে নবৰেত মাজ ৰাতি সূৰ্যোদয় দেখাৰ সৌভাগ্য

হোৱা নাই। নেদেখিলেও প্ৰত্যেক ঠাইৰ নিজা এটা সৌন্দৰ্য আছে—'দুৰ্গম মৰু কান্তাৰ'—সকলোৰে। কিন্তু, গংগাৰ পাৰত থকা সকলে গংগাক কেনেকৈ ব্যৱহাৰ কৰে সেই কথা নকলেও সহজেই অনুমেয়। আমিও আমাৰ অসমৰ সৌন্দৰ্যৰ কথা বাহিৰলৈ নহালৈকে অনুভৱ নকৰোঁ। অসমৰ প্ৰতিখন ঠাইকে পৰ্যটনকাৰীৰ বাবে আকৰ্ষণীয় কৰি তুলিব পৰাকৈ প্ৰকৃতিৰ দান সিচঁৰতি হৈ পৰি আছে। তাৰবাবে কল্পনা, কৌশল আৰু ধন—এই তিনিওটা একেলগ হয় কেনেকৈ ?

ট্ৰেভেলাৰ্ছ ইনৰ বাৰান্দাৰ পৰা দিগন্তৰ ৰেখা লাহে লাহে অদৃশ্য হোৱা চাই থাকি এই প্ৰশ্নকে পাগুলি আছোঁ।

অজিত খাউণ্ডে আহি ক'লে—আহক কিবা অলপ খাই আহোঁ।

ঃ এতিয়া ? মইতো উৰাজাহাজতে ৰাতিৰ আহাৰ কৰিলোঁ। সেই সময়মতে এতিয়া ৰাতি এক বাজি গ'ল।

ঃ ছিয়াটলত এতিয়া ৰাতি দহ বাজিহে গৈছে। ভালকৈ আন্ধাৰেই হোৱা নাই।

'ডেনিছ ৰেষ্টুৰাঁ'ৰ পৰা ঘূৰি আহোঁতে কোঠালৈ নিউয়ৰ্কৰ সময় অনুসৰি ৰাতি পুৰা চাৰে-তিনি বাজিল।

মোৰ অকলশৰীয়া কোঠাটোলৈ আহি থাকোঁতে আকৌ ৰবীন্দ্ৰনাথ আৰু টলষ্টয়ৰ দৰে লগা হুইটমেনলৈ মনত পৰিল ঃ

I am he that walks with the tender and
growing night
I call to the earth and sea
half held by the night. □



॥ পঞ্চম দিন ॥

সব ঠাঁই মোৰ ঘৰ আছে, আমি সেই ঘৰ মৰি খুঁজিয়া
দেশে দেশে মোৰ দেশ আছে, আমি সেই দেশ ল'ব বুঝিয়া।
পৰবাসী আমি যে দুয়াৰে চাই
তাৰি মাঝে মোৰ আছে যেন ঠাঁই
কোথা দিয়ে সেটা প্ৰবেশিতে পায় সন্ধান ল'ব বুঝিয়া
ঘৰে ঘৰে আছে পৰমাত্মীয়, তাৰে আমি ফিৰি খুঁজিয়া।

—ৰবীন্দ্ৰনাথ

মানুহৰ শৈশৱৰপৰা বাৰ্ধক্যলৈকে এই দীঘলীয়া (?) বাটছোৱাৰ এনে এটা অৱস্থা নাই যিটোক ৰবীন্দ্ৰনাথে কেনেবাকৈ নহয় কেনেবাকৈ স্পৰ্শ কৰি যোৱা নাই। ছিয়াটললৈ আহি অসমীয়া মানুহখিনিক লগ পাই সেইবাবে ৰবীন্দ্ৰনাথলৈকে মনত পৰিল, যদিও ৰবীন্দ্ৰনাথৰ কবিতাৰ স্তৱকটোৰ অৰ্থ সম্পূৰ্ণ সুকীয়া গভীৰতাৰে পৰিপূৰ্ণ।

কালি এওঁবিলাকৰ হিচাপমতে ৰাতি ১২.৩০ বজাত আৰু নিউয়ৰ্কৰ সময়মতে চলি থকা মোৰ ঘড়ী মতে শেহৰাতি ৩.৩০ বজাত শুইছোঁ। পুৱা চকু মেলিয়েই ঘড়ীত ৯ বজা দেখি মোৰ পলমেই হোৱা বুলি ভাবি খৰধৰকৈ বাথৰুমৰ ফালে যাওঁতেহে মনত পৰিল—ছিয়াটলত পুৱা ছয়হে বাজিছে। ঘড়ীটো মিলাই ল'লোঁ।

বাহিৰত সৰু মেশিন এটা চলাৰ শব্দ হোৱা যেন লাগিল। খিড়কীৰ পৰ্দা আঁতৰাই দেখোঁ ডেকা এজনে কান্ধত ভেকুৱাম জাতীয় যন্ত্র এটা লৈ মটেলৰ আৰু শৰ্পিং চেণ্টাৰৰ চোতাল সাৰিছে। অৰ্থাৎ আমাৰ দেশত হ'লে পুৰাৰ জমাদাৰে আহি চাফাই কামত লাগিছে। মোৰ নামি যাবৰ মন গ'ল।

দুৱাৰখন খুলি গম পালোঁ—বাহিৰত জাৰ। ভীষণ জাৰ। গছ-গছনি বৰষুণত গা-ধুই তিতি-বুৰি আছে। চোতাল, আলিবাট আটাইবোৰ তিতি আছে।

কোট-পেণ্ট সুমাই নামি গ'লোঁ। উদ্দেশ্য জমাদাৰজন এবাৰ চাই লোৱা। জিনৰ ডাঠ পেণ্ট, ছুৱেটাৰ আৰু আমাৰ দেশত চলা নৰ্থ ষ্টাৰ জাতীয় জোতা পিন্ধা এই বগা চামৰাৰ জমাদাৰ বিলাকনো কেনেকুৱা চাই লোৱা ভাল।

নামি গৈ কাম কৰি থকা ডেকাক মাত লগালোঁ।

মাত লগালোঁ মানে ইয়াত 'হেল্ল' বুলিলেতো নহয়, গতিকে 'হাই' বুলিয়েই মাতিলোঁ। তেওঁ চোৱাৰ লগে লগে সু-প্ৰভাত জনালোঁ। তেবো সুপ্ৰভাত জনাই কাম কৰি থাকিয়েই সুধিলে—তুমি পাকিস্তানৰ পৰা নে?

হঠাৎনো ডেকাৰ পাকিস্তানলৈ কিয়বা মনত পৰিল! বীগানে জিয়াক মনত পেলোৱাটো অৱশ্যে স্বাভাৱিক!

মই ক'লো,—পাকিস্তানী নহয়, মই ভাৰতীয়।

সি হাঁহিলে।

বিছ-বাইছ বছৰীয়া হৃষ্টপুষ্ট ডেকা। চুলি ৰঙা, চকু নীলা, গাল-মুখ ৰঙা আৰু হাঁহোতে ওলোৱা দাঁত কেইটা হালধীয়া।

মই সুধিলোঁ—এইটো তোমাৰ আজীৱ সময়ৰ কামনে?

সি ক'লে,—ওঁ। মই ৱাশিংটন বিশ্ববিদ্যালয়ত পঢ়ি আছোঁ। বন্ধত মোৰ খৰচ উলিয়াইছোঁ।

মই ধন্যবাদ দি ডেনিছ ৰেষ্টুৰাঁত একাপ গৰম চাহ খোৱাৰ বাবে গ'লোঁ।

ইয়াৰ সকলোবোৰ ঠাই—মানুহৰ ঘৰ, ৰাজহুৱা ঘৰ, বজাৰ-সমাৰ এয়াৰ-কণ্ডিচনড্ ; আমাৰ হিন্দী পৰিভাষাৰে 'বাতানুকুল'।

আৰু সকলোতে আজিকালি 'স্মকিং জ'ন' অৰ্থাৎ চিগাৰেট্ খোৱা মানুহৰ ঠাই বেলেগ।

আমেৰিকাত চিগাৰেট অতি কম মানুহেই খায়। ডেকা-গাভৰুহঁতৰ দুই-এক আৰু নিগ্ৰোসকলৰ দুই-একে খোৱা দেখিছোঁ। তাকো বৰ কম। নিউয়ৰ্কত মই দুঠাইনে এঠাইত মাত্ৰ দেখিলোঁ। আমাৰ দৰে বাটে বাটে পান-বিড়ি-চিগাৰেটৰ দোকান বা ফেৰীৱলাতো নায়েই। চিগাৰেট আনিবলৈ হ'লে আপুনি কোনোবা এখন 'মল' লৈ যাব লাগিব।

চিগাৰেট মানুহে নিজে নিজেই এৰি দিছে। অলপতে নিউয়ৰ্কৰ এজন ভদ্ৰলোকে এটা চিগাৰেট কোম্পানীৰ বিৰুদ্ধে মোকৰ্দমা তৰিলে এই বুলি যে তেওঁৰ পত্নীয়ে যোৱা ছল্লিছ বছৰ সেই কোম্পানীৰ চিগাৰেট খোৱাৰ ফলত তেওঁৰ ফুচফুচত কৰ্কট ৰোগ হৈ তেওঁ ঢুকাল। এতেকে তাৰবাবে কোম্পানীয়ে ক্ষতিপূৰণ দিব লাগে। আদালতে গোচৰীয়াৰ হকে ৰায় দি চিগাৰেট কোম্পানীক ৪ লাখ ডলাৰ ক্ষতিপূৰণ দিবলৈ হুকুম কৰিলে।

কোম্পানীয়ে হুকুম তামিল কৰিলে।

কিন্তু এই ৰায়টো সকলো চিগাৰেট কোম্পানীৰ বাবে ভৱিষ্যতলৈকে এটা ডাঙৰ সকিয়নি হ'ল।

ফলত আমেৰিকাৰ চিগাৰেট ভাৰতৰ দৰে দেশ আৰু তৃতীয় বিশ্বৰ দেশবোৰলৈ ধুম-ধাম ৰপ্তানি হ'বলৈ ধৰিছে। কাৰণ, আমেৰিকাই ধপাতৰ খেতিৰ আয়টোতো হেৰাবলৈ দিব নোৱাৰে! ফলত, দিল্লীতো আজিকালি 'ডানহিল' হোঁপা মানুহৰ সংখ্যা বাঢ়িবলৈ

লৈছে। অৰ্থাৎ বাহিৰত বাতিল হোৱাটো আমাৰ দেশত ন-কৈ চলিবলৈ লয়। ধন্য-ধন্য ভাৰতবৰ্ষ!

আমেৰিকাৰ মানুহ ইমান স্বাস্থ্য-সচেতন যে আমাৰ মানুহে শুচি-বায়ুৰা বুলি কলেও ক'ব পাৰে। ইহঁতক নি আমাৰ তাত এৰি দিলে দুদিনতে কাহিল হ'ব।

আমাৰ ডাঙৰ নগৰৰ বস্তি যি দেখা নাই, পৃথিৱীত থকা নৰকো তেওঁ দেখা নাই। প্ৰতিকূল পৰিৱেশত প্ৰতিৰোধ ক্ষমতাও বাঢ়ে। সেইবাবেই মযলাৰ নৰ্দমাত পোক কিল্‌বিলাই থকাৰ দৰে দিল্লী-বোম্বে-কলিকতাৰ 'স্লাম এৰিয়া'ত মানুহ বাচি আছে বোধকৰোঁ।

ৰেষ্টুৰাঁৰ 'ন' স্মকিং জ'ন'ৰ পৰা কোনোবাখিনি ওলালোঁগৈ।

মই গৈ থিয় হোৱাৰ লগে লগে সোনালী চুলিৰ ছোৱালী এজনী আগবাঢ়ি আহি কোন অঞ্চলত বহিম সুধি লৈ মোক চকী-টেবুল চম্‌জাই দিলে। লগত দিলেহি খোৱাৰ তালিকা।

ইয়াত ৰেষ্টুৰাঁতো ছোৱালীৰ সংখ্যাই বেছি—খৰতকীয়া, হাঁহি-মুখীয়া, পৰিষ্কাৰ। ইহঁতক দেখিলে ৰেষ্টুৰাঁৰ কৰ্মী যেন নালাগে, ডাঙৰ হস্পিটেলৰ নাৰ্চ যেনহে লাগে।

মেনু্য চাই-চিতি 'ৱান্‌এ'গ্‌ ব্ৰেকফাষ্ট' অৰ্থাৎ এটা কণীৰে পুৱাৰ আহাৰৰ অৰ্ডাৰ দিলোঁ। ৱান এ'গ ব্ৰেকফাষ্টত প'ছ কৰি দিয়া কণী এটাৰ লগত চাৰিচুকীয়া আৰু দীঘলীয়াকৈ কাটি সিজাই ভজা আলু এথাল, বিলাহীৰ ছছ এবটল, চাৰি চকল টোষ্ট কৰা ৰুটি আৰু সৰু বাটিৰে এবাটি মাখন; আৰু যিমান কাপ খাবলৈ মন যায় সিমান কাপ কফি। দাম প্ৰায় চাৰি ডলাৰ, অৰ্থাৎ আমাৰ ধনেৰে প্ৰায় ষাঠি টকা।

ইয়াত ডলাৰৰ হিচাপত এওঁবিলাকৰ বাবে বস্তুবোৰ বৰ সস্তা। কিন্তু, আমাৰ ধনেৰে বৰ মহঙা। এক ডলাৰত ভাৰতীয় মুদ্ৰা ১৩·৮০ পইচাৰ উপৰিও তাৰ লগত শতকৰা পোন্ধৰ টকা কৰ ধৰিলে প্ৰায় ষোল (১৫·৮৭) টকা হয়গৈ। এতেকে বুমাল এখনৰ

দাম যেতিয়া তিনি ডলাৰ বুলি কয় বা ডট্‌কলম এটাৰ দাম ৫০ চেণ্ট বুলি কয়, বৰ সস্তা যেন লাগে ; কিন্তু তাক ১৮ ৰে পূৰণ কৰিলে গা বেজ্‌বেজাই যায়। সৰু মনিবেগ এটাৰ দাম আমাৰ ধনেৰে প্ৰায় দেড়শ টকা ; যিটো আমাৰ তাত ২৫ বা ৩০ টকাৰ বেছি নহয়। নিউজাৰ্ছিত প্ৰশান্তই কৈছিল যে ইয়াৰ মানুহে ভাৰতীয় বস্তু বৰ সস্তা পায়—বিশেষকৈ কপাহী কাপোৰ আৰু চামৰাৰ বস্তু। ইয়াৰ সৰু শ্বপিং চেণ্টাৰত সোমাইহে বুজিছোঁ কথাটোৰ সত্যতা। আমাৰ দিল্লীৰ জনপথৰ দোকানত আটাইতকৈ বেছি দাম লয় বুলি আমি বস্তু নিকিনো ; কিন্তু ইয়াৰপৰা যোৱা মানুহৰ বাবে সেই দামো আমোৰকাৰ দামৰ তুলনাত বৰ সস্তা। ইয়াত নাইলনজাতীয় কাপোৰতকৈ কপাহী কাপোৰৰ চাহিদা বেছি। আমাৰ তাত যিটো 'ব্ৰেকফাষ্ট্‌' আমাৰ চাৰ্কিট হাউছ বিলাকত আমি পাঁচ টকা বা ছ'টকাত খাওঁ, ইয়াত তাৰ দাম পাঁচডলাৰ মান হ'ব। শুনাতহে একে ; আমাৰ ধনেৰে ষোলগুণ বেছি।

চাৰি ডলাৰৰ 'ব্ৰেকফাষ্ট' খাই পুৱাই ভূৰি ভোজন কৰাৰ দৰে হ'ল।

মোৰ সিদাঁতিত বহি থকা বৃদ্ধ ভদ্ৰলোকে 'ছিয়াটল নিউজ' পঢ়ি আছে।

ইয়াত দেখিছোঁ সাধাৰণ মানুহ আমাব দেশৰ দৰে ৰাজনীতি-সচেতন নহয়। টেলিভিছন আৰু ৰেডিঅ'ৰ বাৰ্তাৰ চাই আৰু শুনিয়েই সন্তুষ্ট। ইয়াত এতিয়া অহা নৱেম্বৰ মাহত হ'বলগীয়া প্ৰেছিডেণ্টৰ নিৰ্বাচনৰ অভিযান চলি আছে। মাছাচুৰেটছ ৰাজ্যৰ গভৰ্ণৰ ডুকাকিজ শক্তিশালী প্ৰাৰ্থী। কিন্তু, তাকে লৈ সাধাৰণ মানুহৰ মাজত পুৰা-গধূলি আলোচনা হোৱা শুনা নাই। আমাৰ যিদৰে পুৱা চাহকাপৰ লগত 'কাগজখন নহলেই নহব' মনোভাৱ এটা সচাঁই-মিছাই আমি জীপ দি ৰাখোঁ, ইয়াত তেনে কাৰবাৰ দেখা নাই। আমাৰ যিদৰে প্ৰফুল্ল মহন্তই কি কৰিছে, ৰাজীৱ গান্ধীয়ে

কি ক'লে, ভি. পি. সিঙৰ মন্তব্য কি আদি লৈ তৰ্কাতৰ্কি আৰু গৰম আলোচনা চলে, ইয়াত তেনেকৈ ৰাজহুৱাভাৱে কি ক'লে বা নক'লে তাক লৈ কাৰো মূৰ কামোৰণি নাই।

কিন্তু, সেই বুলি কাগজৰ সংখ্যা আৰু আকাৰ কম নহয়। সাধাৰণ বাৰ্তাৰ কাকতৰ দৈনিক পৃষ্ঠা সংখ্যা কমেও আঠচল্লিছ; আৰু দেওবৰীয়া সংখ্যাৰ পৃষ্ঠা সংখ্যা কোনো কোনোখনৰ প্ৰায় চাৰিশ। ভাবিলে আচৰিত হব লাগে। আমাৰ দৈনিক কাকতৰ পৃষ্ঠা সংখ্যা চাৰিৰ পৰা ছয় আৰু দেওবৰীয়া সংখ্যাৰ পৃষ্ঠা আঠ। ইয়াৰ কাগজত ব্যৱসায়, খেল-ধেমালি, হলি-ডে, চিনেমা আদি প্ৰায় আটোটা মান শাখা থাকে দেওবৰীয়া সংখ্যাত। শ্ৰেণীবদ্ধ বিজ্ঞাপনৰ পৃষ্ঠাই অনেক। যাৰ যিটো শাখাত ৰাপ বা যিটো শাখাৰ প্ৰয়োজন সেইটো শাখাৰ বাহিৰে বাকীবোৰত বিশেষ গুৰুত্ব দিয়াৰ প্ৰয়োজনেই অনুভৱ নকৰে। সময়ো নাই। কাৰণ পুৱা ৮ বজাৰ পৰা যাৰ য'ত চাকৰি তালৈ যাব লাগিব। আৰু যিহেতু সকলো ব্যৱসায়, বাণিজ্য, উদ্যোগ ব্যক্তিগত খণ্ডৰ, গতিকে নিজৰ অৰ্হতা আৰু উপযুক্ততা দেখুৱাব নোৱাৰিলে চাকৰি 'খতম'। এতেকে, নিজৰ নিজৰ জীৱিকাৰ বৃত্তিত দক্ষতা অৰ্জনৰ বাবে আৰু পাৰদৰ্শিতা দেখুৱাবৰ বাবে মন, মস্তিষ্ক, শৰীৰ সকলো নিয়োজিত। তাৰ মাজত আন খবৰৰ বাবে বেছি ঠাই ক'ত?

চাহৰ মেজৰ পৰা উঠি আহি কাউণ্টাৰত চাৰিডলাৰ দিলোঁ।

ইয়াত সকলোতে কম্পিউটাৰ। দোকান, পোহাৰ, কাৰ্যালয়, পুথিভঁৰাল সকলোতো কম্পিউটাৰ। লৰা-ছোৱালীয়ে কম্পিউটাৰত ধেমালি কৰে।—ৰেষ্টুৰাৰ পৰা ওলাই আহিলোঁ। কাউণ্টাৰৰ ছোৱালীজনীয়ে দুটামান চেণ্ট ধন্যবাদ এটাৰে সৈতে ঘুৰাই দিলে। ওলাই ৰাস্তাৰ দাঁতিত থকা বাৰ্তাৰ কাকতৰ বাকচৰ ওচৰ চাপিলোঁ। এওঁবিলাকে সকলোৱে কাগজ নপঢ়িলে বুলি ময়ো নপঢ়িমনে? তাত লিখি থোৱা মতে মই পঁয়ত্ৰিছ চেণ্ট ভৰাই দি বাকচৰ ওপৰৰ

একাংশত ধৰি গা-ৰ ফালে টানি দিয়াৰ লগে লগে কাগজ এখন সেই অংশত লাগি আহিল। লাহেকৈ উলিয়াই আনি পুনৰ ঢাকনিখন ঠেলি দিলোঁ। আকৌ প'য়ন্ত্রিছ চে'ন্ট নভৰোৱালৈকে ঢাকনি খোল নাখায়। আলিৰ দাঁতিত প্ৰতিখন কাগজ থোৱা এটা এটা বাকচ। আমাৰ দেশত হোৱা হ'লে বাকচো ভাঙিলেহেঁতেন আৰু কাগজ আৰু ধন দুয়োটা লৈ গ'লহেঁতেন। ইমান সহজ কামটোও আমেৰিকাৰ মানুহে কৰিব নাজানে বুলি আমাৰ 'তস্কৰ দাদা' হ'তে হাঁহিলেহেঁতেন! এনেকৈনো আলিৰ দাঁতিত ধনৰ বাকচ কোনোবাই থয়নে।

পিছে, কেৱল আলিৰ দাঁতিত কাগজেইনে? টেলিফোন বিলাক? আকৌ কোনো কোনো ঠাইৰ পাৰ্কিং প্লেচ বিলাকত? তাতো যিমানখন গাড়ী থ'ব পৰাকৈ খণ্ড খণ্ড মাৰি ভাগ কৰি নম্বৰ দি থোৱা আছে, সিমানটা ফুটা থকা এটা বাকচ এদাঁতিত ওলোমাই থোৱা আছে। প্ৰতিঘণ্টাত কিমান দিব লাগিব, চাই-চিতি আপুনি গাড়ী উলিয়াই অনাৰ সময়ত ধন ভৰাই দি গুচি আহক। আপোনাক চাওঁতা কোনো নাই। আছে কেৱল আপোনাৰ বিবেকক নিয়ন্ত্ৰণ কৰা সাধাৰণ বিধি।

ইয়ালৈ আহি বাৰে বাৰে ভাব হৈছে যে আমাৰ দেশৰ মানুহৰ স্বভাৱ নষ্ট কৰিছে অভাৱে। নহ'লে আমাৰ দেশৰ মানুহ হৃদয়-বৃত্তিত আমেৰিকাতকৈ অধিক চহকী।

মোৰ কোঠালৈ আহি কাগজ মেলি লওঁ মানে উত্তৰ আমেৰিকা অসম সংঘৰ ( AANA ) প্ৰতিনিধি-সভা আৰম্ভ হ'বৰ হ'ল। ড° বৰা আৰু ৰহমান বৰুৱাই মোক পিছত আহি লৈ যাবহি বুলি জনাই সভালৈ গ'ল। মই নিজাববীয়াকৈ অকমাণ সময় পাই পৰ্দা আঁতৰাই ছিয়াটলৰ সেউজীয়া হাবি-বন আৰু সমুখৰ নীলা পানীৰ ওৱাশ্বিংটন হ্ৰদৰ ফালে চকু দিলোঁ। এই হ্ৰদৰ মাজতে আছে মাৰ্চাৰ দ্বীপ। বেল্টনৰ পৰা মাৰ্চাৰ দ্বীপলৈ আৰু মাৰ্চাৰ দ্বীপৰ

পৰা ছিয়াটললৈ বহল আৰু দীঘল দলং। এই মাৰ্চাৰ দ্বীপৰ কমিউনিটি চেণ্টাৰ হলতে আম্নাৰ সভা। মোৰ বক্তৃতাৰ ঠায়ো সেয়ে। ক'ত মোৰ জন্মভূমি হাতীয়েখোৱা গাওঁ আৰু ক'ত ছিয়াটলৰ মাৰ্চাৰ দ্বীপ! তথাপি, পৃথিৱী একেখনেই, মূৰৰ ওপৰৰ আকাশো একেখন। তদুপৰি, সেউজীয়া গছ-গছনি আৰু কান্দো কান্দো হৈ মুখ ওন্দোলাই থকা আকাশৰ লগত অসমৰ মাটি আৰু আকাশৰ সাদৃশ্যই মোৰ মনত বিদেশ-বিদেশ ভাৱ এটা দকৈ সোমোৱাত বাধা দি আছে। তাতে অহাৰে পৰা লগ হ'ল অসমীয়া মানুহ।

গা-পা ধুই গৰম কাপোৰ কানি পিন্ধি সাজু হোৱালৈ এঘাৰ বাজিবৰ হ'ল। ঘৰত বাৰে বাৰে চাহ খাই থকাৰ বদ্ অভ্যাসটো আছে। তাতে ছিয়াটলত জাৰ। জাৰ গুচাব পৰা অন্যান্য পানীয় খোৱাৰ অভ্যাস কৰিবলৈকে নহ'ল। এতেকে একাপ চাহৰ সন্ধানত ওচৰৰ সৰু ষ্টলখনলৈ নামি গ'লোঁ। সৰু মানে—সোঁহাতৰ ডেনিছ ৰেষ্টুৰাঁৰ সমান ডাঙৰ নহয়; কিন্তু একেলগে পঞ্চাছ-ষাঠিজনে বহি খাব পৰা ৰেষ্টুৰাঁ।

হাঁহিমুখীয়া বুঢ়ী এগৰাকী কাউণ্টাৰত।

মই কলোঁ যে মোৰ কোঠালৈ লৈ যাব পৰাকৈ এগিলাছ চাহ লাগে।

বুঢ়ীয়ে কাগজৰ গ্লাছত একগ্লাছ চাহ ভৰাই সাফৰ মাৰি, ফুটা কৰিব পৰা কাগজৰ ষ্ট্ৰ'জাতীয় নলী এডাল দিলে। দাম পঞ্চাছ চেণ্ট, অৰ্থাৎ আমাৰ প্ৰায় আঠ টকা। ওচৰৰ পাত্ৰত থকা চেনিৰ টুপলি দুটা ল'লোঁ; কিন্তু গাখীৰৰ টুপলি দেখা নাই। ইয়াত কাপত ঢালি ল'ব পৰাকৈ গাখীৰো সৰু সৰু কাগজৰ মোনাত ভৰাই থয়। আপুনি এফালে চিঁও কাপত ঢালি ললেই হয়। আৰু একাপ চাহত যে এটুপলি গাখীৰহে ল'ব—এনে কথা নাই; আপোনাৰ যেইটা ল'লে খাই ভাল লাগে সেইটা ল'ব পাৰে।

মই ইফালে সিফালে চাই গাখীৰ নেদেখি বুঢ়ীক সুধিলোঁ—'মিল্ক' কত ?
বুঢ়ীয়ে বুজা নাই।
মই বাৰে বাৰে কোৱাৰ পিছত বুঢ়ীয়ে ক'লে—'মে'ল্ক ? ইউ মিন্ ক্লিম্ ?'
মই 'হয়' বুলি শলগাৰ পিছত বুঢ়ীয়ে গাখীৰৰ টুপালি থকা খৰাহীটো দেখুৱাই দিলে।
বুঢ়ীক ধন্যবাদ জনালোঁ। বুঢ়ীয়েও জনালে। পিছে বুঢ়ীলৈ পিঠি দিয়েই মনতে বুঢ়ীক গালি পাৰি আহিলোঁ—গাখীৰক গাখীৰ নুবুলি ক্লিম্ বোলাৰ বাবে। আমাৰ দেশৰ ক্লিম বিচাৰি ইয়াত 'ঘি' বুলি ক'লেহে হ'ব এতিয়া !

ড° দিলীপ দত্তই আহি দুৱাৰত টুকুৰিয়াই সভালৈ যোৱাৰ সময় হোৱা বুলি জনোৱাৰ লগে লগে দত্তৰ লগত ওলাই গৈ মাৰ্চাৰ্ দ্বীপ পোৱালৈ ১২ বাজিবৰ হ'ল। মাৰ্চাৰ দ্বীপলৈ যাওঁতে-আহোঁতে ভাবেই হোৱা নাই যে দলঙৰ ওপৰেদি হ্ৰদৰ মাজৰ দ্বীপলৈ অহা-যোৱা কৰিছোঁ।
আমেৰিকাত অসমীয়া মানুহৰ চাৰিটা অনুষ্ঠান—উত্তৰ আমেৰিকা অসম সংঘ ( ANNA : আন্না ), আছাম ফাউণ্ডেচন অৱ নৰ্থ আমেৰিকা ( AFNA : আফনা ), আছাম ছোচাইটি অৱ আমেৰিকা ( ASA : আছা ) আৰু অসম সাহিত্য সভা। মাৰ্চাৰ দ্বীপত আন্না আৰু আফনা দুয়োটা অনুষ্ঠানৰ সভা। সাহিত্য সভাৰ শাখাৰ মানুহো একেখিনিয়েই। ড° বিনয় বৰদলৈ শাখাৰ সম্পাদক। কেৱল আছাৰ সদস্য সকলহে অনুপস্থিত। আন্না আৰু আছাৰ মাজৰ সম্পৰ্ক সম্ভবতঃ বৰ মিঠা নহয়। মিঠা কৰাৰ যত্নও চলি আছে অৱশ্যে। দৰাচলতে আফনা গঠিত হয়

অসম আন্দোলনৰ সময়ত—এই অনুষ্ঠানৰ যোগে অসমক যথা সম্ভৱ সহায় কৰাৰ বাবে। তদুপৰি, আস্লাৰ সদস্য সকলেও বিভিন্ন প্ৰকাৰে সহায় কৰি আহিছে। সেই সময়ত আমেৰিকা-প্ৰবাসী অসমীয়া সকলে অসম আন্দোলনৰ সপক্ষে আমেৰিকাত তোলা ধ্বনি, ভাৰতৰ সেই সময়ৰ প্ৰধানমন্ত্ৰী শ্ৰীমতী ( এতিয়া স্বৰ্গীয় ) ইন্দিৰা গান্ধী যাওঁতে দিয়া স্মাৰকপত্ৰ, ফ্লৰিদা-নিবাসী স্থপতি শ্ৰী অমিয় দাসে লিখা Assam's Agony নামৰ তথ্য-সম্বলিত ডাঙৰ গ্ৰন্থ—এই আটাইবোৰ কামৰ মাজেদি—আমেৰিকা-প্ৰবাসী অসমীয়া সকলৰ জন্মভূমিৰ প্ৰতি গভীৰ প্ৰেম প্ৰকাশিত হৈছিল! এতিয়াও তেওঁ-বিলাকৰ হৃদয় দেশপ্ৰেমৰ উত্তাপেৰে উত্তাপিত। লেখক ড° দিলীপ দত্তই ইয়াতে বহি কম্পিউটাৰত অসমীয়া লিখিব পৰাকৈ কৌশল বাহিৰ কৰিছে। কম্পিউটাৰতে তেখেতে এখন কিতাপ লিখি উলিয়াইছে। এতিয়া এই লিখি উলিৱা পৃষ্ঠাবোৰ অফছেটত দিলেই হ'ল।

আমেৰিকা-প্ৰবাসী অসমীয়া সকলৰ শতকৰা নিৰানৈ জনেই উচ্চ-শিক্ষা লবলৈ হয় পোনপটীয়াকৈ নহয় প্ৰতিযোগিতামূলক বৃত্তিৰ যোগে আহি শিক্ষা-দীক্ষা লৈ ইয়াত থিতাপি লাগিছে। কোনোবা ইঞ্জিনীয়াৰ, কোনোবা ডাক্তৰ, কোনোবা স্থপতি, কোনোবাজন কোনো ডাঙৰ প্ৰতিষ্ঠানৰ কাৰ্যবাহী বিষয়া, কোনোবাজন অধ্যাপক, কোনোবাজন চৰকাৰী প্ৰতিষ্ঠানৰ ডাঙৰ বিষয়া। মুঠতে ইয়াত থকা অসমীয়া মানুহখিনি আমেৰিকাৰ সম্ভ্ৰান্ত স্তৰৰ লোক হিচাপেই পৰিগণিত। প্ৰত্যেকেই স্বচ্ছল। সৰু-সুৰা বৃত্তিৰ সন্ধানত ইয়াত আহি তেওঁবিলাক গোটখোৱাহি নাই। সৰহখিনিৰ স্বামী-স্ত্ৰী দুয়ো সমপৰ্যায়ৰ বৃত্তিত নিযুক্ত। আৰু সৰহখিনি লোকেই 'গ্ৰীন কাৰ্ড হ'ল্ডাৰ'—আমেৰিকাৰ নাগৰিক। কাৰোবা—কাৰোবাৰ যে ঘূৰি যাবলৈ মন নাই—এনেও নহয়; কিন্তু, অসমলৈ বা ভাৰতলৈ গৈতো ইয়াত পোৱা কামৰ সুবিধা আৰু স্বচ্ছলতা

নাপাব। তদুপৰি, আমেৰিকাত জন্ম আৰু ডাঙৰ-দীঘল হোৱা ল'ৰা-ছোৱালীবোৰৰ কি হ'ব ?

ড° বৰাৰ ঘৰতে দেখিছোঁ—তেখেতসকলৰ সৰুটো ল'ৰাই অসমীয়া বুজি পায়, কিন্তু ক'ব নোৱাৰে বা ক'ব পাৰিলেও মন সংকুচিত। কাৰণ, সৰুৰ পৰা তেওঁ ডাঙৰ হৈছে স্থানীয় ল'ৰা-ছোৱালীৰ লগত। দেউতাক-মাকক পাইছে ৰাতি। এতেকে পুৰাৰ পৰা গধূলিলৈকে আমেৰিকাৰ পৰিৱেশত ডাঙৰ-দীঘল হৈ আমেৰিকাৰ মানসিকতা লাভ কৰাৰ উপৰিও উচ্চাৰণ, কথা-বতৰা, আচাৰ-ব্যৱহাৰ সকলো আমেৰিকীয় হৈ পৰিছে। অসমীয়া উচ্চাৰণ হেৰাই গৈছে ; অসমীয়া মানসিকতাও দুৰ্বোধ বস্তু হৈ পৰিছে। এতেকে বুজি পালেও ল'ৰা-ছোৱালীবিলাকে অসমীয়া কথা ক'ব নোৱাৰে বা কবলৈ শংকা কৰে। কোনোবা এটা পৰিয়ালত নহয়, সকলো অসমীয়া পৰিয়ালত এই সমস্যা। এহাতে দেউতাক-মাকৰ মাজেদি প্ৰকাশিত ভাৰতীয় তথা অসমীয়া মূল্যবোধ ; আনহাতে ল'ৰা-ছোৱালীবিলাকে গ্ৰহণ কৰা আমেৰিকীয় বা মাৰ্কিন মূল্যবোধ —এই দুইটাৰ ক'ৰবাত সমন্বয়, কৰ'বাত সংঘাত—ঘটিছে আৰু ঘটিবই।

ড° দিলীপ দত্তই ক'লে,—আমাৰ অসমীয়া বানানৰ জটিলতা গুচাই আমাৰ ইয়াৰ অসমীয়া ল'ৰা-ছোৱালীয়ে অসমীয়া ভাষা সহজে পঢ়িব, লিখিব আৰু বুজিব পৰাৰ বাবে ব্যৱস্থা লোৱাৰ কথা ভাবিছোঁ। মোৰ কম্পিউটাৰত লিখা নতুন কিতাপখনত মই সেই-বাবে তাহানি মিছনেৰিসকলে ব্যৱহাৰ কৰাৰ দৰে বানান ব্যৱহাৰ কৰিছোঁ। সংস্কৃতীয়া কৰি ভাষাটো জটিল কৰাৰ কি প্ৰয়োজন ?'

ড° কৃপা বৰাই এই সম্পৰ্কে মাৰ্কিন-অসমীয়া সমাজত হোৱা আলোচনা-বিলোচনা আৰু নিজৰ পত্ৰিকাত প্ৰকাশিত প্ৰবন্ধ-পাতিৰ কথাবোৰ জনালে।

মই ক'লোঁ যে—সমস্যাটো ইমান সহজ-সমাধানযোগ্য হৈ থকা

নাই। হেমচন্দ্র বৰুৱাই নিৰ্দিষ্ট কৰি দিয়া আখৰ-জোঁটনি সম্টালনিকৈ মান্য জোঁটনি স্বৰূপে ব্যৱহৃত হোৱাৰ পিছত মিছনেৰি-সকলৰ যুগলৈ উলটি যাব পাৰিনে নোৱাৰি সেই কথা সকলো দিশৰপৰা চাই ল'ব লাগিব। কিন্তু, লগতে এইটোও ঠিক যে আমাৰ বৰ্ণৰ জটিলতাও গুচাব লাগিব। ইতিমধ্যে মুদ্ৰণ-প্ৰযুক্তি বিজ্ঞানে অনেকখিনি সৰল কৰি পেলাইছেই। এতিয়া চ-ছ, জ-ঝ-য, ত আৰু ট-বৰ্গ, শ-ষ-স—এই বৰ্ণ সমূহৰ উচ্চাৰণ-ভিত্তিক এটা ৰাখিলে আৰু স্বৰবৰ্ণৰ ই-ঈ, উ-ঊৰ এটাকৈ ৰাখিলে কাম সিজিবনে নিসিজে চাব লাগিব।

ড° দত্তই ক'লে, "চলালেই চলিব। এনেভাৱে সৰল কৰা হ'লে আমাৰ পৰ্বত আৰু ভৈয়ামৰ জনগোষ্ঠীয় ভাষাসমূহেও অসমীয়া লিপি ব্যৱহাৰ কৰিবলৈ টান নেপালেহেতেন।'

মই ক'লোঁ যে টান পালেহেতেন নে নাই সেই কথা কোৱা টান। কাৰণ আজি-কালি এনে ধৰণৰ একাডেমিক আৰু ব্যৱহাৰিক প্ৰয়োজনীয়তাৰ বিষয়বোৰো ৰাজনৈতিক লাভালাভৰ সম্ভাৱনীয়তাই নিৰূপণ কৰিবলৈ লৈছে।

আখৰ-জোঁটনি সৰলীকৰণৰ প্ৰেৰণা আমেৰিকাৰ বতাহে স্বাভাৱিক-ভাৱেই আমেৰিকা প্ৰবাসী অসমীয়াসকলকো দান কৰিছে। কাৰণ, বৰ্তমান আমেৰিকাত ঘৰ-দুৱাৰৰ পৰা ভাষালৈকে সকলোতে সৰলীকৃত গাঁথনিৰ পয়োভৰ। ঘৰ-দুৱাৰত এশ-দেড়শ বছৰৰ স্থাপত্যৰ নিদৰ্শন বিচাৰি পোৱা দূৰতে থাকক, এযুগৰ আগৰ স্থাপত্যৰ আৰ্হি বিচাৰি পোৱাও টান। সকলো সৰলৰৈখিক। ভাষাতো তাৰ প্ৰভাৱ এতিয়া এওবিলাকে ব্যৱহাৰ কৰা কিছুমান শব্দৰ জোঁটনি এনেধৰণৰ : Nite ( Night ), Nife ( Knife ), Center ( Centre ), Color ( Colour ), Kwality ( Quality ), Program ( Programme ), Diner ( Dinner Travelar ( Traveller ), Check ( Cheque ) ইত্যাদি।

'অ'-কে'ৰ ব্যৱহাৰতো কথাই প্ৰতি ! শলাগোঁতেও 'অ'-কে', অনুৰোধ কৰাৰ শেষতো 'অ'-কে', আদেশ দিয়াৰ পিছতো 'অ'-কে'। মুঠতে এইখন কথাই প্ৰতি 'অ'-কে'ৰ দেশ ! 'অ'-কে'ৰ প্ৰসংগৰ সংগতি ৰাখি মনলৈ আহিল তাহানি স্কুলীয়া কালতে ক'ৰ পৰা জানো কেনেকৈ শিকা এফাঁকি ধেমেলীয়া শ্লোক (?) লৈ ঃ

অটে অংগে বটে বংগে মিথিলায়াং ঠিক ঠিক।

যত্ৰদেশে যদাচাৰ কামৰূপে 'হেৰি' 'হেৰি' ॥

আমাৰ অসমীয়া মানুহে কথাই প্ৰতি হেৰি হেৰি কৰাৰ দৰে এওঁ-বিলাকেও 'অ'-কে'—'অ'-কে' কৰে !

এওঁবিলাকে আখৰ-জোঁটনিকে সৰলীকৰণলৈ ঠেলি দিয়া নাই ; প্ৰকাশভংগীকো ঠেলি দিছে। 'তুমি কেনে আছা' বুলি সোধোঁতে এতিয়া ক্ৰিয়াপদৰ ব্যৱহাৰ ইয়াত উঠি গৈ 'হাও ইউ' হ'লগৈ। কেতিয়াবা শব্দৰ ব্যৱহাৰ উঠি বোবা মানুহৰ দৰে আকাৰ-ইংগিতৰ ভাষাত এওঁবিলাকৰ ভাষা গৈ পৰিণত নহ'লেই ৰক্ষা ! উল্লেখ কৰি-বলৈ পাহৰিছোঁ—এওঁবিলাকৰ ৰাজ্যবিলাকৰ চাৰিসীমাও স্কেল এডাল লৈ আঁক পাৰি ভাগ ভাগ কৈ আঁকি থোৱাৰ দৰে।

ড° দিলীপ দত্তৰ লগত গৈ মাৰ্চাৰ দ্বীপৰ কমিউনিটি চেণ্টাৰ হল সোমাই পুনৰ অসমৰ কোনোবা ঠাইৰ সভাত সোমোৱা যেন লাগিল। মুগা আৰু পাটৰ বন-কৰা ৰিহা-মেখেলা পিন্ধা মহিলাসকলক দেখাৰ পিছত সুদূৰ আমেৰিকাৰ ছিয়াটলত থকা বুলি ভাব নোহোৱা স্বাভাৱিক। পুৰুষসকলৰো তিনিজন মানে পাঞ্জাবী-চোলা পিন্ধি আহিছে। অসমীয়া দুগৰাকীমান বোৱাৰীয়ে মাৰ্কিন স্বামী সকলক ডিঙিত গামোছা পিন্ধাই লৈ আহিছে। তেনে এজন মাৰ্কিন-জোঁৱাই মিঃ ষ্টিফক ক'লোঁ—গামোছাখনেৰে তোমাক বৰ ভাল লাগিছে দেখিবলৈ।

তেওঁ ধন্যবাদ জনাই হাঁহি মাৰি ক'লে—'প্ৰশংসাটো মোৰ পত্নীৰহে প্ৰাপ্য। তেওঁহে পিন্ধাই দিছে।'

মহিলাসকল যে কেৱল কাপোৰ-কানি পিন্ধিয়েই অসমীয়া হৈ আহিছে এনে নহয়, অসমীয়া খাদ্যও তেওঁবিলাকে কৰি আনিছে। ড° অৰবিন্দ ফুকনৰ পত্নীয়ে আলাস্কাত পিঠাগুৰি খুন্দি পিঠা ভাজি বাস্কেটত ভৰাই প্লেনত লৈ আহিছে ছিয়াটললৈ। কোনোবা গৰাকীয়ে নাৰিকলৰ লাড়ু কৰি আনিছে। কোনোবা গৰাকীয়ে ভাজি আনিছে ঘিলা পিঠা, কোনোবা গৰাকীয়ে তিলৰ লাড়ু।

ঘৰৰ পৰা যিমানে দূৰত থকা হয় সিমানে বেছিকৈ ঘৰলৈ মনত পৰাৰ দৰে এওঁবিলাকৰো অসমৰ প্ৰতি আন্তৰিক হাবিয়াস বেছি। নহ'লে সভাৰ শেহত মূৰত গামোছা মাৰি বিহুনাম গাবলৈ আৰু মহিলাসকলক নাচিবলৈ আন একোৱে প্ৰেৰণা যোগাব নোৱাৰিলেহেতেন। এই অভিযন্তা, সহপতি, ডাক্তৰ, অধ্যাপক, কাৰ্যবাহী বিষয়া-বিষয়ানী সকলক অসমত বিহু নচুৱাব পৰা হ'লহেতেন নে? অসমত এওঁবিলাক হয়তো নগৰৰ বিহু-সন্মিলনৰ পৃষ্ঠপোষক হৈ আগশাৰীত চোফা শুৱাই বহি থাকিলহেতেন। ইয়াতো এওঁবিলাকে বিহুৰ আয়োজন কৰে: কিন্তু এই আয়োজনৰ কৰ্তা, কৰ্ম, ক্ৰিয়া সকলো তেওঁবিলাক নিজেই। ভিডিঅ' কেছেটত দেখিছোঁ—ধুতি-পাঞ্জাৱী-গামোছাৰে সাজি-কাছি হুঁচৰি গাইছে, ঢোল বজাইছে, পেঁপাও বজাইছে, নাচিছে আৰু শেহত শৰাইত তামোল-পান লৈ সেৱা কৰোঁতাক আশীৰ্বাদো দিছে। অসমলৈ যাওঁতে ঢোল, পেঁপা, তাল এইবোৰ বাদ্য কোনো-কোনোৱে কাঢ়িয়াই লৈ আহিছে।

প্ৰশান্তই এদিন কৈছিল যে আজিকালি আমেৰিকা-প্ৰবাসী অসমীয়াসকলে মাজে সময়ে নাম-প্ৰসংগও পাতে।

: নাম গাব পৰা মানুহ আছেনে?

: অ°। অসমৰ পৰা নামৰ টেপ লৈ আহি ইয়াত বজাই শিকি লৈছে। যোৰহাটৰ ব্ৰজেন বৰদলৈ আজিকালি আমেৰিকাৰ ভাল নামলগোৱা।

প্ৰশান্তই নিজেও কামটো কৰে। এবছৰমানৰ আগতে, প্ৰশান্ত আমেৰিকালৈ অহাৰ আগে আগে এৰাতি মোৰ ছাউথ এভিনিউৰ বহাত থাকোঁতে গধূলি মনত পৰিল যে সেইদিনা শাওন-ভাদৰ সংক্ৰান্তি। এতেকে আলমাৰিৰ পৰা কীৰ্তন পুথি প্ৰশান্তক উলিয়াই দিলোঁ। সেইদিনা ডিব্ৰুগড়ৰ আমাৰ পূব মিলন নগৰ নামঘৰৰ ভাল নামতী সূৰ্য ভূঞাও মোৰ আলহী হৈ আছিল। কাৰ্পেটতে বহি লৈ ধূপকাঠি জ্বলাই দুয়ো সংক্ৰান্তিৰ পাঠ সম্পূৰ্ণ কৰিলে।

আমেৰিকাত নাম গাওঁতে সৰু-সুৰা দোষ-ত্ৰুটি হ'লেও ধৰিবলগীয়া নহয়। এতেকে, এওঁবিলাকে আজিকালি কেঁচুৱা জন্মৰ শুদ্ধি সবাহো পাতিব পৰা হ'ল।

আজিৰ সভাত মহিলাসকলে যেতিয়া প্ৰাণ ঢালি গাইছিল—

"সন্ধিয়াৰ আকাশত বগলী উৰে

আইৰে ঘৰলৈ মনতে পৰে"—তেতিয়া মোৰ ভাব হৈছিল এই গীতটোৰ মাজেদি পৰৰ ঘৰলৈ উলিয়াই দিয়া জীয়ৰীৰ সোঁৱৰণিৰ কাৰুণ্যই কেৱল ফুটি উঠা নাছিল, আমেৰিকা-প্ৰবাসী অসমীয়া পুৰুষ-মহিলা সকলোৰে হৃদয়ৰ তাঁৰ-ডালত বাজি উঠা সুৰ এটায়ো যেন প্ৰকাশ লাভ কৰিছিল।

সভাত কেইবাগৰাকীও সদস্য-সদস্যাই অসমলৈ যাবৰ বাবে **Special entry permit** লবলগীয়া হোৱাৰ বাবে পোৱা অসুবিধাৰ কথা কৈছিল, তাৰ মাজতো নিজৰ ঘৰলৈ ইচ্ছামত যাব নোৱাৰাৰ দুখ ফুটি উঠিছিল।

কেন্দ্ৰীয় চৰকাৰে এই বিষয়ত পক্ষপাতমূলক মনোভাৱেৰে কাম কৰাৰ কথা আৰু আমি ভাৰতৰ সংসদৰ মজিয়াত এই নিষেধাজ্ঞা ৰহিত কৰণৰ বাবে দাবী কৰি অহাৰ কথা মই এওঁবিলাকক কৈছোঁ। মই কৈছোঁ যে হেইমেনড্ৰফৰ দৰে বিশ্ববিশ্ৰুত নৃ-বিজ্ঞানীক কেন্দ্ৰীয় চৰকাৰে মেঘালয়ৰ পাৰ্বত্য বিশ্ববিদ্যালয়ত

বক্তৃতা দিবলৈ যাবলৈ নিদিলে ঃ জৰ্জ গিলাপ্সীক অসম সাহিত্য সভাৰ বিহপুৰীয়া অধিবেশনত যোগ দিবলৈ যাবলৈ নিদিলে। মই কৈছোঁ যে বিদেশী ভ্ৰমণকাৰীক অসমলৈ যাবলৈ নিদিয়াৰ ফলত আমাৰ পৰ্যটন বিভাগৰো যথেষ্ট ক্ষতি হৈছে। এতিয়া কেৱল কাজিৰঙালৈ এসপ্তাহৰ বাবে একোটা সৰু দলক যাবলৈ অনুমতি দিছে। কিন্তু এই অনুমতি দিয়াটো দাবী এৰাব নোৱাৰি, নকৰো বুলিও কৰিবলগীয়া হোৱা অতি ক্ষুদ্ৰ অংশ এটাহে।

আচৰিত কথা! পাঞ্জাৱত সন্ত্ৰাসবাদীৰ কাৰ্যকলাপ চলি থকাৰ সময়তো তালৈ বিদেশী পৰ্যটনকাৰী যাব পাৰে ; নোৱাৰে উত্তৰ-পূৰ্বাঞ্চললৈ।

কেন্দ্ৰীয় চৰকাৰৰ এনেবোৰ ভুল নীতিয়েই উত্তৰ-পূৰ্বাঞ্চলৰ মানুহক ভাৰতৰ বাকী অংশৰপৰা মানসিকভাৱে বিচ্ছিন্ন কৰি আহিছে।

ইয়াতো প্ৰত্যেকৰে প্ৰায় একেটা অনুৰোধ ঃ আপোনালোকে সংসদত উত্থাপন কৰি বিষয়টোৰ কিবা এটা নিষ্পত্তি কৰক।

মিঃ ষ্টিফৰ পত্নীয়ে ক'লে,—মা-ৰ অসুখ বুলি গম পাই আমি যাব খুজিলেও যাব নোৱাৰোঁ জানে? এওঁ ইমান আগ্ৰহ প্ৰকাশ কৰিছে, অথচ আমি যাওঁ বুলি যাব নোৱাৰোঁ।

গীত-মাত, কথা-বতৰা, মোৰ বক্তৃতা এইবোৰৰ মাজেদি আবেলিটো কেতিয়া পাৰ হ'ল কবই নোৱাৰিলোঁ। গীত-মাত আৰু মোৰ বক্তৃতাৰ কথা পিছত ক'ম। এতিয়া ড° গিৰীশ দাসৰ 'ইণ্ডিয়া হাউছ' ৰেষ্টুৰাঁলৈ যোৱাই ভাল হ'ব। কাৰণ, আমাৰ তাত সন্ধ্যা ছয় বজাতে লাগিলেও ইয়াত চাৰে-ন বজাতহে লাগে। অথচ চাৰে-ন বজাত আবেলিৰ চাহৰ সময় নহয়, ৰাতিৰ আহাৰৰ সময়।

আমি সদলবলে গৈ চাৰে আঠ বজাত ইণ্ডিয়া হাউছৰ ছেকেণ্ড ফ্ল'ৰ দখল কৰি ললোঁগৈ।

কাশ্মীৰী কাঠৰ নক্সা কটা পাৰ্টিচন নটৰাজৰ ধাতুৰ মূৰ্তি আৰু

শিলত কটা ভাৰতীয় নৰ্তকৰ মূৰ্তি, ধাতুৰ গছা আৰু প্ৰায় তিনি-ফুট ওখ পিতলৰ অসমীয়া শৰাই ঠায়ে ঠায়ে সজোৱা মজিয়াত অত্যাধুনিক ৰেষ্টুৰাঁৰ সকলো সঁজুলি আৰু সুবিধাৰ ব্যৱস্থা কৰি থোৱা আছে। প্ৰতিখন মজিয়াত প্ৰস্তুত খাদ্য তপত কৰি ৰাখিবৰ বাবে হিটাৰৰ ওপৰত প্ৰতিবিধ খাদ্যৰ পাত্ৰ।

আজি একেবাৰে অসমীয়া খাদ্যৰ আয়োজন ঃ ভাত, ডাইল, বিলাহী আৰু মাছৰ টেঙা আঞ্জা, পদিনাৰ চাটনি, ভেণ্ডিৰ ভাজি। লগতে অৱশ্যে ৰোষ্টেড্ চিকেন অৰ্থাৎ জুইত সিজোৱা কুকুৰা।

ড° দাসৰ পৰিবাৰ লিজাই ৰিহা-মেখেলা পিন্ধি টেবুলে টেবুলে সুধি ফুৰিছে। সকলোৱে তৃপ্তিৰে খাইছে।

ক'তো হোটেল বা ৰেষ্টুৰাঁত খোৱা যেন কাৰো লগা নাই; কোনোবা আত্মীয়ৰ ঘৰত নিমন্ত্ৰণ খোৱা যেন লাগিছে। ভাবি ভাল লাগিছে ঃ

> পৰবাসী আমি যে দুয়াৰে চাই
> তাৰি মাঝে মোৰ আছে যেন ঠাঁই
> ... ... ...
> ঘৰে ঘৰে আছে পৰমাত্মীয় তাৰে আমি লব খুঁজিয়া॥ ☐

**॥ ষষ্ঠ দিন ॥**

কালি ইণ্ডিয়া হাউছৰ পৰা আহি 'ট্ৰেভেলাৰ্ছ ইন'ৰ মোৰ কোঠাত সোমাই অকলশৰীয়া হোৱাৰ পিছত কালিৰ সভাত সৰু ছোৱালী দুজনীয়ে গোৱা গীতটোৰ সুৰ যেন মনৰ মাজত বাজি উঠিল :

বিলতে হাঁহিছে ধুনীয়া পদুমী
ফুলনিত ফুলিছে ফুল…

আজি পুৱা চকুমেলি বাহিৰত অকমান ৰ'দ ৰেঙোৱা যেন দেখি ৱাশিংটন হ্ৰদৰ ফালে চাই নিজেই গুণগুণাই গীতটো গাবলৈ মন গ'ল। ৱাশিংটন হ্ৰদত পদুম নাই ; কিন্তু হ্ৰদৰ নীলা পানীত সূৰ্য্যৰ পোহৰৰ হাঁহিয়েই বিয়পি পৰিছে। পৰিষ্কাৰ হাঁহি। ইয়াত বাস্তৱতে সকলো ঠাই পৰিষ্কাৰ-পৰিচ্ছন্ন। আমাৰ শুকান ঠাইত আৱৰ্জনা আৰু সেমেকা ঠাইত হয় শেলুৱৈ, নহয় বোকা। ইয়াত বৰষুণ আছে ; কিন্তু আলি-পদূলিত বোকাৰ ছিটিকণি এটাও নাই। গছ-গছনি, ঘাঁহ-বন থকা ঠাইৰ বাহিৰে বাকী সকলো ঠাই হয় পকা, নহয় এছফাল্ট্ দিয়া। ইফালে ঘামৰ উৎপাতো নাই। এতেকে, গৰম, ধূলি আৰু বোকাৰ লগত দেখাদেখি হোৱাৰ সুবিধা নাই। নীলা পানী, গা-ধুই উঠা যেন লগা গছ-গছনি, পৰিষ্কাৰ বতৰ, পৰিচ্ছন্ন পৰিৱেশত পুৱাই মনত পৰিছে পাৰ্বতি প্ৰসাদলৈ—তেওঁৰ সেই গীতটোলৈ :

অসুন্দৰৰ মলিন ছায়া দূৰলৈ নিয়া অ' ধুনীয়া
চিৰ সুন্দৰৰ ৰূপটি চাই
ভাগক ঘুমটি জাল

অৱশ্যে, বৰফ পৰাৰ পিছত ইয়াৰ আলি-পদূলিবো ক্ষতি নোহোৱাকৈ নাথাকে। কিন্তু, সেই ক্ষতি লগে লগে পূৰোৱাৰ আৱশ্যকীয় ব্যৱস্থা এওঁবিলাকে লগে লগে কৰে। গতিকে, আমাৰ তাৰ আলিবাটত হোৱা সৰু গাঁত এটা খৰ বঢ়াদি বাঢ়ি যোৱাৰ দৰে, ইয়াত বঢ়াৰ সুবিধা নাপায়। পাৰ্থক্য ইয়াতেই।

কালিৰ সভাত মোৰ বক্তৃতা-প্ৰসংগত কিছু কথা কৈছোঁ।

মোৰ বক্তৃতাৰ বিষয় আছিল—Contribution of the American Baptist Missionaries towards the development of Modern Assamese Language and Literature.

মই বক্তৃতা দিবলৈ উঠাৰ পিছতে পুৰুষ-মহিলা সকলোৱে ক'লে —"আমি অসমীয়াত শুনিব খোঁজো।"

লগতে ক'লে "মূল বিষয়ৰ উপৰিও বৰ্তমান অসমৰ বিষয়েও কওক।"

মই ইংৰাজীতে সুধিলোঁ—অসমীয়া নুবুজা সকলৰ বাবে অসুবিধা নহব জানো?

দুগৰাকীমান মহিলাই হাঁহি হাঁহি ক'লে—"দে আৰ ইন মাইন'ৰিটি।"

মই কলোঁ—তেনেহ'লে মোৰ এই লিখিত বক্তৃতাটো মই সম্পাদকৰ হাতত প্ৰদান কৰিলোঁ।

সকলোৱে হাত-চাপৰি বজালে।

মই ঘৰৰ পৰা কেইখনমান গামোছা লৈ আহিছিলোঁ। এখন সভালৈও লৈ গৈছিলোঁ হাত মোনাটোতে। বক্তৃতা দিবলৈ উঠিয়েই গামোছাখন মোৰ প্ৰীতি আৰু শুভেচ্ছাৰ চিন স্বৰূপে আন্নাৰ সভাপতি শ্ৰীহবিবুৰ ৰহমান বৰুৱাৰ ডিঙিত পিন্ধাই দিলোঁ।

আকৌ হাতচাপৰি।

হবিবুৰ ৰহমান বৰুৱাই আন্নাৰ ফালৰ পৰা মোক এখন গামোছা

দিলে। মই কলোঁ অসমৰ পৰা আহি আমেৰিকা-প্ৰবাসী অসমীয়া সকলৰ পৰা গামোছা লৈ যোৱা বুলি গম পালে অসমৰ মানুহে মোক শুদাই নেৰে। –এতেকে এইখনো ৰহমান বৰুৱাৰ জিম্মাতে থকা ভাল হ'ব।

আকৌ এবাৰ হাঁহি আৰু হাত চাপৰি।

ৰহমান বৰুৱাৰ ঘৰ নগাঁৱত। কথাই কথাই ওলাল যে তেখেতৰ ককাদেউতাকৰ ঘৰ গোলাঘাটৰ ঢেকীয়ালত আছিল। এতিয়াও বংশ-পৰিয়াল আছে।

ঢেকীয়ালত ?

মই কলোঁ যে তেনেহলে দেখোন আমি একে চুবুৰীয়া। ঢেকীয়ালৰ মছজিদটোৰ সম্মুখৰ সৰু বাহঁনিখন এৰিয়েই যিখন আমাৰ গোলাঘাট কলেজৰ অৰ্থনীতিৰ অধ্যাপক, মোৰ দদাইদেউ, শ্ৰীকমলেশ্বৰ শইকীয়াহঁতৰ বাৰী, সেইখনেই এসময়ত আমাৰ পৰিয়ালৰো বাৰী আছিল। তেখেতৰ ককাক সেইখন বাৰীত থাকিল আৰু আমাৰ ককাৰ দেউতাক তাৰপৰা চাৰিমাইল পূবৰ হাতীয়েখোৱালৈ উঠি গ'ল।

ঢেকীয়ালত বুঢ়াৰজা প্ৰতাপ সিংহৰ দিনত আদৰ্শ গাওঁ পাতি প্ৰত্যেক খেলৰ মানুহ তাত থাপিছিল। তাৰ যিটো 'শয়ক'ৰ নামঘৰ, সেই নামঘৰত মুছলমান সকলৰো ভাগ আছিল। সৌ সিদিনালৈকে তেওঁবিলাকে নামঘৰৰ ভাৱনা-সবাহৰ বাবে ফৰ-পচা দিছিল আৰু প্ৰসাদৰ ভাগ পাইছিল। স্বাধীনতা লাভৰ পিছৰ পৰা যেতিয়া শিক্ষিতৰ সংখ্যা বাঢ়ি গ'ল তেতিয়াৰ পৰা আগৰ সেই সামাজিক বন্ধনো নাইকিয়া হ'ল। হায় আধুনিক শিক্ষা!

ৰহমান বৰুৱাক সুধিলোঁ—ঢেকীয়ালৰ বদিৰত দৰ্জীক চিনি পায়নে ?

তেওঁ নাপায় বুলি ক'লে। কাৰণ, বৰুৱাৰ জন্মও নগাঁৱত, ডাঙৰ-দীঘলো হৈছে নগাঁৱত। ইঞ্জিনীয়াৰিং পাছ কৰি তাৰ পিছত

আমেৰিকালৈ আহিল। ইয়াত এটা বিজুলী-শক্তি উৎপাদন-কোম্পানীৰ তেওঁ অধীক্ষক অভিযন্তা। এতেকে ঢেকীয়ালৰ লগত সম্পৰ্ক তেওঁৰ একেবাৰে নাই।

মই কলোঁ যে—আমাৰ সেই অঞ্চলত এতিয়াও ৰাতিখোৱা সকাম কোনো কোনো ঠাইত পাতে। এনে সকামত বহা ভকতসকলৰ ভিতৰত মুছলমান ভকতো আছে। হিন্দু আৰু মুছলমান ভকত একেলগে বহি নাম গাই সকাম-নিকাম পতাৰ নিদৰ্শন অসমৰ বাহিৰে পৃথিৱীৰ ক'তো নাই। বদিৰত দৰ্জীও তেনে ভকত আছিল বোলে।

সভাত ৰহমান বৰুৱাক গামোছা পিন্ধাই দিয়াৰ পিছতে মোৰ বক্তৃতা আৰম্ভ কৰিলোঁ। মই ক'লোঁ—ব্ৰাওন-ব্ৰন্সন-কট্টাৰ আৰু পিছৰ মিছনেৰিসকলৰ যত্নত কেনেকৈ অসমীয়া ভাষাই নতুন প্ৰাণ পাই জী উঠিল, কেনেকৈ তেওঁবিলাকে ভাষাৰ ভিত্তিত জাতীয়-চেতনাৰ জন্ম দিলে, কেনেকৈ আমাৰ ভাষাক নতুন ৰূপ দিলে, কেনেকৈ নতুন সাহিত্যসৃষ্টিৰ বাবে বাট কাটিলে ঃ ক'লোঁ—কেনেকৈ অসমীয়া ভাষা ৰাখিবলৈ যুঁজ দিলে, কেনেকৈ মাহেকীয়া কাকত অৰুনোদই-ৰ যোগেদি অসমীয়া মানুহক পোণ-প্ৰথম বিশ্বৰ লগত চিনাকি কৰি দিলে, কেনেকৈ এটা আধুনিক মন গঢ়ি উঠাৰ বাবে অনুকূল পৰিবেশ ৰচনা কৰিলে, কেনেকৈ ব্যাকৰণ-অভিধান ৰচনা কৰি ভাষাৰ ভেটি বান্ধি দিলে ; ক'লোঁ—কেনেকৈ তেওঁবিলাক কি উদ্দেশ্যে অসমলৈ গৈছিল, ক'ত ক'ত তেওঁবিলাকৰ সত্ৰ পাতিছিল, ক'ত ক'ত স্কুল পাতিছিল, ক'ত অনাথ আশ্ৰম পাতিছিল, কেনেকুৱা সেৱাৰ মনোভাৱেৰে কাম কৰিছিল আৰু কেনেধৰণৰ বিপদৰ সন্মুখীন হৈছিল। অসমীয়া মানুহে ব্ৰাওন-ব্ৰন্সন-কট্টাৰৰ আমেৰিকাৰ লগত যে প্ৰাণৰ এটা সম্পৰ্ক অনুভৱ কৰে, যিটো সম্পৰ্ক ৰাজনৈতিক—আমেৰিকাৰ লগত একবিন্দুও অনুভৱ নকৰে, সেই কথাও কলোঁ। আম্রা, আফনা, সাহিত্য সভাৰ শাখা

আৰু আছাই যদি ব্ৰাওন-ব্ৰন্সনৰ ভাব-শক্তিৰ খেও ধৰি অসমীয়া মানুহক বৰ্তমানৰ উপযোগী চিন্তা-চৰ্চা আৰু ধ্যান-ধাৰণাৰে সহায় কৰিব পাৰে, তেতিয়াহে যে প্ৰকৃত সহায় কৰা হ'ব—সেই বিষয়েও ক'লোঁ।

মোৰ মূল বক্তৃতাটো দিয়াৰ পিছত সমজুৱাসকলৰ ইচ্ছানুসৰিয়েই বৰ্তমান অসমৰ অৱস্থা, বৰ্তমান অসম গণ-পৰিষদ চৰকাৰে লোৱা আঁচনি আৰু কাম, আমাৰ ধনৰ নাটনি, কেন্দ্ৰৰ পৰা আৱশ্যকীয় আৰু সময়মতে পাবলগীয়া সহায় নোপোৱাৰ বাবে হোৱা অসুবিধা, আমাৰ বানপানীকে ধৰি বিভিন্ন সমস্যা আদিৰ বিষয়ে উল্লেখ কৰি ক'লোঁ যে—আমেৰিকা-প্ৰবাসী অসমীয়াসকলে ইয়াৰ পৰা ডলাৰ পঠাই আমাৰ দৰিদ্ৰতা দূৰ কৰিব নোৱাৰে ; কিন্তু তেওঁবিলাকে আন ধৰণেৰে সহায় কৰিব পাৰে। যেনে—বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ আমাৰ কামত লগাব পৰা বিষয়ৰ অধ্যয়ন কৰিবলৈ আমাৰ ছাত্ৰ-ছাত্ৰীক বৃত্তি প্ৰদান কৰিব পাৰে ; আমেৰিকাত আৱিষ্কৃত আৰু ব্যৱহৃত বিভিন্ন আধুনিক পদ্ধতি, সঁজুলি, যন্ত্ৰ-পাতি আদিৰ বিষয়ে পৰিচয়জ্ঞাপক প্ৰবন্ধাদি লিখি আমাৰ মানুহক জনাব পাৰে : আমেৰিকাৰ জীৱন-পদ্ধতিৰ ভালখিনিৰ বিষয়ে পৰিচয়মূলক প্ৰবন্ধ লিখিব পাৰে ; ইয়াৰ মানুহৰ নাগৰিক দায়িত্ববোধ, সততা, অধ্যৱসায়, সময়নিষ্ঠা, কৰ্তব্য-নিষ্ঠা আদিৰ বিষয়ে লিখিব পাৰে। তদুপৰি, উচ্চশিক্ষা লাভ কৰিব পৰা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ে, তেনে অনুষ্ঠানত ভৰ্তি হোৱাৰ বাট-পথৰ বিষয়ে সময়মতে অসমৰ কাকতে-পত্ৰয় লিখিলেও আমাৰ ল'ৰা-ছোৱালী উপকৃত হ'ব পাৰে।

মই ক'লোঁ—'চাওক, আমেৰিকাত এছবেছটছ স্বাস্থ্যৰ বাবে ক্ষতিকাৰক বুলি প্ৰমাণিত হৈছে আৰু সেইবাবে ইয়াৰ ব্যৱহাৰ নিষিদ্ধ কৰি দিয়া হ'ল। কিন্তু আমাৰ দেশততো এই বিষয়ে কোনো ধাৰণাই মানুহৰ নাই। কোনোবা এজনে যদি তথ্য-

পাতিসহ এটা প্ৰবন্ধ অসমৰ কাকতত লিখে, আমাৰ মানুহে এই বিষয়ে ভবা-চিন্তাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিব।...

মোৰ প্ৰায় দেড়ঘণ্টাৰ বক্তৃতা শুনাৰ পিছত, কেইবাগৰাকীয়েও উঠি প্ৰশংসা কৰিলে আৰু ইংৰাজী শব্দ ব্যৱহাৰ নকৰাকৈ বিশুদ্ধ অসমীয়াত যে ক'তো নোৰোৱাকৈ দেড়ঘণ্টা বক্তৃতা দিব পাৰি, সেই কথাতো তেওঁবিলাক আনন্দপ্ৰকাশ কৰিলে।

ড° দত্তই ক'লে,—"মই এই সোৱাদটোৰ বাবেই ইংৰাজীৰ সলনি অসমীয়াত ক'বৰ বাবে আপোনাক জনাবলৈ এওঁবিলাকক কৈছিলোঁ।"

কেইবাগৰাকীয়েও ক'লে যে—আমেৰিকাত থাকিও তেওঁবিলাকে আমেৰিকান মিছনেৰিসকলে কৰা কামৰ কথা ইমান বিস্তৃতভাৱে নাজানিছিল। ড° দত্ত, ড° কৃপা বৰা আদি কেইগৰাকীমানে এইবোৰ বিষয়ত আগ্ৰহ দেখুৱাই খা-খবৰ লৈ আহিছে।

মোৰ নিজৰো কথা কৈ বৰ ভাল লাগিল: কাৰণ—"বচসস্তৈব বক্তব্যং যত্ৰোক্তং সফলং ভবেৎ।" ইয়াত মোৰ সফল হোৱা যেন লগাৰ বাবেই বোধকৰো ভাল লাগিল।

তাতোকৈ ভাল লাগিল যেতিয়া পুৰুষ-মহিলা মিলি সমদল হৈ পাৰ্বতিপ্ৰসাদৰ "আহিন-মহীয়া শেৱালি সৰিলে নিয়ৰত তিতিলে বন" গীতটি গালে।

এতিয়া আহিন নহয়; নাইবা ড° কৃপা বৰাই বেছ পৰিশীলিত গলাৰে গোৱা "ফাগুনৰে পছোৱাই আঁচলকে উৰুৱাই ৰঙালী ঐ বিহুৰেনো বাতৰি বিলায়ে যায়" গীতটিৰ লগত সংগতি থকা ফাগুন মাহো নহয়। এতিয়া জুলাই। অৱশ্যে জাৰটো আমাৰ তাৰ শেষ-আঘোণৰ জাৰ যেনেই লাগিছে। কিন্তু এওঁবিলাকৰ মনৰ উত্তাপে জাৰ অনুভৱ কৰিবলৈ দিয়া নাই। ড° বৰাই "শুন-শুনৰে সুৰ বৈৰীপ্ৰমাণা নিশাচৰনাশ নিদানা" বৰগীতটোও গালে।

মই তেখেতক পিচত সুধিছোঁ—আপুনি চৰ্চা কৰেনে কি ?
তেখেতে ক'লে,—"নাই। ক'ত কৰোঁ ? শুনি শুনি শিকা।"
বৰদা শৰ্মা আৰু শ্ৰীমতী শৰ্মাই গোৱা ভূপেন হাজৰিকাৰ গীত কেইটাও মুলৰ ওচৰচপা। ইয়াত প্ৰত্যেকটো অসমীয়া পৰিয়ালত অসমীয়া গীতৰ একোজাপ কেছেট আছেই—বৰগীতৰ পৰা আধুনিক গীতলৈকে, বিয়ানাম…বিহুনামৰ পৰা কামৰূপ-গোৱালপৰীয়া লোকগীতলৈকে।
কালিৰ আবেলিটোৰ সোৱঁৰণি সঁচাকৈ বহুতদিনলৈ সেউজীয়া হৈ থাকিব। ল'ৰা-ছোৱালী হঁতে বেজবৰুৱাৰ "বুঢ়া-বুঢ়ী আৰু শিয়ালৰ সাধুটোৰ নাট্যৰূপ দি অভিনয় কৰাৰ কথাও মনত থাকিব। বুঢ়ীৰ ভাও দিয়া ছোৱালীজনী—অসমীয়া দেউতাক আৰু আমেৰিকান মাকৰ ছোৱালী। তাইৰ সংলাপ হ'ল ইংৰাজীত। বাকী সকলৰ অসমীয়াত। দুয়োটা ভাষা মিলাই লৈ এনেকৈ কৰা অভিনয়—অভিনৱ !
আজি পুৱাটো কালিৰ স্মৃতি-ৰোমন্হনেৰেই আৰম্ভ হ'ল।
মুখ-হাত ধুই একাপ চাহৰ সন্ধানত তললৈ নামি গ'লোঁ। চাহৰ আগতে গ'লো বাতৰি কাকতৰ ওচৰলৈ। বাতৰি কাকতৰ বাকচৰ ওচৰত মানুহ কেইবাজনো।
ময়ো গৈ শাৰী পাতিলোঁ আৰু মোৰ পাল পৰাৰ লগে লগে পঁচিচ চেণ্ট্ ভৰাই দি "ছিয়াটল নিউজ" এখন উলিয়াই আনিলোঁ।
মেলি লোৱেই দেখিলোঁ—দুটা খবৰ ঃ প্ৰথমটো হ'ল—আজি ৪ জুলাই ; আমেৰিকাৰ স্বাধীনতা দিৱস। দ্বিতীয়টো বৰ বেয়া খবৰ ঃ আমেৰিকাই ইৰানৰ যাত্ৰীবাহী বিমান এখন গুলিয়াই ২৯০ টা মানুহ মাৰিলে। ৰীগানে দুখ প্ৰকাশ কৰিছে ; অন্যান্য সকলেও কৰিছে। গাল্ফৰ পহৰাদাৰ সৈন্যাধ্যক্ষই কৈছে যে বিমানখন যুঁজাৰু বিমান বুলি ভাবিছিল আৰু বিমানখনলৈ সংকেত পঠোৱা সত্বেও উত্তৰ অহা নাছিল—ইত্যাদি। কিন্তু, এটা যুক্তিও

বিশ্বাসযোগ্য যেন নালাগিল। মুঠতে আমেৰিকাই পৃথিৱীত যুদ্ধ শেষ হোৱাটো নিবিচাৰে। পৃথিৱীৰ অস্ত্ৰ-শস্ত্ৰৰ বজাৰ চলি থাকক আৰু বেপাৰী আমেৰিকাই তাৰ বেপাৰ চলাই থাকিবলৈ পাওক—এনে যদি মনোভাৱ হয়, তেনেহলে এই মনোভাৱ মানৱ-জাতিৰ ভৱিষ্যতৰ বাবে ভয়লগা মনোভাৱ। ইয়াৰ আঁৰত লুকাই আছে যেন এখন কুৎসিত, হিংস্ৰ, ভয়ংকৰ মুখ। "অসুন্দৰৰ মলিন ছায়া" দূৰলৈ যোৱাৰ পৰিৱৰ্তে যেন ঘনীভূত হৈছে পৰিছে আমেৰিকাত। ইমান পৰিচ্ছন্নতা, ইমান চাক-চিক্যৰ আঁৰত এখন বিষাক্ত জিভা লুকাই থোৱা আছেনে—যাৰ এটা চেলেকত শ-শ মানুহে প্ৰাণ এৰিব লাগে ?

ৰাতিপুৱা কাগজখন মেলি লৈয়েই বেয়া লাগি গ'ল।

এইবাৰ যদি ডেমক্ৰেটৰ প্ৰাৰ্থী ডুকাকিজ্ ৰাষ্ট্ৰপতি হয়, তেতিয়া কিজানি আমেৰিকাৰ এনে নীতিৰ সাল-সলনি হ'ব পাৰে।

চাহ এগিলাছ সত্তৰ চেণ্ট দাম দি লৈ কোঠালৈ ঘূৰি আহিলোঁ।

কাগজখনৰ ৪ জুলাই তাৰিখটোৱে অসমৰ ১৯৬০ চনৰ ৪ জুলাইলৈ মনত পেলাই দিলে। এই দিনটোতে কটন কলেজৰ ছাত্ৰ ৰঞ্জিৎ বৰপূজাৰীয়ে পুলিচৰ গুলীত প্ৰাণ এৰিছিল। এই দিনটোতে আমেৰিকাই ২৯০ টা মানুহ মাৰিলে। এই দিনটোৱেই আমেৰিকাৰ স্বাধীনতা-দিৱসো। এই বছৰ ই এক ৰক্তাক্ত স্বাধীনতা দিৱস স্বৰূপেই চিহ্নিত হ'বৰ যোগ্য। "ছিয়াটল নিউজ" লুটিয়াই-বগৰাই চালোঁ।

থিয়েটাৰৰ বিজ্ঞাপন এটাত চকু বৈ গল : এটা থিয়েটাৰ ঘৰত গান্ধীজীৰ জীৱনক লৈ ৰচনা কৰা নাটকৰ থিয়েটাৰ চলিছে। 'পৃথিৱীৰ সকলো সময়ৰ মহৎ লোক' গান্ধীজীক লৈ আমেৰিকাত থিয়েটাৰ কৰাটো ভাৰতীয় মানুহৰ বাবে নতুন খবৰ। বিজ্ঞাপনত গান্ধীজীৰ ছবি—সেই মোহনীয় হাঁহিটো থকা ছবি।

গান্ধীজীৰ এই সোলামুখৰ হাঁহিটোত যেন যাদু আছে। তেওঁৰ

ভিতৰৰ অকপট স্নেহ তাৰ মাজেদি যেন ওলাই আছে। সৌন্দৰ্যটো যে বাহিৰত নাথাকে ; থাকে ভিতৰত—সেই কথাকে যেন এই ছবিখনে সদায় সোঁৱৰাই দিয়ে।

কাগজত আমেৰিকাত এইবাৰ খৰ মৰাৰ খবৰো আছে। দক্ষিণৰ কেলিফোর্নিয়া আদিত পানী নাইকিয়া হৈছে। অন্যান্য ঠাইতো খৰ মাৰিছে। সেইবাবে ঘাঁহনিত পানী দিয়া সাময়িকভাৱে বন্ধ কৰি দিছে। নিউয়র্কতো দেখিছোঁ কোনো কোনো ঠাইত ঘাঁহৰ বৰণ মুগা হৈছে! অৱশ্যে নিউজাৰ্ছিত সেউজীয়াকে দেখি আছোঁ, ক'তো শুষ্কতা নাই। সঁচাকৈ, নিউজাৰ্ছিৰ কিছু অংশত ইমান সুন্দৰকৈ হাবি-বননি ৰাখিছে যে চাই ভাল লাগে। তাৰ মাজত কেতিয়াবা হৰিণা পহু ওলায়। আলিবাটত ছাইন দিয়া আছে হৰিণাৰ। অৱশ্যে, আপুনি মাৰিব নোৱাৰে ; আৰু আকস্মিক দুৰ্ঘটনাত কেনেবাকৈ মৰিলেও আপুনি প্ৰথমতে সংশ্লিষ্ট বিভাগ তথা পুলিচত খবৰ দিব লাগিব। পুলিচে চাই-চিতি ৰিপোৰ্ট দিয়াৰ পিছত আপুনি ইচ্ছা কৰিলে মৰা হৰিণাটো লৈ যাব পাৰিব।

নিউজাৰ্ছিতে আছে 'জনছন এণ্ড জনছন' নামৰ বিখ্যাত পাউডাৰ কোম্পানীটো। আগফালে বহু শ বিঘা ঘাঁহনি। পল' ফিল্ড একোখনতকৈও বেছি ডাঙৰ। তাৰ মাজতে মাত্ৰ এখন ছাইনবৰ্ড। ঘাঁহনি য'ত শেষ হৈছে তাৰপৰা গছ-গছনি। সেই গছ-গছনি পাৰ হৈ তাৰ ভিতৰত কোম্পানীৰ ঘৰ-দুৱাৰ। ইমান নিমজ পৰিষ্কাৰ ঘাঁহনি যে এবাৰ গাড়ীৰপৰা নামি বাগৰি দিমগৈ যেন লাগে।

আমেৰিকাৰ খৰাং বতৰৰপৰা গৈ ঘাঁহনিৰ সেউজীয়াত সোমালোঁগৈ। এইবাৰ খৰত ইয়াতো খেতিৰ পথাৰৰ শস্য শুকাই গৈছে, পথাৰ শুকান আৰু ধূলিয়ৰি হৈ পৰিছে। আমাৰ ভাৰতবৰ্ষত যোৱা বছৰ যি অৱস্থা, এইবাৰ আমেৰিকাত তদ্ৰূপ নহ'লেও ইয়াতো অসুবিধা নোহোৱাকৈ নাথাকিব। আৰু এই অসুবিধাটো বয়-

বস্তুৰ দামৰ মাজেদিয়েই প্ৰতিফলিত হ'ব। কাৰণ, সকলো বস্তু-বস্তুৰ উৎপাদনৰ পৰ্যাপ্ততাই আমেৰিকাৰ ডলাৰৰ বজাৰ ওখকৈ ৰাখিছে ; এতিয়া থবাং বতৰৰ ফলত কোনোবা এটা অত্যাৱশ্যকীয় বস্তুৰ নাটনিয়েও ডলাৰক আঘাত কৰিব পাৰে। এতেকে, মোৰ সন্দেহ হৈছে আৰু আজি ইৰাণৰ উৰাজাহাজখন ধ্বংস কৰা ঘটনাৰ পিছত সেই সন্দেহ দৃঢ় হৈছে যে ডলাৰৰ মূল্য অক্ষুণ্ণ ৰাখিবলৈ আমেৰিকাই অস্ত্ৰ-শস্ত্ৰৰ উৎপাদন আৰু ব্যৱসায়ত অধিক জোৰ দিব পাৰে।

ড° বৰাই কোৱামতে আমেৰিকাতো আগৰ তুলনাত বয়-বস্তুৰ দাম বাঢ়িছে। আগতে যিটো পথৰ কৰ হয়তো এক ডলাৰ আছিল, পাঁচ-ছয় বছৰৰ পিছত সেই কৰ চাৰি ডলাৰ হৈছে ; অৰ্থাৎ আমাৰ তাৰ এটকাৰ বস্তুৰ মূল্য চাৰি টকা হোৱাৰ দৰেই হৈছে। অৱশ্যে এওঁবিলাকৰ উৎপাদন আৰু অৰ্জনো আনুপাতিকভাৱে বাঢ়ি যোৱাৰ ফলত এই বৃদ্ধিয়ে সমাজজীৱনত গভীৰ প্ৰভাৱ পেলাব পৰা নাই। ইমান খৰ মৰাৰ পিছতো সেইবাবে আমেৰিকাই ক'ব পাৰিছে যে অহা তিনিবছৰ পৰ্যন্ত এই খৰে প্ৰভাৱ পেলাব নোৱাৰিব। অৰ্থাৎ আমেৰিকাৰ ভঁৰালত তিনিবছৰ জোৰাকৈ খাদ্য-সামগ্ৰী মজুত আছে।

এই দেশখন প্ৰতিটো বিষয়ত স্বাৱলম্বী। তদুপৰি, নিজৰ থকা-খিনি সাঁচি ৰাখি পৰৰখিনিৰে বৰ্তমান চলোৱাত পাকৈত। উদাহৰণ—পেট্ৰল।

দক্ষিণৰ অংশত পেট্ৰল যথেষ্ট যে আছে সেই বিষয়ে নিশ্চিত হোৱাৰ পিছত এওঁবিলাকে নিজৰ দেশৰ সেই সম্পত্তিত হাত নিদিয়াকৈ আৰব-দেশসমূহৰপৰা খাৰুৱা তেল ক্ৰয় কৰি আমেৰিকাত শোধন কৰি নিজৰ প্ৰয়োজন অকণো নাটনি নোহোৱাকৈ পূৰাই আছে। নিউয়ৰ্ক বন্দৰৰ কাষত দেখিব—আমাৰ গুৱাহাটী শোধনাগাৰতকৈ কেইবাগুণো ডাঙৰ একো একোটা শোধনাগাৰ শাৰী পাতি আছে।

জাহাজেৰে খাৰুৱা তেল আনি এইবোৰ শোধনাগাৰত শোধন কৰিছে। সকলো শোধনাগাৰ ব্যক্তিগত খণ্ডৰ। এই কাৰণেই আৰব দেশসমূহত বহুত প্ৰভাৱ যাতে নপৰে তাৰবাবে আমেৰিকাৰ তৎপৰতা অধিক নেকি? ইৰাণৰ বিমানখন ধ্বংসৰ লগতো এনেকুৱা কিবা গোপন উদ্দেশ্য আৰু নীতি জড়িত নেকি—এই প্ৰশ্নবোৰ যি কোনো মানুহৰ মনত উঠিব পাৰে।

"ছিয়াটল নিউজ" লুটিয়াই-বগৰাই চাই থাকোঁতেই ড° বৰা, শ্ৰীমতী বৰুৱা, হবিবুৰ ৰহমান বৰুৱা আৰু শ্ৰীমতী দিলাৰা বৰুৱা ওলাই আহিলেই। আজি দুয়ো গৰাকী মহিলাই শ্বাৰ্ট, পেণ্ট আৰু জেকেট পিন্ধিছে। কালিযে এওঁবিলাকে মুগা আৰু পাটৰ বনকৰা মেখেলা-চাদৰ পিন্ধিছিল, আজিৰ পোছাক দেখি ধৰিবই নোৱাৰি ইয়াত মানুহ ইমান কামত ব্যস্ত হৈ থাকে যে সহজ-পৰিধেয় বিচাৰে আমাৰ দৰে শাৰীত কেইডজনমান ছেফটিপিন মাৰি 'শ্লিম' হোৱাৰ যত্ন কৰাৰ বাবে এওঁবিলাকৰ আজৰি নাই। অৱশ্যে ইয়াৰ মানুহ যে শকত হ'বলৈ ভাল পায় এনে নহয়; বৰং শকত বুলিলে বৰ বেয়া পায়। ক্ষীণাবলৈ যত্ন কৰে। কিন্তু আলু, মঙহ, চীজ, বাটাৰ এইবোৰ গো-গ্ৰাসে খাই থাকিলে খীণায় কেনেকৈ?

ড° বৰাহঁতক একমিনিট থিয় কৰাই থৈ মই সাজু হ'লোঁ আৰু ১০ বজাত ছিয়াটল চাবলৈ ওলাই গ'লোঁ।

বৰুৱাৰ গাড়ীত নাম্বাৰ প্লেটৰ ঠাইত কেৱল ইংৰাজীৰে বৰুৱা (BARUAH) লিখা আছে। ঔৎসুক্য লুকাই নাৰাখি সুধিলোঁ, —"নাম্বাৰ প্লেট নাই যে আপোনাৰ?" তেওঁ ক'লে যে ইয়াত এটা বিশেষ মাচুল দিলে নাম্বাৰ প্লেটৰ সলনি এনেকৈ নিজৰ উপাধি বা নাম বা কোনো বিশেষ নাম ব্যৱহাৰ কৰিব পাৰে। আমেৰিকাত "বৰুৱা" চিনৰ নামফলক লগাই গাড়ী ঘূৰি ফুৰিছে—কথাষাৰ ভাবি ভাল লাগি গ'ল।

স°চাকৈয়ে ছিয়াটল মনোৰম ঠাই।

সেইবাৰেই কালি সভাত আফনা ( AFNA )-ৰ সভাপতি শ্ৰীঅতুল শৰ্মাই প্ৰসংগতঃ কৈছিল—"মোৰ এইখনেই স্বৰ্গ যেন লাগিছে।" পাহাৰ আৰু হ্ৰদ, নীলা সাগৰ আৰু নীলা আকাশ, সেউজীয়া গছ-গছনি আৰু কজলা ডাৱৰ, নিকা বহল আলিবাট আৰু মাইলজোৰা দলাই অ'ভাৰবোৰ, পাহাৰৰ ওপৰৰপৰা তলৰ সমতললৈকে ছবিত আঁকি থোৱা যেন লগা ঘৰ-দুৱাৰৰ শাৰীবোৰ—এই আটাইবোৰৰ সমাহাৰত ছিয়াটল গঢ় লৈ উঠিছে। প্ৰকৃতিৰ দান আৰু মানুহৰ হাতৰ স্পৰ্শত যেন মাটিৰ বুকুৰপৰা সাগৰ চুই সাৰ পাই উঠিছে এই নগৰখন।

বৰুৱাই ক'লে—"ডাউন টাউন" লৈ যাওঁ।

নিউয়ৰ্কতো শুনিছোঁ—ডাউন টাউন শব্দ দুটা।

বৰুৱাক লক্ষ্য কৰিয়েই সুধিলোঁ—"ডাউন টাউন মানে ?"

মোৰ ভাব হৈছিল—সাগৰৰ দাঁতিৰ ফালে থকা অংশটোকে ডাউন টাউন কয় হ'বলা।

বৰুৱাই ক'লে,—"নহয়। ইয়াত নগৰৰ ভাল, অভিজাত, গুৰুত্ব-পূৰ্ণ অংশটোৱেই ডাউন টাউন।"

ঃ অৰ্থৰ ফালৰপৰা দেখোন তেনে অংশবোৰ 'আপটাউন'হে হ'ব লাগিছিল !

আটায়ে হাঁহিলে।

'পাৰ্কিং প্লেচ'ত গাড়ী ৰাখি আমি "ছিয়াটল চেণ্টাৰ"লৈ ওলালোঁ।

ইয়াতো নিউয়ৰ্কৰ দৰে স্কাই-স্ক্ৰেপাৰ গঢ় লৈ উঠিছে। নিউয়ৰ্কৰ সমান নহ'লেও নিউয়ৰ্ককে অনুকৰণ আৰু অনুসৰণ কৰিছে।

'ছিয়াটল চেণ্টাৰ' যেনিবা আমাৰ দেশৰ ডাঙৰ মেলা এখন। ল'ৰা-ছোৱালীৰ বাবে নাগৰদোলাকে ধৰি হৰেক-ৰকমৰ বস্তু। এঠাইত বেলৰ ডবাৰ আকৃতিৰ গাড়ীত তুলি ওপৰৰপৰা তললৈ তলৰপৰা ওপৰলৈ অহা-যোৱা কৰি আছে ; এঠাইত আকৌ উঠা-নমাকৈ তৈয়াৰ

কৰি লোৱা বাটেৰে গাড়ীত তুলি তীব্ৰবেগত অহা-যোৱাৰ খেল চলি আছে। এফালে দোকান-পোহাৰৰ শাৰী। মানুহ আহি শাৰী পাতি টিকট লৈছে আৰু যাৰ যিফালে মন গৈছে সেইফালে গৈ হয় চাইছে, নহয় নাগৰদোলা বা ইঞ্জিন লগোৱা যান-বাহনবোৰত উঠি উত্তেজনাৰ আনন্দ আহৰণ কৰিছে।

ভাগৰ লাগিলে জিৰাবলৈ আৰু ভোক-পিয়াহ লাগিলে খাব-পিবলৈ ৰেষ্টুৰা আছেই। ইয়াত ৰেষ্টুৰাৰ অভাৱ নাই, খোৱাবস্তুৰো অভাৱ নাই।

ইহঁতৰ এটাই অভাৱ: মানুহৰ ভিতৰৰ মানুহটোৰ অভাৱ। স্বচ্ছলতাৰ মাজত ভিতৰৰ মানুহটো হেৰাই গৈছে। তাৰে ফলত হিপ্পি ধৰ্মৰ আবিৰ্ভাব, তাৰে ফলত ড্ৰাগছৰ প্ৰভাৱ। সেইবিলাকেও আমুওৱাৰ পিছত এতিয়া 'ইস্কন'ৰ প্ৰতি আকৃষ্ট হৈ—এটা চামে মূৰ খুড়াই, টিকনি ৰাখি, গেৰুৱা চোলা-চুৰিয়া পিন্ধি, ডিঙিত ৰুদ্ৰাক্ষৰ মালা লৈ "হৰে কৃষ্ণ হৰে ৰাম" কৰি ঘূৰি ফুৰিছে—বাংলা বাউল গীতত থকা "মনেৰ মানুষ"ৰ সন্ধানত!

"ছিয়াটল চেণ্টাৰ"ৰ মাজতে আছে স্পেচ্ নীড্ল্ (Space Needle)। আমাৰ ভাষাত জধলাকৈ অনুবাদ কৰিলে—"আকাশ-মুখী বেজী" হ'ব। ই হ'ল ৬৭০ (ছশ সত্তৰ) ফুট ওখ এটা পৰ্য্যবেক্ষণ স্তম্ভ (observatory tower)। গুৰিটো এৰিখা-মান মাটিৰ হ'ব বোধকৰোঁ। তাতে পৰ্যটকৰ বাবে আকৰ্ষণীয় বয়বস্তুৰ দোকান, ৰেষ্টুৰাঁ, বহা ঠাই—সকলো আছে।

টাৱাৰৰ ওপৰটো কলহৰ পেটটোৰ দৰে; তাৰ ওপৰত এটা সৰু গম্বুজ। মাজৰ গা-অংশ ঘূৰণীয়া। গোটেই স্তম্ভটোৰ চাৰিও-ফালে ফাইবাৰ গ্লাছৰ বেৰ লগোৱা। তলৰপৰা একোখন ডাঙৰ লিফ্টত প্ৰায় কুৰিজনমান মানুহ ওপৰলৈ লৈ যায়। ছশ সত্তৰ ফুট উঠিবলৈ এক-দেড় মিনিট মান লাগে।

আমি টিকট লৈ লিফ্টত সোমাই ওপৰ পালোঁগৈ। চাৰিওফালে

পৰিষ্কাৰ প্লাষ্টিক খোৱা আছে। আপুনি ঘূৰি-পকি সমগ্ৰ ছিয়াটল চাব পাৰে। আপুনি দেখিব—কেনেকৈ হ্ৰদবোৰ থৰ হৈ আছে, কেনেকৈ বেলেগ বেলেগ আকৃতিত মাটিৰ অংশবোৰ সাগৰৰ বুকুলৈ সোমাই গৈছে। দেখিব—সাগৰৰ পানীৰ ঘূৰ্ণিলৈকে ঘৰ, জাহাজৰ জেটি, অসংখ্য জাহাজ আৰু মটৰ বোট। বনফুলৰ কবি দূৰবালৈ মনত পৰিছে। সেইযে এফাঁকি কবিতাত কৈছিল—

অনন্তৰ সাগৰ পাৰত
আছোঁ অকলই থিয় হই
সোণোৱালী বালিৰ এমুঠি
হাতৰ মুঠিত আছোঁ লৈ।

বহমান বৰুৱাই যেতিয়া ক'লে "যাওঁ হ'ত", তেতিয়াহে মোৰ হাতৰ সোণালী বালি মুঠি হাততে হেৰাল হ'বলা।
আকৌ লিফ্‌টেৰে তললৈ নামি আহিলোঁ।
এইবাৰ টিকট লৈ উঠিলোঁ 'মনোৰেল'ত। স্বচ্ছ ফাইবাৰ প্লাষ্টিকেৰে আবৰা ৰেল। বাহিৰৰপৰা আপুনি ভিতৰৰ সকলো দেখা পাব। আমেৰিকাত নতুন প্ৰায়বোৰ ঘৰতে বেৰ হিচাপে ব্যৱহৃত হৈছে ফাইবাৰ প্লাষ্টিক। সৰহীয়াখিনি ধোঁৱা বৰণীয়া। 'আন-ব্ৰেকেবল্'।
ৰেলৰ দুৱাৰ আপোনা আপুনি খোল খালে। অসমীয়া ভাষাত থকা 'ৰেলগাড়ী'ৰ পদ্যত বৰ্ণনা কৰাৰ দৰে—এইবোৰ ৰেলে 'নাগমাটি চেঁচাপানী'ৰে বাটাহাৰ [বাটৰ আহাৰ] নকৰে, দেখিশুনি ভয়লগাকৈ গুমগুমনিও নোতোলে, হাতত নিচান লৈ পহৰীয়াও সাজু নহয়। বিজুলী শক্তিয়েই ইহঁতৰ আহাৰ, দ্ৰুত কিন্তু নিঃশব্দ গমনেই লক্ষণ, বিজুলী শক্তিৰ ৰঙা আৰু সেউজীয়া পোহৰৰ স্বয়ংক্ৰিয় নিৰ্দেশেই পহৰীয়াৰ নিচান। মনোৰেলৰ আলিটোও আমাৰ দুবৰিবন গজা ৰেলৰ আলি নহয়; ইয়াক তলৰ ঘৰ-দুৱাৰ, যান-বাহনক আমনি নিদিয়াকৈ তিনি মহলমানৰ ওপৰে ওপৰে যোৱা

কংক্ৰিটৰ ফ্লাইঅভাৰৰ ওপৰত বহুওৱা হৈছে। এতেকে এই ৰেলযাত্ৰা প্ৰায় ত্ৰিছ-চল্লিছ ফুটৰ ওপৰে যোৱা আকাশী-পথৰ যাত্ৰাৰ দৰেই।

আমি পাঁচ মিনিট মান গ'লোঁ ; অৰ্থাৎ প্ৰায় পাঁচমাইল। ৰেল ৰ'ল। দুৱাৰ স্বয়ংক্ৰিয়ভাৱে খোল খালে। আমি তললৈ চিঁৰিয়েদি নামি আহিলোঁ।

ওখ ওখ প্ৰাসাদেৰে সৈতে এয়ে ডাউন টাউন!

নিউয়ৰ্কৰ সমান ভীৰ নাই। ইয়াত প্ৰায় তিনি মিলিয়ন মানুহ। নিউয়ৰ্কত ইয়াৰ পাঁচগুণ বেছি অৰ্থাৎ প্ৰায় দেড় কোটি।

খোজকাঢ়ি সাগৰৰ পাৰৰ ফালে গ'লোঁ।

আজি স্বাধীনতা দিৱসৰ বাবে প্ৰায়বোৰ দোকান পোহাৰ বন্ধ।

এই ঠাই টুকুৰা মাছৰ ঠাই। নাৱৰপৰা সাগৰীয় মাছ আনি নমায় আৰু বিক্ৰী কৰে। পকাৰ দীঘল ছালি। কিন্তু আমাৰ তাৰ মাছ বজাৰৰ দৰে ক'তো দুৰ্গন্ধ নাই। আমি সাগৰৰ কাষৰ ফ্লাই অ'ভাৰলৈ গলোঁ। তলৰ পাৰৰ আলিত দ্ৰুতবেগত যোৱা যান-বাহনৰ শাৰী, পানী যুৱলিত জাহাজ আৰু নাৱৰ শাৰী, মাজে মাজে সাগৰৰ বুকুলৈ সোমাই অহা স্থলভাগত থকা ঘৰৰ শাৰী আৰু এফালে অনন্ত সাগৰ। ৰবি ঠাকুৰে কোৱাৰ দৰে—"শতপক্ষ ঝাপটিয়া বেড়াইছে দাপটিয়া দুৰ্দম পবন''ৰ পৰিৱৰ্তে নম্ৰ বতাহত কঁপি আছে সাগৰৰ বুকু।

আলিবাটত মানুহৰ ভীৰ আজি নাই।

ঘূৰি আহিলোঁ। আলি পাৰ হওঁতে 'দ'ট ৱাক' আৰু 'ৱাক'ৰ ৰঙা আখৰ চাই চাই খোজ ল'লোঁ।

বন্ধ দুৱাৰৰ আগফালে টুলত বহি থকা শকত-আৱত ক'লা মানুহ এটাই হাত আগবঢ়াই দিলে। ভিখাৰী। তাৰ বোধহয় বিয়েৰ খোৱাৰ যোগাৰ আজি হোৱাই নাই।

আমিও তাক যোগাৰ কৰাত সহায় নকৰি পাৰ হৈ আহিলোঁ। ঘূৰি চাই দেখোঁ সি কটমট্‌কৈ চাই আছে। পাৰিলে চোচাই ল'লে-হেঁতেন কিজানি!

ঘূৰি আহি 'মনোৰেল'ৰ ষ্টেচন পালোঁহি। আমাৰ হাতত ৰিটাৰ্ণ টিকেট আছিলেই। ৰেলগাড়ী আহি যোৱাৰ লগে লগে উঠিলোঁ। পূনৰ পাঁচ মিনিটত ছিয়াটল চেণ্টাৰ। ৰহমান বৰুৱাই প্ৰস্তাৱ কৰিলে,—"ৱাশিংটন ৰাজ্যৰ ৰাজধানী অলিম্পিয়ালৈ যাওঁ। ইয়াৰ-পৰা এঘণ্টাৰ বাট।"

ড° বৰাই ক'লে,—"ড° শইকীয়াই অলিম্পিয়াৰ এছেম্বলি বিল্ডিংটো চাই ভাল পাব।" ভালেইতো পাম। মোৰ এতিয়া কেৱল "চৰৈবেতি চৰৈবেতি"। হুইটমেনে ক'বৰ দৰে—

Myself moving forward

Then and now and forever.

এতিয়া আমাৰ দুৱৰা কবিয়ে ক'বৰ দৰে—

"বক উটি যেনি তেনি সোঁতৰ লগত
মেলি দিয়াঁ নাও নাৱৰীয়া।"

এতেকে ড° বৰাই ভাড়া কৰি অনা হাৰ্ট্‌জ্ কোম্পানীৰ জাপানী গাড়ীকে নাও কৰি আমিও ছিয়াটল এৰি বোয়িং কোম্পানীৰ বিশাল এলেকাৰ মুকলি চোতালত বিভিন্ন স্তৰৰ নিৰ্মীয়মান অৱস্থাত থকা বেলেগ বেলেগ আকাৰৰ উৰাজাহাজ চাই চাই আগবাঢ়িলোঁ। কিছুমানৰ পাখী লগোৱাই নাই, কিছুমানৰ কেৱল আকৃতিটো ওলাইছে, কিছুমানত ৰং-বৰণ সনাই নাই, কিছুমান সাজু কৰি থৈছে। আৰু কিছুদিনৰ পিছত এইবোৰ আকাশত উৰি ফুৰিব পৰা হ'ব। গুহাত থকা মানুহটো কেনেকৈ যে আকাশত উৰিব পৰা হ'লহি—ভাবিলে আচৰিত হ'ব লাগে। আৰ্ণল্ড টয়নবিয়ে কোৱা কথাই সঁচা—বিজ্ঞান আৰু

প্ৰযুক্তি বিদ্যাই গঢ় দিয়া সভ্যতাৰ গ্ৰাসৰপৰা কোনো সাৰি যাব নোৱাৰে।

আমি অলিম্পিয়া অভিমুখে গৈ আছোঁ।

জীৱনৰ দলঙেদি গৈ আছোঁ
যাত্ৰাৰ শেষ নাই। □

॥ সপ্তম দিন ॥

*The woods are lovely dark and deep,*
*But I have promises to keep,*
*And miles to go before I sleep*
*And miles to go before I sleep*

*– Frost*

জৱাহৰলাল নেহৰুৰ টেবুলত ফ্ৰষ্টৰ এই কবিতাফাঁকি লিখি থোৱা আছিল—প্ৰতিদিনে কৰ্তব্যৰ দীঘলীয়া পথৰ কথা মনত পেলাই দিবলৈ। কবিতাফাঁকি আজি পুৱাতে দুৰ্বিনবটীয়া এলেকৰ-পেলেক মিতিৰৰ দৰে আহি মোৰ ওচৰত ওলালহি পুৱাৰ টোপনিৰ জড়তা ভাঙি দিনটোৰ বাবে মোক সাজু কৰিবলৈ। কাৰণ, কালি ৱাশিংটন ৰাজ্যৰ ৰাজধানী অলিম্পিয়াৰপৰা ঘূৰি আহি 'মটেল' পাই জিৰণি লোৱাৰ পিছত ভাগৰে হেঁচা মাৰি ধৰি আছিল। আজি পুৱা সাৰ পোৱাৰ পিছতো এলাহ নিহালিখন কাটি কৰি থৈ একেচাবে উঠিবই পৰা নাছিলোঁ। ৰবাৰ্ট ফ্ৰষ্টে আহি মনত পেলাই দিলে যে—And miles to go before I sleep. অৱশ্যে ফ্ৰষ্টে শেষ-শয়নৰ কথাই কৈছিল।

খিড়কীৰ পৰ্দা আঁতৰাই চাওঁ কান্দি থকা চকু-মুখত হাঁহি বিৰিঙাদি বাহিৰত পুৱাৰ বেলিৰ হাঁহি। আমাৰ চন্দ্ৰকুমাৰে লিখাৰ দৰে—"আজি পুৱা বেলি/হাঁহি চকু মেলি/পঠালে বাতৰি

কৰিবা!" নতুন বাতৰি অৱশ্যে নাই। কালিৰ সিদ্ধান্তমতেই আজি মাউণ্ট ৰেইনিয়েৰলৈ যোৱাৰ কথা।

কালি অলিম্পিয়াৰ কথা কোৱাই নাই।

আমি কালি বাটতে এখন ৰেষ্টুৰাঁত সোমাই চিকেন্ চেণ্ডুইছ আৰু কোকা খাই দুপৰীয়াৰ আহাৰ সম্পন্ন কৰি দুয়োপাৰে সেউজীয়া গছ-গছনিৰ মাজেদি অলিম্পিয়ালৈ গ'লোঁ। মই ভাবি আছিলোঁ—ৰাজধানীৰ ওচৰ পোৱাৰ লগে লগে—আলিত গাড়ীৰ ভীৰ আৰু দাঁতিত প্ৰাসাদৰ হাবি দেখিবলৈ পাম। অৱশ্যে আমাৰ তাৰ দৰে শ্লোগান লিখা বেৰ দেখা নাযাব বুলি অনুমান কৰিছিলোঁ। কিন্তু আমি মানুহ, গাড়ী আৰু প্ৰাসাদৰ ভীৰৰ পৰিবৰ্তে দেৱদাৰু, ৱেষ্টাৰ্ন ফাৰ, ডগলাছ্ আদি গছৰ অৰণ্যৰ মাজত সোমোৱা যেনহে লাগিল। গছ-গছনিৰ ডালপাতৰ সুৰুঙাইদি দেখিলোঁ অদূৰত এছেম্বলি হলৰ সৌধ—আমাৰ দিল্লীৰ ছাউথ ব্লক আৰু নৰ্থ ব্লকত থকা সৌধৰ দৰে। কৰ্ণাটকৰ বিধান সভা ভৱনৰ সৌধটোও প্ৰায় একে।

ড° বৰাই ক'লে—ইয়াৰ কেপিটেলবিলাক আমাৰ তাৰ দৰে মানুহৰ হেম-গেমৰ মাজত নাই। জনসমাগমৰপৰা আঁতৰত কেপিটেল বিল্ডিং থাকে। ওচৰতে মানুহৰ বসবাসৰ ঠাই নাৰাখে।

ঠিকেই। ওচৰত দোকান-পোহাৰ বা মানুহৰ থকা ঘৰ-দুৱাৰ নাই।

গাড়ী ৰাখি আমি যেতিয়া নামিলোঁ তেতিয়া প্ৰায় আঢ়ৈ বাজি গৈছে।

থুৰি মেলা কলপাতৰ দৰে উজ্বল সেউজীয়া ৰঙৰ ঘাঁহনি, ছবিত আঁকি থোৱাৰ দৰে লগা ফুল গছ, মাজত আমেৰিকাৰ স্বাধীনতাৰ বাবে যুজোঁতাসকলৰ মূৰ্তি, এফালে মে'পল্ গছৰ শাৰী। মে'পল গছৰ নামটো প্ৰথমে প্ৰসিদ্ধ চিত্ৰশিল্পী আগাৰৰ ছবি এখনত পাইছিলোঁ—সেইবে মে'পল গছৰ তলত থিয় হৈ এগৰাকী অপূৰ্ব

অংগ-সৌষ্ঠৱৰ নগ্ন যুৱতীয়ে কলহ এটাৰপৰা তলৰ জলাশয়ত পৰাকৈ পানী ঢালি থকাৰ ছবিখন। নগ্নতা বুলিলে উচাপ খাই উঠাসকলে এই ছবিখন চাই নিজকে পৱিত্র কৰিব পাৰে—কাৰণ এই নগ্নতাৰ মাজেদি কামনাৰ জুই শিখাৰ প্ৰকাশ ঘটা নাই, ঘটিছে এপাহ নিষ্পাপ ফুলৰ পাহিৰ সৌন্দৰ্য্যৰ প্ৰকাশ। ওচৰৰ মে'পল গছজোপালৈ চালোঁ—বৰ ডাঙৰ ওখ গছ নহয়; পাতবোৰ আমাৰ কৰম গছৰ (চাহ বাগিচাত পালন কৰা কৰম পুজাত ব্যৱহৃত গছ) পাতৰ দৰে, কিন্তু কৰম পাততকৈ মিহি আৰু পাতল।

ৱাশ্বিংটন ৰাজ্যৰ এছেম্বলি হল্‌—মাৰ্বলেৰে কৰা সুদৃশ্য কাৰু-কাৰ্য্য-খচিত প্ৰাসাদ। সমুখত টেম্পল অব জাষ্টিছ, অৰ্থাৎ আমাৰ হাইকোৰ্ট্। এফালে আইন প্ৰণয়নৰ ঠাই, এফালে সেই আইনৰ ভিত্তিত বিচাৰৰ ঠাই।

তিয়াল্লিছটা (তেতাল্লিছটা নহয়!) খট্‌খটি বগাই গৈ পালোঁগৈ বিধান সভা ভৱনৰ কাৰুকাৰ্য্য-খচিত সিংহদ্বাৰ। তেতিয়া তিনি বাজিবৰ হৈছে। দুৱাৰ ঠেলি সোমাই গৈ দেখিলোঁ মাজত প্ৰায় কুৰি ফুট দীঘল-বহলৰ মজিয়াখন চাৰিওফালে পিতলৰ ষ্টেণ্ডত সোণালী শিকলি লগাই বেৰি থৈছে। তাৰ মাজতে এডাল লেক্‌টাৰ্ন (লেক্‌চাৰ ষ্টেণ্ড) লৈ এজন ডেকাই ৪ জুলাই দিন-টোৰ তাৎপৰ্য ব্যাখ্যা কৰিছে। মজিয়াৰ সোঁ আৰু বাওঁফালে খটখটি। প্ৰায় কুৰিটামান খটখটি বগাই দ্বিতীয় মহল। খটখটিত মানুহ বহি আছে—শ্বেতাংগ আৰু কৃষ্ণাংগ দুয়ো বৰণৰ। পঞ্চাছজনমান মানুহ দেখি—এইবুলি ভাবি ভাল লাগিল যে অন্ততঃ ইহঁতৰ দেশতো মেল-মিটিঙত মানুহ নহয় বোধকৰোঁ। আমি পাঁচজন বহি তেওঁবিলাকৰ সংখ্যা বৃদ্ধি কৰিলোঁ। ছোৱালী এজনীয়ে ৱাশ্বিংটন ৰাজ্যক ৰাজ্য হিচাপে ১৮৮৯ চনত কৰা ঘোষণাৰ প্ৰতিলিপি হাতে হাতে দি গ'ল। আমাৰ সাহিত্য সভাৰ

অধিৱেশনত সভাপতিৰ ভাষণখন পোৱাৰ পিছত লাহেকৈ গা-তোলাৰ দৰে, ছোৱালীজনীৰ হাতৰ কাকত কেইখন পোৱাৰ পিছত আমিও গা তুলিলোঁ। কাকত বিলোৱা ছোৱালীজনীয়ে এইবাৰ কথা আৰম্ভ কৰিলে। তাই বিধান সভা ভৱনটোৰ ; ইয়াৰ বিভিন্ন কক্ষৰ, বিভিন্ন স্থানত ৰখা মূৰ্তিবিলাকৰ পৰিচয় দিলে।

আমি ওপৰলৈ উঠি গ'লোঁ। ৬০ বছৰৰ আগতে সজা ঘৰ। মাৰ্বলৰ বেৰ, মজিয়া, স্তম্ভ। মাৰ্বলত যেন মাজে মাজে বুৰুজেৰে ক'লা আৰু ধোৱাঁবৰণীয়া ৰং সানি দিয়া আছে। আমি বাওঁহাতৰ দুৱাৰেদি হাউছ অব ছিনেটৰ দৰ্শক গেলেৰি পালোঁগৈ। তলত ৰঙা কাৰ্পেটৰ ওপৰত দুজন দুজনৰ চকী-মেজ। আমাৰ সংসদৰ দৰে আসন ধেনুভিৰীয়া নহয় ; আমাৰ দৰে পডিয়াম বা ৰেলও নাই। কিন্তু সদস্যসকলৰ বাবে আমাৰ দৰে বেঞ্চৰ শাৰী নাই,—চকী আছে বেলেগ বেলেগ। সুন্দৰ, গাম্ভীৰ্যপূৰ্ণ আৰু সম্মান আদায় কৰিব পৰা। ইয়াৰ লগত আমাৰ দিচপুৰৰ বিধান সভা ভৱনৰ ছবিখন থ'বই নোৱাৰি। ইমানখিনি কৰিব নোৱাৰিলেও আমাৰ বিধানসভাৰ ভিতৰটো বৰ্তমানতকৈ ভাল কৰি কিয় ল'ব নোৱাৰি ? য'ত ৰাজ্যখনৰ ভাগ্য-নিৰ্ণয় হয়, সেই ঠাইকণৰ বাবে যদি দহ-পোন্ধৰ লাখ টকা ব্যয় কৰিব লাগে, কৰাত কোনেও নিশ্চয় আপত্তি নকৰিব।

হাউছ অৱ ছিনেটৰপৰা ওলাই গৈ আমি হাউছ অৱ ৰিপ্ৰে-জেণ্টেটিভ্ চাবলৈ গ'লোঁ। হাউছ অৱ ৰিপ্ৰেজেণ্টেটিভৰ কাৰ্পেটৰ ৰং পিংক্—পীত বৰণৰ। আমাৰ লোকসভাত সেউজীয়া আৰু ৰাজ্যসভাত ৰঙা ৰং। এওঁবিলাকৰ সেউজীয়াৰ পৰিৱৰ্তে হালধীয়া। আমাৰ তাৰ লগত ডাঙৰ পাৰ্থক্য হ'ল—ইয়াত ক'তো নিৰাপত্তা বাহিনীৰ লোকৰ উৎপাত নাই। আমি বিদেশী মানুহ। আমাকো কোনেও ক'তো এষাৰো কথা সোধা নাই। আমি চিনাকি মানুহৰ

'ঘৰলৈ প্ৰথম গৈ ঘৰ-দুৱাৰ চোৱাদি চাই ফুৰিছোঁ, কোনেও এইফালে নাহিবা" বুলি কোৱা নাই।

চাবি বজাত দুৱাৰ বন্ধ কৰাৰ লগে লগে আমি ওলাই আহিলোঁ। তিৰাশিছটা খটখটি নামি আহি ভৱনটোলৈ এবাৰ চালোঁ। সন্মুখত থকা টেম্পল অব জাষ্টিছ বা ন্যায়-মন্দিৰলৈও চালোঁ—চাৰিওফালৰ গছ-গছনিৰ সেউজীয়ালৈ চালোঁ। তাৰপৰা লাহে লাহে ভিয়েটনাম যুদ্ধত নিহত ৱাশিংটন ৰাজ্যৰ এহেজাৰ এজন সৈনিকৰ স্মাৰক-লিপি থকা ঠাই চালোঁ। মাৰ্বলৰ বেৰত নাম কাটি থোৱা আছে; বেৰখনৰ এটা অংশ ভিয়েটনামৰ মানচিত্ৰৰ আকৃতিত সুৰুঙা কৰি থোৱা আছে। মই প্ৰথমে সেই অংশটো ভাগি আছে বুলিয়েই ভাবিছিলোঁ। ওচৰলৈ গৈ দেখোঁ ভগা নহয়, তেনেকৈ সজা। সৈনিকসকলৰ নাম চীল কৰি পুতি থোৱা অংশও চালোঁ। চাই চাই-ভাব হ'ল—এই সৈনিকসকলক ভিয়েটনামে মৰা নাই, মাৰিলে আমেৰিকাই নিজে। এখন মুক্তিকামী দেশৰ জনতাৰ মুক্তিৰ আকাংক্ষাৰ অগ্নিশিখাত আমেৰিকাই নিজৰ হাজাৰ হাজাৰ সৈনিকক আহুতি দি পাপৰ প্ৰায়শ্চিত্ত কৰিলে।

কালি আবেলি ঘূৰি আহি ৰেল্টন পোৱাৰ পিছত দেখিলোঁ সন্ধ্যা ঠায়ে ঠায়ে আতচবাজী হৈছে—কিন্তু ক'তো ফট্কা জাতীয় 'ক্ৰেকাৰ'ৰ শব্দ নাই।

কালি ভাগৱত শোৱাৰ পিছত আজি উঠিয়েই ফ্ৰণ্টলৈ মনত পৰিল—কাৰণ আজি আমি যাম আমেৰিকাৰ অন্যতম ৰাষ্ট্ৰীয় উদ্যান মাউণ্ট ৰেইনিয়াৰলৈ। বছৰটোৰ ৩৬৫ দিন বৰফ পৰি থকা ৰেইনিয়াৰ পৰ্বত—য'ৰ পৰা বৰফৰ নৈ বাগৰি আহি তলত পানী হৈ বাগৰি-ছেহি—সেই ৰেইনিয়াৰ পৰ্বতলৈ আমি ওলাইছোঁ। আৰ্চলতে আজি বাকীসকল কানাডাৰ ভেংকুভাৰলৈ গৈছে। আমিও যোৱাৰ কথা আছিল। কিন্তু, নিউয়ৰ্কত মোৰ ভিছাসহ পাছপোৰ্ট চোৰৰ হাতত দিয়াৰ পিছত কানাডাৰ ভিছা কৰাৰ সময় ক'ত? মোৰ হাতত

খৰৰ পাছপোৰ্টেৰে আমেৰিকাৰপৰা কানাডালৈ সোমাই যোৱাত বিশেষ অসুবিধা নহ'ব পাৰে ; কিন্তু ঘূৰি আহোঁতে ? কাৰণ, মোৰ পাছপোৰ্টতো আমেৰিকান ভিছা নাই ! এতেকে কালিয়েই সিদ্ধান্ত হ'ল যে—মই গৈ আৰু এটা বিপদ চপাই নোলোৱাই মংগল। আভোকৰ ন-ঘূৰিয়ে আটি গৈছে ; আকৌ কানাডালৈ সোমাই ন-চপোৱাৰ মতলব নাই।

ড°বৰাক ক'লোঁ,—"আপোনালোক যাওক। মই আজি দিনটো মটেলতে জিৰাওঁ। বেল্টনৰ ইফালে-সিফালে চাওঁ—স্থানীয় কাৰোবাক পালে কথা হওঁ।" কিন্তু তেওঁবিলাকে ক'লে যে—ভেংকুভাৰলৈ নাযায় ; মোকো লৈ মাউণ্ট ৰেইনিয়াৰলৈ যাব।

এতেকে পুৱাৰ আহাৰ খাই মাউণ্ট ৰেইনিয়াৰ অভিমুখে ড° বৰা, শ্ৰীমতী বৰা আৰু মই যাত্ৰা আৰম্ভ কৰিলোঁ।

আমি যাত্ৰা আৰম্ভ কৰাৰ সময়লৈ বেলিৰ হাঁহি মাৰ গ'ল—মেঘে ওলোলাই আনিলে। পাৰ্বতিপ্ৰসাদে গাবৰ দৰে "আবতৰতেই নীল আকাশত ক'লা ৰং কোনে সানিলে"। ইমান অবিশ্বাসী বতৰ ! ক'মনে কি—like woman's love বুলি ?

কিনকিনীয়া বৰষুণ আৰু ফেৰফেৰীয়া বতাহ। পুহ মাহ যেন লাগিবলৈ ধৰিলে। লগত গৰম কাপোৰ আনিছিলোঁ তাকৰীয়াকৈ। এতেকে উলৰ হাত দীঘল গেঞ্জী, হাফ ছুৱেটাৰ আৰু কোট-পেণ্ট—এই চাৰিওপদ পিন্ধি লৈ ওলালোঁ। একেই বহল মিহি আলি—ক'ৰবাত কংক্ৰিট আৰু ক'ৰবাত এছফাল্টেৰে কৰা। আধাঘণ্টামান যোৱাৰ পিছত লাহে লাহে আৰম্ভ হ'ল দেৱদাৰুৰ হাবি। লাহে লাহে হাবি ডাঠ হৈ আহিল। মাজে মাজে শস্যৰ পথাৰ—ঠায়ে ঠায়ে ছবি যেন লগা সুদৃশ্য ঘৰ। সেৰেঙা বসতি। কাঠৰ সৰু ঘৰ। প্ৰতিটো ঘৰৰ আগফালে 'কাৰ'ৰ উপৰিও বয়বস্তু কঢ়িওৱা ভেনেট জাতীয় গাড়ী আৰু ট্ৰাক। মাজে মাজে দুই-এটা এৰাপৰলীয়া কাঠৰ ঘৰো চকুত পৰিছে—ছাল এৰাই গৈছে—বেৰ ভাগি পৰিছে।

কোনোবাই 'এবান্‌ডন্' কৰি থোৱা ঘৰ। কাঠৰ ঘৰ দেখি "টম খুৰাৰ জুপুৰী"লৈ মনত পৰিছে।

ড° বৰাই ক'লে—"ইয়াত যদি গাঁও বুলিব লাগে এনেবোৰ ঠাইকেই বুলিব পাৰি।"—ঠিকেই। নগৰৰ হাই-উৰুমিৰপৰা আঁতৰত খেতিৰ পথাৰৰ মাজত সেৰেঙাকৈ থকা এয়ে গাঁৱৰ ঘৰ। অৱশ্যে, ইয়াতো নগৰৰ দৰেই বিজুলী, পেট্ৰল আৰু ইলেকট্ৰনিক্‌ছৰ সমান ব্যৱহাৰ। নগৰৰ দৰেই প্ৰত্যেকৰে নিজৰ নিজৰ গাড়ী। ইয়াত খেতিৰ পথাৰতো যন্ত্ৰৰ ব্যৱহাৰ। মাটি চহাব লাগে—যন্ত্ৰ, বীজ সিঁচিব লাগে—যন্ত্ৰ, সাৰ-জাবৰ দিব লাগে—যন্ত্ৰ, দৰৱ চটিয়াব লাগে—যন্ত্ৰ, পানী দিব লাগে—যন্ত্ৰ, শস্য কাটিব লাগে—যন্ত্ৰ। মুঠতে যন্ত্ৰ—যন্ত্ৰ আৰু যন্ত্ৰ। আমাৰ খেতিয়কৰ চেৰেলা বুঢ়া গৰু হাল, সেই কোঁটিকলীয়া নাঙলটো আৰু আমাৰ খেতিয়কজনৰ আঁঠুমূৰিয়া চুৰিয়াৰে নিচলা শৰীৰটো—এইবোৰলৈ চাং চাংকৈ মনত পৰিছে। এঠাইত দেখিলোঁ—খেতিত এটা যন্ত্ৰই পানী দি আছে—ওচৰত কোনো মানুহ নাই; যন্ত্ৰটোৱে ঘূৰি ঘূৰি এটা দূৰত্বলৈকে পানী দি আছে। আমাৰ খেতিয়কে লাহনিৰে পানী সিঁচি কঠীয়া পৰাৰ দৃশ্য বা ভাৰতৰ অন্য ঠাইত কুঁৱাৰপৰা পানী তুলি নলাইদি পথাৰত পানী দিয়াৰ দৃশ্যৰ কথা মনত পৰিল। আলিৰ দাঁতিৰ ব্ৰেক্ট এটাত খন্তেক গাড়ী ৰখাই আমি চালোঁ—এয়ে আমেৰিকাৰ গাঁও! তাহানি পঢ়া পদ্যটো মনত পৰিল—সেই যে গাঁৱৰ বৰ্ণনা আছে এনেদৰে—

"…চালত কোমোৰা লাওজিকা ভোল  
ভৰালত জহা ধান  
গোহালিত গৰু পুখুৰীত মাছ  
বাৰীত তামোল পাণ।"

ইয়াত সেইখন গাঁও 'বিচাৰি নোপোৱা জনমটো কৰিলেও পাত'। ইয়াত অৱশ্যে বুপালী চুলিৰ কোনোবা চাহাব জুৰমন বুঢ়াক

বিভাৰি পোৱা বাব পাৰে ; কিন্তু আমাৰ জুৰমন বুঢ়াৰ দৰে তেওঁক পিৰালিত বহি কথা পাতি থকা অৱস্থাত পোৱা নাযাব। তেওঁক হয় ট্ৰেক্টৰৰ চালকৰ আসনত নাইবা কেটল্‌ ফাৰ্মৰ ঘাই ঘৰত লগ পালেও পোৱা হ'ব পাৰে। আমি তেনে এজন জুৰমনৰ সন্ধান নকৰি আগবাঢ়িলোঁ আৰু কিছুদূৰ যোৱাৰ পিছত পালোঁ গৰুৰ ফাৰ্ম। মুগা-বগা বৰণৰ নোদোকা-নোদোক গৰু। আগে আগে সিহঁতৰ খাদ্য। আমি দুপৰীয়াৰ লাঞ্চ কেতিয়াবাই কৰিলোঁ। এতিয়া ইহঁতৰ লাঞ্চৰ সময় হ'বলা!! ইহঁতবে মাজৰ পৰা আকৌ দমৰাবোৰ মাৰ্কিনসকলৰ লাঞ্চত লাগিব!

ফাৰ্মবিলাকত গাইগৰু ৰাখে পোৱালী আৰু গাখীৰৰ বাবে। দমৰা-দামুৰিবোৰ ৰাখে খাবৰ বাবে। আজিকালি আমাৰ তাত কুকুৰাৰ 'ব্ৰয়লাৰ' কৰাৰ দৰে, ইহঁতৰ এই দামৰা-দামুৰিবোৰকা 'ব্ৰয়লাৰ কাফ' বুলিব পাৰি বোধকৰোঁ।

আমাৰ গোবৰনেজীয়া, ধেপেচী বা কমি হাড় ওলোৱা গৰু ইয়াত দেখাৰ কথাই নুঠে। আমাৰ তাত বাটে-পথে, বজাৰে-সমাৰে, খেতিয়ে-পথাৰে গৰু। আমাৰ স্কুলঘৰ, নামঘৰ সকলোৰে বাৰান্দাত গোবৰৰ দ'ম। ইয়াত আপুনি ক'তো গৰু আৰু গোবৰ নেদেখে। গৰু ইয়াত দুঠাইতেই লগ পাব ঃ ফাৰ্মত আৰু ডাইনিং টেবুলত। ইয়াৰ দমৰা-দামুৰিবোৰ ইমান পৰিস্কাৰ আৰু নোদোকা যে ডাইনিং টেবুলত লগ পালেও সাংঘাতিক শংকা নালাগিবনে কি? অৱশ্যে, টেভাৰ্নত ছেল্দুইছৰ লগত বিফ দিবনে চিকেন দিব বুলি সোধাত, মই স্বাভাৱিকতে পিছৰ বিধ লৈছোঁ। কিন্তু আমাৰ অসমীয়া হিন্দুকো "আই ৰ'ণ্ট মাইণ্ড বিফ" অৰ্থাৎ "মই গো-মাংসও বেয়া নাপাম" বুলি কৈ তৃপ্তিৰে খোৱা দেখিছোঁ।

আমাৰ গাড়ী লাহে লাহে ওপৰলৈ উঠিবলৈ ধৰিলে। দুয়োপাৰে দাঠ পাইনৰ হাবি আৰম্ভ হ'ল। শিলঙৰ পথটো যেন লগা হ'ল— এফালে দ-গৰ্জ, আনফালে সু-উচ্চ পাহাৰ। তলৰ পৰা আকাশ

চুম বুলি বাটি অহা পাইন আৰু পাইন। পাইন বুঢ়া হৈ ক'ৰবাত শুকাই গৈছে—আমাৰ তাৰ দৰে খাঁৰ লোবোঁতা মানুহ নাই। ইমান বিশালাকৃতি পাইন শিলঙত দেখা মনত নপৰে। কিছুমান পাইনৰ গা-গছত শেলুৰৈ ধৰি গৈছে—ইমান বুঢ়া পাইন আমাৰ তাত ক'ত থাকিব ?

মাজে মাজে আলিটো গোলাঘাটৰ গৰমপানীৰ আলিটো যেন লাগি গৈছে—হাবিৰ বুকুত যেন বাৰে বাৰে আলিটো হেৰাই যায়—আকৌ ভুমুককৈ ঘুৰণটোত দেখা দিয়ে। অকাই-পকাই যোৱা এছফাল্টৰ মিহি পথটো সেমেকি আছে। বেলিৰ পোহৰ সোমাব নোৱৰা দুয়ো দাঁতিত ডাঠ, ঘন পাইনৰ হাবি—বিশাল পাইন, ওখ, শকত, পোন। ছাইনবোৰ্ড, লাইট আৰু আলিৰ ট্ৰেষ্টত লগাই থোৱা ৰিফ্লেকটৰে পথ দেখুৱাই গৈ আছে। ইয়াত এই হাবিৰ মাজৰ আলিতো ছাইন, লাইট, ৰিফ্লেক্টৰ। আমাৰ নতুনকৈ সজা কলীয়াভোমোৰা দলঙখনৰ মাজত কেৱল ৰিফ্লেক্টৰ লগোৱা দেখিছোঁ। আমি গৈ পাৰ্কৰ গেটত টিকট সংগ্ৰহ কৰিলোঁহঁক।

তাৰপৰা 'পেৰেডাইজ' নামৰ ঠাই টুকুৰালৈ অকাই-পকাই যাওঁতে লাগিল প্ৰায় চল্লিশ মিনিট। মাজে মাজে সুৰুঙাইদি দেখা পাইছোঁ দাঁতিৰ সুউচ্চ পাহাৰৰ টিং। এইবাৰ বাটে বাটে আৰম্ভ হ'ল আগভেটি ধৰা ডাৱৰৰ ধেমালি—ধোঁৱা বৰণীয়া, পাতল, কুৰ'লীৰ দৰে একোচপৰা ডাৱৰে আহি বাট ভেটি ধৰিছে—আমি গাড়ী ৰখাই ভুমুকিয়াই চাইছোঁ। আমাৰ শিবলঙত জাৰকালি মেলা দুৱাৰ পালে 'ফগ্' সোমাই অহাৰ দৰে, আমাৰ গাড়ীৰ দুৱাৰ খোলা পালে এই মাউণ্ট ৰেইনিয়াৰৰ ডাৱৰো সোমাই আহি কোলাত বহিলহিহেতেন বোধকৰোঁ। এয়া কহুঁৱা ফুলৰ লগত ফেৰ মৰা শুকুলা ডাৱৰ নহয়; বাৰিষা আমাৰ যোৰাবাটৰ পৰা নগাঁৱলৈ অহা-যোৱা কৰিলে দেখিবলৈ পোৱা দাঁতিৰ পাহাৰৰ বুকুত উমলি ওপঙি থকা সৰ্গভা ডাৱৰ দৰে ভাৱৰ।

মাজে মাজে একোজাক কিন্‌কিনিয়া বৰষুণ আৰু গুড়ি গুড়ি বৰফ।

শ্ৰীমতী বৰাই ক'লে,—আপুনি, অন্ততঃ বৰফ পৰাও দেখিলে। সাধাৰণতে সমতলত জুলাই মাহত বৰফ নপৰে।"

মই দুয়ো দাঁতিৰ পৰ্বতত গছ-গছনিৰ মাজে মাজে চিক্‌মিকাই জিলিকি থকা অংশবোৰলৈ চাই সুধিলোঁ—"সেয়ে বৰফ নে?"

দুয়ো শলাগিলে। সেয়ে বৰফ। সিমান দূৰলৈ চাবই নালাগে—আমাৰ গাড়ী যোৱা পথৰ দাঁতিৰ ঘাঁহনিতো মাজে মাজে বৰফ জমা হৈ আছে। গুৰি-গুৰি বৰফ,—ফ্ৰিজত কৰা বৰফ বা বৰষুণত পৰা শিল-বৰফ নহয়; দূৰৰ পৰা তুলা যেন লগা বৰফ। গ'লি নোযোৱাকৈ বহুদিন থাকে; বতৰ সলনি হ'লে লাহে লাহে গলিবলৈ ধৰে। পৰ্বতৰ ওপৰত দাঠ হৈ পৰা বৰফ গ'লিবলৈ আৰম্ভ কৰিয়েই গ্লেছিয়াৰ নদীৰ সৃষ্টি কৰে। মাউণ্ট ৰেইনিয়াৰৰ বৰফৰ পৰা গ্লেছিয়াৰ নদী হৈ বাগৰে নিছকোৱালি নদীখন। ৰেইনিয়াৰৰ ওখ টিংটোলৈ চালোঁ—শুকুলা বৰফ চাৰিওফালে। এসময়ত এই মাউণ্ট ৰেইনিয়াৰ আছিল—এটা জলন্ত আগ্নেয়-গিৰি। এসময়ত সি সুপ্ত হ'ল। চৈধ্য হেজাৰ ফুট ওখ মাউণ্ট্‌ ৰেইনিয়াৰৰ টিঙত বৰফ জমা হবলৈ ধৰিলে—চাৰিওফালে প্ৰায় চাৰি হেজাৰ ফুট উচ্চতাৰ নামনিলৈকে বৰফ আৰু বৰফ জমা হ'ল। যেতিয়া বতৰ সলনি হ'ল, বৰফৰ তল গলিবলৈ ধৰিলে আৰু বিশাল বৰফৰ টুকুৰাই গছ-গছনি ভাঙি, উটুৱাই নদী হৈ বৈ আহিল। এনেকৈয়ে নিছকোৱালি নদীখন হ'ল। এতিয়া নদীখন কেৱল শিলনি হৈ আছে। নামনিৰ ফালে কোনো কোনো ঠাইত কেৱল একোডোঙা পানী আছে।

আমি গাড়ীৰ পৰা ওলাই অহাৰ লগে লগে বৰফৰ এছাটি বৰষুণ আৰম্ভ হ'ল—আমাৰ গাৰ কাপোৰত, মূৰৰ চুলিত বৰফ গুড়ি। আমি লৰা-লৰিকৈ গৈ পৰ্যবেক্ষণ স্তম্ভৰ ভিতৰ সোমালোঁ।

চোতালৰ এলাঁতিত জমা হৈ থকা বৰফত ল'ৰাছোৱালী দুটামানে বৰফ মুঠি-মুঠিয়ে লৈ চটিওৱা-চটি কৰিছে—মাক-দেউতাক-হঁতে জোৰ কৰিও আনিব পৰা নাই। মোৰো মন গৈছে—এবাৰ ভাঁৰ দি চাবলৈ—এবাৰ চুই চাবলৈ।

পৰ্যবেক্ষণ স্তম্ভৰ ভিতৰত শৰ্বাপিং চেণ্টাৰ, ৰেষ্টুৰাঁ, মাউণ্ট ৰেইনিয়াৰত পোৱা বিভিন্ন জীৱ-জন্তুকে ধৰি বিভিন্ন বিষয়ৰ প্ৰদৰ্শনী-কক্ষ আৰু দুটা কক্ষত মাউণ্ট ৰেইনিয়াৰ আৰু ইয়াৰ পৰা নমা গ্লেছিয়াৰ এইবিলাকৰ আধাঘণ্টীয়া চিনেমা দেখুৱাৰ ব্যৱস্থা আছে। একেবাৰে ওপৰলৈ উঠি গৈ আপুনি চাৰিওফালে চাব পাৰে—পাহাৰৰ ওখ-চাপৰ ঢউ, বৰফ, পাইনৰ হাবি, একাই-পকাই যোৱা নৈ। প্ৰদৰ্শনীকক্ষত মৃত জন্তুবিলাক ষ্টাফ কৰি জীৱন্ত যেনকৈ কাঁচৰ ঘৰত ৰাখি থোৱা আছে। যি জন্তু যেনে ঠাইৰ্ত থাকে, তেনেভাৱে কোঠাবোৰ সজোৱা আছে: হৰিণা, বগা ভালুক, পৰ্বতীয়া ছাগলী আৰু নাম জনা-নজনা জীৱজন্তু, চৰাই-চিৰিকতি। তদুপৰি মাউণ্ট ৰেইনিয়াৰ হাবিত ফুলা বেলেগ বেলেগ ৰং, আকৃতি আৰু সুৰভিৰ সৰু-বৰ অনেক বনৰীয়া ফুলৰ ছবি সজোৱা আছে।

ইয়াত বৰফত স্কি কৰিবলৈও অনেক আহে। তদুপৰি, মাউণ্ট ৰেইনিয়াৰ বগাবলৈ দুঃসাহসিক আৰোহণকাৰী' সকলো আহে। সুন্দৰ আৰু ভয়ংকৰ দুয়ো যেন পিঠিয়া-পিঠিকৈ আছে। ষ্টেনফোৰ্ড বিশ্ববিদ্যালয়ৰ ভূতত্ত্বৰ অধ্যাপক বেইলি উইলিছে ১৯১৫ চনতে লিখিছিল, "I have seen the glories of Switzerland, the grandeur of the Andes, and the grace of the beautiful cave of Fujiyama, but among the most renowned scenery of the World, I know of nothing more majestic or more inspiring than the

grandeur of my own old camping ground, Mount Rainier."

পৰ্যবেক্ষণ স্তম্ভৰ ওপৰৰ পৰা আকৌ এবাৰ চালোঁ। এক গভীৰ নির্জনতাৰ মাজত যেন মাউণ্ট ৰেইনিয়াৰে চকু মেলি আছে। আকৌ ফ্রষ্টলৈ মনত পৰিল:

The silence, the gentle fall of snow,

The trees arms have cut a spell on the wonderer.

আমি নামি আহিলোঁ আৰু তলৰ ৰেষ্টুৰাঁত চিকেন চেণ্ডুইছ আৰু কোক খালোঁ। শ্বপিং চেণ্টাৰত সোমাই ছবিৰ কাৰ্ড কিনিলোঁ, বুঢ়াৰ সৰু দুটা হৰিণাৰ মূৰ্তিৰ লগত থকা ৰুম টেম্পাৰেচাৰ চোৱা সজুঁলি এটা ল'লোঁ আৰু আকৌ যোৱা বাটেদিয়েই ঘূৰি আহিলোঁ। বৰফ, জলপ্রপাত, গ্লেছিয়াৰৰ বাট, পকাই বৈ যোৱা নৈ, পাইনৰ হাবিৰ মাজে মাজে, ডাৱৰৰ লগত মুখামুখি হৈ ঘূৰি আহিলোঁ। নিছকোৱালি নদীৰ জলপ্রপাতৰ পৰা বাগৰি পৰা শুকুলা ঢৌ, কাষৰ ক'লা শিলত জিলিকি উঠা ছায়া—এইবোৰ ছবিয়ে বাৰে বাৰে ফ্রষ্টলৈ মনত পেলাই দিছে:

The black stream, catching on a
sunken rock
Flung backward on itself in an
white wave
And the white water rode the
black forever. ☐

॥ অষ্টম দিন ॥

কালি মাউণ্ট্ ৰেইনিয়াৰৰ পৰা আহি তাৰ ছবিবোৰৰ কথাকে মনৰ পৰ্দাত তুলি চাই চাই গধূলিটো কটাই দিলোঁ যেন প্ৰিয়া, পত্নী, প্ৰেয়সীৰ ছবিহে। ডাৱৰ, বৰফ আৰু কুৰ্লীৰ ওৰণিৰে মুখ ঢকা পাহাৰৰ ৰহস্যময় ছবি। বিষাদ-গধূৰ পৃথিৱীৰ ছবি। ৱাল্ট্ হুইটমেনে ক'লেহেতেন—

*Smile O voluptuous cool-breathed earth !*
*Earth of the slumbering and liquid trees !*
*Earth of departed Sun-set—Earth of the*
*Mountain's misty tops.*

পুৱা বিছনাৰ পৰা উঠিয়েই দেখিলোঁ টেবুলত হালধীয়া কার্ড এটা। তাত লিখা আছে I am sam. I cleaned your room. Would you comment how do you like it ? তাৰ মানে— কালি 'ছেম' নামৰ ল'ৰা এটাই মোৰ কোঠা পৰিষ্কাৰ কৰি গৈছিল। হয়তো ইয়াত মই থকা আটাইকেওদিন সি পৰিষ্কাৰ কৰিছিল। আজি যে আমি মটেল এৰি যাম—সেই কথা সি জানে ; আৰু সেই-বাবেই সি এই কাৰ্ডখন থৈ গৈছে। মই পূৰাই দিলোঁ—Service : Excellent. Cleanliness : Excellent. Wish you happy days.

কোন ছেমে মোৰ কোঠা পৰিষ্কাৰ কৰিছিল নাজানো ; কিন্তু প্ৰতি-পদ বস্তু ৰাখিছিল সুন্দৰকৈ। মোৰ ৰাবে কথাতকৈও তাৰ নিজৰ

স্বাৰ্থতে বাখিব লাগিব। কাৰণ কোনোবা গ্ৰাহকে যদি অভিযোগ তোলে তাৰ চাকৰি সেইদিনাৰ পৰাই নাথাকিব পাৰে। মই মনতে ক'লোঁ,—'ঠিক আছে ছেম, মোৰ পৰা তোৰ কোনো আহুকাল নহয় বুলি নিশ্চিত হ'ব পাৰ।' ছেমৰ বা আচল নাম কি ধৰাই টান। ইয়াত ৰবাৰ্ট হ'লে 'বব' বুলি মাতে, উইলিয়ামছ হ'লে 'বিল' বুলি মাতে ; এতেকে ছেম'বো এটা পোচাকী নাম নিশ্চয় আছে। ইয়াত বব, বিল, ছেমহঁতৰ পৰা আৰম্ভ কৰি সকলোৱে চাকৰিৰ নিৰাপত্তাৰে নাই আগতে এবাৰ উল্লেখ কৰিছোঁৱেই ; অৱশ্যে সকলোৱে সামাজিক নিৰাপত্তা আছে। কৰ্মী-কৰ্মচাৰীয়ে নিজৰ দৰমহাৰ পৰা আমাৰ প্ৰভিডেণ্ট ফাণ্ডৰ বাবে দিয়াৰ দৰে প্ৰিমিয়াম দি থাকিলে বাষষ্ঠি বা পঁয়ষষ্ঠিত অৱসৰ লোৱাৰ পিছত পেন্সন পাই থাকিব আজীৱন। অকলশৰীয়া হ'লে প্ৰায় আটশ ডলাৰ আৰু ভৰণ-পোষণ দিবলগীয়া ল'ৰা-ছোৱালী থাকিলে প্ৰায় এহেজাৰ ডলাৰ পায় প্ৰতি মাহে। ইয়াত চিকিৎসাৰ বাবেও মাহে মাহে প্ৰিমিয়াম দি থাকিব লাগে ; তেতিয়াহ'লে যি প্ৰতিষ্ঠানত কাম কৰে, সেই প্ৰতিষ্ঠানে চিকিৎসাৰ সকলো ব্যয় বহন কৰিব। তাকে নহ'লে, ভৰ্ণি অধিক হ'ব। অৱশ্যে আমেৰিকাৰ মানুহ ধাৰত চলে। আপুনি ঘৰ এটা কৰিব খুজিছে, সকলো বস্তু কিস্তিত পাব ; আপুনি গাড়ী ল'ব খুজিছে—দোকানত গৈ দৰদাম ঠিক কৰি মাহেকীয়া কিস্তিত দাম পৰিশোধ কৰাৰ চুক্তিত গাড়ী লৈ আহক ; আপোনাক আচ-বাব লাগে—আপুনি কিস্তিত দাম দিয়াৰ চুক্তিত দোকানৰ পৰা লৈ আনি ঘৰ ভৰাই পেলাওক। মুঠতে আপুনি ল'ম বুলি ক'লেই হ'ল ; দিওঁ দিওঁ কৈ থকা অনুষ্ঠান-প্ৰতিষ্ঠান মুহূৰ্ততে পাব। আপুনি নিজে যাবলৈ টান পালে টেলিফোন কৰি দিলেও হ'ল। আপুনি কোনোবা ফালে যাব লাগে, উৰাজাহাজৰ টিকটৰ প্ৰয়োজন—আপুনি ক'লেই হ'ল—ধাৰলৈ টিকট নিজে আহি হাজিৰ হ'বহি। তদুপৰি, ইয়াত আগতীয়াকৈ টিকট ল'লে পঞ্চাছ

শতাংশ পৰ্য্যন্ত ৰেহাই পাব। আপুনি উৰাজাহাজৰ টিকট লৈ কিবা কাৰণত যাব নোৱাৰিলে আমাৰ দেশৰ দৰে টিকটৰ ধন হেৰুৱাব নালাগে; আপুনি সুবিধামতে যাব পাৰে।
ইয়াৰ মানুহৰ প্ৰত্যেকৰে একোখন কাৰ্ড আছে। একোখন নহয়, প্ৰতিটো বিষয়ৰ একোখন বুলি কোৱাহে ভাল হ'ব। যেনে— বেংকৰ হিচাপৰ কাৰ্ড, স্বাস্থ্য-বিষয়ক কাৰ্ড, কাম কৰা প্ৰতিষ্ঠানৰ কাৰ্ড। ছাত্ৰ-ছাত্ৰীসকলৰ জেপত সৰু তাচপাতৰ আকৃতিৰ এজাপ কাৰ্ড পাব। আপোনাৰ হাতত সকলো সময়তে ধন নাথাকিব পাৰে; আপুনি কাৰ্ডৰ নাম্বাৰটো দি কোন দোকানৰ কি বস্তু আপোনাক লাগে লৈ আহক। সেই কাৰ্ডৰ নাম্বাৰৰ লগত থকা আপোনাৰ ঠিকনালৈ যথাসময়ত বিল পাই যাবহি। আনকি, আপোনাৰ হাতত ধন নাথাকিলে যি কোনো এটা বেংকলৈ গৈ কাৰ্ডৰ নাম্বাৰ দি আপুনি যদি ছাত্ৰ এহেজাৰ ডলাৰ পৰ্য্যন্ত লৈ আহিব পাৰে; কৰ্মী-কৰ্মচাৰী হ'লেতো আৰু বেছি ল'ব পাৰে। মুঠতে বাকীকৈ খোৱা মানুহৰ বাবে আমেৰিকা স্বৰ্গ! ধাৰ মাৰিবনলগীয়া হোৱা হ'লে ইয়াত থকাটো বৰ সুখৰ কথাই হ'লহেতেন! তেতিয়া দোকানীক দেখিলে ছাতিৰ আঁৰলৈ পাব নহলেও হ'লহেতেন!
এঘাৰ বজাত 'ট্ৰেভেলাৰ্ছ ইন্' এৰিলোঁ। আকৌ জীৱনত দ্বিতীয়-বাৰ এই মটেললৈ অহাৰ আৰু দুশবোল নম্বৰ কোঠালীত থকাৰ কোনো সম্ভাৱনা নাই। তথাপি দুদিনৰ আশ্ৰয়ৰ থলীখনৰ লগত যটা সম্পৰ্ক ছেদ কৰি ওলাই আহোঁতে চিনাকী কোনো বন্ধুক এৰি থৈ অহা যেন লাগিল।
সিদিনা যি বাটেৰে আহিছিলোঁ আজি সেই বাটেৰেই টেকোমা বিমান বন্দৰলৈ উলটিলোঁ। ইয়াত সকলো উৰাজাহাজত লাউঞ্জৰ পৰা টিউব পথেদি গৈ পোনে পোনে উঠিব পাৰি; ক'তো জখলাত বগাব নালাগে। আমিও ২ বজাত ইউনাইটেড্ এয়াৰ লাইনছৰ বিমানত উঠিলোঁ। আমাৰ বিমানে পৃথিৱী এৰাৰ লগে লগে যেন

ছিয়াটলৰ পৰা বিদায় ল'লোঁ। কোনে জানে, আকৌ কেতিয়াবা ইয়ালৈ আহিমনে নাহিম। কোনে জানে—তেতিয়া গিৰীন দাসৰ ইণ্ডিয়া হাউছৰ কি ৰূপ হয়। ছিয়াটলক বিদায় জনায়োঁ ফ্ৰষ্টৰ সুৰেৰে কৰৰ মন গৈছে—

But let never be curtain drawn
Between you and me.

প্ৰশান্ত মহাসাগৰৰ পাৰ এৰি আকৌ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাজ্যবোৰৰ ওপৰেদি আটলাণ্টিকৰ পাৰলৈ উৰা মাৰিলোঁ। এইবাৰ আমাৰ বিমান ডেনভাৰত নানামিল ; নামিলহি ৱাশ্বিংটন ডি.চি.ৰ বিমান বন্দৰত। ৱাশ্বিংটন ডি. চি. হ'ল আমেৰিকা যুক্তৰাজ্যৰ ৰাজধানী। এই ৱাশ্বিংটন কলাম্বিয়াত। ভাৰ্জিনিয়া আৰু ৱাশ্বিংটনক ভাগ কৰিছে পটমেক নদীখনে।

ৱাশ্বিংটনৰ বিমান বন্দৰত আমাৰ বিমান এঘণ্টা ৰ'ল। ছিয়াটলৰ পৰা ৱাশ্বিংটনলৈ একেৰাহে ৪ ঘণ্টা উৰি আহোঁতে বিমানৰ খিড়িকীৰে চাই আহিছোঁ তলৰ আমেৰিকাখন, এয়াৰ হোষ্টেচে আহি মাজতে সুধিলেহি—'কি খাবা ?'

মই ভং ধৰালৈ চালোঁ। তেওঁ কোক্ লৈছে। মই ক'লোঁ,—'ছেভেন আপ দিয়া'। আমাৰ তাত থাম্পছ্ আপ, ইয়াত ছেভেন আপ।

মাজতে এবাৰ লাঞ্চৰ খবৰ সুধিলে—'কি খাবা ?'

মই ক'লোঁ,—'চিকেন দিয়া'। কাৰণ, উত্তৰ ৰামচৰিতত জনকে সৰু দমৰা এটিৰে আলহীক সোধ-পোছ কৰিলেও আৰু তাহানিৰ বশিষ্ঠদেৱে ৰজাই সহস্ৰ সহস্ৰ গৰুৰ মঙহেৰে ব্ৰাহ্মণসকলৰ ৰসনাৰ তৃপ্তি সাধন কৰিলেও, মই মোৰ ভিতৰৰ 'মই'টোৰ সংস্কাৰৰ আৱৰণখন তেনেই ফালি পেলাব পৰা নাই। আমেৰিকাৰ 'গ্ৰীন-কাৰ্ড হল্ডাৰ' হ'লে তেনে কৰাটো সহজসাধ্য হবগৈও পাৰে। কাৰণ, মোৰ ঘৃণা আৰু শংকাৰ ভাৱটো এই বিষয়ত বৰ তীব্ৰ

নহয় যেনেই লাগে অৱশ্যে আমেৰিকাতো এতিয়া ক্ৰমাৎ গো-মাংস আৰু গাহৰি-মঙহ এৰি চিকেন খাবলৈ লোৱা মানুহৰ সংখ্যা বাঢ়িছে। নহ'লে, এওঁবিলাকে আগতে কুকুৰাৰ মঙহক 'দৰিদ্ৰ-লোকে খোৱা মঙহ' বুলি নাম দিছিল। কিন্তু চিকিৎসা-শাস্ত্ৰই যেতিয়া ক'লে যে ওপৰৰ দুবিধে ব্লাড্ কলেষ্ট্ৰেৰল বঢ়ায়, যিটো হৃদৰোগৰ অন্যতম কাৰণ, তেতিয়াৰ পৰা স্বাস্থ্য-সচেতনসকলে নিজৰ ৰুচি কুকুৰাৰ মঙহলৈ সলাই লৈছে। কাৰণ, আমেৰিকাত হৃদৰোগত মৰা মানুহৰ সংখ্যা বৰ বেছি। এই ৰোগত প্ৰতিবছৰে প্ৰায় ১'৫ নিযুত মানুহ মৰে। এতেকে, আমাৰ তাত—"তান্ত্ৰিক কৱচ। ফল নাপালে মূল্য ফেৰত। পৰীক্ষা প্ৰাৰ্থনীয়' বুলি দিয়া বিজ্ঞাপনৰ দৰে ইয়াত প্ৰায়বোৰ কাকততে হৃদৰোগৰ ঔষধৰ বিজ্ঞাপন। এতিয়া অৱশ্যে, হৃদৰোগতকৈও মানুহে ভয় কৰা হৈছে 'এইডছ্' নামৰ আফ্ৰিকাত-সম্ভূত নতুন আৰু ভয়ানক ৰোগটোক! সাধাৰণতে যৌন-সংসৰ্গৰ পৰা হোৱা এই ৰোগে আমাৰ দেশতো গৈ ঢোকৰ মাৰিছেগৈ। এনে ৰোগীৰ তেজ, থুু, আদি শৰীৰৰ ভিতৰৰ যিকোনো পদাৰ্থ আনৰ গাত লাগিলেও এই ৰোগ হ'ব পাৰে। আচৰিত বেমাৰ ঃ শৰীৰৰ সকলোবোৰ যন্ত্ৰ, সকলোবোৰ অংগ ই ক্ৰমাৎ দুৰ্বল কৰি মানুহজনক ধীৰে ধীৰে নিশ্চিত মৃত্যুৰ ওচৰলৈ লৈ যায়। আমেৰিকাত এই ৰোগত আক্ৰান্ত হোৱা মানুহৰ সংখ্যা হ'ল—ত্ৰিছ হেজাৰ। বৰ ডাঙৰ সংখ্যা। দহ বছৰত এই সংখ্যা দহগুণতকৈ বেছি বাঢ়িব পাৰে। ইয়াত এই ৰোগ প্ৰতিৰোধ কৰিব পৰা ঔষধ আৱিষ্কাৰৰ বাবে অনেক গৱেষণা চলি আছে। চিকিৎসা-শাস্ত্ৰই কৈছে—হৃদৰোগ আৰু বহুমূত্ৰ যিদৰে ভাল কৰিব নোৱাৰি, কেৱল নিয়ন্ত্ৰণত ৰাখিব পাৰি, এইড্ছকো হয়তো এদিন তেনেভাৱে নিয়ন্ত্ৰণত ৰাখিব পৰা দৰব ওলাব। কিন্তু, এতিয়াও সি ভৱিষ্যতৰ গৰ্ভত।

আমেৰিকা যিদৰে পৃথিৱীৰ ভিতৰতে ধনী দেশ, তেনেকৈ ড্ৰাগছ

আৰু এইড্‌ছৰ দ্বাৰা আক্ৰান্ত হোৱা লোকৰ সংখ্যাৰেও চহকী হ'ব খোজা দেশ। হবই। সামাজিক বন্ধন নথকা এই দেশখনতেইতো হিপ্পি সকলৰো জন্ম। আৰু ইয়াৰ 'বেয়া' বোৰে গৈ আমাৰ ভাৰতৰ দৰে দৰিদ্ৰদেশত খোপনি পোতেগৈ সহজে। সঁচাকৈয়ে ড্ৰাগছ আৰু এইড্‌ছ—এই দুয়োটাই মানুহৰ সভ্যতাৰ বাবে দুটা ভয়ংকৰ প্ৰত্যাহ্বান হৈ পৰিছে। ৰুছ বা চীনৰ দৰে সমাজবাদী দেশত এতিয়ালৈকে এই দুই দৈত্যৰ বৰকৈ দখলী স্বত্ব ল'বগৈ পৰা নাই; কিন্তু পেৰেষ্ট্ৰইকা আৰু গ্লাছনছ্‌টৰ সুবিধা লৈ যদি ইহঁত কেনেবাকৈ তাৰো অন্তেষপুৰত সোমায়গৈ, দুখৰ কথা হ'ব। আমাৰ অসমতো ড্ৰাগছ সোমাইছে বুলি খবৰ ওলাই আছে। আমাৰ দৰে ৰাজ্যখনৰ বাবে ই ভয়ংকৰ ভবিষ্যত মাতি আনিব। ধনৰ লোভত দেশৰ ডেকা-গাভৰুক বিহ খুওৱাসকল ভাৰতীয় দণ্ডবিধিৰ দ্বাৰা হত্যাৰ অপৰাধত অপৰাধী হ'বৰ যোগ্য। আমাৰ ৰাজ্যখনত যুৱ-চৰকাৰ এটা হৈছে; এটা দেশ-প্ৰেমৰ আদৰ্শৰ দ্বাৰা আদৰ্শান্বিত চৰকাৰ। এই সময়ত কোনোৱা ৰাজনৈতিক শত্ৰু আৰু শক্তিয়ে আমাৰ এটা প্ৰজন্মৰ যুৱক-যুৱতীসকলক মৰণৰ মুখলৈ ঠেলি দিয়াৰ বাবে ড্ৰাগ্‌ছৰ পোহাৰ খুলিছে নেকি —সেই কথাও অনুসন্ধান কৰি চাবলগীয়া হৈছে।

আমেৰিকাত আজিকালি কিছুমান ঠাইৰ স্কুলৰ সমুখত দেখিব— ছাইনবোৰ্ডত লিখা আছে: "ড্ৰাগ ফ্ৰি জ'ন স্কুল"। অৰ্থাৎ ব্যক্তি স্বাধীনতাৰ সুযোগ লৈ বেপাৰ কৰা সকলৰ পৰা ল'ৰা-ছোৱালীক ৰক্ষা কৰিবলৈ এনেধৰণৰ প্ৰতিষেধক ব্যৱস্থা লবলগীয়া হৈছে!

ৱাশ্বিংটন বিমান বন্দৰত নামি ইফাল-সিফাল কৰাৰ পিছত পুনৰ নিজৰ আসনলৈ আহিলোঁ। মই ৱাশ্বিংটনলৈ পৰাহিলৈ অহাৰ কথা। আমাৰ আজিৰ বিমান ৱাশ্বিংটনেদি আহিব বুলি জনা হ'লে আজিয়েই ইয়াত বৈ যোৱাৰ ব্যৱস্থা কৰিব পৰা হ'লহেঁতেন।

সম্ভাব্য ভূতকাল এৰি আমি ৱাশ্বিংটনৰ পৰা নেৱাৰ্কলৈ আহিলোঁ। নেৱাৰ্ক নিউজাৰ্ছি ৰাজ্যৰ বিমান বন্দৰ। ডাঙৰ বিমান ঘাটি। আমেৰিকাৰ অন্যান্য বিমান ঘাটিৰ দৰেই পৰিষ্কাৰ, আহল-বহল, সুশৃংখল আৰু সুদৃশ্য।

পঞ্চলিছ মিনিটৰ যাত্ৰা ; অৰ্থাৎ আমাৰ গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ বিমানত লগা সময়ৰ সমান সময়। ঘূৰি আহি আটলাণ্টিকৰ পাৰে পালোঁহি। নিউয়ৰ্কৰ পোহৰ দেখা পালোঁ। বিমানৰ পৰা সুউচ্চ অট্টালিকাবোৰ দেখিলোঁ—এয়া হাডছন নৈ দেখিলোঁ আৰু নেৱাৰ্কৰ ফালে আমি নামি আহিলোঁ। প্ৰশান্ত মহাসাগৰৰ পাৰৰ পৰা আটলাণ্টিকৰ পাৰলৈ আহোঁতে বাটতে তিনিঘণ্টা সময় হেৰুৱাই নিউজাৰ্ছি পালোঁহি। হাতৰ মুঠিৰ পৰা সময়ৰ সোণালী বালিমুঠি কেনি সৰকি গ'ল ক'বই নোৱাৰিলোঁ। প্ৰতিটো মুহূৰ্ত অতীত হৈ গৈছে আৰু প্ৰতিটো নতুন মুহূৰ্তই বৰ্তমান হৈছে। ৰবি ঠাকুৰলৈ মনত পৰিল ঃ

স্ফুলিংগ তাৰ পাখায় পেল
ক্ষণকালেৰ ছন্দ।
উড়ে গিয়ে ফুৰিয়ে গেল
সেই তাৰি আনন্দ ॥ □

॥ নৱম দিন ॥

এ'মাৰ্ছনে কৈছিল—

*Light is light which radiates*
*Blood is blood which circulates*
*Life is life which generates.*

সেই কাৰণেই বোধকৰোঁ আমেৰিকাৰ জীৱন-যাত্ৰা দেখি এ'মাৰ্ছনলৈ মনত পৰিল হঠাৎ।

কালি উৰাজাহাজৰ পৰা নামি আহি ড° বৰাই দিনে, ওঠৰ ডলাৰ ভাড়াঁত থৈ যোৱা তেখেতৰ গাড়ীখন কাউণ্টাৰত আৱশ্যকীয় ডলাৰ জমা দি মোকোলাই ল'লে। আমি তিনিও নেৱাৰ্ক বিমান বন্দৰৰ পৰা নিউজাৰ্ছিৰ মৰিছ প্লেইনছ অভিমুখে আহিলোঁ। ঘৰ পাই এমুঠি খাই-বই বিছনাত পৰোঁতে প্ৰায় বাৰ বাজিবৰ হ'ল। এই কেইদিনৰ ভাগৰে হেঁচা মাৰি ধৰিলে।

পুৱা বিছনাত থাকোঁতেই আজি প্ৰশান্তৰ টেলিফোন। প্ৰশান্তই ক'লে যে আজি পুৱা ৯·৩০ বজাত তেওঁ আৰু ড° দেবকুমাৰ বৰা দুয়ো আহিব মোক ৰাটগাৰ্ছ বিশ্ববিদ্যালয়লৈ লৈ যাবলৈ। মই ক'লো—"তথাস্তু। মই ইয়াত যন্ত্ৰ; তোমালোকহে যন্ত্ৰী। যেনিয়েই নিয়া তেনিয়েই যোৱাটো মোৰ কাম।"

ড° দেবকুমাৰ বৰা ৰাটগাৰ্ছ বিশ্ববিদ্যালয়ত কুক কলেজৰ কৃষি-অভিযান্ত্ৰিক বিভাগৰ সহকাৰী অধ্যাপক। ঘৰ নগাঁৱৰ হাতী-চোঙত। আমাৰ প্ৰসিদ্ধ কথা-সাহিত্যিক ড° লক্ষ্মীনন্দন বৰাৰ

ঘাই ঘৰৰ ওচৰত। ড° দেব বৰাই মিচিচিপি নদী আৰু নিউয়ৰ্ক বন্দৰৰ খহনীয়া প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণৰ আঁহি প্ৰস্তুত কৰি দিছে। তেওঁক ইয়াত কেইবাটাও ডাঙৰ কোম্পানীয়ে চাকৰি দি আছে। তেওঁ অধ্যাপনা কৰি, গৱেষণা কৰি ভালপোৱা মানুহ। এতেকে বিশ্ববিদ্যালয়ৰ কৃষি-আভিযান্ত্ৰিক বিভাগৰ পৰা যাব নোখোজে। তদুপৰি, ড° বৰাই গ্ৰীন-কাৰ্ড লʼব নোখোজে; অৰ্থাৎ অসমলৈ ঘূৰি যোৱাৰ মন এটা আছে।—এইবোৰ কথা মোক প্ৰশান্তই আগতে কৈছিল। তদুপৰি ড° বৰাৰ লগত মোৰ ইতিপূৰ্বে চিঠিপত্ৰৰ যোগাযোগো হৈছিল।

ঠিক কাটায়-কাটায় চাৰে-ন বজাত ড° দেৱকুমাৰ বৰা আৰু প্ৰশান্ত ওলালহি।

মিঠা বৰণীয়া, মধ্যমীয়া উচ্চতাৰ, নম্ৰ মানুহজনৰ বয়স চল্লিছ হৈছে কি নহৈছে। অসমীয়া অধ্যাপক এজনে বিদেশত আহি নাম কৰিছে বুলি জানি মোৰ ভাল লাগিল। অৱশ্যে, আনজন গণিতৰ অধ্যাপক, লেখক ড° দিলীপকুমাৰ দত্ত বহু আগতেই ৰোড আইলেণ্ডত প্ৰতিষ্ঠিত হৈছে। ড° দত্তয়েই জোৰ কৰি ড° বৰাৰ হতুৱাই ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ সম্পৰ্কে এটা প্ৰবন্ধ লিখাই, নিজে অসমলৈ যাওঁতে 'প্ৰান্তিক'ত প্ৰকাশ কৰাইছিল।

চিনাকি হৈ ড° বৰা আৰু প্ৰশান্তৰ লগত নিউ ব্ৰান্স্উইক্ অভিমুখে ড° বৰাৰ গাড়ীৰে যাত্ৰা আৰম্ভ কৰিলোঁ। সেউজীয়া গছ-গছনি, ঘাঁহৰ পথাৰ পাৰ হৈ আমি যেতিয়া ৰাটগাৰ্ছ বিশ্ব-বিদ্যালয়ৰ চৌহদত সোমালোঁগৈ, তেতিয়া প্ৰায় চাৰে দহ বাজিল। ঘৰ-দুৱাৰবোৰ যে বৰ প্ৰকাণ্ড আৰু বিশাল এনে নহয়; কিন্তু শৃংখলাবন্ধ, দেখি ভাল লগা। এই বিশ্ববিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা পঞ্চাছ হেজাৰ। কিন্তু কʼতো হাই-উৰুমি নাই। প্ৰত্যেকেই নিজৰ নিজৰ কামত ব্যস্ত; ইউনিয়ন কৰিবলৈ সময় নাই কাৰো। নিজৰ নিজৰ

বিষয়ৰ সদায় নতুন তথ্য-পাতি হয়তো ওলাই আছে ; এতেকে শ্ৰেণীত বক্তৃতা শুনাৰ উপৰিও বক্তৃতাত উল্লেখ কৰা প্ৰসংগ-পুথি আৰু নতুন তথ্যৰ সন্ধানত হয় পুথিভৰালত সময় কটাইছে, নহয় গৱেষণাগাৰত। কোনোবা ছাত্ৰ-ছাত্ৰীয়ে যদি ৰাতিও গৱেষণাগাৰত কাম কৰিব খোজে কৰিব পাৰে! কৰিব পাৰে নহয়, অনেকেই কৰে। আমাৰ দেশত জ্ঞানান্বেষণৰ এই স্পৃহা কেতিয়া হ'ব? নে অতীতৰ ঋষি-মুনিসকলে কৰি যোৱা জ্ঞানৰ সাধনাৰ পিছত আমাৰ বাবে কৰিবলগীয়া আৰু একো নাই। আমাৰ তাত ৰাতি দুই বজাত কোনোবা ছাত্ৰ বা ছাত্ৰীয়ে গৱেষণাগাৰত কাম কৰোঁ বুলি আহিলে, পুলিচৰ হাতত পৰাৰ সম্ভাৱনাই বেছি।

ইয়াৰ স্কুল, কলেজ, বিশ্ববিদ্যালয়ত বন্ধ আৰু হাফ-মাফৰ সংখ্যা একেবাৰে সীমিত। আমাৰ দেশত ৩৬৫ দিন বন্ধ দিবলৈকে নটাৰ দৰে অৱস্থা হৈছে। ইয়াত আনকি বিশ্ববিদ্যালয়ৰ সোণালী জয়ন্তী পাতিলেও শ্ৰেণী বন্ধ নহয়। সেইবুলি উৎসৱ উদ্‌যাপন নকৰাকৈও নাথাকে ; বৰং আমাতকৈ বেছি অৰ্থপূৰ্ণ ভাৱেহে উদ্‌-যাপন কৰে। হয়তো তেনে কোনো উপলক্ষ্যত সাদিন সাতোটা বিষয়ৰ আলোচনা-চক্ৰ হ'ল ; বা কোনো বিষয়ৰ বিশেষ বক্তৃতাৰ আয়োজন কৰা হ'ল ; এদিন আজৰি সময় উলিয়াই কেনোবা এটা গোটে হয়তো সাংস্কৃতিক কৰ্মসূচীও সম্পন্ন কৰিলে। আমাৰ দৰে কলেজ সপ্তাহৰ নামত সাদিন শ্ৰেণী বন্ধৰ সোৱাদ এওঁবিলাকে ল'বলৈ নাপায়। এওঁবিলাকে কেৱল চিনি পায় কাম আৰু কাম।

ড° বৰা আৰু প্ৰশান্তই তেওঁবিলাকৰ বিভাগৰ আলোচনা-কক্ষলৈ লৈ গ'ল। 'বায়'লজিকেল এণ্ড এগ্ৰিকালচাৰেল ইঞ্জিনীয়াৰিং' বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰবাৰ্ট আৰ ৰ'ল্ফ আৰু অধ্যাপক ড° ডেভিড্ আৰ মিয়েৰ্ছ—দুয়ো মোক স্বাগতম্ জনালে। তাৰ-পৰা তেওঁবিলাকৰ বিভাগৰ কাম-কাজৰ বিষয়ে ক'লে। ইয়াত কাম মানেই একপ্ৰকাৰ গৱেষণা।

মিয়েৰ্ছে' ক'লে যে তেওঁ দ্বিতীয় পৰা কেইদিনমানৰ আগতহে পাইছোঁহি। তেওঁ তালৈ ভাৰত চৰকাৰৰ আমন্ত্ৰণত গৈছিল। তেৰোঁ এজন নদী-নিয়ন্ত্ৰণৰ বিশেষজ্ঞ।
মই ক'লোঁ,—"আমাক তোমালোকে কেনেকৈ সহায় কৰিব পাৰা? বিশেষকৈ আমাৰ ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত?
মিয়েৰ্ছে' ক'লে—"আমি নদীখনৰ বিষয়ে গৱেষণা কৰি পোৱা তথ্য-পাতিৰ ভিত্তিত নিয়ন্ত্ৰণৰ আঁহি' প্ৰস্তুত কৰিব পাৰোঁ।"
মই ক'লোঁ,—"তাৰ বাবেতো বহুত ধন লাগিব?
তেওঁ ক'লে, "গৱেষণাৰ বাবে প্ৰয়োজন হ'ব পৰা ডলাৰৰ অভাৱ নহব। মই ড° দেৱ বৰাক কৈছোঁ!"
তাৰ পিছত মিয়েৰ্ছে' গৱেষণাৰ পদ্ধতিৰ বিষয়ে ক'লে।
ৰ'ল্ফ আৰু মিয়েৰ্ছ' দুয়ো ড° দেৱ বৰাৰ কাম-কাজৰ উচ্চ প্ৰশংসা কৰিলে। তেওঁবিলাকে মোক বিভাগৰ ফেকাল্টি মেম্বাৰসকলৰ নামৰ কাৰ্ডৰ সৰু এলবাম্ এটা আৰু কলম এটা দিলে। তেওঁ-বিলাক তাৰ বিনিময়ত দিবলৈ ধন্যবাদৰ বাহিৰে মোৰ হাতত আন একো নাছিল।
আমি ওলাই আহিলোঁ। প্ৰশান্তই ক'লে,—ইয়াত দৰ্মহা আচলতে ন-মাহৰ বাবেহে দিয়ে।"
মই সুধিলোঁ—"মানে?"
প্ৰশান্তই ক'লে,—"যদিও আমেৰিকাত ৰাষ্ট্ৰীয় বন্ধৰ দিন মাত্ৰ ১১টা, কলেজ আৰু বিশ্ববিদ্যালয়বিলাকত সকলো চুটি মিলাই ৩ মাহ হয়। গতিকে দৰ্মহাও ন-মাহৰ বাবে। কোনোবাই ইচ্ছা কৰিলে সেইখিনি ধনকে ১২ মাহত ভগাই ল'ব পাৰে।" লগতে ক'লে, "সাধাৰণতে এজন প্ৰফেছৰে বছৰত ৪২ হেজাৰ ডলাৰ পায়। বিশেষকৈ প্ৰফেছৰ এমেৰিটাছ হ'লে ৪৮ হেজাৰ ডলাৰ মান পায়।"
ড° বৰাক ক'লোঁ—"আপুনি ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ বাবে গৱেষণা কৰিব বা কৰাব নোৱাৰেনে?"

তেওঁ ক'লে,—"ব্ৰহ্মপুত্ৰই প্ৰতি বছৰে অসমত যি অৱস্থাৰ সৃষ্টি কৰি আছে, দেখিশুনি সেই বিষয়ে কিবা এটা কৰাটো এটা দায়িত্ব বুলিয়েই অনুভৱ কৰিছোঁ। আপোনালোকে সহায় কৰিলে মই প্ৰশান্তৰ হতুৱাই নদীখনৰ বিষয়ে গৱেষণা কৰাই ল'ব পাৰোঁ। তেওঁ ব্ৰহ্মপুত্ৰ বোৰ্ডৰ এক্সিকিউটিভ্ ইঞ্জিনীয়াৰ। এতেকে তেওঁৰ বাবে কামটো ভাল হ'ব।"

মই ক'লোঁ,—"কি সহায় কৰিব লাগে, কওক। পৰাখিনি নিশ্চয় কৰিম।" তেওঁবিলাক দুয়ো ক'লে যে—গৱেষণাৰ বাবে প্ৰয়োজনীয় ধন এটা সংস্থাৰ পৰা ল'ব পৰা হ'ব ; তাৰ বাবে ময়ো এখন চিঠি দি সহায় কৰিব বোলে পাৰোঁ। দ্বিতীয়তে গৱেষণাৰ কামত অসমলৈ যাওঁতে থকা-মেলাৰ ব্যৱস্থা আৰু গাড়ী এখনৰ ব্যৱস্থা কৰিব লাগে ; লগতে অসমৰ বান-নিয়ন্ত্ৰণ বিভাগে তথ্য-পাতি দি সহায় কৰিব লাগে। কিন্তু, লগতে এইটোও ক'লে যে সংশ্লিষ্ট সংস্থাটোলৈ অসম চৰকাৰৰ পক্ষৰ পৰা আৰু অসমৰ কোনো এখন ইঞ্জিনীয়াৰিং কলেজ বা বিশ্ববিদ্যালয়ৰ পৰা অনুৰোধ এটা আহিব লাগে—দুয়োহ মানৰ ভিতৰত যাতে 'কলেবৰেট' কৰি কামটো কৰিব পাৰি। মই ক'লো "আপোনা-লোকে প্ৰস্তাৱ আৰু আঁচনি প্ৰস্তুত কৰক ; আৰু অসম চৰকাৰৰ পৰা, বিশ্ববিদ্যালয়ৰ পৰা আৰু মোৰ পৰা কেনেধৰণৰ চিঠি আহিব লাগে তাৰো খচৰা প্ৰস্তুত কৰি দিয়ক। মই আপোনা-লোকৰ প্ৰস্তাৱ আৰু আঁচনি অসমৰ মুখ্যমন্ত্ৰীলৈ আৰু অসম কৃষি-বিশ্ববিদ্যালয়ৰ উপাচাৰ্যলৈ নিজে কঢ়িয়াই লৈ যাম।" মই নকলোঁ যে আমাৰ দেশৰ চৰকাৰ যিহেতু ফাইলৰ চৰকাৰ, এতেকে আমোলাসকলে কিমান সহজে কামটো কৰিব—সেই বিষয়ে মোৰ দোৰ্ঘোৰ সন্দেহ আছে। তাতে আকৌ কোনোবাই—'এই ছেগতে আমেৰিকালৈ গৈ আহোঁ' বুলি পাং নাপাতিলেই ৰক্ষা!

ড° বৰাই ক'লে,—"ব্ৰহ্মপুত্ৰ বোৰ্ডৰ মাষ্টাৰপ্লেন দুটা—

প্ৰস্তাৱহে ; আত কাৰ্যকৰী হিচাপৰ আঁচনি নাই। সেই আঁচনি প্ৰস্তুত কৰিবলৈ হ'লে—নদীখনৰ উৎসৰ পৰা নহলে আগৰ পৰা তাৰ খনন, বহন, অৱক্ষেপনৰ প্ৰকৃতি আৰু ক্ষমতা অধ্যয়নৰ প্ৰয়োজন হ'ব। তাৰ উপৰি, সোঁতৰ বেগ, পানীৰ পৰিমাণ, ইয়াৰ বেগৰ প্ৰতিটো অংশৰ প্ৰকৃতি চাব লাগিব। তাৰ ওপৰত ভিত্তি কৰি কাৰ্যকৰী আঁচনি কৰিব লাগিব—ক'ত কেনেকৈ পানী জমা কৰিব লাগিব, ক'ত এৰি দিব লাগিব, ক'ত বান্ধ দিব লাগিব।"

তেওঁ ক'লে,—"ব্ৰহ্মপুত্ৰৰ মাজুলীত যিটো অৱস্থা হ'ল—তাৰ যাই কাৰণ ডিব্ৰুগড়ৰ কাষৰ পাৰ কেইটাও হ'ব পাৰে। এইবিলাক অধ্যয়ন নকৰাকৈ মথাউৰি বান্ধি আৰু ওথ কৰি ব্ৰহ্মপুত্ৰক নিয়ন্ত্ৰণ কৰিব নোৱাৰি। তদুপৰি, কোনো কোনো ঠাইত পানী সোমাবলৈ, অৱশ্যেই নিয়ন্ত্ৰিতভাৱে, দিব লাগিব। তেনে ঠাইত থকা ঘৰৰ পৰিকল্পনাও বেলেগ ধৰণেৰে কৰিব লাগিব।"

মই ক'লোঁ,—"অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহই 'বান-পানীৰ লগত অসমৰ মানুহে সহ-অৱস্থান কৰিব লাগিব' বোলা কথাষাৰ তেনেই দ'লিয়াই পেলাব নোৱাৰিনেকি তেনেহ'লে ?"

তেওঁ ক'লে,—"কোনো কোনো ঠাইত নোৱাৰি বোধকৰোঁ। কেৱল আমি ঠিক কৰিব লাগিব—সেই সহ-অৱস্থান কেনে ধৰণৰ হ'ব।"

আমি কথা-বতৰা পাতি পাতি হাৰ্টগাৰ্ড বিশ্ববিদ্যালয়ৰ 'আলেকজেণ্ডাৰ পোপ পুথিভ'ৰাল' পালোঁগৈ।

প্ৰশান্তই ক'লে,—"কবি পোপৰ নামৰ এই পুথি ভ'ৰালটোত হিউ-মেনিটিজৰ কিতাপ আছে।" পোপ বুলিলতে মোৰ মনলৈ আহিল তেওঁৰ The Quiet Life নামৰ কবিতাটোৰ কথা, য'ত তেওঁ কৈছিল যে—'পৈত্ৰিক সম্পত্তিৰ চাৰিসীমাৰ মাজতে যাৰ আশা-আকাংক্ষা সীমাবদ্ধ, তেওঁৱেই সবাতোকৈ সুখী মানুহ'। কবিতা-টোৰ প্ৰথম স্তৱকটো আছিল—

**Happy the man, whose wish and care**
**A few faternal acres bound,**
**Content to breathe his native air**
**In his own ground.**

আমি পদ্থিভ'ৰাল সোমালোঁ। প্ৰশান্তই ক'লে,—"ইয়াত আপুনি কিতাপ বিচাৰি কাৰ্ড বা বহী চাব নালাগে ; কম্পিউটাৰত ছাবি টিপিলেই হ'ব।"

দেখিলোঁ বহল কোঠাটোৰ বিভিন্ন স্থানৰ টেবুলত কম্পিউটাৰ বহুৱাই থোৱা আছে। দুয়ো মোক কম্পিউটাৰ এটাৰ ওচৰলৈ লৈ গৈ ক'লে,—"ছাৰ আপুনি নিজেই ব্যৱহাৰ কৰি চাওক।"

মই বোলো—মইতো ইয়াৰ ব্যৱহাৰ নাজানো।

তেওঁবিলাকে ক'লে,—যদি লেখকৰ নাম বিচাৰে, 'এ' ছাবিটো টিপি, কোন উপাধিৰ লেখক বিচাৰে, সেই উপাধিটো টাইপ কৰাৰ দৰে কৰি দিলেই হ'ল। মই 'এ' ত টিপা মাৰি তাৰ পাছত টিপিলোঁ—বি-এ-আৰ-ইউ এ—এই কেইটা আখৰ। লগে লগে স্ক্ৰিনত ওলাল—বৰুৱা, বিৰিঞ্চিকুমাৰ, শংকৰদেৱ নামৰ গ্ৰন্থৰ নাম, কিতাপখনৰ লাইব্ৰেৰীৰ নম্বৰ, কোনটো খলপাত আছে তাৰ নম্বৰ আৰু শেহত কিতাপখন সদ্যহতে আছে বুলি মন্তব্য। তাৰ পিছতে আৰু দুজন বৰুৱাৰ নাম ওলাল—বৰুৱা, বেনীমাধব আৰু বৰুৱা নিৰোদকুমাৰ।

আমেৰিকাৰ লাইব্ৰেৰী অব কংগ্ৰেছত অসমীয়া কিতাপ আছে ; উইলিয়ামছ কলেজতো আছে বুলি জানো ; কিন্তু ৰাটগাৰ্ছতো থকা বুলি ভবা নাছিলোঁ।

ঘূৰি-পকি চাই-চিতি ওলাই আহিলোঁ।

প্ৰশান্তই ক'লে,—"ইয়াত এতিয়া সকলো কম্পিউটাৰত"।

ওলাই অহাৰ পিছত এটা সৰু দুমহলীয়া ঘৰ দেখুৱাই ক'লে—"এই সৰু ঘৰটোতে পঞ্চাছ হেজাৰ লৰা-ছোৱালীৰ নাম-ভৰ্তি কৰা

হয়। সকলো কম্পিউটাৰত সমাই থোৱা থাকে ; এতেকে বেছি ঠাই নালাগে ; হাই-উবমিতো নায়েই আৰু হেৰোৱাৰো কোনো ভয় নাই।" আমাৰ তাৰ ফাইলৰ পাহাৰৰ ছবিটো মনলৈ আহিল।
কম্পিউটাৰে আমেৰিকা এনেভাৱে ছাতি পেলাইছে যে ভাবিলে আচৰিত হ'ব লাগে। ড° কৃপা বৰাৰ ঘৰত ড° শোণিত দাসৰ পৰিবাৰে কথা-প্ৰসংগত কৈছিল—যে "ইয়াত কম্পিউটাৰে 'নাই' বুলি ক'লে সম্মুখত থিয় হৈ থকা মানুহজনকো মানুহে 'নাই' বুলিয়েই ক'ব—এনে অৱস্থা হৈছে"।
সঁচাকৈয়ে—ইয়াৰ সভ্যতা এতিয়া কম্পিউটাৰ-সভ্যতা। ইয়াৰ ল'ৰা-ছোৱালীয়ে পৰীক্ষা-ঘৰলৈ যদি কেনেবাকৈ কেল্‌কুলেৰটো জেপত লৈ যাবলৈ পাহৰিলে, তেনেহ'লে নিৰ্ঘাত সেই দিনাৰ বিজ্ঞান বা গণিতৰ পৰীক্ষা গ'ল। সেইবাবে, দেউতাক-মাকো 'সচেতন—ল'ৰাটোৰ বা ছোৱালীজনীৰ কেল্‌কুলেটৰটো ঠিক আছেনে নাই, বেটাৰী আছেনে নাই! আমাৰ তাত কেল্‌কুলেটৰটোলৈ পৰীক্ষা ঘৰলৈ গ'লে আকৌ নিৰ্ঘাত বহিষ্কাৰ! আমাৰ পূৰণৰ সৰু নেওতা, মাজু নেওতা, বৰ নেওতা কণ্ঠস্থ থাকিবই লাগিব, তিনিশৰীয়া পূৰণ হ'লেহে অংকটো পাতিলৈ কৰিব পাৰিব! কিন্তু, ইহঁতৰ কথা হ'ল—যিটো কাম মেশিনৰ, সেইটোৰ বাবে মগজুক দায়িত্ব দিব লাগে কিয় ?
ড° দেৱ বৰাৰ ডাঙৰ ল'ৰাটোৰ হাতৰ আখৰ সন্তোষজনকভাৱে ভাল হোৱা যেন নেদেখি তেওঁ শিক্ষকক ক'লে যে—ল'ৰাটোৰ আখৰবোৰ ভাল হোৱা নাই।
শিক্ষকে গহীনকৈ উত্তৰ দিলে,—"চিন্তা নকৰিব। সিহঁত কাম-কাজ কৰিব পৰা হোৱালৈ কলমৰ ব্যৱহাৰ একেবাৰে কমি যাব।"
আমি সৰুতে কলপাতত পাখি কাপেৰে আখৰ লিখাৰ বাবে কৰা যত্ন আৰু শ্ৰমৰ কথা মনত পৰিল। তাকো আকৌ পাখি কাপটো যদি চুটি হ'ল—তেতিয়াও আমাৰ তাহানিৰ বৰকাঠনি এল. পি.. স্কুলৰ

প্ৰধান শিক্ষক (আমি তেখেতক প্ৰধান মহাশয় বুলিছিলোঁ) দুৰ্গানাথ শৰ্মাৰ হাতৰ এবেত খাবলৈ আৰু "চাৰি আঙুলীয়া কাপ মৰাপাটৰ জৰী। বিদ্যাই বোলে হৰি হৰি"—এইষাৰ শুনিবলৈ সাজু হৈ থাকিব লাগিছিল। এতিয়া আমেৰিকাৰ কথা বাদেই আমাৰ ল'ৰা-ছোৱালীয়েও কলপাতত পাখি কলমেৰে আখৰ লিখা দেখা নাই। ইয়াত তেনে কাম কোনোবা প্ৰাগৈতিহাসিক সভ্যতাৰ নিদৰ্শন বুলি ভবাৰ সম্ভাৱনাই বেছি। আখৰ লিখাৰ এই পৰ্বৰ কথা বাদেই দিলোঁ—ইয়াত ঘণ্টা-মিনিট-চেকেণ্ডৰ কাঁইট থকা আৰু দাঁতিত সংখ্যা থকা ঘড়ীটোও, যিটো, আমি হাতৰ ঠাৰিত বান্ধি লৈ ফুৰাইছোঁ, তাকো চিনিব নোৱৰা ল'ৰা-ছোৱালী আছে। কাৰণ, এতিয়া ইয়াত সকলোবোৰ ঘড়ী কেৱল সময়ৰ সংখ্যাটো ওলোৱা ইলেকট্ৰনিক ঘড়ী। গতিকে আমেৰিকাৰ নতুন চাম ল'ৰা-ছোৱালীয়ে "ক্লকৱাইজ" আৰু "এণ্টি-ক্লকৱাইজ" শব্দৰ অৰ্থ বুজি নোপোৱা হৈছে। আমাৰ তাৰ নগৰৰ ল'ৰা-ছোৱালীয়ে "বাটলুগুটিটো যোৱাদিন গ'ল" বুলিলে বুজি নোপোৱাৰ দৰে।

মই কথা-প্ৰসংগত কৈছোঁ বোলোঁ—আমেৰিকাত মানুহবোৰ বিছনাত থাকি সকলো কাম দেখোন কম্পিউটাৰক কৰিবলৈ দিলেই হ'ল।

ৰাটগাৰ্ছ বিশ্ববিদ্যালয় চাই-চিতি ড° বৰাৰ ঘৰত দুপৰীয়াৰ আহাৰ খালোঁ। বিলাহীৰে মাছৰ টেঙা-আঞ্জা। একেবাৰে অসমীয়া ৰন্ধা!

শ্ৰীমতী বৰাই কেবাবিধো ৰান্ধি-মেলি বাট চাই আছিল।

প্ৰশান্তই কলে,—"এয়া যোৱা বছৰৰ বিলাহী।"

মই জিভাত লগাই চাই ক'লোঁ,—"নতুন বিলাহী যেনেইতো লাগিছে।"

শ্ৰীমতী বৰাই ক'লে যে—"বিশ্ববিদ্যালয়ৰ কৃষিবিভাগত এয়া টাবত কৰা বিলাহী। যোৱা বছৰ ইমান বেছি লাগিল যে ভগাই

থাকো থাকি গ'ল। থাকি যোৱাখিনি বটলত ভৰাই প্ৰিজাৰ্ভ কৰি আমাৰ ওচৰে-পাঁজৰে থকা অসমীয়া কেই ঘৰলৈ পঠাই দিয়া হ'ল। বিলাহীৰ নাটনি হ'লে সিয়েই জোৰা মাৰে।"
বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক আমেৰিকাৰ মানুহে হাতৰ লাগিৰবী কৰি লৈছে। এতেকে, সকলো বিষয়তে তাৰ প্ৰয়োগ। স্কুল-কলেজত ল'ৰা-ছোৱালীয়ে কেলকুলেটৰ ব্যৱহাৰ কৰাৰ কথা কৈছোঁৱেই। দোকান-পোহাৰ, হাট-বজাৰত যেনিবা হিচাপ-পত্ৰৰ 'কেলকুলেচন' কম্পিউটাৰে কৰি দিয়ে।
ইয়াত আমাৰ অসম বা বংগৰ দৰে য'তে ঘৰৰ আগত খালী ঠাই অকণ আছে তাতে পান-চুৰটৰ দোকান খোলাদি দোকান খোলাৰতো প্ৰশ্নই নুঠে। দিল্লীতো, বিশেষকৈ নতুন দিল্লীত, বজাৰ-সমাৰৰ নিৰ্দিষ্ট ঠাই আছে ; য'তে ত'তে দোকান খুলিব নোৱাৰে। কিন্তু পুৰণি দিল্লীত য'তে ঘৰ ত'তে দোকান। ইয়াত দোক.ন-বজাৰৰ ঠাইক মল ( Mall ) বুলি কয়। কিছুমান 'মল' চেইন মল ; অৰ্থাৎ কোনোবা এটা কোম্পানীৰ বিভিন্ন ঠাইত থকা মল। কিছুমান মলৰ বেলেগ বেলেগ কোঠাত বেলেগ বেলেগ দোকান। একোটা অঞ্চলত একোখন মল। আটাইতকৈ সৰু মলখনো দীঘলে দেড়/দুই ফাৰ্লং হ'ব। সন্মুখত কেইবাশও গাড়ী পাৰ্ক কৰিব পৰা ঠাই। মই মৰিছ মল, লিভিংষ্টোন মল আৰু কে-মাৰ্ট্ মল সোমাই চাইছোঁ। কে-মাৰ্ট এটা কোম্পানীৰ চেইন মাৰ্টৰ এখন। বিশাল মল। ইয়াৰ সকলোবোৰ ঘৰ এয়াৰকণ্ডিচন্ড্ ; মল-বোৰো। আপুনি সোমাই গ'লে দেখিব বিশাল ঘৰটোত সকলো ফালে বিভিন্ন বস্তু শাৰীশাৰীয়ে সজোৱা আছে। মাজত বেৰ-দুৱাৰ একো নাই। প্ৰতিটো শাৰীৰ মাজেদি যাব পৰাকৈ বাট। আপুনি ট্ৰলী এখন যোগাৰ কৰি লৈ শাৰীৰ মাজে মাজে ঘুৰি আপুনি ল'ব খোজা বস্তু ট্ৰলীত ভৰাই লৈ গৈ থাকক—আলপিনৰ পৰা বিয়াগোম বাকচ এটালৈকে, আপোনাৰ কাপোৰ-কানিৰ পৰা

দৰবলৈকে, কিতাপ-পত্ৰৰ পৰা প্ৰসাধন-সামগ্ৰীলৈকে। কেৱল খোৱা-বস্তুৰ বাকচবোৰ একেখনতে নাপাব। খোৱাবস্তুৰ মজত টিন ফুডৰ পৰা গ্ৰীন ভিজিটেবললৈকে, কাচৰ বাকচত জীয়াই থোৱা মাছৰপৰা কাটি থোৱা মাছ-মাংসলৈকে পাব।

ইয়াত সকলো বস্তু পেক্ কৰা অৱস্থাত পাব। যিবোৰ খোলা অৱস্থাত থাকে—যেনে কাপোৰ-কানি, জোতা-মোজা বা অন্যান্য বস্তু, সেই বিলাকত প্লাষ্টিকৰ টেগ্ এডালত দামটো লিখা থাকে; পেকেট কৰা বিলাকত পেকেটত লিখা থাকে। পেকেটৰ ওপৰত বা টেগৰ দাম লিখা কাগজখনত বা কিতাপ হ'লে কিতাপৰ পিছ-ফালৰ বেটুপাতত দামটোৰ লগতে দীঘে-দীঘে মাৰি থোৱা আঁচ কেইডালমান থাকে। বিদেশৰ প্ৰায়বোৰ কিতাপৰ পিচফালৰ বেটুপাতত আঁক কেইটা দেখোঁ; কিন্তু তাৰ বা কি অৰ্থ বুজি পোৱা নাছিলোঁ। প্ৰশান্তই ক'লে যে—"সেই কেইডাল হেন্‌জি-টিভ্ কৰ্ড্।"

আপুনি ট্ৰলীত যি লাগে ভৰাই আনি দুৱাৰ মুখ পালেহি। ডাঙৰ মলত পইচা লোৱা কাউণ্টাৰ একে শাৰীতে কেইবাটাও থাকে। আপুনি কাউণ্টাৰৰ ওচৰত থিয় দিয়াৰ লগে লগে, কাউণ্টাৰৰ দায়িত্বত থকাজনে ট্ৰলীৰ পৰা বস্তুবোৰ লৈ টেবুলখনৰ ওপৰেদি চোচোৰাই নি মজিয়াত পাতি থোৱা কাগজৰ মোনাটোত থৈ যাব। প্ৰতিটো বস্তু আনোতে কি'ইট কৈ সৰু শব্দ এটা হয় আৰু কাউণ্টাৰৰ এদাঁতিত থকা কম্পিউটাৰত দামটো ওলাই যায়। কেৱল দামটোৱেই নোলায়, কোনো কোনো মলৰ কম্পিউটাৰে দামটো কৈয়ো দিয়ে। প্ৰতিটো বস্তুৰ গাত থকা সেই আঁককেইডালতে এই ৰহস্যটো সুমাই থোৱা আছে। আপুনি যিমান মূল্যৰ বস্তু ল'লে—কম্পিউটাৰে আপোনাক দেখুৱায়ো দিলে, কৈয়ো দিলে। এতিয়া জেপৰ ডলাৰ দি বস্তু নিজৰ কৰি ল'লেই হ'ল।

টেবুলৰ ওপৰেদি চোচোৰাই ননাকৈ আপুনি পুনুতক্তে নিজৰ

সোনা বা জেপত বস্তু ভৰাই সাৰি আহিব নোৱাৰে ; কাৰণ, ছেনাজিটিভ্ নাম্বাৰ কৰ্ডকেইডাল আপুনি দুৱাৰ পাৰ হওঁতে দুৱাৰত কিঁট কিঁট কৈ বাজি জনাই দিব যে আপুনি হাত চাফাই বিদ্যাত লাগিছে! আমাৰ দেশৰ কোনোবা কোনোবা বিদেশলৈ আহি টিপতে বস্তু নিব খুজি ধৰা পৰাৰ লাজৰ ঘটনাবোৰ এনেকৈয়ে ঘটে বোধকৰোঁ। মুঠতে মলৰ পৰা চুৰ কৰি সৰাৰ উপায় নাই। কিন্তু এবাৰ টেবুল বা দুৱাৰ পাৰ কৰি অনা বস্তুটো লৈ দ্বিতীয় এখন মলত সোমালে বা সেই একেখনতে ঘূৰি সোমালেও আৰু নেবাজে। অৰ্থাৎ, সি এবাৰেই শব্দ কৰি জীৱনলৈ স্তব্ধ হৈ যায়।

গ্ৰ'ছাৰি বা আমাৰ ভাষাত গেলামালৰ দোকান-বজাৰতো তদ্ৰূপ। এখন গ্ৰ'ছাৰিত সোমাই দেখিলোঁ—ঠাকে ঠাকে আলু, পিয়াঁজ, মটৰ, মূলা, কবি, পালেং, ৰঙালাউ, জাতিলাউ, বিলাহী, ধান হৰেক ৰকমৰ শাক-পাচলি সজোৱা আছে। আপুনি লগাখিনি ট্ৰলীত ভৰাই ল'লেই হ'ল।

ইয়াত চাউল-দাইলো পেকেট কৰি থোৱা আছে। আপুনি ঘৰলৈ নি পেকেটটো ফালি আপোনাৰ কুকাৰত ঢালি দিলেই হ'ল, বেলেগে ধুই লোৱাৰ কথা নাই! টিনত থকা খাদ্যৰতো কথাই নাই। গাখীৰো পেকেটত কেইবাদিনলৈ থাকে। ইয়াত অৱশ্যে গাখীৰ মানে গাখীৰ ; গাখীৰত যে পানী দিয়ে—এই কথাটো এওঁবিলাকে নাজানে। কোনোবা এজনে বোলে এবাৰ ইয়াত সুধিছিল—

"বিশুদ্ধ গাখীৰ তো ?"

"মানে ?" দোকানীয়ে গ্ৰাহকৰ প্ৰশ্নটো নুবুজি 'বিশুদ্ধৰ' অৰ্থ সুধিলে।

"পানী দিয়া নাইতো ?"

"গাখীৰত পানী ? গাখীৰতো এনেয়ে পনীয়া বস্তু। তোমালোকৰ দেশত পানী দিয়ানে কি ?"

"বহুতে দিয়ে।"
"তোমালোকৰ গাখীৰ ক্ৰিমৰ দৰে ডাঠ নেকি ?"
আমাৰ গোৱালে যে গাখীৰৰ টিনটো খালে-দোঙে, পুখুৰীয়ে-নৈয়ে গা-ধুৱাই ধুৱাই আনোতে একলিটাৰ গাখীৰ বাঢ়ি গৈ দুই লিটাৰ হয়, বগা গাখীৰ গৈ কেহেঁৰাজ বৰণীয়া হয়—সেই খবৰ এওঁবিলাকে নাপায়। গোৱালকনো কিয় অকলে দোষ দিওঁ ? আমাৰ ঘৰ বিলাকতো দেখোন গাখীৰ খীৰাই আনি 'বাট-জুৰণি' বুলি পানী অকমাণ ঢালি দিয়াৰ দস্তুৰ চলি আছে !
মাছ-মঙহৰ দোকানৰ ফালে গৈ দেখিলোঁ কাঁচৰ আলমাৰিত গৰু, গাহৰি, ছাগলী, ভেড়া, কুকুৰাৰ মঙহ কাটি-বাছি জুখি-মাখি থৈ দিয়া আছে। এটা আলমাৰিত সিজাই থোৱা মঙহ আছে। মাছো তেনেভাৱে হয় কাটি থোৱা নাইবা সিজাই থোৱা আছে। আপুনি কি আৰু কিমান লাগে—ক'লেই হ'ল।
এটা কাঁচৰ ডাঙৰ পাত্ৰত মাছ জীয়াই থোৱা আছে। পাত্ৰৰ ভিতৰৰ পানী মাছৰ বাবে প্ৰয়োজনীয় উষ্ণতাত ৰখা আছে। আপুনি চাই-চিতি 'মোক এইটোকে লাগে' বুলি দেখুৱাই দিলে, তাৰ পৰা ধৰি আপোনাৰ হাতত তুলি দিবলৈ মানুহ বৈ আছে। কেকোঁৰা আৰু শামুকো ৰাখিছে। ভেকুলী দেখা নাপালোঁ; কিন্তু, ইয়াত ভেকুলীৰ খেতিও কৰে আৰু যথেষ্ট বিক্ৰীও হয়। অৱশ্যে আমাৰ ঘৰৰ চুকত থকা থহুৱা গৰাকী নহয়; পানীত থকা ডাঙৰ আকাৰৰ—যাৰ ঠেং একোটা ডাঙৰ কুকুৰা একোটাৰ ঠেঙৰ সমান হয়।
মাছ-মঙহৰ এই ভৰাঁল দেখি আমাৰ প্ৰসিদ্ধ কবি আৰু সমালোচক, সাহিত্য সভাৰ পাঠশালা অধিৱেশনৰ সভাপতি ড° মহেন্দ্ৰ বৰাৰ মনত পৰিল। শুনামতে, তেখেতে কটন কলেজত অধ্যাপনা কৰি থকাৰ সময়তে অৰ্থাৎ পঞ্চাছৰ দশকতে, এদিন মঙহ আনিবলৈ ধন কম হোৱাত চাইকেলখনকে বিক্ৰী কৰি দিলে; তথাপি সেইদিনা

মঙহ আনিছে এবিবলে ! তেখেতৰ কনিষ্ঠ ভাতৃ, নগাঁও কলেজৰ অধ্যাপক প্ৰভাত বৰাও এই বিষয়ত পিছপৰা নহয় বুলি জানো, বৰং অকমান বেছিয়েই বুলিব পাৰি। কাৰণ, মঙহৰ ক্ষেত্ৰত ডাঙৰ-সৰুৰ জাত বিচাৰ কৰাটো কনিষ্ঠ গৰাকীয়ে উচিত বুলি নাভাৱে ! আমেৰিকাৰ মাছ-মঙহৰ এই বজাৰ দেখি আমাৰ অসমৰ মাছৰ বজাৰলৈ আৰু তাৰ অৱস্থালৈ মনত পৰাটোও স্বাভাৱিক।

বজাৰ-সমাৰ চাই আমি এইবাৰ বেলেগ পথেৰে নিউয়ৰ্কলৈ গলোঁ —সাগৰৰ পাৰেদি—আটাইতকৈ দীঘল দলংখনৰ কাষেদি।

ইয়াত অৱশ্যে এওঁবিলাকে আমেৰিকাৰ সম্পৰ্কত সকলোতে ‘ছুপাৰলেটিভ ডিগ্ৰী’ ব্যৱহাৰ কৰে। পৃথিৱীৰ ভিতৰত আটাইতকৈ ওখ, আটাইতকৈ বহল, আটাইতকৈ গধুৰ—ইত্যাদি। কিন্তু এওঁবিলাকে ‘আটাইতকৈ পুৰণি’ বুলি গৌৰব কৰিব পৰা বিষয় বা বস্তু হ’লে দেখা নাই। কাৰণ, আমেৰিকাৰ ইতিহাস এক-প্ৰকাৰ কবলৈ হ’লে দুশ বছৰীয়া ইতিহাস। আমেৰিকা হ’ল—নতুন পৃথিৱী। অৱশ্যে ন-চহকীৰ ভেম আৰু অহংকাৰ দুয়োটা এওঁলোকৰ আছে। কিন্তু সাংস্কৃতিক ঐতিহ্য নথকা দেশ এখনৰ ভেম আৰু অহংকাৰৰ অন্তঃসাৰশূন্যতাৰ প্ৰকাশো বিভিন্ন প্ৰকাৰে প্ৰতিফলিত নোহোৱাকৈ থকা নাই। যাৰ অতীত নাই, সি বৰ্তমানকে ডাঙৰ কৰে। আমেৰিকাৰো সেয়ে হৈছে। তদুপৰি, আমেৰিকা হ’ল মিশ্ৰিত সংস্কৃতিৰ দেশ—পৃথিৱীৰ বিভিন্ন দেশৰ মানুহ আহি গোট খাই পতা দেশ। সেইবাবেই ইয়াত যেন এটা সাংস্কৃতিক দৰিদ্ৰতা চকুত লগাকৈ বিয়পি আছে।

আমেৰিকাৰ কবি ই. ই. কামিংছৰ কবিতাৰ পেৰডি কৰি ক’ব পাৰি :

> **The greatest poverty is to live in**
> **an affluent world.**

আমেৰিকাৰ ঐশ্বৰ্য-সম্ভাৰ চাই, ভোগ আৰু প্ৰাচুৰ্যৰ উপলব্ধি কৰি আমি যেতিয়া নিউয়ৰ্ক পাওঁগৈ তেতিয়াও বেলি লাহিয়াবৰ হোৱা নাই। গ্ৰে-লাইন টুৰৰ কাৰেদি যাওঁতে এবাৰ চকু ফুৰাই গ'লোঁ—মোৰ মোনাচোৰ দুটাক ক'ৰবাত দেখো নেকি। চিটি বেংকত মোৰ চেক ভঙাই, এয়াৰ ইণ্ডিয়াৰ পৰা টিকট সংগ্ৰহ কৰি নিউয়ৰ্কৰ পৰা ওলাই আহিলোঁ। কাৰণ, ইলিংছ টাউনত থকা নোমল দত্তৰ ঘৰত সেই ঠাই আৰু অন্যান্য ঠাইতো থকা আমেৰিকা-অসম সংঘৰ সদস্যসকলে মোলৈ বাট চোৱাৰ কথা। নিউয়ৰ্কৰ পৰা প্ৰায় দুঘণ্টাৰ বাট গৈ দত্তৰ ঘৰ পোৱালৈ আবেলি ৬ বাজিবৰ হ'ল। এই অঞ্চলত নতুন বসতি হৈছে। একেধৰণৰ কাঠৰ ঘৰ। ইয়াত আকৌ কোনো কোনো ঠাইত বাৰীত জেওৰা-জপনা দিয়াৰ নিয়ম নাই। অৱশ্যে, বাৰীত জেওৰা ভাঙি সোমাবলৈ আমাৰ গৰু-ছাগলীবোৰো নাই।

সকলো ঘৰ একে আকাৰৰ নহয়, কিন্তু সন্মুখৰ ফালে প্ৰত্যেক ঘৰৰ সমান ঠাই থাকিব লাগিব; নিয়ম অনুসৰি চোতালত ঘাঁহ ৰুব লাগিব; আমাৰ দৰে গোবৰেৰে চোতাল মচি তুলসী তলত চাকি জ্বলোৱাৰ সুযোগ ইয়াত নিমিলে। সঁচাকৈয়ে—

"দুখনি লাৱনী হাত নেদেখিলোঁ
মচি থ'বলৈ বুলি অহা
চোতালৰ তুলসীৰ তল।"

কিন্তু দেখিলোঁ আমাৰ গাড়ী গৈ পোৱাৰ লগে লগে দত্ত আৰু শ্ৰীমতী দত্ত হ'লে খৰ-খেদাকৈ ওলাই আহিল। এয়া তেওঁবিলাকৰ নিজা ঘৰ। সকলো আমেৰিকান ঘৰৰ দৰেই সকলো প্ৰয়োজনীয় আধুনিক সা-সুবিধাৰে সজ্জিত ঘৰ। লগতে দাঁতিৰ আয়নাৰ কেছত অসমীয়া বঁটা, শৰাই, সঁফুৰা আদিও সজাই থোৱা আছে।

চাহ-পৰ্বৰ পিছত ড° দেৱ বৰা আৰু প্ৰশান্তই বিদায় ল'লে।

দত্তৰ ঘৰটো দুমহলীয়া। ঘুৰি-পাকি চালোঁ; পিচফালৰ লনলৈ গ'লোঁ। তাৰ সিদাঁতিত অকমাণ খেতি কৰিছে—তিতা কেৰেলা, বেঙেনা, জলকীয়া আৰু দুজোপা মান পালেং শাক জাতীয় শাকৰ খেতি।

এজন-দুজনকৈ আলহীসকল আহিল। কোনোবা দহ মাইল দূৰৰ পৰা, কোনোবা কুৰি মাইল, কোনোবা পঞ্চাছ মাইল দূৰৰ পৰা। অসম সাহিত্য সভাক, মই প্ৰধান সম্পাদক থকা কালতে গৈ বষ্টনৰ কাকতৰ মাইক্ৰ'ফিল্মৰ বাকচ কেইটা দিয়া স্ত্ৰী উমেশ তহবিলদাৰ আৰু তেখেতৰ পৰিবাৰ, ৰবীন খাউণ্ড, তেখেতৰ পৰিবাৰ আৰু ল'ৰা দুটি, পৱিত্ৰ দত্ত আৰু তেখেতৰ পৰিবাৰ, যোৰহাটৰ শ্ৰীযুত সুধীৰ বৰুৱা—দেৱেশ্বৰী বৰুৱাৰ কন্যা বাণী আৰু তেওঁৰ আমেৰিকান স্বামী, ডº নবীন বৰদলৈৰ জী-জোঁৱাই, —এনেকৈ প্ৰায় কুৰি-প'চিছ জনমান মানুহ গোট খালে। প্ৰত্যেকৰে লগত চিনাকী হলোঁ। অমূল্য শইকীয়াই আন্দোলনৰ সময়ত ইয়াৰ পৰা অসমলৈ দৰৱ আৰু শিশু খাদ্য আদি পঠোৱাৰ কথা ক'লে। প্ৰথমবাৰ দিল্লীত সংসদসদস্য শ্ৰীদীনেশ গোস্বামী আৰু কোনো কোনোৱে সেইখিনি গ্ৰহণ কৰাৰ সংবাদ দিলে; দ্বিতীয়বাৰ পঠোৱাৰ বোলে সংবাদ নাপালে। মই খবৰ কৰিম বুলি ক'লোঁ।

শ্ৰীমতী পলি শইকীয়াই ক'লে,—"আমি পৰহিলৈ ইয়াত আমাৰ ল'ৰা-ছোৱালীক অসমীয়া ভাষা আৰু নৃত্য-গীত শিকাবলৈ এখন স্কুল খুলিব খুজিছোঁ। আপুনি কেনে দেখে?"

"কেনে দেখে মানে? আপোনাসকলৰ এই উৎসাহ আমাৰ তাত থকা সকলৰ বাবেও আদৰ্শনীয় হ'ব।"

"আপুনি থাকি মুকলি কৰি গ'লেতো অতিশয় আনন্দিত হ'ম; নহলেও এটা শুভেচ্ছা-বাণী লিখি থৈ যাব।"

"মই পৰহিলৈ ঘুৰিব লাগিব। এতেকে পিছৰটো অনুৰোধকে ৰক্ষা কৰিম।"

সোমল দত্তই ক'লে,—"ৰক্ষা কৰিম নহয় ; এতিয়াই ইয়াতে লিখি থৈ যাব লাগিব—কেৱল শুভেচ্ছাবাণীয়েই নহয়, আমাৰ "আছা"ৰ (ASA) বুলেটিনৰ বাবে একপৃষ্ঠা মানৰ হ'লেও কিবা এটা।"

মই অকমাণ নীৰৱ হ'লোঁ। তেওঁ সুধিলে, "মনে মনে থাকিল দেখোন ?"

মই উত্তৰ দিলোঁ, "ভাবিছোঁ—সঁচাকৈয়ে ঢেঁকীৰ আজৰি নাই—স্বৰ্গলৈ গ'লেও ধান বানিবই লাগে।"

আটায়ে হাঁহিলে।

প্ৰত্যেকৰে এটা কথা : ৰেষ্ট্ৰিক্টেড্ পাৰ্মিট উঠোৱাৰ যত্ন কৰিব লাগে। অনানুষ্ঠানিক কথা-বতৰাৰ পিছত 'আছা'ৰ সভাপতি দত্তই আনুষ্ঠানিকভাৱেই আৰম্ভ কৰিলে আৰু আমেৰিকাত থাকিও অসমৰ বাবে কাম কৰিবলৈ থকা তেখেতসকলৰ আগ্ৰহৰ কথা ক'লে। তেওঁবিলাকে আমেৰিকাৰ পৰা আমাৰ লৰা-ছোৱালীৰ উপযোগী কিতাপ-পত্ৰ, শিক্ষাৰ সঁজুলি আদি পঠোৱাৰ ইচ্ছাৰ কথাও ক'লে। মই সকলোকে ধন্যবাদ জনালোঁ আৰু আমেৰিকাত থাকি কেনেকৈ সহায় কৰিব পাৰি—সেই বিষয়ে মোৰ ধাৰণাৰ কথা ক'লোঁ। লগতে ক'লোঁ যে আমেৰিকা-অসম সংঘই বছৰি ৰচনা-প্ৰতিযোগিতা পাতি বটা দিবৰ বাবে মোৰ প্ৰধান সম্পাদকৰ কালতে সাহিত্য সভাক দিয়া দহ হেজাৰ টকাৰ পুঁজিটো খুব সহজে পঁচিছ হেজাৰ কৰি দিব পাৰে ; আমাৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ উপযোগী বিজ্ঞান-বিষয়ক পুথি-পত্ৰ যদি উপহাৰ স্বৰূপ পঠাব খোজে, অসম সাহিত্য সভালৈ পঠালেই সুবিধা হ'ব বুলিও ক'লোঁ। লগতে ক'লোঁ—আমেৰিকাৰ বিভিন্ন বিষয়ৰ সম্পৰ্কে তেখেতসকলে অসমৰ কাকতলৈ প্ৰবন্ধ-পাতি লিখিব পাৰে। যেনে—এছবেছটছৰ সলনি টাইল ব্যৱহাৰ কৰিবলৈ হ'লে কম খৰচত টাইল প্ৰস্তুত কৰাৰ কিবা পদ্ধতি আছেনে নাই, বিভিন্ন ব্যৱহাৰ্য সৰু-সুৰা সামগ্ৰী উৎপাদনৰ বাবে কেনেধৰণৰ ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠা কৰিব পাৰি

আৰু তেখেতসকলে এই বিষয়ত কেনেধৰণেৰে সহায় কৰিব পাৰে ; আমেৰিকাৰ বিভিন্ন শিক্ষানুষ্ঠানত বৃত্তিমূলক শিক্ষাৰ বাবে কেনেধৰণৰ সুবিধা আমাৰ ছাত্ৰ-ছাত্ৰীসকলে পাব পাৰে— ইত্যাদি ইত্যাদি।

মই মানুহঁখিনিলৈ চালোঁ। 'আনা'ৰ ( AANA ) সভাত যোগ দি থকা সকলৰ দৰেই এই সকলৰো এটা আন্তৰিক ইচ্ছা আৰু আগ্ৰহ আছে—অসমৰ বাবে কিবা এটা কৰাৰ। মই ক'লোঁ— যদি সম্ভৱ হয় 'আছা' আৰু 'আনা'ক লগুণ-গাঁথি দি একেলগ কৰাই দিব লাগে—তেতিয়া হ'লে জোৰ আৰু বাঢ়িব।

তেওঁবিলাকে মোক এটা উপহাৰৰ টোপোলা দিলে! মই হাত পাতি লৈ ধন্যবাদ জনালোঁ।

মিছেছ শইকীয়া আৰু মিছেছ দত্তই একেলগে ক'লে—"টোপোলাটো খোলক।"

টোপোলাটো খুলিম ?

আমাৰ তাততো উপহাৰ পালে, উপহাৰ দিওঁতাৰ আগত খুলি চোৱাটো একপ্ৰকাৰ অভদ্ৰামি।

তেখেতসকলে ক'লে,—"ইয়াত উপহাৰ পোৱাৰ লগে লগে খুলি চোৱাটোৰেই নিয়ম।" মই বুজিলোঁ—আমেৰিকান সংস্কৃতিয়ে উপহাৰ পাওঁতাৰ পৰা লগে লগে উপহাৰটোৰ বিষয়ে প্ৰশংসাসূচক ধন্যবাদ বিচাৰে।

তেওঁবিলাকেই মোক খোলাত সহায় কৰি দিলে : চামৰাৰ এটা সুদৃশ্য ডাঙৰ হেণ্ডবেগ। বিশ্ববিদ্যালয়লৈ পঢ়ুৱাবলৈ যাওঁতে লৈ যোৱা মোৰ চামৰাৰ বেগটোৰ সমান আকৃতিৰ ; কিন্তু তাতকৈ মিহি, সুদৃশ্য আৰু কেইবাটাও খাপ থকা।

মই ধন্যবাদ জনালোঁ। ক'লোঁ—মোৰ খুব ভাল কামত লাগিব। এইবাৰ দত্ত আৰু শ্ৰীমতী দত্তয়ো কিবা-কিবি উপহাৰ আগবঢ়ালে। তাকো খুলিবলগীয়া হ'ল। মনতে ভাবিছোঁ—আমাৰ তাত

বিয়াৰ দিনা দিয়া উপহাৰৰ টোপোলা যদি এনেকৈ খোলাৰ নিয়ম হয়, ভয়ানক কথা হ'ব। কাৰণ, উপহাৰ মেৰিয়াই নিয়া কাগজখন আঁতৰাই নিয়াৰ পিছত কোনো কোনো ক্ষেত্ৰত পুৰণি গেঞ্জী, পঞ্জিকা আৰু ব্যৱহাৰ কৰা প্ৰসাধনৰ টেমা আৱিষ্কৃত হোৱাৰ বহু ঘটনা ঘটিছে। আজিকালিতো মাৰ্বল কাগজেৰে মেৰিয়াই নিয়া বাকচৰ ভিতৰত কমদামী 'টেবুল মেট' আৰু 'এলবাম'ৰ সংখ্যাই বেছি হৈছে।

হাঁহি-ধেমালি কৰি, কথা-বতৰা হৈ সকলোৱে ৰাতিৰ আহাৰ ল'লে। যিসকলে পানীয় সেৱন কৰে, অলপ অলপ গ্ৰহণ কৰিলে। মোক সুধিলে, "লবনে ?"

মই ক'লোঁ, "আমেৰিকালৈ আহি এনেয়ে ৰাগী লাগি আছে, তাত আৰু অধিক যোগ দিলে চম্ভালিব নোৱাৰিম।"

আটায়ে ধেমালি-ধুমুলা কৰি খোৱা-বোৱা কৰি যোৱালৈ প্ৰায় এঘাৰ বাজিবৰ হ'ল। সকলো ঘৰা-ঘৰি ঘূৰিবৰ হ'ল। ময়ো। কিন্তু, এই যে সাত সাগৰ তেৰ নদী পাৰ হৈ আহি একেটা পৰিয়ালৰ মানুহ যেন লগা অসমীয়া মানুহখিনি পাইছোঁহি, এওঁবিলাকৰ মাজত মোৰ মনটোৰ এটা অংশ যেন ৰৈ যাব খুজিছে। বিদেশত যেন মনে বিচৰা সমাজখন পালোঁহি ; ইয়াৰ বাকীবোৰৰ বাবে যেন হৃদয়-দুৱাৰ বন্ধ হৈ গৈছে আপোনা-আপুনি।

এমিলি ডিকিনছনৰ কবিতা এফাকিলৈ মনত পৰিল। তেওঁ কৈছিল—

> The soul selects her own society
> Then shuts the door.

এই মানুহখিনিৰ আন্তৰিক প্ৰীতিৰে মোৰ হৃদয়-পাত্ৰ উপচি পৰিছে। এইখিনিৰে সৈতে যেন মই চহকী হৈ ঘূৰি যাম। ৰবি ঠাকুৰৰ ভাষাত—

> "ভিখাৰি তোৰ ফিৰবে যখন
> ফিৰবে ৰাজাৰ মত"। □

॥ দশম দিন ॥

*A voice cries from the morning*
*and the sea :*
*a voice cries, and my soul in me*
*reaches out hands*
*of longing unspeakable to the*
*new light.*

*—J. R. Anderson*

কালি ৰাতি ইংলিছ টাউনৰ পৰা আহি মৰিছ্ গেলইনছ্ পোৱাওঁতে ১২.৩০ বাজি গ'ল। বিছনাত পৰোঁতে ১ বাজি গ'ল। আজি আমেৰিকাৰ ৰাজধানী ৱাশ্বিংটন ডি. চি. লৈ পুৱা ৬.৩০ বজাত ওলাই যোৱাৰ কথা, থকাৰ বাবেইনে কি পাঁচ বজাতে সাৰ পালোঁ। চকুত টোপনি লাগিয়েই আছে ; কিন্তু শুই থাকিলে হাঁহ ধৰা নহ'ব যেতিয়া খৰ-খৰকৈ যাবলৈ সাজু হ'লোঁ। মোৰ আজিৰ পথ-প্ৰদৰ্শক ড° কৃপা বৰাৰ পৰিবাৰ শ্ৰীমতী বৰা।

'ৱাশ্বিংটন ডি. চি.' কিয় বোলে আগতে জনাৰ প্ৰয়োজন বোধ কৰা নাছিলোঁ। ইয়ালৈ আহিহে জানিলোঁ—ছিয়াটল যিখন ঠাইত, সেইখন হ'ল—ৱাশ্বিংটন ৰাজ্য। এইখন ৱাশ্বিংটন হ'ল—ডিষ্ট্ৰিক্ট কলাম্বিয়াত (District Columbia) থকা আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাজধানী ৱাশ্বিংটন। এতেকে, ইয়াৰ নাম 'ৱাশ্বিংটন। জিলা

কলাম্বিয়া'। মাজৰ পটমেক নদীখনৰ ইপাৰে জিলা ভাৰ্জিনিয়া। অৱশ্যে নদীৰ সেইপাৰেও ৱাশ্বিংটন ডি. চি.ৰ এটা অংশ আছে : পেন্টাগন্। যুদ্ধ-বিগ্ৰহৰ খবৰত পেন্টাগনে অমুক কৈছে বা তমুক কৈছে বুলি ওলায়েই থাকে। পেন্টাগন্ হ'ল আমেৰিকাৰ প্ৰতিৰক্ষা দপ্তৰৰ সদৰ।

শ্ৰীমতী বৰা আৰু মোক ড° বৰাই নেৱাৰ্ক বিমান বন্দৰলৈ আগবঢ়াই দি আহিল। আমি ৮ বজাত কন্টিনেন্টেল্ এয়াৰলাইন্ছৰ বিমানত উঠোঁ ৱাশ্বিংটন বুলি। এঘণ্টা উৰাৰ পিছত ৱাশ্বিংটনৰ নেচনেল এয়াৰপোৰ্টত আমি অৱতৰণ কৰিলোঁ। আমি তাতে বাট চালোঁ International Monetary Fund-ৰ এগৰাকী উচ্চস্তৰৰ বিষয়া, যোৰহাটৰ স্বৰ্গীয় ব্ৰজেন্দ্ৰচন্দ্ৰ বৰপূজাৰীৰ জ্যেষ্ঠপুত্ৰ শ্ৰীজিতেন্দ্ৰগোপাল বৰপূজাৰীলৈ। স্বৰ্গীয় বৰপূজাৰী অসম সাহিত্য সভাৰ লগত ঘনিষ্ঠভাৱে জড়িত আছিল। মই ১৯৫৯ চনত স্কুলত চাকৰি কৰি থকাৰ সময়তে তেখেতৰ যোগেদিয়েই সাহিত্য সভাৰ ওচৰ চাপিলোঁ। 'আবিৰ' ছদ্মনামত লিখা তেখেত 'অগ্নি-দগ্ধা' নামৰ উপন্যাসখন তাৰ আগতে ওলাইছিল। আদৰ্শবান আৰু জাতীয়তাবাদী এই গৰাকীলোক নানা ঘাত-প্ৰতিঘাতৰ সম্মুখীন হোৱা সত্বেও, আদৰ্শ আৰু নীতিৰ পৰা এক চুলিও পিছুলি পৰা নাছিল। ১৯৬৬ চনত উপাৰ্জনৰ থলী 'বিশ্ববাণী' ছপাশালটো যেতিয়া অগ্নিত ভস্মীভূত হ'ল, তেতিয়াও তেখেতে মনোবল অটুট ৰাখিছিল ; ভাগি পৰা নাছিল। অথচ তেতিয়া জিতেন্দ্ৰগোপালে বিলাতত পঢ়ি আছিল। সেই জিতেন্দ্ৰগোপাল এতিয়া আন্তৰ্জাতিক সংস্থাৰ এগৰাকী ওখখাপৰ বিষয়া। তেখেতৰ পত্নী শ্ৰীমতী অৰুণা (শইকীয়া) বৰপূজাৰীও যোৰহাটৰ। শ্ৰীমতী বৰপূজাৰী ভাৰ্জিনিয়া বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা বিভাগৰ অধ্যাপিকা।

আমি কিছু সময় ৰোৱাৰ পিছতে শ্ৰী আৰু শ্ৰীমতী বৰপূজাৰী

আহি পাইছোঁহি। তেখেতসকলৰ ছোৱালী ইংসাক স্কুলত থৈ অহাৰ বাবে আমাক নিবলৈ অহা পলম হ'ল বুলি বাবে বাবে উল্লেখ কৰিলে। আমি ক'লোঁ যে পোন্ধৰ/বিছ মিনিটৰ পলমটো আমাৰ বাবে কোনো সমস্যাই নহয়। ভাৰতবৰ্ষতো নহয়েই।

স্বাধীন আমেৰিকাৰ ইতিহাস মাত্ৰ দুশ বছৰীয়া। অৱশ্যে বৰ্তমানৰ ভাৰ্জিনিয়া ৰাজ্যত আহি ইংৰাজসকলে প্ৰথম বসতি কৰেহি ১৬০৭ খ্ৰীষ্টাব্দতে। এই তাৰিখ ধৰিলে এতিয়ালৈকে প্ৰায় চাৰিশ বছৰ (৩৮১) হয়।

আমি বিমান বন্দৰৰপৰা ওলাই মেট্ৰ' ৰেলপথৰ ওচৰেদি ৰাজধানী-চহৰলৈ আগবাঢ়িলোঁ। তাৰপৰা আগবাঢ়ি গৈ পেণ্টাগনৰ দাঁতিয়েদি পাৰ হৈ পটমেক নদীৰ ওপৰৰ অৰ্লিংটন মেম'ৰিয়েল দলঙেদি পাৰ হৈ পালোঁ লিংকন স্মৃতিসৌধ। বৰ ডাঙৰ ঘৰ নহয়। কিন্তু সুন্দৰ আৰু নিকাকৈ সংৰক্ষিত। ইয়াতে আছে—ডেনিয়েল চেষ্টাৰ ফ্ৰেন্সে সাজি উলিওৱা লিংকনৰ বিশাল প্ৰতিমূৰ্তি। ১৮৬০ চনত আমেৰিকাৰ ৰাষ্ট্ৰপতিস্বৰূপে নিৰ্বাচিত হোৱা আব্ৰাহাম লিংকনেই ১৮৬৩ চনত দাস-মুক্তিৰ আইনৰ কথা ঘোষণা কৰে। শোষিতৰ মুক্তিৰ বাবে থিয় দিয়া লিংকন ১৮৬৫ চনত আততায়ীৰ হাতত নিহত হ'ল।

ৱাশিংটন ডি. চি. সোমায়েই ভাৱ হ'ল—নিউয়ৰ্কতকৈ ই পুৰণি। গ্ৰীক্ স্থাপত্যৰ আহি'ত নিৰ্মিত বিভিন্ন প্ৰাসাদবোৰেই তাৰ সাক্ষী। নিউয়ৰ্কৰ দৰে চহকীঘৰৰ ন-বোৱাৰী যেন লগা নাই; পুৰণি সম্ভ্ৰান্ত পৰিয়ালৰ ঘৰ ধৰা বোৱাৰী যেন লাগিল। আলি-পদূলিবোৰো নিউয়ৰ্কতকৈ পুৰণি আৰু তুলনামূলকভাৱে কম প্ৰশস্ত যেন লাগিল। তদুপৰি অনেক আলিবাটৰ দুয়ো দাঁতিত গছ-গছনিও আছে—যিটো নিউয়ৰ্কৰ মাজ-মজিয়াত দেখা পোৱা নাযায়।

লাহে লাহে আমি আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ চৰকাৰী বাস-ভৱন

"হোৱাইট্ হাউছ"ৰ ওচৰ পালোঁহি। আমাৰ ভাৰতৰ ৰাষ্ট্ৰপতি ভৱনতকৈ ৰহু গুণে সৰু, দুমহলীয়া এটি ঘৰ। অথচ বগা ৰঙৰ এই ভৱনটোৱে পৃথিৱী কঁপাই আছে। আমাৰ ৰাষ্ট্ৰপতি ভৱনৰ কথা নকৰেঁই, তিনমূৰ্তি ভৱনৰ সমানো ই নহ'ব।

গাড়ী ৰখাই ওচৰ চাপি দেখিলোঁ "হোৱাইট হাউছ" চাবলৈ যোৱা দৰ্শনাৰ্থীৰ শাৰী দীঘল হৈ গৈ আছে। আমি শাৰীত সোমাই চাবলৈ আমাৰ হাতত সময় বৰ কম। এতেকে আমি কেপিটল বিল্ডিং অৰ্থাৎ আমেৰিকাৰ সংসদ ভৱন চাবলৈ গ'লোঁ। এইবাৰ গাড়ী ৰখাই শাৰীত থিয় দিলোঁ। আমাৰ হাতত একোখন কাৰ্ড দিলে—প্ৰৱেশ-পত্ৰ। আমাৰ সংসদ চাবলৈ কিন্তু ইমান সহজে কোনেও প্ৰৱেশ-পত্ৰ নাপায়। সংসদ ভৱনটো আমাৰ সংসদ ভৱনৰ দৰে ঘূৰণীয়া নহয়; কিন্তু আমাৰ সংসদতকৈ অধিক কাৰুকাৰ্য খচিত। মাৰ্বলেৰে কৰা এই বিশাল ভৱনটোৰ খুটা, গাঁথনি সকলো পুৰণি গ্ৰীক্ স্থাপত্যৰ আহিৰ্ত কৰা। ভৱনটোৰ মাজত অলিম্পিয়াৰ বিধানসভা ভৱনৰ দৰে সৌধ। ঘাই মহল দুটা। মাটিৰ মহলটো ধৰিলে তিনি মহল। গম্বুজটোৰ ওপৰত স্বাধীনতাৰ প্ৰতীক মূৰ্তি এটি।

আমি সোমাই গ'লোঁ। বাৰান্দাত, বেৰত, ভিতৰৰ বিভিন্ন স্থানত মাৰ্বলত কাটি উলিওৱা গ্ৰীক্ দেৱ-দেৱতাৰ মূৰ্তি। মুঠতে গ্ৰীক্ স্থাপত্য আৰু ভাস্কৰ্যৰ নিদৰ্শনেৰে ভৰপূৰ হৈ আছে সমগ্ৰ ভৱনটো। আমি ঘূৰি-পকি চাই ওলাই আহিলোঁ আৰু এইবাৰ গ'লোঁ—লাইব্ৰেৰী অব কংগ্ৰেছ চাবলৈ। এই পুথিভঁৰালৰ ঘৰটোও ইউৰোপীয় স্থাপত্য আৰু ভাস্কৰ্যৰ যাদুঘৰ যেন হৈ আছে। কলিকতাৰ ৰাইটাৰ্ছ বিল্ডিঙত থকাৰ দৰে গ্ৰীক দেৱ-দেৱতাৰ মূৰ্তিৰে সজ্জিত। ই হ'ল আমেৰিকাৰ সৰ্ববৃহৎ পুথিভঁৰাল। আমেৰিকাত প্ৰকাশিত প্ৰত্যেক পুথিৰ একখনকৈ এই পুথিভঁৰাললৈ যাবই। তদুপৰি, পৃথিৱীৰ সকলো দেশৰ সকলো ভাষাৰ কিতাপ

কম-বেছি পৰিমাণে ইয়াত সংগৃহীত হয়। আমেৰিকাত বাগ্রহ হেজাৰতকৈও বেছি পুথিভঁৰাল আছে আৰু তাৰ ভিতৰতো এই লাইব্ৰেৰীয়েই সৰ্ববৃহৎ। ইয়াৰ ঘৰ-দুৱাৰৰ সংখ্যা, আকৃতি আৰু প্ৰকৃতি বাঢ়ি গৈছে; ইটো ঘৰৰপৰা সিটো ঘৰলৈ যাবলৈ মাটিৰ তলেদি টানেল কৰি—ল'বলগীয়া হৈছে। ১৮০০ চনত ৰাষ্ট্ৰপতি জন এডামছে আমেৰিকান কংগ্ৰেছৰ বাবে আৰম্ভ কৰা প্ৰসংগ পুথিভঁৰালটো আজি এক বিশাল পুথিভঁৰালত পৰিণত হ'লহি। প্ৰতি বছৰে যিখন দেশত ৪৭ হেজাৰতকৈও অধিক কিতাপ প্ৰকাশিত হয়, য'ত প্ৰতিদিনে সকলোধৰণৰ কিতাপ ধৰি এক নিযুত কিতাপ বিক্ৰী হয়, তাত পুথিভঁৰালৰ আকৃতি আৰু প্ৰকৃতি বিশাল হোৱাটোৱেই স্বাভাৱিক।

আমি, ঘাই পঢ়াকোঠাটো মেৰামতি কৰি থকাৰ বাবে চাব নোৱাৰিলোঁ যদিও এটা সামগ্ৰিক ধাৰণা নোহোৱাকৈ নাথাকিল। সমগ্ৰ ঘৰটো ছবি, মূৰ্তি আদিৰে সজ্জিত আৰু অলংকৃত।

পুথি ভৰালটোৰপৰা ওলাই আহোঁতে মন্দিৰৰপৰা ওলাই অহাৰ দৰে নিজকে পৱিত্ৰ যেন লাগিল। যদিও, আমেৰিকাত 'ক্ৰাইম' আৰু 'থ্ৰিলাৰ'ৰ পয়োভৰ বাঢ়ি আহিছে, যদিও শ্লীলতাৰ সকলো বেৰ ভাঙি যৌন-কাহিনী প্ৰকাশৰ জোখ বাঢ়ি আহিছে, তথাপিও গধুৰ গ্ৰন্থ আৰু যথাৰ্থ সাহিত্যৰ প্ৰকাশো হৈ আহিছে। এতিয়ালৈকেতো আঠজন আমেৰিকান লেখকে নোবেল প্ৰাইজ্ পালে: চিন্‌ক্লেয়াৰ লুইচ, ইউজিন-অ'-নীল, পাৰ্ল এচ বাক্, উইলিয়াম ফকনাৰ, আৰ্নেষ্ট হেমিংৱে, জন ষ্টাইনবেক, চউল বেল', আইজাক বছেভিছ ছিংগাৰ—এই কেইজনে। হুইটমেন্, ৰবাৰ্ট ফ্ৰষ্ট, ল'ৱেল ই. ই. কামিংছ আদি কবি; এড্‌গাৰ এলেন পো, অ' হেন্‌ৰিৰ দৰে গল্পকাৰসকলৰ কথা বাদেই দিছোঁ,—নতুন প্ৰজন্মৰ লেখকসকলৰ মাজৰপৰাওতো জন এছবোধ, গিন্‌ছ্‌বাৰ্গ্ আদি শক্তিশালী কবি ওলাই আহিছে; জন আপ্‌ডাইক, নৰ্মেন মেইলাৰ,

ফিলিপ ৰথ আদি শক্তিশালী কথা-সাহিত্যিকে আন্তৰ্জাতিক খ্যাতি অৰ্জন কৰিছে।

ৰৰপুজাৰীয়ে ক'লে,—"হোৱাইট্ হাউছৰ একফাৰ্লংমান আঁতৰৰ-পৰাই খুনী, বদমাছ, গণিকাৰ কাৰবাৰ। ৰাতি অকলে এইবোৰ ঠাইলৈ অহাই টান।"

মইতো অবাক।

তেওঁ ক'লে,—"আমেৰিকাত আটাইতকৈ ভাল যিদৰে আছে, আটাইতকৈ বেয়াও সেইদৰে আছে।"

নিউয়ৰ্কতো—নিয়ন লাইটে দিন যেন কৰি থোৱা ৰাতিৰ ভয়াবহ নিৰ্জনতাত এনেবোৰ শক্তিৰ আৱিৰ্ভাব ঘটাৰ কথা শুনিছোঁ। দিন দুপৰতেতো মোৰ সৰ্বস্ব চুৰি কৰি লৈ গ'ল! তথাপি ৰাষ্ট্ৰপতি-ভৱনৰপৰা অদূৰত এনে লোকে ৰাজত্ব কৰাৰ খবৰটো অবাক হ'ব-লগীয়া নহয় জানো?

হোৱাইট হাউছৰ ওচৰৰপৰাই বিভিন্ন মন্ত্ৰালয় বা দপ্তৰসমূহৰ ভৱন। এইবোৰ ভৱন—আমাৰ দিল্লীৰ ৰেল ভৱন, উদ্যোগ ভৱন, কৃষি ভৱন, শাস্ত্ৰী ভৱনৰ দৰেই। কেৱল পাৰ্থক্য ইমানেই যে এইবোৰ সুন্দৰকৈ ৰাখিছে, আমাৰবোৰৰ সৰহক্ষেত্ৰতে প্ৰতিপাল নাই বা প্ৰতিপাল বৰ কম।

লাইব্ৰেৰী অব কংগ্ৰেছৰপৰা আহি আমি স্পেচ মিউজিয়ামত সোমালোঁ। উৰাজাহাজৰ আৱিষ্কাৰৰপৰা এতিয়ালৈকে বিভিন্ন স্তৰত ব্যৱহৃত উৰাজাহাজ এই সংগ্ৰহালয়ত সংৰক্ষণ কৰি থৈছে। যুঁজাৰু বিমানৰপৰা যাত্ৰীবাহী বিমানলৈকে বেলেগ বেলেগ আকৃতি আৰু প্ৰকৃতিৰ বিমান।

ইয়াত সংগ্ৰহালয়ো বিভিন্ন প্ৰকাৰৰ আছে। গ্ৰীক্ স্থাপত্যৰ আৰ্হিত সজা নেচনেল্ আৰ্কাইভ্ছৰপৰা আধুনিক আৰ্হিৰ 'নেচনেল মিউজিয়াম অব আমেৰিকান হিষ্টৰি'লৈকে ৱাশ্বিংটনত কেইবাটাও প্ৰসিদ্ধ আৰু বিশাল সংগ্ৰহালয় আছে।

ৱাশ্বিংটন ডি.চি. ৰ সৰ্বোচ্চ স্তম্ভটো হ'ল—ৱাশ্বিংটন মনুমেণ্ট। জৰ্জ ৱাশ্বিংটনৰ নামত সজা এই স্তম্ভটোৰ নিৰ্মাণ প্ৰথম বিশ্বযুদ্ধৰ সময়ত ব্যাহত হৈছিল। পিছত তাক সম্পূৰ্ণ কৰি তোলা হয়। পিছৰ অংশটোৰ বৰণ সামান্য ইফাল-সিফাল হোৱাৰ বাবে দূৰৰপৰাই দুটা অংশযে বেলেগে বেলেগে কৰা ধৰিব পাৰি। বৰপূজাৰীয়ে ক'লে,—"ৱাশ্বিংটন ডি. চি.-ত এই স্তম্ভটোতকৈ ওখ কোনো স্তম্ভ বা প্ৰাসাদ কোনেও সাজিব নোৱাৰে।"

লিংকন স্মৃতি-সদনটো চাৰিকোণীয়া। চাৰিওফালে বাৰান্দাত ঘূৰণীয়া স্তম্ভৰ শাৰী। কিন্তু জেফাৰছন স্মৃতি-সদনটো ঘূৰণীয়া, ওপৰটো গোলাকৃতি, আগফালে পৰ্টিক'ৰ দৰে আগবঢ়া। ইয়াতো চাৰিওফালে ঘূৰণীয়া স্তম্ভৰ শাৰী। দুয়োটা স্মৃতি-ভৱনৰ সম্মুখত এফালে পৰিষ্কাৰ নীলা পানীৰ পটমেক নদীখন, চাৰিওফালে সেউজীয়া ঘাঁহনি, ফুলনি আৰু গছ-গছনি। জেফাৰছন স্মৃতি-সদনটো অৱশ্যে পটমেক নদীৰপৰাই হোৱা হ্ৰদ যেন টাইডেল বেছিনৰ কাষত।

ইয়াত সকলো ঠাই নিকা আৰু সুন্দৰকৈ ৰাখে। সি প্ৰাচীন কোনো প্ৰাসাদেই হওক বা "জন এফ কেনেডী চেণ্টাৰ ফৰ দি পাৰ্‌ফৰ্মিং আৰ্টছ''য়েই হওক। তদুপৰি, পুৰণি ঘৰ-দুৱাৰ যথাযথভাৱে সংৰক্ষণ কৰাত এওঁবিলাকে বিশেষ গুৰুত্ব দিয়ে। ৰাটগাৰ্ছ বিশ্ববিদ্যালয়তো দেখিছোঁ ১৮৭৬ চনতে সজা ঘৰ-দুৱাৰৰ বাহিৰৰ পুৰণি আৰ্হি হুবহু একে ৰাখি ভিতৰখন আধুনিকভাৱে সজাই তুলিছে। ইয়াতো পুৰণি ৰাজহুৱা ঘৰ-দুৱাৰ একে ধৰণেৰেই সংৰক্ষণ কৰি আধুনিকভাৱেও ব্যৱহাৰ-উপযোগী কৰি তুলিছে। আমাৰ আকৌ কটন কলেজৰ পুৰণি ঘৰ ভাঙি তাত দুমহলীয়া সজালে! কীৰ্তিচন্দ্ৰৰ ভূতটো অসমীয়া মানুহৰ কান্ধৰপৰা নমাই নাই এতিয়াও!

দহ বজাৰপৰা ঘূৰি-পাকি ভাগৰ আৰু ভোক দুয়োটাকে একেলগে

লগ পোৱা যেন লাগিল। এতেকে, দুপৰীয়াৰ আহাৰৰ বাবে বৰপুজাৰীয়ে তেওঁৰ ঘৰলৈ লৈ গ'ল। পটমেক নদী আকৌ পাৰ হৈ ভাৰ্জিনিয়া জিলাত সোমালোঁ। নিউজাৰ্ছিৰ দৰেই সেউজীয়া ডাঠ গছ-গছনিৰ মাজে মাজে আলিবাট। বৰপুজাৰীয়ে ক'লে যে—ভাৰ্জিনিয়াত আমেৰিকাৰ প্ৰসিদ্ধ নেতাসকলৰ অনেকৰ বাসস্থান। নিউজাৰ্ছিত আকৌ বিজ্ঞানী আৰু শিক্ষাবিদৰ। টেলিফোনৰ আবিষ্কৰ্তা-জন নিউজাৰ্ছিৰ।

আমি আগবাঢ়ি গৈ সোঁফালে ডাঠ হাবি পালোঁ—হাবিৰ মাজলৈ সোমাই যোৱা আলিবাটো দেখিলোঁ। বৰপুজাৰীক সুধিলোঁ—"এইফালে নেচনেল পাৰ্ক-টাৰ্ক কিবা আছেনে কি?"

তেওঁ ক'লে,—"আচলখন পাৰ্কেই আছে—এইফালে আমেৰিকাৰ চোৰাংচোৱা দপ্তৰ চি. আই. এ.-ৰ সদৰ। নিষিদ্ধ এলেকা। বিশাল সাম্ৰাজ্য। সন্মুখত কেৱল ডাঠ হাবি আৰু হাবি, আৰু ভিতৰত 'ৱাশ্বিংটন ডি. চি.' এখন বুলি ধৰক।"

গাড়ীৰপৰাই সন্দিগ্ধ চকুৰে চাই আগ বাঢ়ি গৈ থাকিলোঁ।

বৰপুজাৰীৰ ঘৰ পালোঁগৈ। টাইল্‌ছৰ ছাল। সকলো ঘৰৰ একে টাইল্‌ছ। কাঠৰ টাইলছ্। বেছ আহল-বহল ডাঙৰ ঘৰ-দুৱাৰ। সকলো স্বয়ংক্ৰিয়। তেওঁ গাড়ীখন গেৰেজৰ সন্মুখত ৰাখি, গাড়ীত লৈ ফুৰা ৰিমোট্ কণ্ট্ৰল্‌ডাল হাতত লৈ টিপা মৰাৰ লগে লগে গেৰেজৰ দুৱাৰ খোল খাই গ'ল। আলিবাবাৰ গল্পত পোৱা 'চিচেম্‌ফাক'লৈ মনত পৰি গ'ল। গাড়ীৰপৰা নামি প্ৰথমে মই তেওঁৰ ঘৰ-দুৱাৰ চালোঁ। জখলাৰে বগাই তেওঁৰ বৰচাংখনো চালোঁ। মোৰ ঘাই লক্ষ্য ঘৰৰ ছালবোৰ চোৱা। এছবেছটছৰ পৰা কৰ্কট ৰোগ হয়—এই খবৰটো পোৱাৰ পিছৰপৰাই ভাবি আছোঁ—কম খৰচত যদি আমাৰ তাত টাইল্‌ছ কৰাই ল'ব পাৰি, আমাৰ গাঁৱৰ দুখীয়া মানুহেও ব্যৱহাৰ কৰিব পাৰিব।

বৰপুজাৰীয়ে ঘৰটো তিনিলাখ ত্ৰিছ হেজাৰ ডলাৰত লৈছে;

অৰ্থাৎ আমাৰ ধনেৰে প্ৰায় আঠচল্লিছ লাখ টকা। তেওঁ ক'লে,—
"এতিয়া চি. আই. এ.-ৰ সাম্ৰাজ্য বাঢ়ি যোৱাৰ লগে লগে এইফালে দামো বাঢ়িছে। এইটো ঘৰৰ এতিয়াৰ দাম প্ৰায় আঠ লাখ ডলাৰ; অৰ্থাৎ আমাৰ ধনেৰে প্ৰায় এক কোটি বিছ-পঁচিছ লাখ টকা হ'ব। অৱশ্যে এওঁবিলাকৰ বাবে আঠলাখ ডলাৰ আঠলাখ টকাৰ সমানেই।

খাই-বই উঠি বৰপূজাৰীৰ লগত তেখেতসকলৰ ছোৱালীৰ স্কুললৈ গ'লোঁ—ক'তো সামান্য দাগ এটাও নাই—পৰিষ্কাৰ। আমাৰ স্কুলৰ বেৰ, ডেস্ক, বেঞ্চত একো লিখিবলৈ নাথাকিলে নিজৰ নামটোকে লিখি বিখ্যাত হ'বৰ যত্ন কৰা ল'ৰা-ছোৱালীৰ অভাৱ নাই। স্কুল-কলেজৰ টয়লেটৰ কথা নকৰেঁই—তাত লিখা শব্দ আৰু অঁকা ছবিৰ বিষয়ে ক'বতো নোৱাৰিয়েই, লিখিবও নোৱাৰি। আমাৰ ল'ৰা-ছোৱালীৰ কথা দূৰতে থাকক, বনভোজ খাবলৈ যোৱা ডাঙৰসকললৈকে নাচায় কিয়?

ইয়াৰ প্ৰতিখন স্কুল-কলেজ নিকা, শৃংখলাবদ্ধ আৰু সকলো প্ৰকাৰৰ সা-সুবিধা থকা। নিউজাৰ্ছিৰ (Drew) দ্ৰু বিশ্ব-বিদ্যালয়ৰ ঘৰ-দুৱাৰ, ছে'ইণ্ট এলিজাবেথ কলেজৰ ঘৰ-দুৱাৰ দেখিছোঁ। দেখি ভাল লগা। আমাৰ দেশত ঘৰ-দুৱাৰ হয়, কিন্তু প্ৰতিপালন নাই। আমাৰ অসমৰ অনেক গাঁৱৰ বেৰ-দুৱাৰ, চকী-টেবুলৰ হাত আৰু ঠেং তামোলৰ লগত খোৱা চুণৰ অত্যাচাৰত চিত্ৰ-বিচিত্ৰ। নগৰতেই বা কম ক'ত? মুখ ধোৱা বেছিন আৰু টয়লেটৰ কমুদত তামোলৰ পিক্, বেৰৰ দাঁতিত চুৰটৰ টুকুৰা।

আমি যোৱা বাটেদিয়েই আকৌ ঘূৰিলোঁ—বিমানকোঠলৈ।

আমেৰিকাৰ মানুহৰ স্বচ্ছলতা দেখিছোঁ, ব্যস্ততা দেখিছোঁ, সময় নিষ্ঠা আৰু কৰ্মতৎপৰতা দেখিছোঁ, পৰিচ্ছন্নতা আৰু শৃংখলা দেখিছোঁ; একে লগে—চোৰ আৰু ভিক্ষাৰীকো লগ পাইছোঁ।

এওঁবিলাকৰ নাগৰিক-বোধ আৰু নিয়ম-সচেতনতা মন কৰিবলগীয়া, যাৰ ফলস্বৰূপে দুনীতি বা সামাজিক অপকৰ্মৰ নজিৰ কম। কোনোবাই দুনীতি কৰিলে ধৰা পৰিবই আৰু ধৰা পৰিলে যিমানেই ডাঙৰ মানুহ নহওক শাস্তি হ'বই। নিক্সন যিটো ৱাটাৰ গে'ট কেলেংকাৰীৰ বাবে যাবলগা হ'ল তাতকৈ দহগুণ ডাঙৰ কেলেংকাৰীয়েও ভাৰতৰ নেতা-পালিনেতাক লৰ-চৰ কৰাব নোৱাৰে। বফৰ্ছৰ বন্দুক যিমানেই ফুটি থাকক তালৈ ভাৰতৰ শাসনাধিষ্ঠিত-সকলৰ কোনে পৰোৱা কৰে ?

ঘূৰি আহোঁতেও ভাবি আহিছোঁ—স্বচ্ছলতাই কিন্তু বহুসময়ত ইহঁতক অন্ধ কৰিছে ; যন্ত্ৰই কৰি তুলিছে যান্ত্ৰিক। স্বচ্ছলতা লাগে ; কিন্তু লগে লগে লাগে জীৱনৰ এটা উদ্দেশ্য আৰু সামাজিক দায়িত্ববোধো। সাধাৰণ মানুহে যেন অৰ্থ উপাৰ্জনৰ যন্ত্ৰৰ দৰে কাম কৰে। অৱশ্যে ইমানৰ মাজতো বে'ষ্টনত, ছিয়াটলত, নিউয়ৰ্ক, নিউজাৰ্ছিত সকলোতে সুখত হঁহা আৰু দুখত কন্দা মনসুহটো একেই আছে। ই. ই. কামিংছৰ ভাষাত—

> When skies are hanged and
> oceans drowned
> The single secret will be man. □

॥ অতিৰিক্ত দুদিন ॥

বুজেছি আমাৰ নিশাৰ স্বপ্ন হয়েছে ভোৰ,
মালা ছিল তাৰ ফুলগুলি গেছে, ৰয়েছে ডোৰ।

—ৰবীন্দ্ৰনাথ।

মোৰো ঘূৰাৰ সময় হ'ল। ড° দিলীপ দত্তই ৰোড্ আইলেণ্ডলৈ মাতি গৈছিল ; ৰহমান বৰুৱাই কেলিফোৰ্নিয়ালৈ। ড° কৃপা বৰাই উইলিয়ামছ্ কলেজলৈ যোৱাৰ কথা কৈছিল। প্ৰত্যেকৰে কথা —'আৰু কেইদিনমান থাকক ; আপোনাৰ থকা-খোৱাৰ, ফুৰা-চকাৰ দায়িত্ব আমাৰ।'

ৱাশ্বিংটন ডি. চি. ৰপৰা অহাৰ পিছদিনা সন্ধ্যা ড° কৃপা বৰাৰ ঘৰত আয়োজন কৰা সভাত লগ পোৱা সকলৰো একেটা কথা : "ইমান সোনকালে যায়নে? আমেৰিকা ইমান বিশাল দেশ ; অন্ততঃ আৰু পোন্ধৰ দিন থাকি যাওক।"

মই নীৰৱে হাঁহি মোৰ প্ৰত্যাৱৰ্তনৰ সংকল্পৰ কথাকে জনালোঁ। মই মুখ ফালি এ'লিয়টৰ কবিতাৰে ক'বলৈ নহ'ল - "Every country is home to one man and exile to another." এই বুলিও নক'লোঁ—"A man's destination is his own village, his own fire, And his wife's cooking ; To sit in front of his own door at sunset, And see his grandson and his neighbour's grandson playing in the dust together." তাৰ পৰিবৰ্তে আমেৰিকাৰ অসমীয়া সমাজে কৰিব পৰা দুটা কামৰ কথা ক'লোঁ—এটা হ'ল আমেৰিকাৰ ভালখিনিৰ বিষয়ে অসমক জনোৱা আৰু অসমৰ বিষয়ে আমেৰিকাক জনোৱা ; আনটো হ'ল—স্বচ্ছলতা আৰু যান্ত্ৰিকতাৰ মাজত হেৰাই যোৱা

আমেৰিকাৰ ভিতৰৰ মানুহটোক যদি ভাৰতৰ দৰ্শনৰ পোহৰেৰে হেৰাই যোৱাৰপৰা ৰক্ষা কৰিব পাৰি তাৰ বাবে সহায় কৰা। মই ক'লোঁ—যদিও দহদিন বৰ কম সময়, তথাপি মাৰ্কিন সমাজ-জীৱন আৰু জীৱন-যাত্ৰাৰ পদ্ধতি সম্পৰ্কে মোৰ এটা ধাৰণা ইতিমধ্যেই হৈছে বুলি ভাবিছোঁ। কাম নাথাকিলে এনেধৰণৰ জীৱনৰ ছবি চাই চাই আমনি লাগিব পাৰে ; তাৰ আগতেই প্ৰত্যাৱৰ্তন কৰা ভাল।

সভালৈ এশ-দেড়শ মাইল দূৰৰপৰাও মানুহ আহিছিল। ড° সত্যেন দাস আৰু শ্ৰীমতী ৰেণুকা দাস, ড° শোণিত দাস আৰু শ্ৰীমতী দাস, সহপতি শ্ৰীঅৰূপ শইকীয়া আৰু উঁৰিষ্যাৰ ছোৱালী আহি ,অসমীয়া বোৱাৰী হোৱা শ্ৰীমতী শইকীয়া, শ্ৰীনিৰ্মল চৌধুৰী আৰু শ্ৰীমতী চৌধুৰী, সহপতি শ্ৰীমতী পৰী শইকীয়া আৰু তেওঁৰ মালয়ালম স্বামী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন বিভাগৰ প্ৰাক্তন অধ্যাপক ড° জ্যোতি মেধিৰ জীয়ৰী আৰু জোঁৱাই, শ্ৰীৰাজবংশী আৰু শ্ৰীমতী ৰাজবংশী, শ্ৰীমতী সিন্‌হা, শ্ৰীসুমন সিন্‌হা, শ্ৰীপংকজ সিন্‌হা আৰু শ্ৰীমতী মালা সিন্‌হা, শ্ৰীপ্ৰণৱ ভট্টাচাৰ্য, ড° দেৱ বৰা, প্ৰশান্ত, শ্ৰীদেৱজিৎ শৰ্মা আদি প্ৰায় ত্ৰিছজনমান লোক গোট খালে। শ্ৰীমতী ৰেণুকা দাসৰ সভানেত্ৰীত্বত সভা আৰম্ভ হ'ল—ড° শোণিত শইকীয়াৰ পাঁচবছৰীয়া ল'ৰাৰ বৰগীতেৰে।

মোৰ বক্তৃতাৰ বিষয় আছিল—বৰ্তমানৰ অসমীয়া সাহিত্য।

যুদ্ধোত্তৰ কালৰ অসমীয়া উপন্যাস, চুটিগল্প, কবিতা আৰু নাটকৰ ধাৰাসমূহৰ বিষয়ে আৰু প্ৰধান লেখকসকলৰ বিষয়ে চমু পৰিচয় দি এঘণ্টামানৰ এটা বক্তৃতা দিলোঁ। সমজুৱাসকলৰ মাজৰপৰা দুটা-এটা প্ৰশ্নও হ'ল, উত্তৰো দিলোঁ। আগ্ৰহেৰে শুনিলে আৰু আমাৰ সাহিত্য যে গুণগতভাৱে ইমান আগবাঢ়িছে সেই কথা জানিব পাৰি কেইবাজনেও আনন্দ প্ৰকাশ কৰিলে।

মই কৈছোঁ—যদি সম্ভৱ হয় আমেৰিকাৰ কাকতে-পত্ৰয় অসমীয়া গল্প-কবিতাৰ অনুবাদ প্ৰকাশ কৰিব পাৰিলে ভাল হয়।

মোক এখন ছবিৰ কিতাপ উপহাৰ স্বৰূপে দিলে।

মই অসমৰপৰা লৈ অহা গামোছাৰ শেহৰখন উলিয়াই আনি সমবেতসকলৰ ভিতৰত বয়োজ্যেষ্ঠা শ্ৰীমতী সিন্‌হাৰ কান্ধত দিলোঁ। শ্ৰীমতী সিন্‌হা মণিপুৰৰ আছিল। পিছত যোৰহাটত আৰু গুৱাহাটীত স্থায়ী হ'ল। এতিয়া পুতেক সুমনৰ লগত আমেৰিকাত। গোটেই পৰিয়ালটো হাড়ে-হিমজুৱে অসমীয়া হৈ গৈছে।

ৰাতিৰ আহাৰ খাই সকলো ঘৰাঘৰি গ'ল—কোনোবা এশ মাইল আৰু কোনোবা দেড়শ মাইল দূৰলৈ। এই মানুহখিনিক লগ পাই আকৌ ৰবি ঠাকুৰৰ ভাষাত ক'বৰ মন গৈছে—"পৰবাসী আমি যে দুয়াৰে চাই, তাৰি মাঝে মোৰ আছে যেন ঠাঁই।"

অসমীয়া কবিয়ে ক'বৰ দৰে—

"জগতক ভাল পাওঁ জগততে ফুৰোঁ
সকলোটি মোৰ প্ৰিয়জন"।

পিছৰ দিনটো জিৰণি।

ড° কৃপা বৰা হলেণ্ডলৈ উৰা মাৰিলে কোম্পানীৰ কামত।

মই ড° দেৱ বৰাৰ ঘৰত। লগত প্ৰশান্ত।

তেওঁবিলাকে সুধিছে—আমেৰিকা কেনে লাগিল ?

মোৰ মনত পৰিছে হুইটমেনলৈ—তেওঁৰ সেই বিখ্যাত কবিতা ফাকিলৈ :

I am the poet of the body
and I am the poet of the soul :
The pleasures of Heaven are with me
and the pains of hell are with me.

মই সুধিলোঁ, "তোমালোকৰ কেনে লাগিছে ?"

প্ৰশান্তই ক'লে,—"চিৰদিনলৈকে থাকিব নোৱাৰিব।"
মই ক'লোঁ,—"সেইটো নিৰ্ভৰ কৰিব তোমাৰ অৱস্থাৰ ওপৰত। অৱস্থাই যদি তোমাক ৰাখে, তুমি থাকিব লাগিব। তদুপৰি আমেৰিকাত থকাৰ দৰে আন দেশততো থাকিব নোৱাৰিবা।"
মই আমেৰিকালৈ অহাৰ আগতে আমাৰ সংসদীয় দপ্তৰৰ ৰাজ্য-মন্ত্ৰী এম. এম. জেকৱক লগ পাওঁতে তেওঁ কৈছিল: "ৰাছিয়া আমাৰ বন্ধু দেশ; আমেৰিকাৰ লগত সেই বন্ধুত্ব নাই। কিন্তু কোনোবাই যদি বসবাস কৰিবৰ বাবে এই দুখনৰ এখন দেশ বাছি ল'বলৈ মোক কয়, মই আমেৰিকা বাছি ল'ম।"
আমেৰিকাত এই ব্যক্তি স্বাধীনতাৰ বাবেই ইয়াৰ প্ৰতি অনেকৰ আকৰ্ষণ। তদুপৰি, ইংলেণ্ডৰ দৰে বৰ্ণ-বৈষম্যও ইয়াত নাই।
এতিয়া 'উভতি যোৱাৰ গান'।
ৰবাৰ্ট ফ্ৰষ্টে ক'বৰ দৰে—

To day will be the day
you said so
To day will be the day what we both said.

আবেলি পাঁচ বজাত ড° বৰাৰ গাড়ীত জন. এফ. কেনেডী বিমান বন্দৰলৈ ওলালোঁ। বিশাল বিমান কোঠ। প্ৰতি মিনিটত কেইখন বিমান উঠিছে আৰু কেইখন পৰিছে, নজনাকৈ কোৱা টান। আমি আহি থাকোঁতে বাটতে দুৰ্বাদল বৰষুণ আৰম্ভ হ'ল—শিল-বৰষুণ। ফ্লাই অ'ভাৰবিলাকৰ তলে তলে অনেক গাড়ী বৈ গৈছে। নিউয়ৰ্কত বহুদিনৰ মূৰত এই বৰষুণ। গ্ৰাউণ্ড ৱাটাৰ লেভেল তললৈ নামি গৈছিল, ঠায়ে ঠায়ে ঘাঁহবোৰ ৰঙচুৱা পৰিছিল। এই-জাক বৰষুণ যেন আশীৰ্বাদ হৈ আহিল। আধাঘণ্টাতকৈও অধিক সময় কলহৰ কাণে ঢলাদি বৰষুণ ঢালিলে। মেঘৰ গাজনি আৰু বিজুলীৰ চমকনি চলি থাকিল। সঁচাকৈয়ে—প্ৰকৃতিৰ ৰূপ সকলোতে একে। মোৰ অসমত থকা যেন লাগিছে।

আমি জামেইকা দ্বীপৰ কাষে কাষে সাগৰৰ পাৰে পাৰে আহি আছোঁ। গাড়ীৰ কাঁচৰ মাজেদি এবাৰ সাগৰৰ ফালে আৰু এবাৰ নগৰৰ স্কাই স্ক্ৰেপাৰবোৰৰ ফালে চাইছোঁ—এফালে প্ৰকৃতিৰ বিশালতা। আচাৰ খাই পৰা আটলাণ্টিকৰ ঢৌ। এফালে মানুহৰ দক্ষতা আৰু কৌশল: 'মানুহৰ বীৰ্য্য আৰু নিয়তিৰ জয়'!

মোৰ মনৰ ছবিৰ বাকচটো এইকেইদিন লগপোৱা মানুহ, দেখা ঠাই, শুনা কথাৰে ভৰপূৰ হৈ পৰিছে। পাৰ হৈ যোৱা মুহূৰ্ত্ত-বোৰ ঘূৰাই নাপাওঁ; কিন্তু ৱৰ্ডছৱৰ্থৰ "ডেফ'ডিলছ্" ফুলৰ সোঁৱৰণিৰ দৰে মাজে মাজে আহি মোৰ অকলশৰীয়া মুহূৰ্ত্ত-বোৰত মোক সিহঁতে নিশ্চয় লগ দিব।

এয়াৰ ইণ্ডিয়াৰ বিমান বৈ আছে। সন্ধ্যা ৮ বজাত উৰা মাৰিব—লণ্ডনেদি দিল্লীলৈ—আটলাণ্টিকৰ ওপৰে ওপৰে, ইউৰোপ আৰু এছিয়াৰ দেশবোৰৰ ওপৰে ওপৰে।

সঁচাকৈয়ে—A man's destination is his own home.

আমেৰিকাক বিদায়-সম্ভাষণ জনালোঁ। ড° দেৱ বৰা আৰু প্ৰশান্তই হাত জোঁকাৰিলে।

কবি ডবিল্উ এইছ অডেনৰ সুৰত মনৰ ভিতৰতে ক'লোঁ:

*So, good-bye to the house with its*
*...Good-bye to the wall-paper red beautiful birds*
*on the wall,*
*It's good-bye, dear heart, good-bye to you all.*

# পৰিশিষ্ট

## ক্ষমা প্ৰাৰ্থনা

কিতাপত থকা ছপাৰ ভুল আৰু ভাতৰ লগত মিহলি হৈ থকা শিলগুটি—দুয়োটাৰ 'সোৱাদ' একে। নিজে আহি'কাকত চাবলৈ নোপোৱাৰ ফলত আমেৰিকাত দহদিন'তো পাঠক-পাঠিকাই সেই 'সোৱাদ'ৰ জুটি পাব। উদাহৰণ স্বৰূপে—(১) বিদেশী শব্দত ণ'ত্ব বিধি বা ষত্ব বিধি নাখাটে যদিও ইয়াত ইংৰাজী হৰ্ন শব্দটো হৰ্ণ হৈ বাজি আছে ( পৃঃ ১৮ ); (২) হ'ব, হ'ল, ল'বা আদি শব্দত থাকিবলগীয়া উধৰ্ব কমাটো "পশ্চাশোধনং বনং ব্ৰজেৎ" আপ্ত বাক্য মানি অদৃশ্য হ'ল ; (৩) গাঁও শব্দৰ 'গ'ৰ আকাৰৰ ওপৰত থাকিবলগীয়া ঁটোৱে 'ও'ৰ ওপৰত বহি গান গাই আছে ; (৪) 'ৰ' আখৰ থকা শব্দবোৰৰ 'ৰ'-টো মৰি ভূত হৈ 'ব' হ'ল ; (৫) আঠ শব্দটোৰ দৰে 'ঠ' থকা শব্দবোৰৰ 'ঠ'টোৱে বঙলা ৰূপ লৈ বিভিন্ন ঠাইত 'ট' হৈ টক-টকাই আছে ( পৃঃ ৬১—৬৩ আৰু অন্যান্য ঠাইত ) ; অসমীয়া স্ত্ৰী-প্ৰত্যয় 'নী' মাত্ৰাৰ ওৰণি গুচাই 'ণী' হৈ আছে ( কৰ্মচাৰিণী, পৃঃ ৪৯ )—ইত্যাদি।

ইয়াৰ উপৰিও যিবোৰ ছপাৰ ভুলে শব্দৰ অৰ্থৰ বিভ্ৰাট ঘটাইছে, প্ৰথম চৌষষ্ঠী পৃষ্ঠাত দেখা তেনে কেতবোৰ তলত দিয়া হ'ল।

| পৃষ্ঠা | শাৰী | আছে | হ'ব লাগে |
|---|---|---|---|
| ১ | শেহৰ শাৰী | লগতে | লগৰে |
| ৫ | ১৫ | হোৱাটোৱে | হোৱাটোৱেই |
| ১২ | ৩ | চীনৰ | চীনত |
| ১৬ | ২৫ | প্ৰশান্ত | প্ৰশস্ত |
| ১৮ | ১১ | ব্যৱহাৰ্যমান | ব্যৱহাৰ্যমান |
| ১৯ | ১৪ | প্ৰথম শব্দ 'বৰা'ৰ | পিছতে বন্ধনী শেষ কৰাৰ চিন হ'ব লাগে। |
| ২২ | ৩ | টুৰিছ | টুৰিষ্ট |
| ২২ | ৯ | চাবিমহলালৈয়ে | চাবিমহলালৈ যে |
| ২২ | শেহৰ শাৰী | প্ৰথম শব্দ 'সদায়'ৰ | পিছত দাড়িৰ পৰিবৰ্তে ডেছ (—) হ'ব লাগে। |

| পৃষ্ঠা | শাৰী | আছে | হ'ব লাগে |
|---|---|---|---|
| ৩৭ | ৭ | চিঠি | চিটি |
| ৩৭ | ১২ | আদি | ৰচিদ |
| ৩৭ | ২১ | বেক | চেক |
| ৩৮ | ১৭ | 'নিজা' | 'পিজা' |
| ৪০ | ২৪ | 'সদৃশ' শব্দটোৰ | পিছত প্ৰশ্নবোধক চিন (?) হ'ব লাগে। |
| ৪১ | ১ | ভিকিনছনে | ডিকিনছনে |
| ৪১ | ১৮ | কোম্পানী | কোম্পানীয়ে |
| ৪২ | ১০ | প্ৰতিষ্টানবোৰে | প্ৰতিষ্ঠানবোৰে |
| ৪৩ | ১ | মিত্ৰম | মিত্ৰ |
| ৪৪ | ১৪ | ডেকা | ডেকাৰ |
| ৪৪ | ২০ | লোৰাটোখে | লোৰাটোৱে |
| ৪৫ | ১১ | জীয়েকৰ | জীয়েক |
| ৪৮ | ১৬ | বিমানকোট | বিমানকোঠ |
| ৪৮ | ২৪ | আজিও | আহিও |
| ৪৯ | ৭ | মোকি | মে'-কি |
| ৪৯ | ২৫ | ষোৰা | থোৰা |
| ৫১ | ১৮ | বেল্টন | বেণ্টন ( পুনৰ ৬২ পৃষ্ঠাতো তদ্ৰূপ ভুল ) |
| ৫৯ | ২ | ভাৰতবৰ্ষ | ভাৰতবৰিষ |
| ৬৪ | ১৮ | ANNA | AANA |
| ৬৪ | ২১,২৩ | আন্না | আনা—ইত্যাদি-ইত্যাদি। |

অধ্যায়ৰ প্ৰথম পৃষ্ঠাবোৰত ছপা হোৱা গোলাপফুল পাহো কম্পোজিটৰ আৰু আহিৰ্কাকত চাওঁতাৰ সৌন্দৰ্যবোধৰহে পৰিচায়ক, লেখকৰ শিল্প-প্ৰেমৰ নিদৰ্শন নহয়। ।☐